# কলং আজিও বয়

(এটি চুটি গল্পৰ সংকলন)

ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য

# সূচী

কলং আজিও বয়/১

ছিৰালা আৰু চিন্দুইন/২৫

এজনী জাপানী ছোৱালী/৩৭

সি, জম্‌জম্‌ আৰু জুইকুৰা/৫৩

নেতাজী আৰু ইঙাইজং/৭৫

সিও এক জগতৰে কথা/৯৪

প্ৰফুল্ল বড়া/১০২

সৰু সৰু চাপৰ কিছুমান ঘৰ/১১৪

ৱাৰ্ড নং দুই/১৩২

শোন্তি/১৪৫

# কলং আজিও বয়

সোণৰ কলং, ৰূপৰ কলং—সোঁতৰ ছেৱে ছেৱে নাচে। ৰূপে তিৰেবিৰায়, জোনে ভুমুকিয়ায়, নিশা কেতেকীয়ে মাতে। পাৰৰ বালি জুৰি পোহৰে উমলি নাচে। নিয়ৰত কুমলি ধৰণী শীতলি পৰে। শীতলা ধৰণীৰ এপাৰে দূৰণিত গাঁৱৰ ঘৰবোৰে মাতে। ঘৰৰ আশে-পাশে সেউজী গছনিত হেজাৰ বছৰে হাঁহে। ইপাৰে কাষতে বহল ৰাজআলিয়ে নগৰ বিচাৰি লৰে।

মাজতে কলঙে অঁকোৱা-পকোৱা পানী বাট বাগৰি বয়। মনিছৰ পাৰঘাট পুৱা বা গধূলি কথাৰে মুখৰিত হয়। পুৱাৰে কলঙত গঞাই গায়ে ধোৱে, গধূলি কলহৰ বুৰ। ভৰ দুপৰীয়া অতীতে ৰিঙিয়ায় কতনো উতলা সুৰ...

মোৰ পাৰে পাৰে ৰজাৰ ৰাজচকী, হেজাৰ বাহুৰে বল?
কলঙৰ পাৰৰে দ'লে দেৱালয় মনিছৰ গঢ়নৰ ধন।
কলঙৰ ক'লীয়া বৰ
তাৰে তলতে গদাধৰ হেজাৰৰ ঘৰ।
কলং আজিও বয়, অতীত পিছতে থৈ।

* * *

বুঢ়া ঠগীৰামৰ মনত বাৰে বাৰে ভাবৰ ঢৌ উঠে—কলং আজিও বয়। সৰু কালৰে পৰা আজি তিনি কুৰি আঠ বছৰে সি কলঙৰ ৰেহৰূপ দেখিছে; এনে এটি দিন, এনে এটি মাহ নাই, এনে এটি বছৰ নাই, যেতিয়া কলঙৰ কথা এবাৰ নহয় এবাৰ মনত নপৰে। বাহিৰলৈ দুটি দিন ওলাই গ'লেও চেৰেং-চেৰেংকৈ মনত পৰে পাৰঘাটৰ পাৰৰে তামোল-পাণৰ মৰমৰ বাৰীখন, মনত পৰে বাপেক-মাক-ককাক আৰু ওচৰ-চুবুৰীয়া শয়েক গঞাৰ দিন ধৰি,

লৰালুৰি আৰু নাতি-পুতিৰ দিনলৈকে দেখি অহা, পাই অহা, কঢ়িয়াই অনা, বুৰ দি ফুৰা কলঙৰ পুৱা-গধূলিৰ পানী। পানীৰ চৌদাঁতিয়ে থকা কলঙৰ ফুৰ্‌ফুৰীয়া বতাহৰ গা জুৰ কৰা পৰশ। পুৱাতে হাল লৈ ওলাই গৈ লুংলুঙীয়া গাঁৱলীয়া বাটেৰে গৈ থাকোঁতে সাউৎকৰে হাৰিডৰাৰ মাজৰ পৰা ভুমুক কৰে কলঙে দেখা দি, মিচিক কৰে হাঁহিটি মাৰি আকৌ হাবিৰ আঁৰ হয়।

হালৰ ফালেৰে মাটি চহাই তাত সি ৰস সঞ্চাৰ কৰে। আথে-বেথে তাত বীজ বপন কৰা হয় আৰু কাতি বিহুৰ লগে লগে ন-ধানৰ গজালিয়ে সজাল ধৰে। কলংপৰীয়া মাটিত অমিয়া সুৰভি ফুটি ওলায়। লখিমীয়ে আঘোণৰ বতাহৰ ছেৱে ছেৱে নাচে, গঞাসকলে লখিমী চপাই ভঁৰালে ভঁৰালে সোমায়। আনন্দত ঘৰে ঘৰে, নামঘৰে নামঘৰে মেজি-জ্বলে, ভোজ হয়, ভোগৰ মাজত মনিছৰ জীৱন ৰঙে-ৰসে ভৰপূৰ হৈ উঠে। ডেকা ঠগীৰামে হাঁহে, নাচে, গীত গায়।

কেঁচুৱাকালৰে পৰা বুঢ়া কাললৈকে তাৰ গোটেই জীৱনটো মৌ-মিঠা স্মৃতিৰে ভৰপূৰ; কলঙৰ পাৰৰ আম-জামু-কঁঠাল, লেটেকু-পনিয়লৰ সোৱাদত তাৰ লুভীয়া জিভাৰ পৰা সদায় পানী পৰিছিল; পঁইতা ভাত মুঠি খাই গৰু চৰাবলৈ যাওঁতে সি সদায় চাই যায়। কাৰ বাৰীত আম পকিছে, কাৰ বাৰীত জামু! ম'হৰ পিঠিত উঠি কেতিয়াবা ম'হ চৰায়। কেতিয়াবা বাপেকেৰে সৈতে নগাঁও চহৰলৈ ৰেলগাড়ীত উঠি যায়। কেতিয়াবা—

শৈশৱ তেনেকৈয়ে পাৰ হয়। তাৰ পাছত কলঙৰ বান অহাদি শৰীৰত যৌৱনৰ এছাটি বান উঠে; গা-মন নতুন উছাহত নাচি উঠে। দা লৈ বাঁহনিত বাঁহ কাটিবলৈ সোমালেও, ভাগৰলৈ আওকাণ কৰি সি একান্তমনে গীত জোৰে—

"বাঁহৰে আগলৈ চাইনো পঠিয়ালো
বাঁহৰ কোন ডালি পোন
শপত দি সুধিলো, কোৱা প্ৰাণেশ্বৰী
তোমাৰ মৰমিয়াল কোন?"

বাঁহ কাটোতেই কিয়, গৰু চৰাবলৈ যাওঁতে, নিশা পেঁপা বজাওঁতে ঘাটত গৈ বুৰ মাৰোঁতে মনৰ পৰা আপোনা-আপুনি কত গীত ওলাই আহে, কত

গীত ওলাওঁ বুলি মনতে মাৰ যায়। ঠাওকাল চেহেৰা গাঁঠলু শীৰৰ, মুখত সৰল, সুস্থ হাঁহি লৈ ঠগীৰাম যেনি যায়, তেনিয়ে গাঁৱৰ গাভৰুহঁতৰ মন জিনি যায়। গাভৰু মেলত, পানী অনা ঘাটত সোণপাহী-পদুমীহঁতে এবাৰ নহয় এবাৰ তাক দিনটোৰ ভিতৰত দেখা পাবই। কলঙক সাক্ষী ৰাখি সিহঁতে মৰমৰ খনীয়া বয়; খেনোৱে বনকৰা ফুল বাছে, খেনোৰ আকৌ আউল লাগে।

কিন্তু ঠগীৰাম আউল লগা বিধৰ ডেকা নহয়। ৰূপত যেনে ধুনীয়া মনটোও তাৰ তেনে ফৰকাল। গাঁৱৰ যিজনী চকুত লগা গাভৰু, সেইজনীকে সি জালত পেলাবৰ বাবে মনত পাঙিলে। তাইৰ নাম সোণপাহী। সোণপাহী আহোঁতে, যাওঁতে, গা ধোওঁতে, কলহ বুৰাওঁতে, এচমকা নির্জন ঠাই পালেই সি ভমক কৰে ক'ৰবাৰ ডাৱৰ এছাটি অহাদি সোণপাহীৰ আগত ওলাবহি। কোনোবা দিনা কলঙৰ ঘাটত, কোনোবা দিনা বাটৰ মূৰত কোনোবা দিনা আকৌ ভাওনা-ঘৰত। সোণপাহীক সি নানা ৰকমে জোকাব, ঠাৰে-চিঞাৰে নানা ৰকমে সুধিব, "হয়নে অ' সোণপাহী, ইমান লৰালৰিকৈ কাৰ গুৰিলৈ যাব? আমাকো এষাৰ মাত দেচোন।"

সোণপাহীয়ে খঙত মুখখন ওন্দোলাই ক'ব, "নিধকটো ক'ৰবাৰ, বাটৰ ভূতৰ দৰে য'তে পাই ত'তে ধৰিবহি।"

ঠগীৰামে খিল্‌খিল্‌কৈ হাঁহি ক'ব, "এই সোণপাহি, তোক নেদেখিলে দিনটো ভালেই নালাগে, বুইছনে?"

"ইহ্ মৰাটো ক'ৰবাৰ। চুপতি মাৰিবলৈ আৰু ঠাই নাপালে।" এই বুলি খং লাজ অভিমান আৰু বোধহয় বুজিব নোৱাৰা কিবা এটা প্ৰাণময় আনন্দতে মিচিকিয়া হাঁহিৰে ৰং-বেৰং আৱেগৰ ছবি দেখুৱাই সোণপাহী লাহে লাহে চকুৰ আগৰ পৰা আঁতৰ হৈ যায়গৈ। ঠগীৰামে আকৌ কোনোবা ফালে লৰ ধৰে, যাওঁতে গাই যায়—

"বৰ ধান লেচিয়া বানিবি কেতিয়া
ডলাৰ আগত উৰিব তুঁহ
তোমাক খুজিবলৈ গ'লোহেঁতেন লাহৰী
মই হ'লো দুখীয়াৰ পো।"

দিন যায়। এদিন সোণপাহীয়ে নৈৰ ঘাটত সঁচাকৈয়ে সুধি পেলালে,

"হয়নে অ' ঠগী, সদায় যে মোক বাটে-ঘাটে দিগদাৰি কৰ, তই জানো মোক বিয়া কৰাবি?"

ঠগীয়ে দুষ্টালি কৰি অভিমানৰ সুৰেৰে ক'লে, "ইঃ এইৰ কথাবোৰ! তোৰ চকু বা আকৌ কোন পিলিকা ডেকাৰ ওপৰত।"

"ধেৎ এৰি। গোঁসাইৰ শপত, কচোন ক।"

"সঁচাকৈ কৈছনে?" ঠগীয়ে আশা-দাশাৰে সুধিলে।

"কলঙক সাক্ষী কৰি কৈছোঁ।"

"কৰাম"—সি একেষাৰেই ক'লে। আৰু কৈয়েই কুমলীয়া গৰু-পোৱালীৰ দৰে আনন্দত জঁপিয়াই জঁপিয়াই সোণপাহীৰ চকুৰ আঁৰ হৈ কোনোবাখিনি পালেগৈ।

দুমাহৰ ভিতৰতে বিয়া হৈ গ'ল।

বিয়াৰ পাছতো সি সোণপাহীক ৰক্ষা নিদিয়ে। মাক-বাপেক নোহোৱাত ছল চাই, বৰ ঘৰৰ ভিতৰলৈ সোমাই গৈ সি সোণপাহীক জোকাই জোকাই গাব—

"চাউল চিটা মাৰি পাৰ বন্দী কৰোঁ
শালত বন্দী কৰোঁ হাতী
বৰঘৰৰ ভিতৰত মইনাক বন্দী কৰোঁ
দেহে কৰে উজনি-ভাটী।"

সোণপাহীয়ে ৰঙত আৰু খঙত অধীৰ হৈ মুখৰ আকাশখনত ততালিকে ৰ'দ-বৰষুণৰ সৃষ্টি কৰে। ঠগীৰামে মনৰ আনন্দত মুকলি মনেৰে হাত চাপৰি বজাই হাঁহে।

সিহঁতৰ কালত যৌৱনৰ বতৰ মুকলিমূৰীয়া আছিল, মৰমত কোনো মল নাই, হাঁহি আৰু সম্ভোগৰ এটি বৈ থকা সুঁতি। ইটোৱে-সিটোক এৰি থকাৰ কথা ভাবিবকে নোৱাৰে।

* * *

এনেদৰেই আনন্দত জীৱনৰ একুৰি দহোটা আঘোণ পাৰ হৈ গ'ল। ঠগীৰামে জীৱনৰ আধা কাল পাৰ কৰিলে। কলঙৰ পাৰৰ এজাৰ ফুল তাৰ মৰমৰ, তাৰ হাঁহিত, তাৰ চাৱনিত নাচে। তাৰ কোপত অথিৰ-অবিৰ হৈ সৰি পৰে। কলঙৰ পাৰত বুৰ দি নিতৌ আনন্দৰ সপোন দেখে। ...

কিন্তু হঠাতে এদিন কলঙৰ ৰূপ সলনি হ'ল। তাৰ ঘৰখনৰ বুকুৰেদি এটি মৰণৰ ধুমুহা বৈ গ'ল। তাৰ বাপেক, বৰ ককায়েক আটাইকেইজন হাইজা লাগি মৰিল। অকল এঘৰতে নহয়, গাঁৱৰ শ ঘৰত; ওচৰৰ গাঁওবোৰৰ পৰাও হাইজা লগাৰ কথা সিহঁতে শুনিবলৈ ধৰিলে। কলঙৰ চেঁচা পানী বৰ বিহৰ দৰে হ'ল, বাট-পদূলি নিজান নিজান যেন লগা হ'ল, সকলোৰে ঘৰত একোটি কান্দোনৰ দীঘলীয়া ৰাউচি শুনিবলৈ পোৱা গ'ল। ঠগীৰামে ঘৰে ঘৰে গৈ যাক য'ত যিমান দূৰ পাৰে সহায় কৰিলে; মৰাশ শ্মশানলৈ নি খৰি নিয়াৰে পৰা আৰম্ভ কৰি নগৰীয়া ডাক্তৰৰ হতুৱাই বেজী দিওৱাৰ ব্যৱস্থা কৰালৈকে সকলোতে সি আগ-ভাগ লৈ কাম কৰিবলৈ ধৰিলে।

এদিন সন্ধিয়া দূৰণিবটীয়া গাঁও এখনৰ পৰা চহৰীয়া ডাক্তৰ মণি বৰাক লগত লৈ ঠগী কলঙৰ পাৰে আহি থাকোঁতে নিশা ভালেখিনি হ'ল।

ঘৰ সোমাই ডাক্তৰক চৰাঘৰতে পাটীঢৰা এখন দি বহুৱাই ঠগী ভিতৰলৈ সোমাই গ'ল। কেউফালে আন্ধাৰ ...

"সোণপাহী!"

কাৰো উত্তৰ নাপালে।

"অ' মালী।" বুলি ল'ৰাটোক মাতিলে।

এইবাৰো কাৰো মাত নাই।

কি হ'ল? এবাৰ পাছফালে ওলাই পিছ চোতালৰ পৰা খুব ডাঙৰকৈ ৰিঙিয়ালে, "হেৰ, ক'লৈ গ'লিহঁক ঔ?"

দুবাৰমান চিঞৰাৰ পাছত কোনোবা এফালৰ পৰা কোনোবাই তাক জনালে সঁহাৰি। অলপপৰ বৈ সি বুজিব পাৰিলে যে সোণপাহীৰ মাতেই হয়। সোণপাহী অন্ততঃ নমৰি জীয়াই আছে বুলি জানিবলৈ পাই তাৰ অন্তৰ শাঁত পৰিল। ভিতৰত চাহৰ জুহালত জুইকুৰা ধৰি থৈ সি টিপ্ চাকি এটা হাতত তুলি ল'লৈ আৰু লাহে লাহে ডাক্তৰক শুশ্ৰূষা কৰিবলৈ গ'ল।

ডাক্তৰৰ বৰ ভাগৰ লাগিছিল, সেই কাৰণে পাটীঢৰাতে টোপনিয়াবলৈ ধৰিলে। ঠগীয়ে ভাবিলে, মানুহটো ভাগৰত লালকাল দি আহিছে, অলপ শোৱক। এই ভাবি পদূলি মুখলৈ ওলাই গৈ সোণপাহী আহিছেনে নাই চালে। কিছুপৰ ৰোৱাৰ পাছতেই সোণপাহী ওলালহি।

তাই উধাতু খাই অহা যেন দেখি ঠগীয়ে মৰম কৰি সুধিলে, "কি হ'ল

অ' তোৰ? আদ্ বয়স গ'ল, এতিয়াও ভয় নুগুচিল।"—এই বুলি সন্ধিয়াৰ অন্ধকাৰত ঘৈণীয়েকৰ মুখখনলৈ চাই সি গৌৰৱৰ এটি হাঁহি মাৰিলে।

কিন্তু সোণপাহীয়ে তাক দেখিয়েই, "আই, ঔ ক'তনো মৰিবাগৈ ঔ" বুলি ডাঙৰকৈ বিননি জুৰিবলৈ আৰম্ভ কৰিলে। তাকে দেখি ঠগীয়ে তাইক সুধিলে, "কি হ'ল?"

"কি হ'ব আৰু?" মৌজাদাৰৰ টেকেলা আহি আমাৰ মণিপুৰী গৰুহাল লৈ গ'ল।" সোণপাহীয়ে কথা কোৱাৰ লগে লগে কান্দিবলৈ ধৰিলে।

"কেতিয়া আহিল টেকেলা?"

"দুপৰীয়া।" সোণপাহীয়ে উচুপি উচুপি কান্দি আছিল।

ঠগীৰ টিঙিচ কৰে খং উঠি গ'ল। কিন্তু কাৰ ওপৰত খং কৰিব, সি একো ঠিক কৰিব নোৱাৰিলে। মৌজাদাৰে যোৱা দুবছৰৰ খাজনা দিব নোৱাৰা, বাবে আগতেই নটিচ দি থৈছিল। আচলতে টেকেলা ক্ৰোক কৰিবলৈ আহিব বুলি সদায় সন্দেহ কৰি আছিল। সেই কাৰণে সি নগৰৰ কোনোবা উকীলৰ পৰা বা কেঞা মহাজনৰ পৰা টকা অলপ ধাৰলৈ আনিবলৈ যাম বুলি ঠিক কৰিছিল; কিন্তু তেনেতে কেউফালে হাইজা হ'ল।

এই মহামাৰীৰ মাজত যে মৌজাদাৰৰ টেকেলাই ক্ৰোক কৰিবলৈ আহিব পাৰে, তাক সি সপোনতো ভাবিব পৰা নাছিল। মৌজাদাৰবোৰ ইমান নিৰ্দয় হ'ব নোৱাৰে, অন্ততঃ সিহঁতো মানুহ। মানুহৰ কাৰণে সিহঁতৰ প্ৰাণে জানো অকণো নাকান্দে? কিন্তু তাৰ আশা অথলে গ'ল। তাৰ খেতিৰ সম্বল আচল গৰুহালিও মৌজাদাৰৰ মানুহে লৈ গুচি গ'ল।

খঙত তাৰ মন বিদ্ৰোহী হৈ উঠিল। দুবছৰৰ খাজনা ধৰিলে মুঠতে একুৰি দহ টকা হয়গৈ। তাৰ দায়ত মাৰি গৰুহাল কিয় লৈ যাম মৌজাদাৰে? কিয়? সি বুজি নাপায়, কি যুক্তিৰ বলত এই শাসন চলিছে? আজি গৰুহাল ক্ৰোক কৰি লৈ যোৱাৰ ফলত তাৰ খেতি কৰাৰ মূৰ মৰিল। আকৌ গৰু কিনিবলৈ তাৰ কি শক্তি আছে!

সি কেউফালে আন্ধাৰ দেখিবলৈ ধৰিলে। নিমিষতে তাৰ মন বিষাদে ভৰি পৰিল। কলঙৰ বতাহত যেন ক'ৰবাৰ কিছুমান দুখৰ সুৰ উটি ফুৰিছে।...

* * *

টিপ চাকিৰ পোহৰত ঠগীৰ ভাতৰ মজিয়া বৰ ভালকৈ পোহৰ হোৱা নাই। সদায় নগৰীয়া পোহৰত থাকি মণি বৰাই এনে কম পোহৰ ভাল পোৱা নাছিল; তাতে কলেৰা লাগি গাঁৱৰ মানুহবোৰ যেন মৰি আছিল। সন্ধিয়াৰ পৰা লাহে লাহে যেতিয়া নিশাৰ বুকুলৈ পৃথিৱীখন সোমাই গৈ আছিল, তেতিয়া লগে লগে যেন বিষাদৰ এটি সুৰো ক'ৰবাৰ পৰা ক্ৰমে ডাঙৰ হৈ আহিছিল। গাঁৱলীয়া চৰাইৰ মাত, ক'ৰবাৰ দূৰত কাৰোবাৰ চিঞৰ, শিয়ালৰ হোৱা— এই সকলোবোৰ মিহলি হৈ যেন এটি অনন্ত ক্ৰন্দনত পৰিণত হৈ গৈছিল— ডাক্তৰৰ তেনেই অনুমান হ'ল।

ভাতৰ গৰাহ মুখত লৈ ঠগীৰামে ক'লে, "বুজিছেনে ডাক্তৰ, আজি বৰ ডাঙৰ অঘটন এটি ঘটিল।"

ডাক্তৰে ভাবিলে কোনোবা কলেৰা বেমাৰীৰ কথা ক'ব, সেই বাবে লাহেকৈ সুধিলে, "কিনো হ'ল?"

ঠগীৰামে এটি হুমুনিয়াহ ছাৰি ক'লে তাৰ মণিপুৰীয়া গৰুহাল নিয়াৰ সকৰুণ কাহিনী। খেতি কৰি পোৱা ধনেৰে যোৱা বেলি সি সেই গৰুহাল কিনিছিল; চেঙা গৰু, বয়সো কম সেই ভাবি সি গাঁৱৰে এজনৰ পৰা ধাৰ কৰি তিনি কুৰি ৰূপত গৰুহাল কিনিলে। কিন্তু কি হ'ব সাঁচতিয়াৰ ধন আৰু এটিও নৰ'লগৈ। বৰং পিছৰ বছৰটোও ধান বেচি পোৱা ধনেৰে ধাৰ শোধ কৰিব লগাত পৰিল। সেই কাৰণে ৰজাৰ খাজনা দুয়ো বছৰ শোধাব নোৱাৰিলে। মৌজাদাৰে বাৰে বাৰে টেকেলা পঠাই শেষত এমাহমানৰ আগতে ক্ৰোকৰ নটিচ জাৰি কৰিলে। আৰু তাৰ পাছতেই এই দুৰ্ঘটনা। লগতে মৌজাদাৰৰ নিৰ্দয়তাৰ বিষয়ে দুষাৰ কথা কৈ সি তাৰ কাহিনীৰ সামৰণি মাৰিলে।

ডাক্তৰে খন্তেকপৰ ঠগীলৈ চাই কিবা এটা ভাবিলে; তাৰ পাছত ক'লে, "এতিয়া টকা পালে গৰুহাল মোকলাব পাৰিবা নে নোৱাৰা?"

ঠগী আচৰিত হ'ল। তথাপি ক'লে, "পাৰি। এনেয়ে নোৱাৰিলে নিলামতে ল'ব পাৰিম।"

"তেন্তে মই টকা দিম।" বুলি ডাক্তৰে খোৱা শেষ কৰি মুখ ধুবলৈ গ'ল। ঠগীৰাম আৰু আচৰিত হ'বলৈ বাধ্য হ'ল। ...

... গাঁও এৰি যাবৰ দিনা ডাক্তৰে ঠগীৰামৰ নগৰলৈ লৈ গ'ল আৰু ঘূৰি আহোঁতে হাতত এশ টকাৰ নোট এখন দি পঠালে।

* * *

উভতি আহোঁতে, কলঙৰ পাৰত কলহ বুৰাই থকা অৱস্থাতে সোণপাহীক সি লগ পালে। নিমিষতে তাৰ অন্তৰলৈ আনন্দ ঘূৰি আহিল।

কিন্তু আগৰ জীৱন আৰু ঘূৰি নাহিল; মনৰ আনন্দত এবছৰ খেতি কৰাৰ পাছত হঠাতে বানপানী আহিল। কলঙৰ ৰূপ দেখি গঞাই ভয় খালে। বানপানী উঠি ঘৰ-দুৱাৰবোৰ তল নিয়ালে, ভঁৰালত ধান তিতিল, খেনোৰ গৰু-ম'হ উটি গ'ল। সকলো মানুহৰে অন্তৰ নিৰাশাৰে ভৰি পৰিল।

ঠগীৰামৰ ঘৰখনো পানীৰে বুৰ গ'ল। কিন্তু সি নিৰাশ নহ'ল; সোণপাহীহঁতক লৈ পানীয়ে নোপোৱা ঠাই এটুকুৰাত উঠিলগৈ। যাওঁতে মোকলোৱা গৰুহালো কোনো ৰকম খেদি লৈ গ'ল। অলপ শুকান ঠাই পায়েই ঠগীৰামে ওচৰৰ গাঁৱলৈ গৈ সহায় খুজিলে আৰু বাঁহ-খেৰ আনি এটুকুৰা চালি দিলে—তাতে পুনৰ নতুনকৈ তাৰ এখন ঘৰ আৰম্ভ হ'ল। তাৰ কাম দেখি বানপানীত ভাগি অহা মানুহবোৰেও উছাহ পালে। সিহঁতেও সেইদৰে এটুকুৰা এটুকুৰা চালি সাজি তাতে বহিল।

দিনে দিনে মানুহ বাঢ়ি অহাত খোৱা-বোৱা লৈ মহা সমস্যাই দেখা দিলে। কলঙৰ বান তেতিয়াও শাম কটা নাই। ওচৰৰ গাঁৱৰ মানুহে যিমান পাৰে চাউল-পাত দি সহায় কৰিলে, কিন্তু সেইদৰে বেছি দিন চলা টান হৈ উঠিল।

পোন্ধৰ দিনমানৰ মূৰত বানপানীৰ বুকুত এখন নাও দেখা গ'ল। দেখা মাত্ৰকে ৰাইজে হৈ ধ্বনি দি নাওখনক ৰিঙিয়াই মাতিলে। লাহে লাহে নাওখন ওচৰ চাপি আহিল।

নাওখনৰ পৰা পোন প্ৰথমে নামি আহিল ডাক্তৰ মণি বৰা, আৰু কেইজনমান চহৰীয়া ডেকা ল'ৰা। ডাক্তৰে ঠগীৰামক দেখিয়েই হাঁহি মাৰি ক'লে, "আকৌ আহিলো।"

ঠগীৰামে আথে-বেথে এটি প্ৰণাম জনাই ক'লে, "চাউল-পাত কিবা আনিছেনে?"

ডাক্তৰে উত্তৰ দিলে, "আনিছোঁ।"

গঞাৰ মুখলৈ পানী আহিল। ডাক্তৰে ঠগীৰামক আকৌ সুধিলে, "কাৰোবাৰ বেমাৰ-আজাৰ হৈছে নেকি?"

ঠগীৰামে উত্তৰ দিলে, "নাই হোৱা।"

ডাক্তৰে অলপ সকাহ পালে। ডেকা কেইজনক চাউল বিতৰণ কৰিবলৈ কৈ, কোন ক'ত, কেনি যাব, সেই বিষয়ে এটি দিহা-পৰামৰ্শ দি ডাক্তৰে হঠাতে ক'লে, "ব'লাচোন ঠগীকাই, কথা আছে।" দুয়ো লাহে লাহে গৈ এটি টিপত বহিলগৈ।

কলঙৰ বানপানীত উটি অহা এডাল জাঁজৰি ধৰি ডাক্তৰে ক'লে, "কলঙৰ এইবাৰ বৰ খং।"

ঠগীৰামে শলাগিলে। কলঙৰ পাৰত তাৰ আজি একুৰি দহ বছৰ বাস। অকল বাসেই কিয়, ইয়াৰ পাৰতে তাৰ জীৱনৰ সকলো ঘটনা ঘটিছে। কলঙৰ সিপাৰ হৈ সি মাজে মাজে নগৰলৈ যায়। কিন্তু সি নগৰৰ কথা নুবুজে; নগৰৰ চাল-চলন বেলেগ; সিহঁতৰ কথাত ভাঁজ আছে, কলমত বিহ ওলায়। কলঙৰ পাৰলৈ ঘূৰি নহালৈকে তাৰ প্ৰাণত শান্তি নেলাগে।...

ভাবৰ জুমুৰি ভাঙি দি ডাক্তৰে মাত লগাব লগা হ'ল, "তোমালোকৰ এই ধুনীয়া গাওঁখনিলৈ এবাৰ আহিয়েই ভাল লাগি গৈছিল। কিন্তু এইবাৰ আহোঁ আহোঁ বুলি থাকোঁতেই চৈধ্য দিন লাগিল। দেখিছোঁ কলঙে তোমালোকক নকৰিবৰ চকৰি কৰিছে। মোৰ অহা যথেষ্ট পলম হ'ল, কি কৰিবা?"

"কেলেই?" ঠগীয়ে সৰলভাৱে সুধিলে।

"চৰকাৰী কৰ্মচাৰীবোৰৰ লগত কাজিয়া কৰি কৰিও চাউল-পাত আৰু কাপোৰ নেপালো সোনকালে। কি কৰিম? কোনোবা মানুহ মৰিছে নেকি ইয়াত?"

"নাই মৰা। কিন্তু চৰকাৰী কৰ্মচাৰীয়ে কিয় নিদিয়ে? আমাৰ দুখৰ কথা সিহঁতে গম নেপায় নেকি?

"নেপায়। সিহঁত বিদেশী মানুহ, আমাৰ মানুহৰ কথা কি বুজিব!"

ঠগী স্তব্ধ হৈ গ'ল। ৰজাই প্ৰজাৰ কথা নুবুজিলে, কোনে বুজিব? তাৰ সন্দেহ মাৰ নগ'ল, "আপোনালোকে এইবোৰ চাউল-পাত ক'ত পালে?"

"ঘৰে ঘৰে, দোকানে দোকানে ঘূৰি তুলি আনিছোঁ।"

"মানুহবোৰে কি বুলি কৈছে আমাৰ কথা?"

ডাক্তৰে এই সৰল প্ৰশ্নটোৰ উত্তৰত হাঁহিলে। তাৰ পাছত ক'লে, "তোমালোকে বহুত কথা নাজানা। গাঁৱৰ মানুহে নগৰৰ কথা নাজানে, নগৰৰ মানুহে গাঁৱৰ কথা নাজানে। কিন্তু এটা কথা বুজিবা, মানুহৰ দুখ দেখিলে মানুহৰ অন্তৰ ৰ'ব নোৱাৰে।"

ঠগীৰামে মানৱতাৰ এই বতৰা পাই বৰ ভাল পালে। অন্ততঃ দেশৰ মানুহে সিহঁতক মৰিবলৈ এৰি দিব নোৱাৰে।

ডাক্তৰে ইতিমধ্যে নৈৰ পানীত উটি অহা একোছা আধা তিতা খেৰ ধৰি তুলি আনি ক'লে, "কাৰোবাৰ ঘৰৰ পৰা খহি আহিছে চাগৈ, নহয়নে?"

"নহয়, কোনোবাই ঘৰ সাজিবলৈ থোৱা খেৰ এইকোছা। দেখাতে চিন।" কথা কোৱাৰ লগে লগে ঠগীৰ মনত পৰি গ'ল ঘৰ সজাৰ কষ্টবোৰ, খেৰ কাটি অনাৰে পৰা আৰম্ভ কৰি ন ঘৰ নোলোৱালৈকে কত কষ্ট যায়, কৈ থাকিলে অন্ত নপৰে। গঞাৰ ভাগি পৰা সেইহেন ঘৰবোৰ আকৌ সাজিবলৈ কত কষ্ট হ'ব! বছৰেকলৈ গঞাৰ আৰু আন কাম নহ'বই। আনকি খেতিও নহ'ব।

"খেতি।" বুলি ঠগীয়ে এটা হুমুনিয়াহ ছাৰিলে। ডাক্তৰে চক্ খাই উঠিল।

* * *

হাইজা হওক, বানপানী হওক, খেতি হওক-নহওক ৰজাৰ খাজনা শোধাবই লাগিব। বানপানীৰ পৰা উঠা ৰাইজৰ ভগা ঘৰৰ দুৱাৰে দুৱাৰে গৈ টেকেলা থিয় হয়। ক্ৰোকত খেনোৰ মণি-কেৰু, খেনোৰ লোটা-বাটি, খেনোৰ গৰু-ছাগলী নি গাঁওবোৰ লাওলোৱা কৰিলে। ঠগীৰামৰ মোকলোৱা মণিপুৰী গৰুহাল পুনৰ লৈ গ'ল। ঠগীৰাম খঙত জ্বলি গ'ল, "আমাৰ দুখ হ'লে কুকুৰহঁত নাহে, খাজনা নিবৰ বেলিকা চাহাবৰ পৰা টেকেলালৈকে সকলো জাঁপ মাৰি পৰিবহি। ইহঁতক..." বুলি সি দাঁত কৰচিবলৈ ধৰিলে। গঞাই তাৰ কথাতে হয়ভৰ দিলে, কিন্তু উপায় কি?

মনৰ খঙত ঠগীৰাম এদিন ডাক্তৰৰ ঘৰ ওলালগৈ। ডাক্তৰে দুপৰীয়া ভাত খাই শুবলৈ ধৰিছিল, সুধিলে, "কি হ'ল হে, ঠগী কাই?"

ঠগীয়ে সংক্ষেপে সিহঁতৰ দুখৰ কথা বৰ্ণাই গ'ল—ডাক্তৰে মন দি

শুনিলে। তাৰ পাছত হাঁহি হাঁহি ক'লে, "বিদেশী ৰজাই আমাৰ দুখ নুবুজে, ঠগীৰাম।"

ঠগীৰামে মনৰ খঙত কৈ পেলালে, "এনে ৰজাৰ তলত থকাতকৈ মৰাই ভাল। গৰু নাই, ম'হ নাই, খেতি কৰোঁ কিহেৰে? আনকি বছৰেকৰ বিহুৰ দিনা ছোৱালীহঁতৰ কাণত পিন্ধিবলৈ থুৰীয়া এযোৰো নোহোৱা হ'ল।" খন্তেক ৰৈ সি আকৌ আৰম্ভ কৰিলে, "আমি আৰু নিগমে মৰিলোঁ, ডাক্তৰ দেউতা। আপোনালোকে কিবা এটা উপায় কৰক।"

ডাক্তৰে খন্তেক পৰ ৰৈ ভাবিলে। তাৰ পাছত লাহে লাহে ক'লে, "তোমালোকে এখন সভা পাতা। তালৈ বুদৰাম উকীলক মাতা। আৰু তাত তোমালোকৰ অভাৱ-অভিযোগৰ বিষয়ে এটি প্ৰস্তাৱ লৈ চৰকাৰৰ ঘৰলৈ পঠোৱা। তেনে কিবা এটা কৰি চোৱাচোন, কি হয় দেখা যাওক।"

তেতিয়া অসহযোগৰ দিন। কেউফালে সভা-সমিতি হৈছে, কাগজে-পত্ৰয় অভাৱ-অভিযোগৰ নানাবিধ প্ৰস্তাৱ প্ৰকাশ হৈছে। সেই বাবে ডাক্তৰে তাকে কৰাটো উচিত বুলি ভাবি ঠগীৰামক পেটৰ কথা ক'লে।

ঠগীৰামে হাততে সৰগ চুকি পোৱাদি পালে। "আপুনিও যাব লাগিব আকৌ দেই, ডাক্তৰ দেউতা! জানেই নহয় আমি নিছলা মানুহ। নগ'লে শয়েক ৰাইজৰ শাও লাগিব। সভাৰ খবৰ মই আপোনাক দি যামহি।"

ডাক্তৰৰ কপালত চিন্তাৰ ৰেখা ফুটি উঠিল।

* * *

সভা হৈ গ'ল। চৰকাৰৰ ঘৰলৈ প্ৰস্তাৱো গ'ল। কিন্তু একোটো নহ'ল। মাথোন মৌজাদাৰে মাতি আনি ঠগীৰামক ক'লে, "তোৰ নাম চৰকাৰৰ ঘৰত উঠিছে। দিন-কাল বৰ বেয়া। শুনা নাইনে, হালে হালে সাঙুৰি নি জেলত সোমাই থৈছেগৈ? সাৱধানে চলিবি।"

ঠগীৰামে আচৰিত হৈ সুধিলে, "মোক আকৌ কিয় জেললৈ নিব?"

"মিটিং কৰা বাবে। স্বৰাজৰ মিটিং কৰা মানা।"—মৌজাদাৰে ক'লে।

"কিয় দেউতা? আমি খাজনাৰ মিটিংহে কৰিছিলো।"

মৌজাদাৰে চকু পোন্দোৱাকৈ ক'লে, "খাজনাৰ মিটিং আৰু স্বৰাজৰ মিটিং একে।"

ঠগীৰামে সেইদিনা ঘৰলৈ ঘূৰি আহোঁতে আগৰ দৰে আৰু সাধাৰণ ভাব লৈ উভতিব নোৱাৰিলে। খেতি কৰিব নোৱাৰি গঞাৰ সকলোৰে অন্তৰত ৰোষ-দ্বেষ, খং-বেজাৰৰ ঢৌ উঠি থৌকি-বাথৌ লাগি আছিল। সকলোৰে মুখত ৰজাৰ বিৰুদ্ধে গালি-শপনি ওলাবলৈ ধৰিলে। এনে অৱস্থাত ঠগীৰামৰ মনত কি কৰোঁ কি নকৰোঁ ভাব হ'ল। যেনিয়েই চায় তেনিয়েই যেন আন্ধাৰে পৃথিৱীখন আগুৰি থোৱা আছে। কলঙৰ উদ্ভুগালিও কমি গ'ল, নৈত আগৰ দৰে সোঁত নাই, শুকাই-খীণাই যেন চেৰেলা গৰু পোৱালীৰ দৰে যাওঁ-নাযাওঁকৈ খোজ পেলাইছে।

ঘৰ সোমায়েই সি দেখিলে, ডাক্তৰে একান্তমনে বহি কিবা এখন কাকত পঢ়ি আছে আৰু সোণপাহীয়ে বহি বটাত তামোল কাটিছে। "আপুনি—আপুনি কেতিয়া আহিল?"

ডাক্তৰে ঠগীৰ মোলান মুখখনিলৈ চাই হাঁহিলে, ক'লে, "ঠগী কাই, বৰ ডাঙৰ কাম এটাৰ নিমিত্তে আহিলোঁ, মুখ-হাত ধুই কিবা দুটামান খাই-বৈ আহা, বহি কথা পাতোঁ।"

নিশা ভালেমান পৰলৈ সিহঁতৰ মাজত মেল চলিল। স্বৰাজৰ মেল। ডাক্তৰে উজনি আৰু নামনি অসমৰ গাঁৱত হোৱা সভা-শোভাযাত্ৰাবোৰৰ কথা সাধুকথাৰ দৰে কৈ গ'ল। মাজতে জেপৰ পৰা ভাৰতৰ সৰু মেপ এখন উলিয়াই আঙুলি দি দি, প্ৰথমতে বিচাৰি বিচাৰি নগাঁওখন উলিয়ালে, তাৰ পাছত ক্ৰমে গুৱাহাটী, কলিকতা, পাটনা, এলাহাবাদ, পঞ্জাব, বোম্বাই আৰু মাদ্ৰাজৰ গাঁৱে গাঁৱে হোৱা সভা-শোভাযাত্ৰাৰ কথা বৰ্ণনা কৰিলে। বৰ্ণনাৰ শেষত যোৰহাট, গুৱাহাটী আদি ঠাইৰ আন্দোলনৰ বিষয়ে এটি চমু আভাস দিলে। তাৰ পাছত ডাক্তৰে হাঁহি আৰম্ভ কৰিলে, "এইবাৰ আমাৰ পাল, কলংপৰীয়াহঁতৰ।" এই বুলি কলঙৰ পাৰে পাৰে মেপখনত আঁকি থোৱা এডাল ৰেখা দেখুৱাই কৈ গ'ল, "কলিয়াবৰৰ পৰা নগাঁও, নগাঁৱৰ পৰা গুৱাহাটী।"

ঠগীৰাম আচৰিত হ'ল। ওচৰতে সোণপাহীয়েও বৈ বৈ কথা-বতৰা শুনি আছিল। পুতেক মালীয়েও ওচৰতে বহি বাপেকহঁতৰ কথা-কাণ্ড নিৰীক্ষণ কৰিছিল। সিহঁতো ডাক্তৰৰ কথাত আচৰিত হ'ল।

"কি কৰিব লাগিব, ডাক্তৰ দেউতা?"

"শোভাযাত্ৰা। কলিয়াবৰৰ ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৱে হৈ-ধ্বনি কৰি আগ বাঢ়ি যাব প্ৰথমতে নগাঁৱলৈ আৰু নগাঁৱৰ পৰা গুৱাহাটীলৈ।" ডাক্তৰে ক'লে, "গুৱাহাটীত গোটেই অসমৰ প্ৰজা গোট খাব।"

"তাৰ পৰা কি হ'ব?"

"কি হ'ব? বগা বঙালৰ ৰাজ্যৰ সাঁফি লৰিব। খেতিয়কৰ সমাৰোহ দেখি সিহঁতে ভয় খাব। স্বৰাজৰ বাট মুকলি হ'ব।"—ডাক্তৰে উত্তৰ দিলে।

"আমাৰ খাজনা মাফ হ'বনে?"

ডাক্তৰে ঠগীৰামৰ বাউসী দুটাত চপৰিয়াই দিলে, "সকলো কথা বাউসীৰ ওপৰত নিৰ্ভৰ কৰে। আগেয়ে কাম কৰোঁ, তাৰ পাছত ফল বিচাৰিম।"

* * *

কলিয়াবৰৰ খেতিয়ক ৰাইজৰ সমদলৰ কোবত কলঙৰ পাৰৰ ৰাজআলি কঁপি গ'ল। 'স্বৰাজ আমাৰ জন্মস্বত্ব' 'সাম্ৰাজ্যবাদ ধ্বংস হওক' আৰু 'মহাত্মা গান্ধীকী জয়' আদিৰ কঁপনিত কলঙৰ বায়ুমণ্ডল নাচি উঠিল। কলঙৰ পাৰ বহুত দিনৰ মূৰত ৰণৰ ধ্বনিৰে মুখৰিত হ'ল। সেইদিনা কাৰো চকুলৈ জুই নগ'ল; গাভৰুৰ কাষৰ কলহ কাষতে ৰ'ল; গৰখীয়াই গৰু বান্ধি লৰি আহিল; ৰাজআলিৰ কাষে কাষে ৰাইজৰ জুম। হৈ-ধ্বনি। নতুন ভাবত মনিছৰ মন-প্ৰাণ হেন্দোলি উঠিল। ঘৰৰ মানুহ আহি গাঁৱত মিলিল, গাঁৱৰ মানুহ আহি নগৰত মিলিল, আৰু নগৰৰ মানুহ জিলা-প্ৰদেশত মিহলি হৈ এক অপূৰ্ব জনসোঁতৰ সৃষ্টি কৰিলে। গুৱাহাটী চহৰৰ অভিমুখে কলঙৰ প্ৰাণ চৰাই হৈ উৰি গ'ল, কলঙৰ ভাষা বতাহ হৈ ঢাপলি মেলিলে, কলঙৰ আশা উথলি উঠিল। গাঁৱে গাঁৱে ৰাইজ উঠিল। গাঁৱে গাঁৱে স্বৰাজৰ হেজাৰ-বিজাৰ সেনা ওলাল; গুৱাহাটীত স্বৰাজৰ নেতাসকলে ৰিঙিয়াই ৰিঙিয়াই মাতিলে, কলিয়াবৰ সেই ৰিঙণিত জাগিল, ধীৰে ধীৰে খোজ দিলে; খোজ লাহে লাহে প্ৰবল বেগত পৰিণত হ'ল, জনতাৰ জীৱন নতুন তেজেৰে নাচি উঠিল।... কলং গৈ লুইতত মিলিলগৈ। লুইতৰ পাৰত নতুন মনিছৰ সৃষ্টি হ'ল। সোণৰ লুইত, ৰূপৰ লুইত সোঁতৰ ছেৰে ছেৰে নাচে। ঠগীৰামৰ বুকুত নতুন কঁপনি লাগে। সি অনুভৱ কৰে গুৱাহাটীত গোট খোৱা বিৰাট ৰাইজৰ আশাৰ কথা।

ওৰে বাটটোত ডাক্তৰে তাক কৈ গ'ল স্বৰাজৰ কথা। ভাৰতৰ বুকুত

হোৱা হেজাৰ হেজাৰ সমদলৰ লক্ষ্যৰ কাহিনী। সকলো মানুহৰ জীৱনৰ সুঁতি যেন আজি এটাই। আজি কলং আৰু লুইতৰ মাজত একো ভেদাভেদ নাই। স্বৰাজৰ সঙ্গমত দুয়ো ধাৰা আজি মিলি গ'ল।

ঠগীৰামে বুজিলে গাঁৱে গাঁৱে মানুহৰ দুখ হৈছে, খাজনা ভৰি সৰ্বস্বান্ত হোৱা মানুহ অকল সিহঁতেই নহয়, কলঙৰ দূৰে-ওচৰে, ইমূৰে-সিমূৰে আজি দুখত ৰাইজ জুৰুলা, সেই কাৰণেই সিহঁতে বিচাৰিছে স্বৰাজ।

এইবাৰ ঠগীৰামে জন-লুইতৰ মাজত নতুন জীৱন-সোঁত বিচাৰি পালে।

* * *

লুইত বৈ ৰ'ল। আৰু দহোটি আঘোণো গ'ল। কিন্তু প্ৰতি আঘোণতে গঞাৰ ধান কমি আহিবলৈ ধৰিলে। গৰু-ম'হ কিনিবলৈ টকা নাইকিয়া হ'ল। প্ৰায়বোৰৰেই টেঁটুৰ গুৰিলৈকে ধাৰ লাগিল। অথচ ৰজাৰ খাজনা নকমিল। ঠগীৰামৰ ঘৰত আৰু মানুহ বাঢ়িল। মালীলৈ ছোৱালী আনিলে আৰু নিজৰো এজনী ছোৱালী উপজিল। মালীৰ ছোৱালী অনাৰ কাহিনী ঠগীৰামৰ দৰে ধুনীয়া নহয়। হ'বই বা কেনেকৈ? আগৰ দৰে ধনেই আছে, নে ধানেই আছে? মণি-কেৰুৱেই আছে, নে ছোৱালীয়েই আছে? সকলোবোৰ বস্তুৰে মোহ আৰু গুণ কমি আহিল। পুৱা-গধূলি জা-জলপান নেপাই মালীয়ে কেতিয়াবা ঘৈণীয়েকক মাৰধৰো কৰে আৰু কেতিয়াবা গালিৰ কোবত বাপেক-মাকৰ সাত পুৰুষ উদ্ধাৰে। আগৰ দিন, আগৰ মৰম-ধৰম সকলোবোৰ আঁতৰি গ'ল। ঠগীৰাম আৰু সোণপাহীৰ মনত দুখৰ ডাৱৰে দেখা দিলে। আগৰ দৰে মাত্ৰ চলি ৰ'ল ক্ৰোক, মাটি নিলাম, কাবুলী আৰু মহাজনৰ অত্যাচাৰ।

ঠগীৰাম এতিয়াও ডাক্তৰৰ ওচৰলৈ যায়। বুদৰাম উকীল আজি-কালি আগৰ দৰে নহয়, গাঁৱৰ সভালৈ মাতিলে নাহে। একমাত্ৰ ডাক্তৰেহে তাক সদায় হাঁহি মুখে মাতে, দৰৱ-জাতি দিয়ে, সভা-সমিতি পাতিবলৈ কয় আৰু স্বৰাজৰ বিষয়ে নতুন কথা পাতে।

যৌৱন গ'ল দুখ নাই; কিন্তু জীৱনত যে সুখ নাই; ল'ৰা-ছোৱালীহঁতৰ নিমিত্তে ধন সম্পত্তি নটা হ'ল। সোণপাহীৰ কেৰু-মণিও ক্ৰোকত সোধাব লগা হ'ল। তথাপি তাৰ মনৰ আশা মাৰ নাযায়। এদিন আকৌ ভাল দিন

আহিব, মাটিত আগৰ দৰে খেতি হ'ব, গৰুৰ দাম কমিব, খাজনা মাফ দিব, কলঙৰ পাৰৰ মাটি আকৌ শস্যৰে নদন-বদন হৈ পৰিব। ধুনীয়া আশা, কিন্তু কেতিয়া ফলিয়াব? কেতিয়া খাজনা মাফ দিব? ৰজাৰ মন কেতিয়া সলনি হ'ব? আকৌ কেতিয়া খেতি কৰিবলৈ স্বৰাজ পাব সিহঁতে? কেতিয়া?

এবেলি আঘোণত ধান চপাই উঠোঁতেই হঠাতে এদিন নগৰৰ পৰা ডাক্তৰ ওলালহি। ৰাইজ বহুৱাই খাজনাৰ কথা আলোচনা কৰিলে। গএগৈ স্পষ্টভাৱে জনালে আৰু ৰ'ব নোৱাৰি; খাজনা মাফৰ আৱেদন জনোৱা আজি দহ বছৰ হৈ গ'ল। ক'তা ৰজাঘৰৰ একো দেখোন সাৰ-সুৰেই নাই। নাই, এইদৰে আৰু আশা পালি পালি বৈ থাকিব নোৱাৰি, খাজনা বন্ধ আন্দোলন চলাব লাগে।

ডাক্তৰে ৰাইজৰ হয়ভৰ দিলে। সেইদিনা গধূলি। জেপৰ পৰা ভাৰতৰ মেপখন উলিয়াই তেওঁ আকৌ নগাঁও, গুৱাহাটী, কলিকতা, বোম্বাই, পঞ্জাব, সকলো ঠাইতে আঙুলি দি খেতিয়কৰ আন্দোলনৰ হোৱাৰ কথা কৈ গ'ল; ঠগীৰামৰ মনত পৰিল আগৰ সমদলৰ কথা, মনত পৰি আকৌ এবাৰ আশাৰে অন্তৰ ভৰি পৰিল।

ঠিক কথা, খাজনা দিয়া বন্ধ কৰিব লাগিব। ডাক্তৰে সন্তোষেৰে হাঁহিলে।

কলংপৰীয়া ৰাইজ আকৌ এবাৰ জঁকি উঠিল। আকৌ এবাৰ কলঙৰ মাটিত স্বৰাজ সেনাৰ জন্ম হ'ল। ৰণ-শিঙা বাজি উঠিল।

* * *

কলং পাৰ শুদা হৈ পৰিল। ঘৰত থাকিল কেৱল সোণপাহী আৰু সোণপাহীৰ দৰে গৃহিণীসকল। ভঁৰালবোৰত ধান নোহোৱাই হ'ল। ধনো ৰজাই হৰি নিলে। এইবাৰ হৰি নিলে কলংপৰীয়া তেজী খেতিয়কসকলক। ঠগীৰাম, মালীৰ দৰে কেইবাযোৰা বাপেক-পুতেকো গৈ চৰকাৰৰ পোতাশালত বন্দী হ'লগৈ। ৰজাৰ টেকেলাহঁতে পুলিচ-মিলিটেৰী আনি আনি ৰাইজৰ পৰা খাজনা তুলিলে। ঠগীৰামৰ ঘৰত এইবাৰ বোৱাৰীয়েকৰ যৌতুকত অহা অয়-অলঙ্কাৰসোপাকে টেকেলাক গতাই দিব লগা হ'ল।

কলঙত আগৰ দৰে ৰঙৰ সুৰ নুশুনা হ'ল। বিহু-সংক্ৰান্তিয়ে ৰাইজে আগৰ দৰে ৰং-ৰহইচ নকৰে। কেউফালে বেজাৰেৰে ভৰা।...

... জেলৰ পৰা ওলাই আহি ঠগীৰামে গঞাৰ মন দেখি আকৌ নিৰাশ হৈ পৰিল।

মালীয়েও ঘৈণীয়েকৰ কাণ শুদা দেখি কান্দিবলৈ ধৰিলে।

সোণপাহীয়ে বাপেক-পুতেকহালৰ মন মৰা দেখি অস্থিৰ হৈ পৰিল। ভাবিলে এই পৃথিৱীখনত আৰু ধৰ্ম নাই, অধৰ্মৰ ৰাজত্ব ভৰি পৰিছে। ইয়াত দুখ কৰিলেও পেট নভৰে। ঈশ্বৰে কিবা শাওপাত। কেৱল সিহঁতৰ আঁজলী সৰু জীয়েক কাচনমতীয়ে তেতিয়াও দুখ-সুখৰ কথা ভালদৰে গম ধৰিব পৰা নাছিল।

* * *

তথাপি ঠগীৰাম নিৰাশ নহ'ল। যিমানে কলঙৰ পাৰ শুদা হৈ আহিল, সিমানে তাৰ অন্তৰত চিন্তা লাগিল মালীৰ কথা, বোৱাৰীয়েকৰ কথা, জীয়েকৰ কথা আৰু সিহঁতৰ দৰে গাঁৱৰ ডেকা-গাভৰুৰ কথা, কি হ'ব সিহঁতৰ? খেতি কৰিবলৈ গৰু-ম'হ নাই, ধন নাই, বহুতৰে ঘৰত বছৰেক জোৰাকৈ ধান নোলায়। মায়াৰাম ওজাৰ দৰে মানুহবোৰৰ আৰু চিন্তা হ'ল, মায়াৰামে পকী ঘৰ-দুৱাৰ সাজি ধনী গঞাৰ পৰা দুই-এপইচা পাইছিলে, তাৰেই কোনো ৰকম পেট প্ৰৱৰ্তাইছিল, খেতিত মনো নাছিল আৰু মাটিও নাছিল। কিন্তু গঞাৰ ভঁৰালত ধন-ধান নাইকিয়া হোৱাত, পকী ঘৰ-দুৱাৰ সজা মানুহ নাইকিয়া হ'ল। লগে লগে মায়াৰামৰো দুৰ্ভিক্ষ উপস্থিত। উপায় নেপাই সি টোকাৰী এখন লৈ গীত গাই গাই মাগি-খুজি ফুৰিবলৈ ল'লে। মায়াৰামক দেখিলে ঠগীৰামে বৈ বৈ হুমুনিয়াহ ছাৰে; ইমান গুণী ল'ৰাটোৰ কি অৱস্থা হ'ল দেহী।...

... তথাপি খেতি কৰিবই লাগিব যেনে তেনে। লোকৰ গৰুৰে মৰকীয়া বায় মালীয়ে, সিয়ে দুয়ো মিলি খেতি কৰে; কিন্তু আগৰ সমান মাটিও ৰুব নোৱাৰে আৰু ধানো কম পায়; যিখিনি পায় তাৰো আধা আকৌ খেতি কৰিবই লাগিব।...

ঠগীয়ে আৰু মালীয়ে মাজে মাজে বহি ডাক্তৰৰ কথা পাতে। তেওঁ আকৌ কেতিয়াবা গাঁৱলৈ আহিবনে? শুনিছিল বোলে চৰকাৰে তেওঁকো জেলত ভৰাইছিল, আই ঐ দেহী, বেচেৰাৰ কি কষ্ট আমাৰ লগত লাগি।

আৰু কেইবাটাও আঘোণ গ'ল। ধন-ধান কমি গ'ল। ইতিমধ্যে মালীৰো এটা ল'ৰা হ'ল। নাতিনীয়েকক পাই ঠগী-সোণপাহীৰ মৰম ওপজক ছাৰি ওলোটাটোহে হ'ল। ল'ৰাহঁতৰ কাৰণেই দিন-কাল বেয়া হ'ল, আকৌ নাতিনীয়েকৰ কাৰণে কি কৰা যায়? দিনক দিনে কাপোৰ-কানি, লোণ-তেলৰ দাম বাঢ়ি গৈ আছে—বহুতো সময়তে তেল-নিমখৰ বাবে ভাতৰো লঘোণ হয়।

সোণপাহীয়ে এদিন জুহালৰ গুৰিত বহি দুখৰ কথা পাতি থাকোঁতেই বাহিৰত কোনোবাই 'ঠগী-কাই' বুলি মাত দিলে। ঠগীৰামে মাততেই ধৰিলে ডাক্তৰ বুলি। ঠগীহঁতৰ ঘৰত সেইদিনা নিমখ-তেলৰ অভাৱত ভাতো লঘোণ হৈছিল।

ডাক্তৰে ভিতৰলৈ সোমায়েই ক'লে, "কেনে আছা?"

ঠগীৰামে মুখেৰে একো নকৈ কপালত হাত দি বহিল। সোণপাহীয়ে ডাক্তৰলৈ এখন পীৰা আগ বঢ়াই দিলে। ডাক্তৰে বহি ক'লে, "ঠগীৰাম, মূৰে-কপালে হাত দিবৰ সময় নহয়। দেশ মিলিটেৰীৰে ভৰি পৰিল। বস্তুৰ দাম জুই-ছাই। চৰকাৰক ধ্বংস কৰিব নোৱাৰিলে নহৈছে।ময়ো ওলাইছোঁ, তুমিও ওলোৱা, সকলোকে ওলাবলৈ কোৱা।"

ডাক্তৰৰ কথাৰ সুৰ দেখি ঠগীৰাম সোণপাহী আচৰিত হ'ল। কোনোবা তলকত মালী আৰু বোৱাৰীয়েকো আহি সিহঁতৰ কাষত থিয় দিলেহি। মাত্ৰ ঠগীৰ জীয়েক কাচনমতীয়েহে ভিতৰত বহি চাহপানী তপতাবলৈ ধৰিলে।

ডাক্তৰে আকৌ ক'লে, "বোম্বাইত স্বৰাজৰ সভা বহিছিল, বুজিছা। তাত ঠিক হৈছে এইবাৰ আমি যেনে তেনে ফিৰিঙিহঁতক দেশৰ পৰা খেদিব লাগিবই। মাৰিয়ে হওক বা তৰিয়ে হওক।"

ঠগীৰামে একো নামাতিলে। মালীয়ে ডাক্তৰক সুধিলে, "সিহঁতক কেনেকৈ খেদাব?"

ডাক্তৰে মালীৰ মুখলৈ খন্তেকপৰ ৰ লাগি চালে। তাৰ পাছত ক'লে, "মোক কিয় সুধিছা? নিজকে সোধা; তোমালোকৰ মাটি, তোমোলোকৰ দেশ। তোমালোক কাৰোবাক থানা পাতি, কাছাৰী পাতি থাকিবলৈ দিলে কোনোবা থাকিব পাৰিব, নহ'লৈ নোৱাৰে।"

"কিন্তু সিহঁতে জানো আমাৰ কথা শুনিব?"—মালীয়ে আকৌ সুধিলে।

"নুশুনিব? কিয় নুশুনিব? দেশত পুলিচ-মিলিটেৰী কেইটা আছে? সিহঁতৰ এটা হ'লে তোমালোকৰ হেজাৰটা হ'ব; দিশে দিশে যোৱা, থানা দখল কৰা। স্বৰাজ তেতিয়াহে স্থাপন হ'ব। তেতিয়াহে আপোন খুচিত খেতি কৰিবলৈ পাবা।"—ডাক্তৰে উত্তেজিত স্বৰেৰে কৈ গ'ল।

মালীয়ে এবাৰ ঠগীৰামলৈ চাই মাতিলে, "পিতাই কি কৰিবি?"

ঠগীৰামে ভয়ঙ্কৰ স্বৰেৰে ক'লৈ, "কি কৰিবি? আজি যদি বিদেশী নেখেদ, কাইলৈ কি খাবি?" বুলি ডাক্তৰৰ ফালে চাই ক'লৈ, "ডাক্তৰ দেউতা, এই ৰজাৰ লগত এনেকৈ নুযুঁজিলে উপায় নাই। দুৰ্ভিক্ষত মৰিব নোৱাৰি। কি কৰিব লাগে আমাক কওক। অকল ময়ে নহয়, মোৰ ল'ৰা-লুৰি, ঘৈণী সকলোৱে যুঁজিব।"

ডাক্তৰৰ মুখত নতুন সংকল্পৰ ৰেখা ফুটি উঠিল। ঠগীৰ ঘৰৰ জুহালৰ চাৰিওফালে এটি নতুন পোহৰ জিলিকিল। সকলোবোৰৰে মুখ গহীন, সিহঁতৰে সকলোৰে মুখত এক মহান কৰ্তব্যৰ দায়িত্ব।...

* * *

পাঁচোটা মৰাশ। আন্ধাৰ নিশা।

প্ৰথমটোৰ ওচৰত ডাক্তৰে থিয় হৈ লেখিলে, "মালীৰাম, ঠগীৰামৰ পুতেক, ঠাই কলিয়াবৰ; নগাঁও থানাত পতাকা তুলিবলৈ যাওঁতে পুলিচৰ গুলীত মৰিল। মৃত্যু-বাহিনীৰ দ্বাৰা মৰাশ অপাসৰণ; বয়স ২৬; ৫,০০০ মানুহৰ শোভাযাত্ৰাৰ নেতৃত্ব কৰি গৈছিল।"

তাৰ পাছত দুজন মৃত্যু-বাহিনীৰ মানুহে মৰাশটো দাঙি লৈ গ'ল।

দ্বিতীয়টোৰ ওচৰত থিয় হৈ ডাক্তৰে খন্তেকপৰ ভালকৈ মুখখন চালে, তাৰ পাছত লাহে লাহে ক'লৈ, "মালীৰামৰ ঘৈণীয়েক; বয়স কুৰি; ফিৰিঙি মিলিটেৰীয়ে পাশবিক অত্যাচাৰ কৰোঁতে ছুৰীৰ আঘাতেৰে এটা সৈন্যক মাৰে; তাতে খং খাই কেপ্টেইন ব্ৰিষ্টলৰ গুলী বৰ্ষণ।"

তাৰ পিছত মৰাশটো মৃত্যু-বাহিনীৰ দ্বাৰা স্থানান্তৰিত হয়।

তৃতীয় মৰাশটোৰ ওচৰত থিয় হৈ ডাক্তৰে দেখিলে, এটা সৰু ল'ৰা, বয়স প্ৰায় ১৪ মান হ'ব। খুব ওচৰলৈ টৰ্চটো দি মুখখন চাই ডাক্তৰৰ গাৰ নোম

শিয়ৰি উঠিল। "ই দেখোন সূৰ্য"—অস্ফুট স্বৰেৰে ডাক্তৰে ক'লে।

হঠাতে আন্ধাৰৰ মাজেদি মাত আহিল, "কি হ'ল ডাক্তৰ?"

ডাক্তৰে ক'লে, "ই দেখোন মোৰ ল'ৰা।"

মৃত্যু-বাহিনীৰ ল'ৰা এজনে ক'লে, "সি আমাৰ সদস্য আছিল; যোৱা নিশা টাউনৰ পৰা বাইকত কামপুৰৰ দলং অতিক্ৰম কৰোঁতে মিলিটেৰীৰ গুলিত মৰিছে।"

ডাক্তৰৰ চকুৰ পৰা টোপাটোপে পানী পৰিবলৈ ধৰিলে; তথাপি তেওঁ লেখি গ'ল—"ডাক্তৰ মণি বৰাৰ ল'ৰা, বয়স চৈধ্য, দশমমান শ্ৰেণীৰ ছাত্ৰ; মিলিটেৰীৰ গুলীত প্ৰাণনাশ।"

চতুৰ্থ আৰু পঞ্চম দুয়োটা মৰাশ কলিয়াবৰৰ দুজন খেতিয়কৰ। ডাক্তৰে কোনো ৰকমে সিহঁতৰ নাম-ধাম লেখিলে।

তেতিয়া ৰাতি পুৱাবলৈ অনেক দেৰি বাকী। মৃত্যু-বাহিনীৰ ল'ৰাবোৰে সুধিলে, "খৰি দিম নে পুতিম?"

খৰি দিলে মিলিটেৰীৰ চকুত পৰিব পাৰে; তেতিয়া কথা ভয়ানক হ'ব, "নাই, পোতাই ভাল হ'ব।" ডাক্তৰৰ চকুৰ পৰা তেতিয়াও চকুপানী পৰি আছে। "কিন্তু, ঠগীৰামৰ মতামত" বুলি ডাক্তৰ হঠাতে বৈ গ'ল। তেনেতে ডাক্তৰৰ কান্ধত হাত দি কোনোবাই ক'লে, "ডাক্তৰ দেউতা, আপুনি যি কৰিছে সেয়ে ভাল, খৰি দিলে শত্ৰুৱে আমাৰ পুং পাব, পোতাই ভাল।"

ডাক্তৰে বুজি পালে ই ঠগীৰামৰ মাত। ঠগীৰামৰ স্থিৰ মাত শুনি সমদুখী ডাক্তৰৰ পিতৃপ্ৰাণে অলপ সান্ত্বনা পালে।

শেহ নিশা কলঙৰ পাৰত আটাইকেইটা মৰাশ পোতা হ'ল। শ্বহীদৰ মৰণ-ভূমিত লাহে লাহে নতুন দিনৰ তেজীৰঙা পোহৰৰ ৰেখা পৰিলহি।

ঠগীৰাম আৰু ডাক্তৰ দুয়ো শ্বহীদৰ শয়ন-ভূমিত আঁঠু কাঢ়ি দু-আঁজলি ফুল দিলে। তাৰ পাছত পাঁচ গছি ধূপ জ্বলালে।

ঠগীৰামে চকুপানী টুকি টুকি ক'লে, "আমাৰ আবাল-বৃদ্ধ-বনিতাই আমাৰ কাৰণে কেঁচা তেজ দান কৰিছে। আমাৰ যিবোৰ শৰীৰত এতিয়াও তেজ বলি আছে, সেইবোৰৰ এইবাৰ মৰিবৰ পাল, আহক সকলোৱে আজি ইয়াত সংকল্প লওঁ—কৰিম, কিম্বা মৰিম।"

ৰঙা বেলিৰ প্ৰথম পোহৰ আহি শ্বহীদ স্থানৰ ওপৰৰ ফুলবোৰ উজলাই

দিলে। মৃতকসকলৰ উদ্দেশ্যে মৃত্যু-বাহিনীয়ে এটি ছেলিউট্ দিলে। তাৰ পাছত সিহঁত তাৰ পৰা আঁতৰি গ'ল।

আৰু পাঁচোটি আঘোণ গ'ল। ঠগীৰামৰ ঘৰত কাচনমতী, সোণপাহী আৰু নাতিনী ল'ৰাটো। বাকী দুয়োটা স্বৰাজৰ শ্বহীদ হৈ গ'ল।

হঠাতে এদিন মাজ নিশা গাঁৱৰ নামঘৰত বৰকাঁহ বাজি উঠিল, ঠগীৰামে সাৰ পাই সুধিলে, "কি হ'ল?"

সোণপাহীয়ে ক'লে, "কেলেই, কালি নগৰৰ সেই মানুহজনে স্বৰাজ হ'ব বুলি জানো কৈ যোৱা নাই? সেয়া স্বৰাজৰ সবাহ।"

ঠগীৰাম শোৱাৰ পৰা উঠি বহিল; বুঢ়াৰ বয়স তিনি কুৰি আঠৰো ওপৰ, তাতে স্বৰাজৰ ৰণত মাৰ খাই কঁকালৰ বিষ হ'ল। তথাপি স্বৰাজৰ নামত সি উঠি বহিল। কাচনমতী আৰু অকণমান নাতিনীয়েকটোক জগালে। বাহিৰৰ জুইকুৰা ধৰি লৈ বুঢ়াই ঘৈণীয়েক, জীয়েক আৰু নাতিনীয়েকৰ আগত স্বৰাজৰ কথা ক'বলৈ আৰম্ভ কৰিলে। কলিয়াবৰত সেই বিৰাট সমদল হ'বৰ দিনাৰে আৰম্ভ কৰি খাজনা বন্ধ আন্দোলনৰ কথা আৰু মালীৰামহঁতৰ ৰণৰ কথা কওঁতে কওঁতে ঠগীৰামৰ চকুৰ পৰা চকুপানী টপ্-টপ্কৈ পৰিবলৈ ধৰিলে।

কাচনমতীয়ে ঠগীৰামক সুধিলে, "আজিৰ পৰা আমাৰ তেনে সুখ হ'ব পিতা?"

ঠগীৰামে ক'লে, "হ'ব, হ'ব, আই, এতিয়াৰে পৰা খাজনা মাফ হ'ব, গৰু-ম'হৰ দাম সস্তা হ'ব। কাপোৰ-কানি-নিমখ-তেলৰ দাম কমিব আৰু আমি মনৰ সুখত খেতি কৰিবলৈ পাম।"

তাৰ পাছতেই বুঢ়াই ক'লে, "মই এতিয়া অকলেহে খেতি কৰিব লাগিব। কৰিম, তথাপি ধান পালে, কোনে খেতি নকৰিব?"

মালীৰামৰ কথা মনত পৰি সোণপাহীৰ চকুৰ পৰা পানী পৰিবলৈ ধৰিলে।

* * *

তিনিটা আঘোণ আকৌ পাৰ হৈ গ'ল; ক'তা খাজনাও নকমিল, গৰু-ম'হ, বয়-বস্তুৰো দাম নকমিল। ঠগীৰামহঁতৰ মন মৰি গ'ল। অতবোৰ ৰণ কৰিও

শেষত একো নহ'ল। হায়, হায়, আমাৰ বোপাইঁতে আইদেউইঁতে মিছাতে প্ৰাণ দিলে।...

ঘৰে ঘৰে দুখ-কষ্ট বাঢ়িল। বেছি ভাগৰ ঘৰতে গৰু-ম'হ নাই। ধানৰ ভঁৰাল শুদা; তাতে আকৌ খাওঁতাৰ সংখ্যা বাঢ়ি গ'ল। ঠগীৰামে এতিয়া নিজেই খুজি-মাগি খাব লগা হ'ল। কিন্তু খুজিলেও কোনে দিব, আটাইৰে সেই একে অৱস্থা।

মায়াৰাম ওজাই এদিন ঠগীৰামৰ চোতালত বহি বহি ক'লে, "বান্ধ, কি ক'বা, আমাৰ গাঁৱতে তিনি কুৰি ডেকা ল'ৰা খেতি কৰিব নোৱাৰি বহি আছে। মাটিও নাই, গৰু-ম'হো নাই, কি কৰিবা? মোৰ তিনিটা ল'ৰা আছে নহয়, সিহঁতে বুজিছা, সাত পুৰুষৰ নকৰা কামত ধৰিছে।" বুলি সৰুকৈ ঠগীৰামৰ কাণৰ গুৰিত ক'লে, "চুৰ কৰিবলৈ লৈছে, বুজিছ? তোমাৰ আগত লুকাবলৈ আৰু কি আছে?"

ঠগীৰামে তৎক্ষণাৎ মায়াৰামৰ পুতেকহঁতক মতাই আনি বুঢ়াই-বুজাই ক'লে, "বোপাইহঁত এইবোৰ স্বভাৱ এৰ। আমি খেতিয়কৰ ল'ৰা, খেতি কৰ।" ল'ৰাহঁতে ঠগীৰামক সেৱা এটি জনাই উত্তৰ দিলে, "দদাই, সেইবোৰ কথা জানো আমি নুবুজোঁ। কিন্তু কি কৰিম, মাটি-বাৰীও নাই। গৰু-ম'হো নাই। উপায় নাপাই নগৰৰ ধনী কেএজা মহাজনৰ তাত চুৰি-চাপ্ৰাচীকে কৰিছোঁ।" ঠগীৰামে ক'লে, "বোপাইহঁত চুৰি-চাপ্ৰাচী কৰিব নাপায় নহয়, বিশেষকৈ আমাৰ মানুহ নহয় জানো সেইবোৰ?"

ল'ৰাহঁতে এইবাৰ পোনকোবেই উত্তৰ দিলে, "ইহঁতকে লুটি নাখালে আমাৰ একো উপায় নাই। তেহেলৈ যি হওক।"

ঠগীৰামৰ অন্তৰ বিষাদেৰে ভৰি গ'ল। কি কৰিব, কি নকৰিব ভাবি বুঢ়াই নিতৌ গএজাৰ ঘৰে ঘৰে গৈ আলোচনা কৰেগৈ। সকলোৱে কয়, "স্বৰাজৰ ৰণ কৰি কি হ'ল আমাৰ? নাই খাজনাই কমিল, নে বস্তুৰ দামেই কমিল।"

কোনোৱে ক'লে, "মাটি দিয়া, চুৰি-চাপ্ৰাচী এদিন বন্ধ হৈ যাব।"

ঠগীৰাম নিৰাশ মনে ঘৰলৈ উভতিল। আকৌ এইবোৰ বিষয়ে চিন্তা কৰিবলৈ ধৰিলে।

হঠাতে এদিন ডাক্তৰ ওলালহি। ঠগীৰামে হাততে সৰগ ঢুকি পোৱাদি পালে। বহুৱাই লৈ সকলো কথা কৈ অঁতাই শেষত লাহে লাহে সুধিলে,

"ক'তা ডাক্তৰ দেউতা, এয়া জানো স্বৰাজ? ইয়াৰ কাৰণেই জানো আমাৰ ল'ৰাহঁত মৰিল!"

ডাক্তৰে হঠাতে ক'লে, "নাই, এয়া স্বৰাজ নহয়, ককাইটি; স্বৰাজ হ'বলৈ আৰু দিন আছে।"

ঠগীৰামৰ মুখখন শেঁতা পৰি গ'ল। "কেতিয়া স্বৰাজ হ'ব, ডাক্তৰ দেউতা? গাঁৱে গাঁৱে দুৰ্ভিক্ষ, ডেকা ল'ৰাবোৰ সকলো চোৰ হৈছে। কি যে কৰিম, একো ক'ব পৰা নাই! নিজৰো একো কৰিব নোৱাৰিলোঁ; লোকৰো একো কৰিব নোৱাৰিলোঁ।"

ডাক্তৰে উত্তৰ দিলে, "তথাপি আমাৰ ল'ৰাহঁতৰ আধৰুৱা কাম আমি কৰিবই লাগিব। আনে যি নকৰক, মই মৰালৈকে স্বৰাজৰ বাবে যুঁজিম।"

ঠগীৰামে ডাক্তৰৰ মুখলৈ চাই অকণমান পোহৰ দেখা পালে। হঠাতে ডাক্তৰে ক'লে, "আমি আকৌ স্বৰাজৰ মেল পাতিব লাগিব।"

ঠগীৰামে সুধিলে, "ক'ত?"

ডাক্তৰে উত্তৰ দিলে, "ইয়াত, কলঙৰ পাৰত, ঠিক সেই শ্বহীদভূমিৰ ওচৰতে। আমি পাতিবই লাগিব; নহ'লে—" ডাক্তৰৰ চকু-মুখ হঠাতে কঠোৰ হৈ উঠিল। "তিনি বছৰে আমাৰ দেশত ধনীৰ ৰাজত্ব চলিছে। দুখীয়াৰ ক'তো মাত নাই।" তাৰ পাছত অলপপৰ বৈ ক'লে, "তুমি ভয় নাখাবা ককাইটি, এইবাৰ আমি নিশ্চয় জিকিম। এক শত্ৰু গ'ল, ইবোৰ শত্ৰুও যাব।"

ঠগীৰামৰ বুকুত আকৌ আশাৰ সপোন ফুটি উঠিল।

* * *

ন স্বৰাজৰ মেললৈ সদৌ অসমৰ বহুতো মানুহ আহি কলঙৰ পাৰত গোট খালেহি, সভা পাতিলে, নতুন সংকল্প গ্ৰহণ কৰিলে; স্বৰাজৰ নতুন আন্দোলনৰ সূচনা হ'ল।

সভাৰ পাছত শ্বহীদভূমিত আঁঠু লৈ গএগুৱাই আৰু স্বৰাজৰ মেলুৱৈসকলে শপত খালে, "খেতিয়কে যেতিয়ালৈকে স্বাধীনতা নাপায়, যিদিনালৈকে খাজনা মাফ নহয়, যিদিনালৈকে গাঁৱৰ স্বৰাজৰ আন্দোলন শেষ নহয়। যেতিয়ালৈকে দুবেলা-দুমুঠি সুখেৰে খাবলৈ ববলৈ ব্যৱস্থা নহয়, তেতিয়ালৈকে আমাৰ ৰণ চলি থাকিব। যেতিয়ালৈকে আমাৰ পিতা-মাতা,

বাই-ভনী, ভাই-ককাইহঁতৰ আধৰুৱা কাম সম্পূৰ্ণ কৰিবলৈ আমি যত্ন কৰিম।"

ঠগীৰামে নতুন পথ দেখা পালে। বয়স ভাটী দিলেও বুঢ়াৰ শৰীৰত স্বৰাজৰ তেজ ব'বলৈ নেৰিলে। সি ভাবিলে সি মৰি যোৱাৰ পাছত নাতিনী-জীহঁতৰ কি হ'ব? গাঁওখনৰ অৱস্থা যদি এনেদৰেই বেয়া হৈ গৈ থাকে, তেন্তে সিহঁত জীয়াই থাকিব কেনেকৈ? "পাৰোঁ নোৱাৰোঁ, মৰালৈকে যুঁজিম, স্বৰাজৰ বাবে যুঁজিম; আমাৰ গাঁৱৰ উন্নতি আমাৰ বাদে কোনে কৰিব?"

* * *

ঠগীৰামে ডাক্তৰৰ পৰা বিদায় লৈ লাহে লাহে সভাৰ শেষৰ জোনাক নিশা, হাতত লাখুটিডাল লৈ কলঙৰ পানীঘাটত নামিলহি। হঠাতে সি শুনিলে—

"কলঙত নচলে নাও মোৰ ভৈয়াই ঐ
ৰাইজৰ নচলে পাও;
সন্ধিয়া আন্ধাৰত বন্তি নজ্বলে
বুকু শুদা শুদা পাওঁ।"

ঠগীৰামে অধৈৰ্য হৈ মাতিলে, "মায়াৰাম বান্ধ, এই ফালে মাত দিয়া।"

মায়াৰাম ওচৰৰ পঁজা এটাৰ পৰা লাহে লাহে ওচৰ চাপি আহিল। "বান্ধ, এইবোৰ গীত নাগাবা।"

"কেলেই?"—মায়াৰামে সুধিলে।

"ৰাইজৰ পাও চলিব লাগিব, কলঙতো নাও চলিব লাগিব। মই কৈছোঁ, শুনা, নহ'লে আমাৰ গাঁৱৰ উন্নতি নহয়।"

ঠগীৰামে কলঙৰ পানীত লাখুটিডাল জোৰেৰে কোবালে।

মায়াৰামে একো উত্তৰ নিদিলে। ঠগীৰামে আকৌ ক'লে, "বান্ধ, আজি ডেৰ কুৰি বছৰৰ মূৰত গম পাইছোঁ আমাৰ স্বৰাজ আমিয়ে ল'ব লাগিব।"

মায়াৰামে এইবাৰ সুধিলে, "কেনেকৈ?"

ঠগীৰামে একো নকৈ লাহে লাহে মায়াৰামক মাতি নিলে শ্বহীদৰ শয়ন ভূমিলৈ। "মোৰ বোপাইহঁত ইয়াতে আছে; ইহঁতৰ কথা নোগোৱা কেলেই বান্ধ?"

মায়াৰামৰ গা ৰোমাঞ্চিত হৈ পৰিল। "বান্ধ, এইবোৰ মালীহঁতৰ মৰিশালী নহয়নে?"

"হয় বান্ধ। সিহঁতৰ শপত দিছোঁ বান্ধ; বেজাৰৰ গীত নেগাবা। সিহঁতৰ আত্মাই শান্তি নেপাব।"—ঠগীৰামে ক'লে।

মায়াৰামে শয়নভূমিৰ পৰা এমুঠি ধূলি তুলি মূৰত ল'লে। ঠগীৰামৰ চকুত পানী বিৰিঙিবলৈ ধৰিলে।

* * *

ঠগীৰামে কলঙৰ পাৰে পাৰে জোনাকত লাহে লাহে খোজ কাঢ়িবলৈ ধৰিলে। লগে লগে তাৰ গোটেই জীৱনৰ কাহিনী মনত পৰি গ'ল। কলঙৰ বালিত, কলঙত পাৰত আজি জীৱনৰ তিনি কুৰি আঠটা বছৰ অতিবাহিত হৈছে। গঞাৰ সুখৰ-দুখৰ কলং সাক্ষী। কত দিনৰ পৰা এই কলং বৈ আহিছে। কত যুগলৈ ব'ব। গাঁৱৰ বুকুত হেজাৰ ঠগীৰাম যাব, হেজাৰ ঠগীৰাম আহিব, কিন্তু কলঙৰ পাৰৰ মাটিত নতুন খেতিয়ক ওলাবই। বাপেকহঁত গ'লে পুতেকহঁত আহিব; পুতেকহঁত গ'লে নাতিয়েকহঁতে হাতত নাঙল তুলিব। তাৰ জীৱনৰ ত্ৰিশটি আঘোণত হয়তো লখিমীৰ আৱিৰ্ভাৱ হোৱা নাই। কিন্তু পুতেক-নাতিনীয়েকহঁতৰ জীৱনত আৰু কত ত্ৰিশ আঘোণ আহিব লাগিছে, সেইবোৰ আঘোণত যাতে লখিমীৰ আৱিৰ্ভাৱ হয়, তাৰ বাবে যত্ন কৰিব লাগিব, প্ৰাণ থাকে মানে, জ্ঞান থাকে মানে। জীৱন এটা নহয়, শটা। কলঙৰ দৰে বহুত পানীৰ কণিকাৰ দীঘলীয়া সুঁতি—এই কলংপৰীয়া জীৱন।...

তাৰ পিছত বুঢ়াৰ অন্তৰত এটা নতুন আহিব লগা আনন্দৰ সপোন জিলিকি উঠিল। ...

* * *

সোণৰ কলং, ৰূপৰ কলং, সোঁতৰ ছেৰ ছেৰে নাচে। কলং আজিও বয়, অতীত পিছত থৈ।...

(১৯৪৬ চন)

* * *

# ছিৰালা আৰু চিন্দুইন

ছিৰই আৰু ছিৰালা। ছিৰই পৰ্বত আৰু ছিৰালা এজনী মনোহৰ গাভৰু। পৰ্বতটো ন হেজাৰ ফুট ওখ। তাত উঠি আমি দুয়ো কাঠকটীয়া আৰু ধাননি ৰখিবলৈ অহা মানুহবোৰলৈ অপেক্ষা কৰিছিলো। পৰ্বতৰ টিংটোৰ পৰা নামিয়েই পোৱা পানীৰ সৰু সৰু কুণ্ডকেইটাত কেইটামান মানুহে ছিটিকা পাতি চৰাই ধৰিছিল। আহিন মহীয়া নগা জীৱনৰ এটি সাধাৰণ দিন। তিনি মাইল দূৰৰ গাঁৱৰ পৰা হোৰা লৈ লৈ গাভৰু ছোৱালীবোৰ উঠি আহিছে, খৰি কটা হ'লে হোৰাত নিবলৈ। আবেলি নোহোৱালৈকে সিহঁত ৰ'বই লাগিব। সেই বাবে কোনোজনীয়ে জেতুলিপকা তুলিবলৈ; কোনোজনীয়ে নামনিত কৰা চালি ঘৰটোত চাহ বহাবলৈ লাগিছে আৰু বাকীবোৰে পিয়াপি দি ইফালে-সিফালে চাইছে। একমাত্ৰ তাইহে কুঁৱলীৰ ফাঁক চাই চাই, ডাৱৰৰ মাজেদি ভাৰত সীমান্তৰ সিপাৰে মানদেশৰ চিন্দুইন নৈখন চাবলৈ ধৰিছে। অধীৰতাত তাই ছাটি-ফুটি কৰিছে—যেন যৌৱনৰ উচলি পৰা ৰূপৰাশিয়ে ৰূপহ চিন্দুইন উপত্যকাৰ পৰশ বিচাৰি ব্যাকুল হৈ পৰিছে।

মোৰ হাতৰ পৰা How Green Was My Valleyখন অজ্ঞাতসাৰে সৰি পৰিল। আপুৰুগীয়া এচেৰেঙা দুপৰীয়াৰ ৰ'দৰ তাপ লৈ মই বহল এচটা শিলত ওপৰলৈ মূৰকৈ কিতাপ পঢ়িছিলো। পাহাৰী জীৱনত মোৰ একমাত্ৰ আকৰ্ষণ আছিল মানৱ সেৱা, কিতাপ পঢ়া আৰু প্ৰকৃতিৰে সৈতে আপোনভাৱে বাস কৰা। এই দুৰ্বাৰ অসাধাৰণ আৱেগে মোক টানি আনিছিল এই পৰ্বতমালালৈ। ইয়াৰ গাঁৱে গাঁৱে ঘূৰি সিহঁতক নতুন জীৱনৰ আলোক বিলোৱাই আছিল মোৰ মিশ্যন। সিহঁতৰ ডেকা-গাভৰুবোৰক মই পঢ়ুৱাওঁ, দেশ-বিদেশৰ কথা শুনাওঁ, আৰু সিহঁতৰ প্ৰাণত সমূহীয়া আকাংক্ষাৰ আৱেগ

জগাই তুলিবৰ বাবে চেষ্টা কৰোঁ। আজিও সাধনা সফল হোৱা নাই, কিন্তু আশা ৰাখিছিলোঁ এদিন সিহঁত দৃষ্টিৰ সমুখত নতুন জীৱনৰ সপোন জিলিকি উঠিব আৰু সিহঁতৰ বুকুৰেদি সৃষ্টিৰ বানপানী বাগৰিব।

ইহঁতৰ লগলৈ আহি মই আগৰ সেই বনৰীয়া বোহেমিয়ান ডেকা হৈ থকা নাই। ইহঁতে মোৰ জীৱনত শাৰীৰিক শ্ৰমৰ মৰ্যাদা কি শিকাইছে। ইহঁতৰ লগত মই পথাৰত কাম কৰোঁ। হাবিত কাঠ কাটোঁ, গান গাওঁ, হাঁহো, মিলি-জুলি খাওঁ। সিহঁতে মোৰ ব্যক্তিত্বত এনে এটি ৰূপ দিছে, যাৰ বলত মাৰ্ক্সৰ সেই পৰিপূৰ্ণ মানৱৰ কথা মই হাড়ে হাড়ে অনুভৱ কৰিব পাৰিছোঁ-—লিঅ'নাৰ্ড ডি-ভিন্সী হোৱাৰ।

তথাপি মই স্বীকাৰ কৰিব লাগিব যে যৌৱনৰ স্বাভাৱিক শক্তিৰ দুৰ্বাৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সংঘাত জীৱনত মই প্ৰথম (ইমান নিবিড়ভাৱে) উপলব্ধি কৰিছোঁ, এই ওখ পাহাৰটোৰ শিলচটাৰ ওপৰত শুই, ওখ ওখ গছবোৰৰ সেউজীয়া বৰণে মোক যেন হঠাতে সোঁৱৰাই দিছিল, মোৰ জীৱনৰ আন এটি পৰিপূৰ্ণতাৰ অঙ্গৰ কথা,—ডেকাই গাভৰুক ভালপোৱাৰ চিৰন্তন কাহিনীৰ কথা। লিঅ'নাৰ্ডে প্ৰেমৰ ইমান গভীৰ পৰশত ব্যাকুল হৈ উঠিছিল নে নাই ক'ব নোৱাৰোঁ, মই কিন্তু মোৰ নিবেদিত হৃদয়ৰ প্ৰতি আঁহে আঁহে অনুভৱ কৰিছিলোঁ ছিৰালাৰ যৌৱনৰ পৰশ।

তাইতো সৌন্দৰ্য নহয়, তাই মোৰ বাবে মোৰ সমুখৰ প্ৰকৃতিৰ সকলো সৌন্দৰ্যৰ আকৰ। কত পাহাৰী দিন, সংকল্পৰ সন্ন্যাসেৰে শুষ্ক মোৰ মনৰ আৱেগৰ প্লাৱন আনি দিছিল তাইৰ গুলপীয়া গালৰ মচিব নোৱাৰা ৰঙে, তাইৰ ডাৱৰীয়া চকুযুৰিৰ নাচোনে আৰু সবাতোপৰি তাইৰ অন্তত হাঁহিটোৰ জোৱাৰে। মোৰ মানৱ-সেৱাৰ সন্ন্যাস তাইৰ প্ৰেমৰ কৰুণা আৰু উত্তপ্ততাৰে গলাই পেলালে।

তাৰ পৰা মই ক্ষতিগ্ৰস্ত হোৱা নাই, লাভৱানহে হৈছোঁ—সংকল্প কৰিছোঁ এই পাহাৰতে থাকিম। আৱশ্যক হ'লে চিৰদিনৰ বাবে থাকিম।

তথাপি মানুহে শুনি আচৰিত হ'ব যে ছিৰালা বাগদত্তা। ছিৰালাৰ এটি সাধাৰণ নগা প্ৰেমিক আছে, যাৰ লগত নগা প্ৰথা মতে অহা বৰদিনৰ বন্ধৰ আন ডেকা-গাভৰুৰ দৰে চাৰ্চত তাইৰ বিয়া হ'ব। তাইক মই ভাল পাবলৈ আৰম্ভ কৰাৰ আগতেই তাইৰ ভালপোৱা আৰম্ভ হৈ গৈছে আৰু তাইৰ

ভালপোৱাৰ পাত্ৰ সেই বিনয়ী, সৰল, সুস্থ ডেকাজন মোৰ বন্ধু। তাৰ লগত মই একেলগে খেতি কৰোঁ, মাছ মাৰোঁ, গাঁৱে গাঁৱে ফুৰি নতুন স্কুল পাতোঁ, গাঁৱৰ মানুহ গোটাই আলিবাট বান্ধোঁ, গীত গাঁও, ভোজ পাতোঁ—কত কি? আৰু আচৰিত কথা, ছিৰালা অথবা ছিৰালাৰ প্ৰেমিকে ঘুণাক্ষৰেও নাজানে যে মই তাইক ভাল পাওঁ। কাৰণ নগাৰ মনত ভালপোৱা মানে বিয়া, বিয়া মানে ঘৰ পতা, সন্তান জন্ম দিয়া আৰু মৰণলৈকে বাচি থাকিবৰ বাবে এটি আয়োজন কৰা। মোৰ দৰে, গাভৰুক সৌন্দৰ্যৰ আকৰ বুলি ভাবিবৰ বাবে সি কোনোদিনে চেষ্টাও কৰা নাই আৰু তাৰ আৱশ্যকতাও অনুভৱ কৰা নাই। আনহাতে এজনী শিক্ষিত অসমীয়া বাগ্‌দত্তাক ভালপোৱা যিদৰে জগৰ, নগা বাগদত্তাক ভালপোৱাটোও সেইদৰে জগৰ। সেই কাৰণে ময়েই ইচ্ছা কৰিছিলোঁ যে ভালপোৱাৰ একান্ত ব্যক্তিগত প্ৰবৃত্তিক নিয়মিত কৰি; তেনে এটি অনুৰূপ প্ৰবৃত্তিৰে মানৱ সেৱাত আগ বাঢ়ি যাম। মোৰ এই সিদ্ধান্তক যি 'ফ্ৰাষ্ট্ৰেশ্যন' বুলি ক'ব, সি হয়তো কোনোদিনে সমাজ-সংস্কাৰকৰ জীৱনী পঢ়ি পোৱা নাই।

ছিৰালাৰ প্ৰতি দুৰন্ত ভালপোৱাৰ ভিন্ন আত্মপ্ৰকাশ বিচাৰি মই গল্প লিখিবলৈ ঠিক কৰিছিলোঁ। মাজে মাজে দুই-এটা কবিতাও লিখিছিলোঁ। সেই সকলোবোৰৰ এজন শ্ৰেষ্ঠ অসমীয়া সমালোচকলৈ পঠাই দিছোঁ, তেওঁ যদি তাক বাস্তৱবাদী আৰ্ট বুলি কয়, তেন্তে অচিৰে তাক প্ৰকাশ কৰিম। মোৰ আত্ম-বিজ্ঞাপনৰ বাবে নহয়, সমাজৰ আধুনিক জীৱনৰ এটি চিত্ৰ দিবৰ বাবে।...

... এটা চিগাৰেট জ্বলাই ছিৰালাক চালোঁ। ছিৰালাই তেতিয়া চিন্দুইন চোৱাৰ আশাৰ এৰি দি একান্তমনে অদূৰত নুনি পকা ছিঙিছে। এবাৰ চিলাকুটিৰ ওপৰত থিয় হৈ চিন্দুইনৰ পিনে চালোঁ। হঠাতে ডাৱৰ মুকলি হ'ল। দেখিলোঁ প্ৰভাতী অৰুণৰ দৰে ডাঠ ৰঙা ৰঙৰ ৰাগেৰে ৰঞ্জিত হৈ চিন্দুইন নৈয়ে আমাক আহ্বান জনাইছে, যিদৰে ছিৰালাই মোৰ জীৱনক আহ্বান জনাইছিল। পৃথিৱীত কত সমাজ-সংস্কাৰকে কেনেকৈ এনে চিন্দুইন দেখি আহিছে, কোনে জানে? মই ছিৰালাক মাতিলোঁ। তাই আহিল। মই থিয় হ'লোঁ। দুয়ো একেলগে চালোঁ, চিন্দুইন পৰ্বতমালাই এফালৰ পৰা ঢৌৰ দৰে ক্ৰমান্বয়ে দূৰলৈ গতি কৰি গৈ হঠাতে যেন চিন্দুইনক দেখি থমক খাই

ৰৈছে। মোৰ মনত জীৱনৰ পৰিপূৰ্ণতাৰ বাটটোও এনে ধৰণেৰে ঢৌৱাই যোৱা পৰ্বতৰ দৰে লাগিল। ঢৌ কেতিয়াবা ক'ৰবাত ৰ'লে, মানুহো ক্ষন্তেকৰ বাবে ৰয়, ক'ৰবাত চিন্দুইনৰ আহ্বান শুনে।

ছিৰালাই মোক এটি কিম্বদন্তীৰ আভাস দিলে। তাইৰ বুঢ়ী-আইতাকৰ পৰা শুনা। চিন্দুইনে বোলে এনেদৰেই সদায় যুগ যুগ ধৰি নগাক বাউল কৰি আহিছে। সিহঁতৰ অনগ্ৰসৰ মনে এই কণ কণ দৃষ্টিৰ গতিকে সদায় ভাল পাই আহিছে।

হেঁপাহ পলুৱাই চোৱাৰ পাছত আমি দুয়ো বহিলো। তাই মোক বুটলি অনা নুনি পকা খাবলৈ ক'লে। মই এটা এটাকৈ গিলি থাকি সুধিলো তাইৰ সমাজ-সেৱিকা হ'বৰ আকাংক্ষা আছে নে নাই। তাই খিল্‌খিল্‌কৈ হাঁহি ক'লে, "মই নাৰী হ'বলৈ বিচাৰো, সেইবোৰ পুৰুষৰ কাম।" তাৰ উত্তৰত মই তাইক ক'লো, ৰাণী গুইডালু, বিজয় লক্ষ্মীৰ কথা আৰু তাই হয়তো চিনি পোৱা দুই-এজনী কৃতী নাৰীৰ কথা।

মোৰ ভাবৰ গভীৰতালৈ সোমাবৰ প্ৰয়াস নকৰি তাই সহজভাৱে ক'লে, "নাই, নাই, সিহঁতে কি কৰিছে? আমাৰ মাইকী মানুহবোৰৰ কাম হৈছে ঘৰত, পথাৰত, হাবিত। পুৰুষৰ কামবোৰত যদি আমি লাগো, তেন্তে বাইবেলৰ সেই মহা প্ৰলয়ৰ সূচনা হ'ব।" এই কথা কৈ তাই আকৌ হাঁহিলে। মই মনে মনে ৰ'লো।

তাই কিবা এটা ভাবি মোৰ ফালে চাই আকৌ সুধিলে, "বাৰু, তোমাৰ ঘৰত কোন কোন আছে?"

উত্তৰ দিলো, "মানুহৰ যি যি থাকিব লাগে সকলো আছে।"

হঠাতে তাই উদ্বিগ্ন হৈ সুধিলে, "তোমাৰ পত্নী?"

মই উত্তৰ দিবলৈ গৈ তাইৰ মুখলৈ চাই ৰৈ গ'লো। মই যদি তাইক মোৰ জীৱন-দৰ্শনৰ কথা কওঁ, তেন্তে হয়তো তাই আচৰিত হ'ব আৰু মোক পাপী বুলি গণ্য কৰিব। নগাৰ মাজত পাপী বুলি পৰিগণিত হোৱা মানে মিশ্যনেৰী জীৱনত ছেমিক'লন পেলোৱা। তথাপি মই জানো যে ধৰ্ম আৰু বিয়া মই দুয়োটাকে ঘিণ কৰো। ধৰ্মক ঘিণ কৰো এই কাৰণে যে ধৰ্মই মানুহক সংকীৰ্ণমনা কৰে আৰু বিয়াক ঘিণ কৰো এই বাবে যে বিয়াই মানুহৰ প্ৰেমৰ গতিত এটি কৃত্ৰিম বাধা দি থয়। দুয়োটাই কুসংস্কাৰ।

মোক নীৰৱ দেখি তাই আচৰিত হ'ল। জানো নাগিনীয়ে ভৈয়ামৰ ডেকাৰ ব্যক্তিত্বত গুজৰি-গুমৰি থকা নিঃসঙ্গ ফালটোৰ কথা উপলব্ধি কৰিব নোৱাৰে। তাইৰ মন পৰ্বতীয়া ঘৰ আৰু পথাৰত গঢ়া, মোৰ মন নগৰ আৰু বিশ্ববিদ্যালয়ত গঢ়া। তাই মাটিৰ মানুহ। মই ত্ৰিশঙ্কু, মাটি আৰু আকাশৰ মাজত ওলমি আছোঁ।

মোৰ মাটিৰ কামখিনি লোকৰ কাৰণে কৰা, মোৰ মনৰ ভাবখিনি মাথোঁ মোৰ নিজৰ বাবে ভবো।

তাই মোৰ পৰা বহুদূৰলৈ আঁতৰি যোৱা যেন লাগিল। তাই যেন নামনিৰ সৌ চিন্দুইন নৈ আৰু মই ছিৰই পৰ্বত।

নাৰীসুলভ অনুভৱৰ দ্বাৰা তাই বুজিলে যে তাইৰ প্ৰশ্নটোৰ বাবে মোৰ উত্তৰ নাই, উত্তৰ থাকিলেও মই ক'ব নোৱাৰো। কিন্তু তাইৰ কৌতূহল মাৰ নগ'ল। তাই আকৌ প্ৰশ্ন কৰিলে, "তুমি বিয়া নকৰোৱা কেলেই ?"

এইবাৰ মই তাইৰ হাতৰ পৰা আৰু এটি জেতুলিপকা লৈ মুখত দি ক'লো, "বিয়া নকৰাওঁ বুলিয়েই ভাবিছোঁ।"

তাই আচৰিত হৈ মোৰ ফালে চালে। পৰ্বতৰ এজাক চেঁচা বতাহে আহি তাইৰ মূৰৰ চুলিবোৰ লৰাই দি মোৰ মুখত খুন্দিয়াই দিলেহি। মোৰ মুখৰ পৰা জেতুলিপকাটো সৰি পৰিল। সকৌতুক ভঙ্গীৰে তাই মোক ধেমালিৰ সুৰত ক'লে, "আমাৰ নগা মানুহে কেতিয়াও সেইদৰে নকয়।"

সৰলা গাভৰুৰ মুখত দৰ্শন আৰু যুক্তি আশা কৰা মিছা, তাইতো বুজি নাপায়, তাইক ভাল পায়ো মই বিয়া নকৰোৱাকৈ কিয় থাকিব পাৰো।

মোৰ নীৰৱতাই তাইৰ অন্তৰত গভীৰ সহানুভূতিৰ জোৱাৰ তুলিলে। স্বকীয় মানৱতাৰ সকলো অনুভূতি বাকি দি তাই সুধিলে, "তুমি কাৰোবাক ভালপোৱা ?"

মই ক'বলৈ বাধ্য হ'লো 'পাওঁ' বুলি।

"কাক পোৱা ?"

এইবাৰ সুযোগ পালো তাইক আপোনভাৱে মোৰ অন্তৰৰ ভালপোৱাৰ এটি উমান দিবলৈ। কিন্তু আত্মত্যাগৰ গভীৰ আদৰ্শৰ আদেশ মানি মই মনে মনে ৰ'লো।

তাই আকৌ সুধিলে, "কোন তেওঁ? ক'ত আছে?"

উত্তৰস্বৰূপে মই তাইৰ মুখলৈ চালো। ওচৰৰ বনৰীয়া ফুল গছজোপাৰ পৰা সৰি পৰিল এথোপা ফুল। এপাহ এপাহকৈ আমাৰ আগত বাগৰি গ'ল। তাইৰ আগ্ৰহশীল মুখখনিত এটি যেন তিৰস্কাৰৰ ভাব ফুটি উঠিল। তেতিয়াহে অনুভৱ কৰিলো যে তাই মোৰ নীৰৱতাক ক্ষমা কৰা নাই।

বাধ্য হৈ মই আঁতৰি গ'লো। টিঙৰ অলপ তললৈ নামি গৈ পৰ্বতৰ ওপৰত থিয় হৈ তলৰ খলপীয়া খেতিৰ-পথাৰবোৰলৈ চালো। এমালিমান দূৰত দেখিলো বন্ধু চক্‌চায়ে তেতিয়া পথাৰৰ মাজৰ পৰা একো একোবাৰ টিঙৰ ফালে চাই কাৰোবাক দেখাৰ আশা ৰাখিছে। মই এহাতেৰে চিগাৰেটটোত টান মাৰি আনহাতে তাক হাত দাঙি অভ্যৰ্থনা জনালো। হাঁহিব খুজিও হাঁহিব নোৱাৰিলো। তাক দেখি মই অনুভৱ কৰিলো যে ছিৰালাক মোৰ অন্তৰৰ গোপন কথাৰ সংকেত নিদি এহাল প্ৰেমিক-প্ৰেমিকাৰ মাজত এটি মানসিক ধুমুহাৰ সৃষ্টি নকৰো। মই জানো যে সিহঁতৰ জীৱনত চলিত প্ৰথাৰ পৰা সাধাৰণ বিচ্যুতি এটাৰো শাস্তি কিমান। ভয় হ'ল হয়তো মোৰ স্বীকাৰোক্তিয়ে ছিৰালাৰ জীৱনত এখনি প্ৰলোভনৰ জাল তৰি দিব, হয়তো মোক দৰা হিচাপে পাবৰ বাবে এটি ক্ষীণ আকাংক্ষা কৰিব; নহ'লে হয়তো মোক তাই হাঁহি হাঁহি প্ৰত্যাখ্যান কৰিব। দুয়োটাই মোৰ পক্ষে অসহনীয় হ'ব আৰু চক্‌চায়ে হয়তো তাৰ বাগদত্তাক বিপথে নিয়াৰ যতবোৰ শাস্তি আছে সকলোবোৰ মোৰ ওপৰত জাপি দিব। সিহঁতৰ নিভৃত ক্ষেত্ৰত মই ধুমকেতু হৈ ওলাব নোখোজো। মোৰ বাবে মোৰ অপ্ৰকাশিত ভালপোৱাই যথেষ্ট।

আকৌ উলটি আহি চিগাৰেটটো পেলাই দি শিলচটাৰ ওপৰত বহিলোহি। টোপনি যাবৰ চেষ্টা কৰিলো। ছিৰালাই তেতিয়া বোধহয় ওচৰৰ হাবিত সোমাই হোৰাত খৰি ভৰাইছে। তাইৰ ভৰিৰ শব্দ মোৰ কাণত পৰিলহি।...

... কিমান সময় টোপনি গৈছিল ক'ব নোৱাৰো, কিন্তু হঠাতে এটি সাপৰ মাত যেন শুনি চক্ খাই উঠিলো। চকু মেলি চাই দেখিলো ছিৰালাই এটা জীয়া সাপ আনি মোৰ কাণৰ অনতি দূৰত ধৰি আছেহি। নিৰ্ভয় আৰু নিঃসঙ্কোচচিত্তে সাপটো ধৰি থকা দেখি মই আচৰিত হ'লো, আৰু সাপটো পেলাই দিবলৈ অনুৰোধ জনালো।

তাই হাঁহি হাঁহি উত্তৰ দিলে, "আগেয়ে কোৱা তোমাৰ ভালপোৱাৰ পাত্ৰী কোন?"

মই বিৰক্ত হ'লো। সেই কথোপকথন এবাৰ বন্ধ কৰিবৰ বাবে সিদ্ধান্ত লোৱাৰ পাছত মই তাৰ পৰা বিচ্যুত হ'ব নুখুজিলো। মই ক'লো যে ভালপোৱা মোৰ ব্যক্তিগত কথা, তাই তাত ভাগ ল'বলৈ অহাটো ভুল।

তাৰ উত্তৰত তাই সাপটো মোৰ কাণৰ কাষৰ পৰা আনি বুকুৰ ওচৰ পোৱালেহি। মোৰ সঁচাকৈয়ে সন্দেহ হৈছিল, কিজানি তাই কাষলৈ সাপটো আনি এটি দুৰ্যোগ ঘটাবই খুজিছিল।

কিছু সময় ৰৈ তাইৰ ভাগৰ লাগি আঁতৰি গ'ল আৰু অদূৰত গৈ সাপটো দলি মাৰি দিলে। সাপটো দূৰত পৰিলগৈ। তাৰ পাছত তাই ক'লে, "আমাৰ পৰ্বতীয়া সাপত বিষ নাই বুজিছা। যি হ'ল, হ'ল। এতিয়া নিশ্চিন্ত মনে শুই থাকা।"

দেখিলো তাই চঞ্চলা জুৰিটিৰ দৰে তললৈ নামি গ'ল। মই শুবৰ চেষ্টা কৰিলো। কিন্তু টোপনি নধৰিলে। খন্তেক পৰৰ পাছতে উঠি পৰিলো। লাহে লাহে পথাৰলৈ নামি যাবলৈ ধৰিলোঁ।...

... হঠাতে দেখিলো তলত চক্‌চায় আৰু ছিৰালাই বহি আপোন মনে কথা পাতিছে। সুখী যুগ্ম জীৱন দুটিৰ ওপৰত এচেৰেঙা সেৰেঙা ৰ'দ পৰিছেগৈ। মই য'তে আছিলো ত'তে বহি পৰিলো। সিহঁতক খন্তেকপৰ চাই, আকৌ আগৰ ঠাইলৈ উঠি আহিলো। পৃথিৱীখন নিজান নিজান লাগিল। কাষৰ প্ৰকৃতিৰ বুকুৰ পৰা এটি উদাস সুৰ ভাহি আহিল। কেৱল অনুমান হ'ল চিন্দুইনে দূৰৰ পৰা মোক হাত বাউল দি মাতিছে।

তাৰ পাছত মোৰ ধৈৰ্য নহ'ল ৰৈ থাকিবলৈ। মই নামি গ'লো। দেখিলো বেলি ডুবিবলৈ আৰু বেছি পৰ নাই। তথাপি এটা দুৰ্বাৰ আগ্ৰহে মোক টানি লৈ গ'ল চিন্দুইনৰ উদ্দেশ্যে। মই উন্মত্তৰ দৰে আগ বাঢ়ি গ'লো, এটা সৰু লুংলুঙীয়া বাটেৰে। গছ-পাত, বন-শিল অতিক্ৰম কৰি মই গৈ আছো চিন্দুইনক লক্ষ্য কৰি। দূৰণিৰ আহ্বানে মোক ব্যাকুল কৰি তুলিলে। গৈ গৈ কেতিয়া সমতল পালো ক'ব নোৱাৰো। দেখিলো চাৰিওফালে কেৱল শিলনি, নৈ আৰু পথাৰ—তাৰ পৰা আকৌ পাহাৰ।

ভাগৰত গোটেই শৰীৰ অৱশ হৈ পৰিছিল। ইমানদিন পাহাৰত ফুৰিছোঁ

যদিও ইমান নির্জন ঠাইত অকলে ক'তো ফুৰা নাই। মোৰ গতিত শিথিলতা আহি পৰিছিল। ভৰিবোৰ অচল হৈ গৈছিল। মূৰটো বিষাইছিল। পেটটো পুৰিছিল। অন্ধাৰৰ ক'লা দৈত্য এটাই মোৰ ফালে বিকটা হাঁহিৰে খেদি অহা যেন লাগিল। মোৰ মানস চকুত তেতিয়াও চিন্দুইনৰ হাত বাউল স্পষ্ট দেখিছিলো। কিন্তু দেহহে অৱশ হৈ পৰিছিল।

* * *

যেতিয়া চকু মেলিছো তেতিয়া জোনাকৰ পোহৰত দেখিছোঁ মই এটা সৰু চালি ঘৰত পৰি আছো। ভালকৈ চকু মেলিবলৈ সাহ হোৱা নাছিল। কি হৈছিল একো ধৰিব নোৱাৰিলো। লাহে লাহে মই উঠিবৰ চেষ্টা কৰিলো। বহিলো। বৰ পিয়াহ লাগিছিল। তাৰ পাছত 'পানী' 'পানী'কৈ চিএৰিবলৈ ধৰিলো। কেউফালে এন্ধাৰ। বাহিৰৰ পৰা খোলা বেৰেদি সৰকি অহা যি অকণ পোহৰ, সেয়েই একমাত্ৰ পোহৰ। কোন আহিছিল মই নমনিলো। ছাঁটোৰে দেহটি ঢাকি ধৰিছিলো। এখন হাতে নিশব্দে মোৰ হাতত মগটো দি অদূৰত থিয় দিলে। সুধিলো কোন? উত্তৰ নাপালো। মগৰ পৰা পানী খালো। হঠাতে চকামকা পোহৰত মগটো নিওঁতে দেখিলো তিৰোতাৰ হাত। সুধিলো কোন? উত্তৰ নাপালো। এবাৰ সাহ কৰি মাতিলো, "কোন, ছিৰালা নেকি?"

"মই। কি হ'ল?" উত্তৰ এইবাৰ আহিল।

"আমি ক'ত আছোঁ?"

"ধাননিৰ টঙিত।"

"আৰু কোন আছে?"

"আৰু কোনো নাই।"

"ওচৰত আৰু টঙি আছে নে নাই।"

"আছে। সেইবোৰতো কোনো নাই।"

"ছিৰালা, তুমি মোক ক'ত পালা?"

"ইয়াৰ পৰা পোৱা মাইল দূৰত। জুৰিটোৰ কাষত।"

অলপ অলপ মনত পৰিল চিন্দুইনৰ মোহত দৌৰি অহাৰ কথা। কিন্তু

গোটেই ঘটনাটো আঁতি-গুৰি মাৰি পৰিষ্কাৰকৈ সুধিবলৈ ৰ'লো। তাইক প্ৰশ্ন কৰিলো, "মোক বিচাৰি যাবলৈ কোনে কৈছিল তোমাক?"

এইবাৰ উত্তৰৰ পৰিৱৰ্তে শুনিলো উচুপনি। তাই কান্দি কান্দি ক'লে, "এনেকৈ নামি আহি তুমি মোক বদনামত পেলালা। গাঁৱত চাগৈ আজি কোনেও গম নাপায় তুমি আৰু মই ক'ত?"

এইবাৰ মই পৰিস্থিতিটো বুজি পালো। যদি এই ৰাত্ৰি যাপনাৰ সংবাদ গাঁৱৰ মানুহৰ মুখত পৰেগৈ তেনেহ'লে সৰ্বনাশ। এই ঘটনাৰ যুক্তিসঙ্গত কাৰণ বিচাৰি উলিওৱা টান হ'ব। মই ভয় খালো। তাইৰ ওপৰতো খং উঠিল। সুধিলো, "তুমি আনৰ লগ নোলোৱাকৈ কিয় মোক বিচাৰি আহিছিলা?"

"মই ভাবিছিলো কিজানি তুমি মোৰ ওপৰত খং কৰি ক'ৰবালৈ গুচি গৈছা। সেই কাৰণে দৌৰি আহিলো। কিন্তু তুমি যে ইমান দূৰলৈ আহিবা মই ভাবিবই পৰা নাছিলো।"

"নাই, নাই, মই চিন্দুইন চাবৰ বাবে দৌৰিছিলো। মই পাগলৰ দৰে হৈ গৈছিলো। কিন্তু তুমি কিয় পাগলৰ পিছে পিছে দৌৰিছিলা?" মই তাইক দোষ দিবৰ বাবে চেষ্টা কৰিলোঁ।

তাইৰ তাৰ উত্তৰ দিবলৈ গৈ সৰু সৰু মাতেৰে ক'লে, "তুমি মোৰ ওপৰত খং কৰি গুচি অহা বুলিহে মই ভাবিছিলোঁ।"

"নাই, নাই, তোমাৰ ওপৰত খং উঠি কিয় আহিম? মই, মই—" বুলি মই প্ৰাণৰ অহেতুক আকাংক্ষাৰ কথা ক'বলৈ এটি যুক্তিসঙ্গত ৰূপ বিচাৰিবলৈ ধৰিলো। কিন্তু নাপালো। তাই হঠাতে উত্তপ্ত হৈ ক'লে, "সমাজৰ চকুত আজি হাঁহিয়াতৰ পাত্ৰ হ'লো। চক্চায়ৰ চকুত মই বিশ্বাসঘাতিনী হ'লো আৰু—" তাই আৰু একো ক'ব নোৱাৰিলে, মাত থোকা-থুকি হ'ল। তাই ওলাই গ'ল।

বিছনাৰ পৰা কোনো ৰকম উঠিলো। তাৰ পাছত লাহে লাহে খোজ দিলো। বাহিৰলৈ ওলাই গ'লো। গাটো দুৰ্বল লাগিছিল। অলপ দূৰ গৈ অদূৰত থিয় হৈ থকা ছিৰালাৰ কাষত থিয় হ'লো। লগে লগে পৰ্বতৰ বহুত ওপৰত নামি অহা মানুহৰ মাত শুনিলো, অকণ অকণ পোহৰ

বিৰিঙিছিল। মই স্তব্ধ হৈ শব্দৰ অভিমুখে চালো। তাৰ পাছত সুধিলো, “সিহঁত আহিছে নেকি?”

ছিৰালাই নির্বিকাৰভাৱে ক’লে, “অঁ সিহঁত আহিছে!”

মই বিবুদ্ধিৰ দৰে তাইলৈ চাই ক’লো, “আমি এটা বেলেগ বাটেদি গুচি যাওঁ ব’লা।”

ছিৰালাই উত্তৰ দিলে, “মই নপলাওঁ। পলালে সিহঁতে আৰু সন্দেহ কৰিব।”

মই মনে মনে ৰ’লো। মনে মনে ভাবিলো সিহঁতক সঁচা কথা কৈ দিম। কি ঘটিল, কি হ’ল সকলো ক’ম। কিন্তু সিহঁতে যদি ভাবে যে আমি গোপন অভিসন্ধি কৰিহে এইবোৰ কৰিছো, তেতিয়া? হয়তো তেতিয়া অবিশ্বাসৰ আৰু সন্দেহৰ দায়ৰ পৰা হাত সাৰিবৰ একো উপায় নহ’ব। সিহঁতৰ বিচাৰ নির্বিবাদে সহিব লাগিব। মই এক ৰমক শাস্তি গ্রহণৰ সিদ্ধান্ত কৰি কাষৰ পৃথিৱীলৈ এবাৰ চালো। হয়তো এই নিশাই মোৰ জীৱনত আহিব লগা সকলো নিশাৰ অধিনায়ক হ’ব। আহি থকা সৌ মানুহবোৰে যেতিয়া সহজে মোক আৰু ছিৰালাক গোপন প্রণয়ৰ জগৰত পেলাই শাস্তিৰ ৰায় দিব, তেতিয়া হয়তো নগা সমাজত মই পাই অহা আদৰৰ লীলাৰ সমাপন ঘটিব। সিহঁতে মোক অসৎ চৰিত্ৰ বুলি ঘিণ কৰিব।

ছিৰালাই কুমাৰী জীৱনৰ প্রথম অপবাদৰ ভয়াৱহ কল্পনাত হয়তো ভয় খাই নীৰৱে তলৰ পৃথিৱীক সুধিছিল, “মোৰ কি হ’ব, পৃথিৱী!”

মই তাইৰ কাষ চাপি গৈ সান্ত্বনাৰ সুৰেৰে ক’লো, “আনে ভুল ভাবিলেও চক্‌চায়ে তোমাকে বিশ্বাস কৰিব। ভয় নকৰিবা।”

তাই লাহে লাহে উত্তৰ দিলে: “নাই, নাই, মতা মানুহে সহজে সন্দেহ কৰে। সি যদি সোধে মই কিয় তোমাৰ পিছে পিছে গ’লো, তেতিয়া মই কি ক’ম?”

“কিয়? ক’বা কর্তব্যৰ খাতিৰত গৈছিলো বুলি।”

তাই নীৰৱ হ’ল। তাৰ পাছত মোৰ মুখলৈ চাই হঠাতে সুধিলে, “তোমাক যদি সোধে তুমি মোক কি ভাবত লোৱা, তুমি কি ক’বা?”

মই উত্তৰ দিব নোৱাৰিলো। মনে মনে বাঞ্ছা কৰিলো যেন সিহঁতে সেই প্ৰশ্ন নোসোধক। কিন্তু সেই প্রশ্নৰ উত্তৰ দিব লগা হ’লে মই ক’বই লাগিব

ছিৰালাক মই ভালপাওঁ বুলি। লগতে এই কথা পৰিষ্কাৰ কৰি দিম যে মই তাইক বিয়া কৰাব নোখোজো, তেতিয়া হয়তো সিহঁত সন্তুষ্ট হ'ব; হয়তো নহ'ব।

"কি ক'বা?"

"মই ক'ম তোমাক বিয়া কৰাবলৈ বিচৰা নাই বুলি।"

"কিন্তু যদি তুমি মোক ভালপোৱা নে কি বুলি সোধে, তেতিয়া?" তাই অতি উদ্বিগ্নভাৱে প্ৰশ্ন কৰিলে।

"তেতিয়া কি ক'ম নাজানো, কিন্তু ছিৰালা—" বুলি মই ৰ'লো। তাইৰ চাৱনিৰ পৰা জুই বিৰিঙা যেন অনুভৱ হ'ল।

"কি?" তাইৰ উদ্বিগ্নতা ক্ৰমাৎ বাঢ়ি গ'ল।

"মই যে তোমাক সঁচাকৈয়ে ভাল পাওঁ।" মনৰ আৱেগ ৰোধ কৰিব নোৱাৰি ক'লো।

ছিৰালাই হঠাতে এবাৰ চিঞৰি উঠিল, "তুমি মোক ভালপোৱা? মিছা কথা, ইমান দিনেতো তুমি ঘুণাক্ষৰেও সেই কথা কোৱা নাছিলা।"

"তাৰ কাৰণ, তুমি চক্‌চায়ক ভাল পোৱা।"

"আজি এই মুহূৰ্তত তেনে কিয় ক'লা?"

"কাৰণ নক'লে নোৱাৰি। অন্ততঃ তোমাক।"

ছিৰালাই কিছুপৰ ৰৈ শান্তভাৱেৰে মোক ক'লে, "তোমাক মই ভাল নেপাওঁ। তুমি মানুহটো কিবা অদ্ভুত। মই অদ্ভুত মানুহ ভাল নাপাওঁ। মই সৰল ছোৱালী। মই চক্‌চায়ক ভাল পাওঁ। কিন্তু আজি মোৰ কিবা এটা হৈ গ'ল। সিহঁতে এতিয়া কি কৰে কোনে জানে? মই কিন্তু চক্‌চায়ৰ বাহিৰে আৰু কাৰো তিৰোতা নহওঁ।"

জাৰত মই কঁপিছিলো। তাই বেদনাত কান্দিছিল। দূৰৈৰ জোৰ কুৰা একেবাৰে কাষ চাপিছিলহি। সিহঁত আহি পাবৰ বাবে আৰু বেছি পৰ নাই সিহঁত আহি কি কৰিব মই স্পষ্ট দেখা পাইছোঁ। দুয়োটাকে বন্দী কৰি ধৰি লৈ গৈ ৰাতিলৈ সিহঁতে পঞ্চায়ত বহুৱাব আৰু চক্‌চায়, মোৰ আৰু চিৰালাৰ জবানবন্দী লৈ বিচাৰ আৰম্ভ কৰিব। বিচাৰৰ ৰায় কি হয় মই ক'ব নোৱাৰোঁ হয়তো ছিৰালাক মই বিয়া কৰাবলৈ বাধ্য হ'ব লাগিব। হয়তো চক্‌চায়ে আমাৰ সততাত বিশ্বাস কৰি আমাৰ তথাকথিত দোষ মৰিষণ কৰিব। কি হ'ব

কোৱা টান। কিন্তু এটা কথা সঁচা যে মই চিৰালাক ভাল পাওঁ, ছিৰালাই হ'লে মোক নেপায়।

গঞা যিমানে কাষ চাপি আহিছিল, সিমানে মই ভাবিছিলো সমাজ-সংস্কাৰকৰ শক্তিৰ বলেৰে ইহঁতক গোটেই পৰিস্থিতিটো সত্যৰ আলোকত দেখুৱাই দিবলৈ মোৰ সামাৰ্থ্য আছে নে নাই। মই যুগ-যুগান্তৰে অন্যায়ৰ ফাঁচ লাগি মৰা নিৰ্দোষী মানুহবোৰৰ কথা মনত পেলাইছিলো। ন্যায়ৰ কাৰণে ময়ো নগা সমাজৰ সকলো গালি-গঞ্জনা খাবৰ বাবে প্ৰস্তুত হৈছিলো। মই সিহঁতক ক'ম, ছিৰালাক মই ভাল পাওঁ, যিদৰে মই চিন্দুইনক ভাল পাওঁ, কিন্তু চিন্দুইন মোৰ পৰা যি দৰে বহুত দূৰত, ছিৰালাও সেইদৰে মোৰ পৰা বহুত দূৰত।

* * *

# এজনী জাপানী ছোৱালী

বহুত বছৰৰ মূৰতহে যেন তাই টোপনিৰ পৰা সাৰ পালে। ভাগৰত গোটেই শৰীৰ অৱশ। গাৰুটো—গাৰু নহয় কাঠ। আগষ্ট মাহৰ ন তাৰিখে তাইৰ বিয়া, খুৰীয়েকহঁতে সকলো যা-যোগাৰ কৰিছে। দৰাঘৰীয়া আৰু ছোৱালীঘৰীয়া মানুহে সোঁৱৰণী চাই বিয়াৰ দিন ঠিক কৰিছে। তাইৰ লগৰীয়া এজনীয়ে 'কিমন'টো চিলাই দিব। তাইৰ পিন্ধা জোতাযোৰ হ'ব ৰঙা, বহুতে সেই দিনত বজাৰলৈ অহা বিদেশী জোতা পিন্ধিবলৈ ভাল পায়। কিন্তু তাই তেনে জোতা পছন্দ নকৰে, কাৰণ তাই বিদেশী জোতা পিন্ধিবলৈ ভাল নেপায়। তাই জাপানী জোতাহে পিন্ধে। সেই দিনা তাই পাউডাৰ, লিপষ্টিক একো নলগায়। জাপানী ছোৱালীৰ ৰং এনেয়ে ধুনীয়া, সেই লৈ তাই গৌৰৱান্বিত। আগৰ হ'লে মুখত এবিধ তেল আৰু বগা পাউডাৰ সানিব লাগিলহেঁতেন, কিন্তু এতিয়া তাইৰ মনে কৃত্রিমালি সহ্য কৰিব নোৱাৰে। অৱশ্যে খুৰীয়েকৰ ইচ্ছা অমান্য কৰিব নোৱাৰি তাই তাইৰ দীঘল চুলি গোছা বিয়াৰ দিনা ভালকৈ বান্ধিবৰ বাবে এতিয়াৰে পৰা কাঠৰ গাৰুত শুই সৈমান কৰিবলৈ চেষ্টা কৰিছে। ... তাৰ বাহিৰে দৰাৰ ঘৰত 'ছান-ছান-কু-ডে'ৰ ভোজৰ আয়োজন হৈছে। বিয়াত সাগৰৰ পৰা টুনা মাছ আনিবৰ বাবে দৰাঘৰীয়াই মনস্থ কৰিছে।

চাপৰ খিৰিকিখনেদি সূৰুযৰ ৰঙা ৰেখা আহি তাইৰ নাকে-মুখে বিয়পি পৰিলহি। ... তাই ভাবিলে তাইৰ জীৱনতো ৰাতি শেষ হৈছে, পুৱাৰ শুভাগমন হৈছে। ... চুজুকি, তাইৰ চুজুকি, শান্তিপ্রিয় মানুহ; নাগাছাকিৰ কাবুকি থিয়েটাৰৰ মুখ্য ভাৱৰীয়া। চুজুকিক দৰ্শকবোৰে ভাল পায়—ভাল নাপাবই বা কিয়, সি যিহে সুন্দৰ ভাও দিয়ে। প্ৰথম যেতিয়া সি 'ৰণৰ পৰা

উভতি অহা সৈনিক' নামৰ নাটখনিত সৈনিকৰ ভাও দিয়ে, সি তেতিয়া অপূৰ্ব সৃষ্টিশক্তিৰ পৰিচয় দিছিল। 'বুচিড'ত বিশ্বাসী জাপানী সৈনিকে 'চা-না-উ'ত বহি হঠাতে স্থিৰ সংকল্পেৰে চিৰদিনৰ বাবে তৰোৱাল ত্যাগ কৰা দৃশ্যটোত তাৰ বচন কি সংক্ষিপ্ত অথচ কিমান ব্যাপক অৰ্থপূৰ্ণ,—"চামুৰায় বিদায়।" বচন শেষ হোৱাৰ লগে লগে গেলেৰীতে বহি থকা মানুহবোৰে চিঞৰি উঠিল—"সুন্দৰ।" তাৰ পাছত মঞ্চত চুজুকিয়ে খোজ কাঢ়ি গৈ 'টকনমা'ৰ ভিতৰ সোমালগৈ। তাত বহুত চেৰী ফুল পৰি আছিল। তাৰে এপাহ তুলি লৈ সি কৈছিল, 'চেৰী ফুল অমৰ হওক।' ছেৰী ফুল আৰু কোন হ'ব? প্ৰত্যেক জাপানীয়েই একোটি ছেৰী ফুল। হৰাকিৰি কৰিবলৈ ভয় নকৰা জাপানী সৈনিকৰ জীৱন ছেৰী ফুলৰ দৰে এদিন সুন্দৰ হৈ ফুটি উঠে আকৌ নৌ চাওঁতেই সৰি পৰি মৰহে। জাপানী আৰু ছেৰী ফুল হ'ব নালাগে,—জাপানী জীয়াই থাকক।

সেই থিয়েটাৰ হৈছিল যোৱা বছৰৰ ন আগষ্ট তাৰিখে।

ন আগষ্ট।

এটা হুমুনিয়াহ সৰি পৰিল ফুমিক' নৰহৰাৰ নাকেদি। ন আগষ্ট তাইৰ জীৱনৰ এটি অসাধাৰণ দিন। সেই দিনতে সিহঁতৰ চহৰত এট'ম বোমা পৰিছিল। কেইবা বছৰৰো আগৰ কথা।

* * *

এঙামুৰি দি তাই উঠিল। বিছনা সামৰিলে। নিশা বিছনা কৰি শোৱা সৰু সৰু মেজকেইখন সামৰি ষ্ট'ৰ ৰুমত থৈ দিলেগৈ। তাৰ পিছত গা ধুবলৈ গ'ল। গা ধোৱা ঘৰ ৰাজআলিৰ দাঁতিত। ৰাজহুৱা গা ধোৱা ঘৰ। তাত সোমাই তাই গৰম পানীৰ টাবত জোবোৰা মাৰি কিছুপৰ ৰ'ল। কাষৰ গা ধোৱা ঘৰৰ পৰা কাৰোবাৰ করুণ গীত ভাহি আহিছিল। সুৰটো পুৰণি জাপানী সঙ্গীত 'গাগাকু'ৰ যেন লাগিল, মাত অৱশ্যে পৰিচিত যেন বোধ নহ'ল।...

... হেজাৰ চেৰী ফুল পৰিল সৰি
নুবুৰিল মোৰ আশাৰ তৰী...

গানটো তাইৰ বৰ ভাল লাগিল। কেনে ধুনীয়া আশাৰ বতৰা মেলি

দিছেহি এই পুৱা। চেৰী ফুল সৰিল। কিন্তু আশা জী উঠিল। এটম বোমাত বহুত জাপানী মৰিল। কিন্তু জাপানীৰ আশা মৰা নাই।

তাইৰ মুখত এটা হাঁহি ফুটিল। কাষৰ বেৰখনতো তাই এটা হাঁহি দেখিলে। কোনোবা শিল্পীয়ে আঁকি থোৱা মহা কাশ্যপৰ হাঁহি। তাই পঢ়া নাই কিন্তু জেন ভিক্ষুৰ পৰা শুনিছে, এই হাঁহি ভাৰতত ইহা। এদিন বুদ্ধ ভিক্ষু সকলেৰে সৈতে আলাপ কৰি বহি আছে, এনেতে ব্ৰহ্মা ৰজা আহি তেওঁক এটি সোণৰ ফুল উপহাৰ দিলে আৰু ধৰ্ম ভিক্ষা কৰিলে। বুদ্ধই ফুলপাহ ল'লে, চকুৰ আগত তুলি ধৰিলে আৰু তাৰ পাছত ধ্যানস্থ হ'ল। তাৰ পাছত মহা কাশ্যপে হাঁহিলে। সেই হাঁহি সাতাইশ পুৰুষ ভাৰতত আছিল, তাৰ পাছত চীনলৈ আহিল। তাৰ পাছত জাপান পালেহি। এই হাঁহিটো 'ৱাবি'ৰ সবাক নিস্তব্ধতাৰ হাঁহি। ... কিন্তু ই জনো 'ছাবি'ৰ অথবা শান্তিৰ অমৰ হাঁহিও নহয়?

'ছাবি!' তাইৰ মনত আজি 'ছাবি'ৰ আৱশ্যক হৈছে।

তাই গা ধোৱা শেষ কৰি আহি বাকচটো খুলি তাইৰ নতুন 'কিমন' এটা পিন্ধিবলৈ উলিয়ালে। হঠাতে তাই মন কৰিলে কাপোৰৰ জাপত পোন্ধৰ বছৰ বয়সত পিন্ধা পুৰণি 'কিমন'টো পৰি আছে। 'কিমন'টোৱে তাইক সোঁৱৰাই দিলে সেই মহাপ্ৰলয়ৰ দিনটোৰ কথা। সেই দিনাও তাই সেই 'কিমন'টোকে পিন্ধিছিল।

তাইৰ মনত এটি সৰু ভুঁইকঁপ হ'ল। লৰালৰিকৈ তাই নতুন 'কিমন'টো পিন্ধি ল'লে। তাৰ পাছত বস্তুবোৰ সামৰি-সুতৰি তাই পোনকোৱেই 'টকনমা'ৰ গুৰি পালেগৈ। 'টকনমা'ৰ বেদীত খুৰীয়েকে এপাহ মেৰিগল্ড ফুল থৈ গৈছিল। ফুলপাহে হাঁহি আছিল।

তাই চিধাই গৈ নিজঞ্জাল কোঠাটোৰ বেদীত মূৰটো থৈ বলিয়ানীৰ দৰে চিঞৰি উঠিল—

"আই, তুমি ক'ত? দেউতা, তুমি ক'ত? তোমালোক আহা। তোমালোক আহা। মোৰ বিয়া পাতিছোঁ আই, চুজুকিৰ লগত মোৰ বিয়া পাতিছোঁ।"

তাই এবাৰ ফুলপাহৰ ফালে চালে—ফুলপাহে আগৰ দৰেই হাঁহি আছে। একো শোকে মোলান নেপেলোৱা হাঁহি...

'অমিতাভা'। তাই অস্ফুট স্বৰেৰে চিঞৰি উঠিলে।

তাই থিয় হ'ল। বাহিৰৰ কোঠাত বৈ জোতাযোৰ পিন্ধিলে, তাৰ পিছত মূৰ আঁচুৰিলে। অলপ সময় বৈ আইনাত মুখখন চালে। ন বছৰৰ আগৰ তাইৰ চেহেৰাটোৰ কথা মনত পৰিল। তেতিয়া তাইৰ 'কিমন'ৰ ৰং বেগুণীয়া আছিল, বাপেক-মাকে তাইক মৰমেৰে আৱৰি ৰাখিছিল আৰু দেশত যুদ্ধ চলি আছিল।

যুদ্ধ!

তাই ওলাই গ'ল ৰেস্তোঁৰালৈ। একাষে গৈ বহিল। একাপ কফি আৰু এটুকুৰা কেক্ খুজি ল'লে। অন্যমনস্কভাৱে খালে, ওলাই গ'ল। গৈ থাকোঁতে থাকোঁতে সাগৰৰ পাৰ পালেগৈ। তাই ৰ'ল। আৰু ৰ'ল তাইৰ বগী ঢক্‌ঢকী মুখখনৰ মেকুৰীকণীয়া চকুহালি। আৰু ৰ'ল দীঘল 'কিমন'ৰ তলৰ জোতাযোৰ। ঠাইটুকুৰা ধুনীয়া। সেইখিনিৰ পৰা এফালে মাটি ওখ হৈ মিলিছেগৈ পৰ্বতৰ টিঙত আৰু সেইখিনিৰ পৰা ইফালেদি মাটি গৈ মিলিছেগৈ সাগৰত। ...

সাগৰ! বতাহ লাগি তাইৰ 'কিমন'টো উৰিবলৈ ধৰিলে। মুখখন শীতল লাগিল। বুকুখনৰ ভিতৰলৈ সোমাই আহিল বহুত দিনৰ আগৰ সাগৰ, দেউতাক জীয়াই থকা কালৰ সাগৰ। সেই সাগৰ যে তাইৰ পৰা বেলেগ কিবা এটা অশৰীৰী বস্তু এই কথা তাইৰ কোনোদিনেই ভাব হোৱা নাই। কেতিয়াবা মাছমৰীয়াৰ কলনাৱত উঠি তাই মাক-দেউতাকৰ লগত দ সাগৰৰ কল্লোল আৰু মাছ বিচাৰি গৈছিল। কেতিয়াবা বহুতো নাৱৰীয়াই নাৱৰ সমদল কৰি তিমি মাছ ধৰে। সেইদিনা তাইৰ কি ৰং!... অকল জানো সেয়ে! সাগৰৰ তৰাং পানীত উটি ফুৰা শেলুৱৈ, বালিত পোৱা শামুক, পানীৰ ওপৰত উৰি ফুৰা চৰাই, মাছ খাবলৈ অহা হাঙ্গৰ—কতৰ লগত তাইৰ বন্ধুত্ব গঢ়ি উঠিছিল! পোতাশ্ৰয়লৈ সোমাই অহা বৰ বৰ জাহাজৰ ঢউত কঁপি নাওবোৰ যেতিয়া লৰে, তেতিয়া সেই ঢউত তাই নাচে। তাইৰ ভৰিৰ অঙ্গী-ভঙ্গী ইমান ধুনীয়া আছিল যে নগৰৰ ছোৱালীবোৰে এতিয়াও তাইক সোধে, "ফুমিক', পদ-নৃত্যলৈ আজি-কালি তই নাহ কিয়?" কিয় নাহে তাই? কিয় নাহে সেই কথা তাইৰ সৌ বুঢ়া পাহাৰটোৱে জানে।

এই উৰাকামি পৰ্বতটো তাইৰ জীৱন সংগ্ৰামৰ সাক্ষী।

সাগৰৰ পাৰত বেছিপৰ তাই ৰ'ব নোৱাৰিলে। পৰ্বতৰ নামনিয়েদি

সাগৰদাঁতীয়া বাটটোৱে তাই বেগাই খোজ দি গ'ল তাইৰ চিলাই কলৰ কামৰ থলীলৈ। এই চিলাই কলটোৱে তাইক আজি ন বছৰে জীয়াই থাকিবলৈ এটি সমল দিছে, কিন্তু লগে লগে তাইৰ পৰা কাঢ়ি নিছে সাগৰত ফুৰাৰ আৰু নচাৰ অৱসৰখিনি। বাপেক-মাক মৰা দিন ধৰি তাইৰ অৱসৰ নাইকিয়া হৈছে। দিনে-ৰাতিয়ে ছেদ-ভেদ নোহোৱাকৈ তাই চিলাই কল চলাইছে।

মাক-বাপেক মৰাৰ কথা ভাবিবলৈ তাই টান পায়, কাৰণ ভাবিলেই তাইৰ অন্তৰখনত এটা শূন্যতাৰ সৃষ্টি হয়। খুৰীয়েক আৰু দদায়েক দুয়ো তাইক মাউৰী বুলি মৰম কৰে, কিন্তু তেওঁলোকৰো ল'ৰা-ছোৱালী এহাল আছে, সিহঁতক মৰম কৰোঁতে কৰোঁতে তাইলৈ মৰম বাকী নেথাকেগৈয়ে। তদুপৰি তাই খুৰীয়েকৰ ঘৰত শোৱেহে খালি, বাকী সকলো কাম বাহিৰতেই কৰে। তাই নিজে নিজৰ জীৱিকা অৰ্জন কৰে।

চিলাই কলৰ ঘৰ্ঘৰণিৰ মাজত তাই জীৱনৰ দুখ পাহৰিবলৈ যত্ন কৰে; লগতে তাইৰ মনত আশা হয় যে চুজুকিৰ লগত তাইৰ বিয়া হ'লে নিশ্চয় তাইৰ জীৱন সুখী হ'ব। অকল সেয়ে নহয়, চুজুকিয়ে তাইক প্ৰতিশ্ৰুতি দিছে বিয়াৰ পিছতে তাইক 'কাবুকি'ত ভাৱৰীয়া হিচাপে ভৰ্তি কৰাব আৰু চুজুকিৰ কল নাৱত তাইক দ সাগৰৰ পানীত ফুৰাবলৈ লৈ যাব।

* * *

দিন দুপৰত দোকানৰ পৰা 'কিমন' চাৰিটা চিলাই শেষ কৰি তাই কাষৰে ৰেস্তোঁৰাত ভাত খাবলৈ আহিল।

ভিতৰলৈ সোমোৱাৰ লগে লগে তাই পাকঘৰত বামুণী ভেকোলাৰ মাত শুনিবলৈ পালে। তাইৰ মনটো ভাল লাগিল। যুদ্ধৰ দিনৰে পৰা তাই বামুণী ভেকোলাৰ মঙহ খোৱা নাই। খোৱাৰ মেজত বহিয়েই তাই পোন প্ৰথম অৰ্ডাৰ দিলে বামুণী ভেকোলাৰ মঙহ।

প্ৰথমতে এক প্লেট মাছৰ ভজা, তাৰ পাছত একাপ শেলুৰৈৰ জোল, তাৰ পাছত বামুণী ভেকোলাৰ একাঁহী সিজোৱা মঙহ আৰু সবশেষত এক প্লেট ভাত খাই উঠি তাই যেতিয়া বিলৰ দাম দিবলৈ আহিছে, তেতিয়া বেলি লহিয়াইছে। কাউন্টাৰৰ ওচৰতে এজনী টেলেকাচকুৱা গেইছাৰ প্ৰতিমূৰ্তিয়ে

তাইৰ যেন সৰল বেশ-ভূষাক উপহাস কৰি চাই আছে। তাই গেইছাক চকু পাৰি দেখিব নোৱাৰে সিহঁতৰ জীৱন কৃত্রিম আৰু কেৱল মতা মানুহৰ উদ্দেশ্যেই নিবেদিত গেইছাৰ জীৱনৰ ৰূপৰ যি বেপাৰ চ'লে, তাইক তাই ভাল নাপায়।

ভাতৰ দাম চাৰিটা ইয়েন দি তাই যেতিয়া বাটলৈ ঘূৰি আহিছে, তেতিয়া তাই দেখিলে উধাতু খাই অহা খুৰীয়েকক। খুৰীয়েকৰ মুখ বিষণ্ণ। চকু দুটা এটা অদৃশ্য আশংকাত কঁপিছে।

"ফুমিক'।"

"খুৰীদেউ!"

"তই দোকান বন্ধ কৰি মোৰ লগত আহিব পাৰিবি।"

"কিয়, খুৰীদেউ?"

খুৰীয়েকে ক'লে, "সাংঘাতিক কাণ্ড হৈছে। মই সমবায়ত কাম কৰি থাকোঁতে হঠাতে ফোন পালো।"

"কি খবৰ পালে?"

"বাৰু যাওঁচোন আহ; বাটে বাটে কৈ যাম।"

ফুমিক'ৰ হিয়া কঁপি গ'ল।

তাই দোকান বন্ধ কৰি আহি খুৰীয়েকৰ পিছ ল'লে।

খুৰীয়েক মানুহজনী তেনেকুৱাই। তেওঁক দেখিলে মনত হয় যেন তেওঁৰ জীৱনৰ ক'তো আশাৰ বতৰা নাই। পৃথিৱীৰ ল'ৰা-ছোৱালীবোৰক বিপদৰ বাতৰি দি ফুৰাই যেন তেওঁৰ অভ্যাস। তেওঁৰ তদাৰকে কেৱল নিম্নৱৰ্তীৰ বিপদ-বেদনাৰ আধিক্য বঢ়ায়হে।

খুৰীয়েকে তাইক বাছত তুলি লৈ চিধা সাগৰৰ পাৰৰ নৌ-হাস্পতাললৈ তাইক লৈ গ'ল। তাই যন্ত্র-চালিতৰ দৰে খুৰীয়েকৰ অনুসৰণ কৰিলে।

বাছ আহি নৌ-হাস্পতালৰ সন্মুখত ৰ'লত খুৰীয়েক নামি পৰিল। তাইকো নামিবলৈ ক'লে। তাই নামিল।

হাস্পতালৰ ওপৰ মহলাৰ যিটো কোঠাৰ কাষত ফুমিক'ৰ খুৰীয়েকৰ সকম্পিত পদক্ষেপ ৰ'লগৈ, তাত তেতিয়া ডাক্তৰ সোমাই ৰোগীক পৰীক্ষা কৰিছে। খুৰীয়েক নিশব্দে ফুমিক'ৰ চকুলৈ চালে। আতংকত খুৰীয়েকৰ চকু বিহ্বল হৈ উঠিছে। তাই সুধিলে, "কি হ'ল খুৰীদেউ, কোন বাৰু ইয়াত?"

খুৰীয়েকে জীৱনত এই প্ৰথম তাইৰ কাষ চাপি আহিল। তাইৰ কান্ধত হাতখন থৈ বৰ কৰুণভাৱে ক'লে, "ফুমিক', চুজুকি আছে ইয়াত। চুজুকি।"

"কি হ'ল চুজুকিৰ?" ফুমিক'ৰ হৃদয় দুৰু দুৰু কঁপিবলৈ ধৰিলে। মই সমবায়ত থাকোঁতে মেনেজাৰে মতাই নিলে ফোন আছে বুলি। চুজুকিৰ বাপেকৰ ফোন। বাপেকে কৈছে বোলে পাঁচ দিন আগতে সিহঁতে 'চি' উপসাগৰত মাছ মাৰিবলৈ গৈছিল। প্ৰায় পাঁচখনমান কল নাও নিছিল। মানুহো পঁচিশজনমান হ'ব। 'দান-ছান-কু-ডো'ৰ ভোজৰ বাবে টুনা মাছ বিচাৰি গৈছিল।"

"তাৰ পাছত।" অধৈৰ্য হৈ ফুমিক'ই সুধিলে।

"তাৰ পাছত সিহঁত পৰহি ঘূৰি আহিল।"

"খুৰীদেউ, টপৰাই কোৱা। চুজুকি যদি ঘূৰি পালেহিয়েই, তেন্তে ইমান চিন্তা কৰিব লগীয়া কি আছে? হাস্পতাললৈ কিয় আনিলে?"

"কালিৰে পৰা তাৰ গাত কিছুমান অদ্ভুত লক্ষণে দেখা দিছে, চুলি সৰিছে, ভোক হৰিছে আৰু সন্দেহ কৰিছে বোলে—" খুৰীয়েকে ক'বলৈ গৈ ৰৈ গ'ল। তেওঁৰ হাত-ভৰি থৰ থৰকৈ কঁপিছিল।

"যোৱা মাহত আমেৰিকানহঁতে 'বি' দ্বীপত হাইড্ৰ'জেন বোমাৰ পৰীক্ষা কৰিছিল। তাৰ চক আহি ৮০ মাইল আঁতৰৰ 'চি' উপসাগৰত লাগিছেহি। তাৰ তেজস্ক্ৰিয় ছায়ে মাছ আৰু মাছমৰীয়া উভয়কে 'ৰেডিঅ' এক্‌টিভ' কৰিছে। আটাইবোৰ মাছমৰীয়াৰ শৰীৰৰ জীৱকোষত তাৰ প্ৰভাৱ পৰিছে। ডাক্তৰে বোলে কৈছে এইবাৰ ৰক্ষা নাই।"

"চু-জু-কি?"

হাস্পতালৰ মজিয়াৰ ওপৰতে লেপেট কাঢ়ি বহি তাই নিঃসহায়ৰ দৰে এবাৰ চিঞৰি উঠিল, "অমিতাভা। অমিতাভা।"

তাৰ পাছত এটি মৰ্মস্পৰ্শী সুগভীৰ নিস্তব্ধতাই হাস্পতালৰ চাৰিওকাষ ভৰি গ'ল।

* * *

এমুঠি তেজস্ক্ৰিয় ছাই।

ছায়ে চুজুকিৰ ৰক্ত প্ৰৱাহত ব্যাঘাত জন্মাইছে, হাড়ৰ মাজত আঘাত

কৰিছে। চুজুকিক স্পৰ্শ কৰিবলৈও মানা। কথা পাতিবলৈ মানা। সি এতিয়া প্ৰায় যমৰ দুৱাৰডলিত। চুজুকিৰ লগৰীয়া বাকী চৌবিশজন মাছমৰীয়াৰো গাত একে লক্ষণে দেখা দিছে।

চুজুকিৰ চিল্‌মিল্‌কৈ টোপনি ধৰিছিল। দূৰৰ পৰা আলঙে আলঙে ফুমিক'ই তাক চালে। হয়তো সেয়ে শেষবাৰৰ কাৰণে চোৱা। চুজুকিৰ থাওকাল দেহৰ ওপৰত এখন পাতল কাপোৰ। ম্লান সান্ধ্য আলোত তাৰ মুখমণ্ডলত এটি শেঁতা জ্যোতি ফুটি উঠিছিল। তাৰ কোমল, মিহি গাল দুখনৰ পৰা ৰাঙলী ৰহণ বিৰিঙিছিল। কপালৰ বহল সমতলখনত এটা গভীৰ প্ৰশান্তিৰ ছাঁ। ওঁঠ দুখন শুকান অথচ পাতৰ কাপোৰৰ দৰে কোমল।

সকলো একেদৰেই আছে। কিন্তু তথাপি আৰু একো নাই।

ফুমিক'ৰ পৰা লাহে লাহে দূৰলৈ গৈ আছে চুজুকি। কিমান দূৰলৈ তাই ক'ব নোৱাৰে। ইমান ওচৰলৈ আহি মানুহ দূৰলৈ গুচি যায়!

তাইৰ চকুপানী সৰিল। হঠাতে দেখিলে চুজুকিয়ে তাইৰ ফালে ৰ লাগি চাইছে। দেহ আৰু মনৰ সৰ্বশেষ শক্তিকণ দি সি তাইক চাইছে। চাৱনিৰেই যেন তাইক শেষ কৰি দিব।

"ফুমিক'।" কথা কোৱাৰ লগে লগে চুজুকিৰ চকুপানী ওলাল।

ফুমিক'ৰ চকুপানী বেছিকৈ সৰিবলৈ ধৰিলে।

চকুপানীৰ সঙ্গম হ'ল। বিবাহৰ আগতে আহিল বিচ্ছেদ। কোনে জানে হয়তো এয়ে অপ্ৰতিহত বিচ্ছেদৰ আগ-জাননী।

ফুমিক'ৰ বাপেকে তাইক কোঠাৰ পৰা দূৰলৈ লৈ গ'ল। সান্ত্বনা দিবৰ চেষ্টা কৰিলে ঃ "ধৈৰ্য ধৰা, তাক আজি টকিঅ' ইউনিভাছিটি হাস্পতাললৈ নিয়া হ'ব। জাপানৰ সৰ্বশ্ৰেষ্ঠ হাস্পতাল।" কিন্তু কথা কওঁতে কওঁতেই মানুহটো ভাগি পৰিল।

তাইক ডাক্তৰে মাতি নিলে। ৰুমত বহুৱাই ক'লে, "যদি বিজ্ঞানে চুজুকিক ৰক্ষা কৰিব পাৰে, তেন্তে কৰা হ'ব। কি কৰিবা ফুমিক'? জাপান পৃথিৱীৰ কচাইখানা হৈ পৰিছে। সিবাৰ পৰিল এটম বোমা। নাগাছাকিৰ ৭০ হাজাৰ মানুহ মৰি শেষ হ'ল ৫০ হাজাৰ ঘুণীয়া হ'ল। তাৰ মানসিক ঘা আজিও শুকোৱা নাই। আকৌ এইবাৰ হাইড্ৰ'জেন বোমাৰ পৰীক্ষা কুফল ভোগ কৰিব লগা হ'ল আমাৰ মানুহে।"

ফুমিক'ই তেতিয়া স্থিৰভাৱে কথোপকথনত ভাগ ল'ব পৰা নাছিল। তাইৰ মনত তেতিয়া সান্ত্বনাৰ থল নাছিল। সহানুভূতিয়ে তাইৰ গভীৰতম বেদনাৰ থল স্পৰ্শ কৰিব নোৱাৰিলে। তাই মাত্ৰ নিজকে প্ৰশ্ন কৰিলে, "মই কেনেকৈ জীয়াই থাকিম?" এটম বোমাই মাৰিলে বাপেক-মাকক, হাইড্ৰ'জেন বোমাই মাৰিছে হ'ব লগা গিৰিয়েকক। তিৰোতা বাচিব কেনেকৈ?

ডাক্তৰে তাইক গভীৰভাৱে নিৰীক্ষণ কৰি বিফল সান্ত্বনাৰ একো প্ৰয়াস নকৰি মাথোন ক'লে, "ফুমিক' মোৰ জিভা জড় হৈ যাব খুজিছে। তুমি যিদৰে নিঃসহায়, ময়ো নিঃসহায়। বৰ বৰ শক্তিবোৰে তোমাৰ মোৰ নামত এট'ম-হাইড্ৰ'জেন বোমা সাজিছে। মাৰিছে আকৌ আমাকেই। কিন্তু সিহঁতে নুবুজে যে আমাক বোমা নালাগে, আমাক লাগে শান্তি।"

ফুমিক'ই .বেৰৰ ফালে মুখ ঘূৰালে। দেখিলে মহা কাশ্যপে হাঁহিছে। তাইৰ চেতনা সেই হাঁহিটোত লাগি ধৰিল।

"ছাবি।" অস্ফুট স্বৰেৰে তাই শব্দটি উচ্চাৰণ কৰিলে। তাইৰ মনে বিচাৰি ফুৰা শান্তিৰ আভাস সেই হাঁহিটোৰ আশে পাশে ঘূৰি ফুৰিছিল।

হঠাতে তাই গম পালে যে পিছফালৰ পৰা কোনোবাই তাইক কিমনত ধৰি টানিছে।

খুৰীয়েক যাবলৈ অতিষ্ঠ হৈ পৰিছে।

* * *

গধূলি যেতিয়া খুৰীয়েকৰ লগত তাই ঘৰ সোমালেহি, তেতিয়া তাই চুজুকিৰ জীৱনৰ সকলো আশা এৰি আহিছে। লগে লগে তাইৰ নিজৰ জীৱনৰ সুখৰ ভৱিষ্যতবো। খুৰীয়েকে তাইক 'নো' ভাওনা চাবলৈ যাবলৈ ক'লে। তাই নগ'ল। উপায় নাপাই খুৰীয়েকে তাইক ক'লে ঃ

"বল, উৰাকামি পৰ্বতৰ ওপৰলৈ যাওঁ।"

"কিয়?"

"ব'লচোন বাৰু।"

আজি ন বছৰে সিহঁত উৰাকামি পৰ্বতৰ ফালে যোৱা নাই। কিছুমানে তাক জীৱন-দূত আৰু কিছুমানে তাক মৰণ-দূত বুলি কয়। তাইৰ কাৰণে কিন্তু

দুয়োটাই সঁচা। এই পৰ্বতৰ এই পাৰে থকা বাবে তাই এট'ম বোমাৰ পৰা বাচিল আৰু সিপাৰে থকা বাবে তাইৰ মাক-বাপেক বোমাত মৰি ছাই হৈ উৰি গ'ল।

ওখ বাটটোৰেদি উঠি যাওঁতে হঠাতে খুৰীয়েকে ক'লে, "মোৰ এখন ছবিৰ কথা মনত পৰিছে।"

"কাৰ ছবি, খুৰীদেউ?"

"মিয়ামটৰ ছবি। মনত আছেনে তোৰ, মৰহা ডাল এটাৰ ওপৰত এটা চৰায়ে গীত গাই থকাৰ দৃশ্যটো?"

"আছে।"

"আমাৰ জীৱনবোৰো তেনে হৈছে। জীৱনৰ আশ্ৰয় কোনোবাই ভাঙি দিব খুজিছে। আমি নতুন আশ্ৰয় বিচাৰি পোৱা নাই।"

"খুৰীদেউ!"

"আগতে ভাবিছিলো জীৱনটো ৰিকুয়ুয়ে অঁকা সেই পুৰতি গোলাপপাহিৰ দৰে। এতিয়া দেখিছো আমি সদায় ভগা ডালতহে গীত গাওঁ। মনত আছেনে তোৰ ৰিকুয়ুৰ ছবিখন?"

ফুমিক'ই মন্ত্ৰমুগ্ধৰ দৰে ক'লে, "আছে।"

"তোৰ মনত আছেনে সেই মহা প্ৰলয়ৰ দিনটোৰ কথা? মোৰ গাত তেতিয়া জ্বৰ। দদায়েৰ কামত ওলাই গৈছিল। ল'ৰাটো যুদ্ধত আছিল। ছোৱালীজনী স্কুললৈ গৈছিল। তোক মাৰে পুৱাই মোৰ শুশ্ৰূষা কৰিবলৈ পঠিয়াই দিছিল। তই মোৰ কাষতে বহি ফুল সাজি দিছিলি। মনত আছেনে তোৰ?"

"আছে।" ফুমিক'ৰ চকু ছল্‌ছলীয়া হৈ উঠিল। কিন্তু খুৰীয়েকে মন নকৰিলে।

খুৰীয়েকে ক'লে, "সেইদিনা তই মোক ছয়াবিনৰ জোল কৰি দিছিলি। ডাক্তৰে ভাত আৰু কফি খাবলৈ মানা কৰিছিল। তাৰ পাছত তই মোক এটি জেন আখ্যান কৈছিলি, মনত আছেনে?"

"নাই, মনত নাই, খুৰীদেউ।" সঁচাকৈয়ে তাইৰ মনত নাছিল।

খুৰীয়েকে ক'লে, "আখ্যানটো এই। দুটা ভিক্ষু আছিল। এদিন ভিক্ষা কৰি উলটি আহোঁতে দুয়ো বাটতে এখন নৈত এডাল ভগা সাঁকো পালে। সাঁকোৰ

পাৰতে এজনী ধুনীয়া ছোৱালী বৈ আছিল। কাপোৰ তিতে বুলি তাই নৈখন পাৰ হ'বলৈ ভয় কৰিছিল। তাকে দেখি এজনে তাইক কান্ধত তুলি লৈ পাৰ কৰি দি থৈ যোৱা বাটেদি আগ বাঢ়ি গুচি আহিল। ইজনে তাৰ অশোভনীয় কাম দেখি খঙতে তাক বাটে বাটে বলকি আহিছিল। তাকে দেখি প্ৰথমজনে ক'লে, "ছোৱালীজনীৰ কথা তুমি ভাবিয়েই আছা নেকি? মই তাইক নৈতে এৰি থৈ আহিছোঁ।" সেই আখ্যানটো কোৱাৰ লগে লগে তাই কৈছিল, খুৰীদেউ বেমাৰৰ কথা বৰকৈ ভাবি নাথাকিব। ময়ো তেনেকৈয়ে ভাবিবলৈ লৈছোঁ কথাবোৰ। সেই আখ্যানটোৱে মোক বৰ বল দিলে। ভাবেৰে গধুৰ কৰি লাভ কি জীৱনটো? ভাববোৰ দলিয়াই পেলোৱাই ভাল।"

ফুমিক'ই একো নামাতিলে। তাইৰ অন্তৰত তেতিয়া কেৱল এটা হাঁহিৰ বাহিৰে আৰু একো নাছিল। সেই অনিৰ্বাপিত হাঁহি হ'ল বুদ্ধৰ হাঁহি, যি হাঁহি ৰাবিৰ দৰে নিৰ্বাক অথচ ভাষাময়। সি কিহৰ আভাস দিছিল, বুজিবলৈ টান। খুৰীয়েকৰ সান্ত্বনাবাণীয়ে তাইৰ গভীৰতম প্ৰদেশত প্ৰৱেশে কৰিব নোৱাৰিলে।

খুৰীয়েকে তাইৰ নীৰৱতালৈ লক্ষ্য ৰাখি মহা প্ৰলয়ৰ দিনটোৰ কথা বৰ্ণনালৈ আৰু সাহস নকৰিলে।

লাহে লাহে সিহঁত গৈ উৰাকামিৰ ওপৰ উঠি লাহে লাহে সিটো দাঁতিয়েদি নামিলগৈ। অলপ দূৰ নামি গৈ যেতিয়া সমতল পালেগৈ তেতিয়া ফুমিক' হঠাতে বৈ গ'ল। খুৰীয়েকে সুধিলে, "কি হ'ল?"

"এইখিনিতে আমাৰ ঘৰ আছিল। ইয়াৰ ঠিক পোৱা মাইল পূৰ্বে দেউতাকহঁতে কাম কৰা লোৰ কাৰাখানাটো। তাৰ ওচৰতে মাৰ সমবায়টো। আমি পুৱাই বিজুলী ডেগত পানী গৰম কৰি চাহ কৰিলো। দেউতাই অলপপৰ ভায়'লিন বজালে। মা-দেউতাই গ্লোভজোৰৰ ফটাকণ সীলে; তাৰ পাছত আমি তিনিও ওলাই আহিলো। সেই অহাৰ পাছত আৰু আমাৰ দেখা নহ'ল। ঠিক ১১-০৫ মিনিটত শব্দটো হ'ল।"

"নহয়, ১১-০২ মিনিটত", খুৰীয়েকে শুধৰাই দিলে, "পৃথিৱী কঁপিবলৈ ধৰিলে। ছাই উৰিল। এঘণ্টামানৰ পাছলৈকে আমাৰ পিনৰ মানুহবোৰৰ সাৰ-সিকতি নাছিল। তাৰ পাছতে এম্বুলেন্স, মটৰ চাইকেল আৰু প্লেন চলিবলৈ ধৰিলে। ৭০ হাজাৰ মৰিল, ৫০ হাজাৰ ঘুণীয়া হ'ল।"

খুৰীয়েকৰ স্মৃতিৰ দুৱাৰ অকস্মাতে মুকলি হৈ গ'ল। কিন্তু পিছ মুহূৰ্ততে তেওঁ বুজিলে যে তেওঁৰ কথাই ফুমিক'ৰ মনত শোকৰ জুইকুৰাত ঘিঁউহে ঢালিছে। সেই কাৰণে তেওঁ লৰালৰিকৈ ক'লে, "ব'ল, আৰু ফুৰিব নালাগে।"

দুয়ো ঘূৰি আহিল। পৰ্বতৰ ওপৰত আকৌ খুৰীয়েকে ক'লে, "মানুহে এই পৰ্বতটোক যাদু-পৰ্বত বোলে। ইহে বোলে আমাক বচালে।"

ফুমিক'ই তেতিয়াও একো মতা নাছিল। তাইৰ মনত 'ছাবি'ৰ বাহিৰে একোৱে প্ৰৱেশ নহ'ল। অভিতাভাৰ হাঁহিত তাই আশ্ৰয় বিচাৰিছিল। সেই হাঁহিটোকে কেন্দ্ৰ কৰি জীৱন-মৃত্যুৰ বিপৰীত বাসনাৰ দ্বন্দ্বই তাইৰ মনৰ চৌপাশে তেতিয়া ভাবৰ ঘূৰ্ণি-বতাহৰ সৃষ্টি কৰিছিলে।

* * *

সেই হাঁহিটো তাইৰ মনত ডাঠ হৈ লাগি থকা বাবে ফুমিক'ই মৃত্যুৰ সৈতে সংগ্ৰাম কৰিবলৈ সাজু হৈছিল।

কিন্তু চুজুকিৰ মৃত্যুৰ বাতৰি তাই মুহূৰ্তে মুহূৰ্তে আশা কৰিছিল। তাইৰ পৰীক্ষাৰ ক্ষণ তেতিয়াহে আৰম্ভ হ'ব।

টকিঅ'ৰ পৰা খবৰ আহোঁতে সাদিন লাগিল। চুজুকিৰ ৰক্তপ্ৰৱাহ বন্ধ হৈ মৰিল। সকলো চিকিৎসা অথলে গ'ল।

তেতিয়া সন্ধিয়া পৰ। খুৰীয়েক ঘৰত নাছিল। দদায়েকহঁতো কিবা কামত নাগাছাকিৰ বাহিৰত আছিলগৈ।

ফুমিক'ই নিশব্দে গৈ বাকচটো খুলি বিয়ালৈ বুলি চিলাই কৰি থোৱা কিমন'টো উলিয়াই পিন্ধিলে। মূৰত অলপ তেল ল'লে। ভৰিৰ জোতাযোৰ সলালে। তাৰ পাছত আৰ্চী আগত থিয় হৈ তাইৰ নিজৰ ৰূপটো এবাৰ চালে। মূৰ আঁচুৰিলে। তাইৰ অনুভৱ হ'ল যেন তাইৰ সেই দিনাই বিয়া। কাল-বিয়া। যি বিয়া বাস্তৱত আৰু নঘটে। তাইৰ অনুমান হ'ল যেন তাইৰ যৌৱন-মুখৰ দেহটি যেন লাহে লাহে অদূৰত জ্বলি-পুৰি শেষ হৈ গৈছে। পৃথিৱীখন লাহে লাহে কঁপিছে। বেছিপৰ তাই আৰ্চীৰ সন্মুখত ৰ'ব নোৱাৰিলে। লাহে লাহে 'টক্‌নমা'ৰ বেদীৰ কাষত বহি নীৰৱে কিবা ভাবিলে। কিন্তু তাতো অৱশেষত দেখিলে সেই শান্তিৰ ৰহস্যময় হাঁহিটো।

সাধাৰণ সুখ-দুখে তাৰ কাষ নাচাপে। তাই যেন এটি দেহহীন উৰণীয়া, অৰূপ ইথাৰৰ কঁপনি।

তাই উঠি আগবাঢ়িল কিহবাই তাক টানি নিছিল। নীৰৱে আগডৰাৰ ফুলনি ডৰা পালেহি। ফুলনিৰ পৰা এবাহে 'ক্রিশ্বন্থিয়াম' ফুল তুলি ল'লে। লগে লগে এটা গোন্ধ ওলাল। তাইৰ অন্তৰলৈ সাগৰৰ আহ্বান আহিল।

সাগৰ!

সাগৰৰ পাৰে পাৰে গৈ তাই বালিত নামিলগৈ। তাইৰ চকুৰ আগত ভাহি উঠিল সমুদ্ৰৰ প্ৰৱাল জোৱাৰ। জোৱাৰৰ বুকুত তাই ক্ৰুৰ উল্লাসৰ হাঁহি দেখা পালে। তাইৰ মনৰ 'ছাৰি', শান্তিৰ ধৰণী হেৰাই গ'ল। জীৱন কিছুমান অবুজ ভাবৰ কোলাহলৰ হেঁচাত গতিহীন হৈ ৰ'ল।

জোৱাৰে আহি তাইৰ ভৰি চুলেহি। তাৰ পাছত আঁঠু চুলেহি। তাৰ পাছত লাহে লাহে তাইক গ্ৰাস কৰিবলৈ আগ বাঢ়ি আহিল।

হঠাতে তাই শুনিলে, "নলৰিবা, গুচি আহা।"

প্ৰথমবাৰ তাই ভৰি নলৰালে।

দ্বিতীয়বাৰ আকৌ তাই শুনিলে, "নলৰিবা, গুচি আহা।"

তাই এবাৰ উভতি চালে।

তৃতীয়বাৰ আকৌ তাইৰ কাণত পৰিল, "নলৰিবা, গুচি আহা।"

তাই এবাৰ উভতি চালে।

তৃতীয়বাৰ আকৌ তাইৰ কাণত পৰিল, "নমৰিবা, গুচি আহা।"

তাই উভতি দৌৰ মাৰিলে। প্ৰাণটাকি দৌৰ মাৰিলে। নামি অহা এন্ধাৰত তাই একো মনা নাছিল। মনো মণিব পৰা অৱস্থাত নাছিল। দৌৰি দৌৰি আহি এবাৰ চকুৰে ওখ কিবা এটা দেখি তাতে বৈ গ'ল।

* * *

পিছদিনা যেতিয়া তাই চকু মেলিছে তেতিয়া তাইৰ চৌদিশে আমনি লগা নিস্তব্ধতা। কাৰো ক'তো সাৰ-সুৰ নাই। সাগৰৰ জোৱাৰৰ উচ্ছ্বাস তাইৰ বুকুত আৰু বাহিৰত হেৰাই গ'ল। মৃত্যুৰ কল্লোলৰ বুকুৰ পৰা তাই জীৱন বন্ধ ঘৰলৈ উভতি আহিল।

তাই উঠিব খুজিলে। কিন্তু দেহটো বৰ অৱশ অৱশ লাগিল। তাই ক'ত

আছে তাই অনুমান কৰিবলৈ টান পালে। ঘৰটো অচিনাকি অচিনাকি লাগিল। অনন্ত নিস্তব্ধতা।

বিছনাতে এবাৰ কাটি হৈ দেখিলে, এখন সৰু মেজত এখন চিঠি। এহাতেৰে কাগজখন তুলি আনি তাই পঢ়িলে ঃ

মৰমৰ মানুহজনী,

তুমি কোন মই নেজানো। তুমি কিয় আত্মহত্যা কৰিব খুজিছিলা তাকো মই নাজানো। মই মাছ মাৰি উভতি আহোঁতে তোমাক দেখি তিনিবাৰ চিঞৰিলো। তুমি যা হওক দৌৰি উভতি আহিলা। অচেতন অৱস্থাত তোমাক পাই লৈ আহিলো। এতিয়া তুমি মোৰ ঘৰতে থাকিব পাৰিবা। মই পুৱাই ওলাই আহিলো টুনা মাছ মাৰিবলৈ। থাকিব নোৱাৰা বাবে ক্ষমা কৰিবা। যাৰ কাম কৰাত মন থাকে তাৰ অন্য ভাবৰ একো প্ৰয়োজন নাই। তুমি যেয়ে নোহোৱা মোৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰি চলিব পাৰিবা। মৰিবৰ ভাব মনলৈ নানিবা। মাছমৰীয়া হৈ ওপজা হ'লে বুজিলাহেঁতেন, সাগৰত মাছ ধৰা সহজ, কিন্তু মাছ মৰা টান। মানুহ সহজে মৰিব পাৰে। জীয়াই থকাহে টান। মোৰ বৰ পলম হৈছে মই যাওঁ। আজি সাগৰলৈ যাব লাগিব।

ইতি

এজন মাছমৰীয়া

এই অচিনাকি মানুহটোৰ অদ্ভুত ব্যৱহাৰ দেখি তাই আচৰিত আৰু মুগ্ধ হ'ল। যেতিয়া তাইৰ সকলো আশা শেষ হৈ আহিছিল, তেতিয়া তাইৰ বাবে এমুঠি আশা লৈ ওলাইছেহি এটা মানুহ ঃ মানুহ সহজে মৰিব পাৰে, কিন্তু জীয়াই থকাহে টান।

কিছুপৰ টলকা মাৰি থাকি তাই উঠিল, আৰু বাহিৰলৈ ওলাই গ'ল। ওলাই গৈ ৰাজপথত ভৰি দিওঁতেই মাইক এটাৰ পৰা কিছুমান কথা ভাহি অহা শুনি তাই ৰ'ল।

"নাগাছাকিৰ প্ৰসিদ্ধ ভাৰৰীয়া চুজুকিৰ মৃত্যু হ'ল। হাইড্ৰ'জেন বোমাৰ তেজস্ক্ৰিয় ছায়ে তেওঁক তেজস্ক্ৰিয় কৰি মাৰিলে। এই খবৰ পাই তেওঁৰ

ভাবী পত্নী ফুমিক' নৰহৰাই সাগৰলৈ গৈ আত্মহত্যা কৰিছে বুলি ৰাইজৰ সন্দেহ হৈছে। খুৰীয়েকহঁতে বিচাৰি হায়ৰাণ হৈছে। উপায় নাই। বৰমূৰীয়া শক্তিবোৰে যদি মাৰাত্মক বোমা বনোৱা বন্ধ নকৰে, তেন্তে পৃথিৱীত মানুহৰ কণ-কঁঠীয়া মৰিব। পৃথিৱীৰ বিৱেক জগাবৰ সময় আহিল। বিৱেক নাজাগিলে মানুহৰ সভ্যতা-সংস্কৃতি নৰয়। আমি হয় এট'ম-হাইড্ৰ'জেন বোমা ধ্বংস কৰিব লাগিব, নহয় নিজে ধ্বংস হ'ব লাগিব।

"নাগৰিকসকলে মন বান্ধক। পৃথিৱীৰ পৰা যুদ্ধ আৰু অস্ত্ৰ নিৰ্বাসিত কৰিব লাগিব।

"লগে লগে এটা অনুৰোধ। ফুমিক' নৰহৰাৰ সন্ধান যদি কোনোবাই পায়, তেন্তে আমাক দিব। খুৰীয়েকহঁত বৰ উদ্বিগ্নচিত্তে বৈ আছে। ফুমিক' নৰহৰা যদি ক'ৰবাত জীয়াই আছে, তেন্তে তেওঁক আমাৰ সমূহীয়া সমবেদনা জনাইছো আৰু অনুৰোধ কৰিছো মৃত্যুৰ মুখৰ পৰা উলটি আহক।"

ফুমিক'ৰ খোজ বৈ গ'ল। খন্তেকৰ বাবে। এবাৰ তাই চিঞৰি দিবৰ মন গ'ল, "মই, মই, ফুমিক' নৰহৰা। মই জীয়াই আছো। জীয়াই থাকিম?"

ৰাজপথৰ বক্তাজনৰ কাষলৈ গৈ তাই নিজকে ধৰা দিবৰ ইচ্ছা গ'ল। কিন্তু ইতিমধ্যে মাইক বহুত দূৰ পালেগৈ। তদুপৰি মাছমৰীয়াটো এতিয়াও উভতি পোৱাহি নাই।

কাষৰ চাহৰ দোকানখনৰ বেৰত তাইৰ চকু পৰিল। বেৰৰ পৰা বুদ্ধই হাঁহিছে।

অৱশেষত তাইৰ মনলৈ ঘূৰি আহিল শান্তি।

* * *

আগৰ দৰে হাঁহিটোৱে এতিয়াও সম্পূৰ্ণ কথা কোৱা নাই। কেৱল তাৰ আভাস এতিয়া স্পষ্ট হৈছে। ক'ম হ'লেও সেই আভাস ফুটি উঠিছে ৰাজপথৰ বক্তাজনৰ মুখত। ৰাজপথত মানুহ জাগিছে। সি নতুন ভাষাত কথা কৈছে। মানুহে বুজিছে, হয় প্ৰলয়ঙ্কৰ বোমা ধ্বংস হ'ব লাগিব, নহয় নিজে ধ্বংস হ'ব। খুৰীয়েকহঁতৰ দৰে সিহঁতে কোৱা নাই, "ভাবেৰে গধুৰ কৰি লাভ কি জীৱনটো, ভাব দলিয়াই পেলোৱা ভাল।" খুৰীয়েকৰ মতে, মানুহ মৰহা ডালত গীত গোৱা চৰাই, ডাল ভাগিবই যেতিয়া গীত গাই লাভ কি?

মাছমৰীয়াটোৱেই তেওঁতকৈ আশাবাদী, তাৰ মতে জীয়াই থাকিবলৈ হ'লে সংগ্ৰাম কৰিবই লাগিব। দ পানীত মাছ মাৰিবই লাগিব। কিন্তু সি নিজৰ জীৱনৰ কথাৰ বাহিৰে আনৰ জীৱনৰ একো সমস্যাৰ সমাধান দিব নোৱাৰে। সি কৈছিল ঃ জীয়াই থাকা। ফুমিক' নৰহৰাই জীয়াই থকাৰ পথ আৰু সাৰ্থকতা ক'ত—ভাবি উলিয়াব পৰা নাছিল। উলিয়াই দিলে ৰাজপথৰ বক্তাজনে। মানুহে তাইক পাহৰা নাই। চুজুকিক সুঁৱৰিছে। সিহঁতে মানুহ মৰা বোমা নিবিচাৰে, মৰণ নিবিচাৰে, বিচাৰে জীৱন।

ৰাজপথৰ মানুহজন তাইৰ অচিনাকি। কিন্তু সিয়েই তাইক প্ৰকৃত জীৱনৰ সন্ধান দিছে। মানুহ জী থাকিবলৈ বিচাৰিছে। মানুহে মানুহৰ কথা কৈছে। মানুহে মানুহক জী থাকিবলৈ কৈছে। তাই জী থাকিব। তাই মানুহৰ বাবে জীয়াই থাকিব। মানুহে শান্তিৰ বাবে আশাৰে অভিযান চলাইছে। বোমাক মানুহে অভিশাপ দিছে। মানুহে কৈছে, শান্তি লাগে।

আই-বোপাই-স্বামী হেৰোৱাৰ পিছতো তাইৰ সকলো নেহেৰাল। 'ৱাবি'ৰ মাজত ফুটিছে আশাৰ বাণী। মানুহৰ অন্তৰত করুণাৰ উদ্ৰেক হৈছে। মাছমৰীয়া মানুহটো আৰু সেই মাইকত কথা কোৱা মানুহটি তাৰে সাক্ষী।

ফুমিক' নৰহৰাই থিৰ কৰিলে তাই জীয়াই থাকিব।

(১৯৫৩ চন)

* * *

# সি, জম্‌জম্ আৰু জুইকুৰা

সি, জম্‌জম্ আৰু জুইকুৰা।...

কামৰ পৰা আহোঁতে আহোঁতে তাৰ আজি বহুত বেলি হ'ল। কেইবাটাও বেমাৰীৰ কাহত আজি বেছিকৈ তেজ গৈছিল, সেই বাবে উপযুক্ত ব্যৱস্থা ল'বলৈ নাৰ্চক উপদেশ দিওঁতে আৰু ইটো-সিটো কৰোঁতে কৰোঁতে আন কালতকৈ তাৰ বেছি সময় লাগিল। কাপোৰ-কানি সলাই জুইৰ গুৰিত বহি বহি সি জুইৰ ফালে চাই চাই একান্ত মনে কিবা ভাবিবলৈ ল'লে।

জম্‌জমে কাষতে বহি টোপনিয়াবলৈ ল'লে।

শ্বিলঙৰ ডিচেম্বৰ মাহ। সন্ধিয়া লগাৰ আগতে জাৰৰ মাত্ৰা বেছি হয়। এনে সময়ত ফুৰিবলৈ যোৱা অসম্ভৱ। সেই বাবে আজি-কালি সি বাহিৰলৈ কম ওলায়। নহ'লে আজি তিনি-চাৰি দিন ধৰি লাবানৰ খুড়াকৰ ঘৰলৈ তাক বৰকৈ মাতি আছে, তালৈকে যাব পাৰিলেহেঁতেন। কিন্তু আজিৰ দৰেই এই কেইদিনমান প্ৰায় কামৰ ধূম বেছি পৰিছে, কাম কৰি আহোঁতে আহোঁতে সন্ধিয়া হৈ আহে। কাজেই ফুৰিবলৈ আৰু সময়ে নুকুলায়গৈ।

নিৰ্মল টি-বি হাস্পতালৰ ডাক্তৰ হৈ অহা আজি প্ৰায় পাঁচ মাহ মানহে হৈছে। শিক্ষা সাং কৰি পোনেই ইয়ালৈ আহিছে। ন-কৈ সজা টি-বি স্বাস্থ্য নিবাসত অভাৱ-অভিযোগ থাকিবই। কিন্তু চিকিৎসকসকলে বেমাৰীৰ যত্ন লোৱাত ক্ৰুটি কৰা নাছিল। সকলো মানৱীয় চেষ্টাত সীমা আছে। বহু বেমাৰী মৰে আৰু বহুত বেমাৰী ভাল হয়। দেশৰ বেমাৰীৰ সংখ্যালৈ চাই ৱাৰ্ড কম। তথাপি চিকিৎসাৰ সাধাৰণ ফল লৈ নিৰ্মলহঁতে যথেষ্ট গৌৰৱ কৰে। বেছি ৱাৰ্ড নোহোৱাটো সিহঁতৰ দোষ নহয়, দোষ চৰকাৰৰ।

আজি এজন ডেকা ল'ৰাৰ বৰ বেছিকৈ অসুখ কৰিছে। বোধ হয় বেছিদিন

আৰু নাবাচিব। তেওঁৰ নাম অনিল বৰুৱা। হাস্পতালত ভৰ্তি কৰা আজি তিনি মাহ মান হৈছে। বিশেষ উন্নতি হোৱা নাই। আজি অসুখ বাঢ়িছে। উদ্বেগৰ যথেষ্ট কাৰণ আছে। নাৰ্চক সি বিশেষ তত্ত্বাৱধান ল'বলৈ আদেশ দিছে। উদ্বেগৰ আশঙ্কা দেখা দিলে তাক খবৰ দিবলৈ কৈছে। বেমাৰীৰ অৱস্থাৰ বিষয়ে ডাক্তৰৰ সাধাৰণ উদ্বেগ থাকিবই; কিন্তু এই ল'ৰাটিৰ প্ৰতি তাৰ এটা ব্যক্তিগত আকৰ্ষণ আছিল।

অনিল বৰুৱা ক'ৰ ল'ৰা, ক'ত ঘৰ সেই বিষয়ে নিৰ্মলে ভালদৰে নাজানে। সীতা চৌধুৰী নামৰ এগৰাকী গাভৰুৱে তাক প্ৰথমতে সিহঁতৰ ওচৰলৈ লৈ আহিছিল। পৰীক্ষা কৰাৰ পাছত যেতিয়া হাস্পতালত ভৰ্তি কৰোৱা হ'ল, তেতিয়া তাৰ খৰচ-পাতিৰো ব্যৱস্থা কৰিলে তায়ে। হাস্পতালৰ খাতাৰ নাম লগাওঁতে তাক তাইৰ দূৰ সম্পৰ্কীয় ভায়েক বুলি চিনাকি দিয়া হ'ল।

সেইদিনা হাস্পতালৰ খাতা বহীত নাম লেখাৰ ভাৰ তাৰ ওপৰতে আছিল। কিন্তু তাৰ লাবানলৈ যাব লগা কাম থকা বাবে সোনকালে সি হাস্পতালৰ কামৰ পৰা আজৰি লৈ ওলাই আহিল। খুড়াকে খবৰ দি পঠিয়াইছিল বোলে তেওঁৰ শৰীৰ বৰ বেয়া, সি এবাৰ চাই আহিবগৈ লাগে। খুড়াকৰ বহুত দিন ধৰি অসুখ হৈছিল। সেই কথা ভাবি দিনটো তাৰ মন অস্থিৰ আৰু উদ্বেগপূৰ্ণ হৈ আছিল। ... হাস্পতালৰ খাতাত কি লিখিলে সি নিজেই একো ক'ব নোৱাৰে। লৰা-লৰিৰ কোবত যে বেমাৰী আৰু অভিভাৱকাৰ ঠিকনা ল'বলৈ পাহৰিলে সেই কথা সি মনেই কৰিব নহ'ল।

ভৰ্তি হোৱাৰ দুসপ্তাহ মানৰ পাছত এদিন কামৰ পৰা আহি ঘৰ সোমাওঁতেই টেলিফোন ৰিং বাজি উঠিল। টেলিফোনটো দাঙি লৈয়েই সি গম পালে যে অপৰিচিত কণ্ঠস্বৰ। নাম সোধাত সিফালৰ পৰা উত্তৰ আহিল—সীতা চৌধুৰী।

ক'ৰ পৰা কৈছে?—ইফালৰ পৰা সি সুধিলে।

লাইটুমখ্ৰাৰ পৰা।—সিফালৰ পৰা উত্তৰ আহিল।

কি লাগে আপোনাক, মিছেছ চৌধুৰী?

নহয় মই মিছ হে। আপোনাক এবাৰ লগ পাব লাগে।

ক্ষমা• কৰিব, অসাৱধানতাবশতঃহে মিছেছ ওলাইছিল। কিয় লগ পাব খোজে?

এটা বিশেষ দৰকাৰ আছে।

কি দৰকাৰ আছে?

আপোনাক অকলশৰে ঘৰত লগ ধৰি ক'ম বুলি ভাবিছো, বেয়া নাপাব।

কিনো ইমান বিশেষ দৰকাৰ আছে? ৰোগীজনৰ কথা নেকি?

ৰোগীৰ কথাই বুলিব পাৰি।

ৰোগীৰ কথা মই হাস্পতালৰ বাহিৰে আন ক'তো আলোচনা কৰিব নোৱাৰো।

আপোনাৰ অসুবিধা মই বুজিছো, ডাঃ শইকীয়া। কিন্তু মোৰ যে বিশেষ দৰকাৰ আছে।

বাৰু কালিলৈ পাঁচ বজাত আহিব। তাতকৈ অকণো বেলি নকৰিব। মোৰ হাস্পতালত ডিউটি আছে।

ধন্যবাদ, ধন্যবাদ, ডাঃ শইকীয়া। নমস্কাৰ।

নমস্কাৰ—বুলি আমনিত সি ফোনটো থৈ দিলে। এগৰাকী অচিনাকি গাভৰুৱে অকলশৰে ঘৰত লগ ধৰিবলৈ অহাৰ কথা ভাবি সি অলপ অস্বস্তি বোধ কৰিলে। বেমাৰীৰ কথা পাতিবলৈ তেওঁ জানো হাস্পতাললৈ আহিব নোৱাৰে। কি ইমান দৰকাৰটো আছে যে তাক তেওঁ অকলশৰে লগ নধৰিলেই নহয়। এনেয়ে আবিয়ৈ ডেকাৰ চাল-চলনত সকলোৰে চকু। তাতে যদি কোনোবাই শুনে যে এগৰাকী গাভৰুৱে অকলে আহি ডাঃ শইকীয়াক লগ ধৰিছেহি, তেন্তে বু-বু বা-বা নিশ্চয় আৰম্ভ হ'বই। কথাযাৰ যদি নৈষ্ঠিক খুড়াকহঁতৰ কাণত পৰেগৈ, তেন্তে তো সৰ্বনাশ। একেবাৰে ঘৰলৈ চিঠি যাব। পুৰণি মানুহবোৰৰ মনত চৰিত্ৰৰ ধাৰণাই সদায় এঢলীয়া। ...

পিছদিনা আবেলি অফিচত কৌতূহলবশতঃ লগৰ ডাক্তৰ এজনে ভৰ্তি বহীখন চাই থাকোঁতে সি তালৈ সোমাই আহিল। বহীখন দেখি সি ওচৰলৈ গ'ল আৰু অভ্যন্তৰ দৰে এফালৰ পৰা বেমাৰীবোৰৰ অভিভাৱকবোৰৰ নামৰ তালিকাখনত চকু ফুৰালে। হঠাতে তাৰ সীতা চৌধুৰীৰ নামত চকু পৰিল। তাই ৰোগী অনিল চৌধুৰীৰ অভিভাৱিকা। কিন্তু ঠিকনা শিতান খালি। ৰোগীৰো আৰু অভিভাৱিকাৰো। ঠিকনাহীন বেমাৰী ৰখাটো পাতল দোষ, তথাপি দোষেই।

সি সুধিলে, ডাঃ আহমেদ, এই ৰোগীটো কোনে ভৰ্তি কৰিছিল?

ডাঃ আহমদে তাৰ মুখলৈ চাই মিচিক কৰে হাঁহি মাৰি ক'লে, কেলেই আপুনি ইমান সোনকালে পাহৰিলেনে? আপুনি মোৰ আগতে এইজন ৰোগীক ভৰ্তি কৰা নাই?

মই?

অঁ, আপুনি। সেইদিনা আপুনি বৰ অন্যমনস্ক হৈ আছিল। অভিভাৱিকা যোৱাৰ পাছত মই খাতা চাই দেখো ঠিকনা নাই। আপোনাক বিচাৰিলো। ইতিমধ্যে আপুনি খুড়াকৰ অসুখ চাবলৈ গ'ল।

হয়, সেইদিনা মোৰ মন বৰ অস্থিৰ হৈ আছিল। খুড়াদেউৰ তেতিয়া বৰ টান নৰীয়া। বুলি সি আঁতৰি আহিল। নিৰ্মলৰ কৰ্তব্যবোধ বৰ প্ৰখৰ। এই কৰ্তব্য-বিচ্যুতিৰ বাবে সি আত্ম-নিগ্ৰহ ল'বলৈও সাজু আছিল। কিন্তু আত্ম-নিগ্ৰহ আৰু কি কৰিব? অনুশোচনাৰ বোজা এটা লৈ সি ঘৰলৈ উলটি আহিল।

আহিবৰ সময় ডাঃ আহমেদে সান্ত্বনাৰ সুৰত তাক ক'লে, একো কথা নাই, ডাঃ শইকীয়া, বেমাৰীৰ পৰাই ঠিকনা পোৱা যাব।

সি একো উত্তৰ নিদি ঘৰলৈ খোজ দিলে। সীতা চৌধুৰী আহিবৰ হৈছিল।

পাঁচ বাজি দহ মিনিট যোৱা পৰ্যন্ত সীতা চৌধুৰী নহা দেখি খং উঠি সি ৱাৰ্ড চাবলৈ ওলাল। তাৰ সময়-জ্ঞান কৰ্তব্যবোধতকৈও প্ৰখৰতৰ। দুই এখোজ যাওঁতেই হঠাতে পদূলিত সশব্দে এখন মটৰ ৰ'লহি।

ডাঃ শইকীয়া, পলম হ'ল। ক্ষমা কৰিব। সীতা চৌধুৰীৰ মাত। নিৰ্মলে হাস্পতালত দেখা সেই ছোৱালীজনী, অনিলৰ অভিভাৱিকা।

আপোনালোকে সময়ৰ মূল্য নুবুজে। অভিমানত নিৰ্মলে কৈ উঠে।

মোৰ কথা যদি আপুনি বুজিলেহেঁতেন।

আমাৰ কথাও আপোনালোকে বুজিবৰ চেষ্টা নকৰে।

কথা কৈ কৈ সিহঁত ড্ৰইং ৰুম পালেহি। চকী এখন আগন্তুকলৈ দি নিজেও এখন টানি মাৰি লৈ বহি, এবাৰ ঘড়ীটো চাই সি ব্যস্তভাৱে ক'লে, —কি কথা আছে কওক, বহুত পলম হ'ল।

আপুনি মোৰ বাবে কিমান পৰ ৰ'ব পাৰিব?

আপোনাক কিমান পৰ লাগে?—তাৰ স্বৰ কৰ্কশ হৈ উঠিল। মূৰো ওপৰলৈ উঠা নাছিল।

সীতা চৌধুৰীৰ উত্তৰ নাপাই সি ঘপ কৰে মূৰ তুলি চাই দেখিলে তেওঁৰ মুখখন অসম্ভৱ ৰকমে শেঁতা পৰি গৈছে। আচৰিত হৈ, কি কৰো কি নকৰো ভাবি, সি সুধিলে, আপোনাৰ কি হ'ল?

মোৰ?—বুলি তেওঁ নিজকে এবাৰ সংযত কৰি লৈ ক'লে—অযথা আপোনাৰ সময় হানি কৰিছো, ডাঃ শইকীয়া। কিন্তু আপোনাৰ বাহিৰে মোক যে সহায় কৰোঁতা নোলায়, সিও ঠিক। বহুত ভাবি-চিন্তিহে মই আহিছোঁ।

সীতা চৌধুৰীৰ কথাত এটি অন্তৰ্দ্বন্দ্ব পৰিস্ফুট হৈ উঠিছিল। অসীম ভদ্ৰতাবোধৰ সৈতে উপস্থিত কৰ্তব্যৰ এই সংঘৰ্ষই দেখা দিছিল। অকল সেয়ে নহয়, তাইৰ দুচকুৰেদি চকুপানী বাগৰিছিল। বোধ হয় নিৰ্মলৰ কঠুৱা আচৰণৰ প্ৰতিক্ৰিয়া সেয়া। লাহে লাহে তাৰ খং জামৰিল। আগন্তুকাৰ প্ৰতি সহানুভূতিত অন্তৰ তিতি গ'ল। এগৰাকী ৰূপহী গাভৰুৰ তাৰ ওপৰত ইমান একান্ত বিশ্বাস দেখি সি আচৰিত হ'ল। লগে লগে তাৰ হৃদয়ত সহায় আৰু সান্ত্বনা আগবঢ়োৱাৰ আকাংক্ষা প্ৰবল হৈ উঠিল। ৱাৰ্ড পৰিদৰ্শন কৰিবলৈ পলম হ'লেও হওক, সি সীতা চৌধুৰীৰ কথা শুনিবলৈ উদ্‌গ্ৰীৱ হৈ ৰ'ল। ৰোগীৰ লক্ষণ চাই দৰবৰ ব্যৱস্থা কৰাৰ দৰে সি তেওঁৰ অন্তৰৰ বেদনা অনুভৱ আৰু তাৰ প্ৰতিকাৰ কৰিবলৈ মনস্থ কৰিলে। কোমল, লনি, বগা ধুনীয়া মুখখনিৰ মাজত কিহৰ বেদনা ফুটি উঠিছিল সি ধৰিব পৰা নাছিল। তিৰোতাৰ মন বুজা বৰ টান। বাৰে বাৰে চেষ্টা কৰিও সি বিফল হ'ল। এজনী ধুনীয়া গাভৰুৰ সন্মুখীন হৈ নীৰৱে এটি কোঠাত মুখামুখি হৈ থকাৰ এই অভিনৱ অনুভূতি বৰ মনোৰম হৈ প্ৰকাশ পালে তাৰ অন্তৰত।

নীৰৱে কিছুপৰ গাভৰুৰ ৰূপ-ৰস পান কৰাৰ পাছত ছল বুলি সিয়ে মাতিলে, আপোনাৰ ৰোগীক ভৰ্তি কৰোঁতে সেই দিনা মোৰ এটা ভুল হৈ গ'ল। আপোনাৰ ঠিকনাটো ল'বলৈ পাহৰিলো।

সীতাই তাৰ মুখলৈ চাই আকৌ তলমূৰ কৰিলে। বৰ বিব্ৰত হোৱাৰ একো কাৰণ সি বিচাৰি উলিয়াব নোৱাৰিলে। কথাটো মন কৰা নাই বুলি ভাবি সি আকৌ ক'লে, আজি যাওঁতে আপোনাৰ ঠিকনাটো দি যাব। অফিচৰ কথা, মোৰ বদনাম হয়, বুজিছেনে?

সীতা চৌধুৰীয়ে বিব্ৰত কণ্ঠস্বৰেৰে ক'লে, ডাঃ শইকীয়া—

কিন্তু বাক্যটো পূৰা কৰিব নোৱাৰিলে। তাইৰ এই অভিনৱ অৱস্থা নিৰীক্ষণ কৰি ডাঃ শইকীয়া আচৰিত, বিৰক্ত আৰু কৌতূহলপূৰ্ণ হৈ উঠিল। সীতা চৌধুৰী এজনী ৰহস্যময়ী নাৰীৰূপে তাৰ আগত প্ৰতীয়মান হ'ল। তাইৰ পিন্ধন-উৰণ পৰিপাটী সাজ-পাৰ দামী, গাৰ অয়-অলঙ্কাৰবোৰতো ধনাঢ্যতাৰ চিন। নিশ্চয় সীতা কোনোবা ধনীৰ জীয়ৰী। এজন টি-বি বেমাৰীক খৰচ দিয়া তাইৰ পক্ষে একো কথাই নহয়। কিন্তু তথাপি কিয় তাই ঠিকনা দিবলৈ ইমান টান পাইছে। সি তো কোনো উদ্দেশ্য লৈ ঠিকনা খোজা নাই, হাস্পতালৰ নিয়ম ৰক্ষা কৰিবৰ বাবেহে খুজিছে! তেন্তে তাইৰ ক'বলৈ ইমান আপত্তি কিহৰ? তাৰ বিৰক্তি লাগিল। ৰ'ব নোৱাৰি সি কৈ দিলে, চাওক মিছ চৌধুৰী, ঠিকনা নিদিলে আমি আপোনাৰ ৰোগীক লৈ বিপদত পৰিম। তদুপৰি ঠিকনা নিলিখাৰ বাবে মোৰেই দোষ। এই দোষ যেনে-তেনে মই খণ্ডাবই লাগিব।

সীতা চৌধুৰীয়ে এইবাৰ মাত লগালে, আপুনি সেই সামান্য ভুলটো কৰি এক মহৎ উপকাৰ সাধন কৰিছে, বিশ্বাস কৰিবনে?

কি?—নিৰ্মল আচৰিত হ'ল। পাঁচমহীয়া চাকৰিত প্ৰথম যিটো ভুল, সেই ভুলটোৱে যে কাৰোবাৰ মহৎ উপকাৰ সাধন কৰিব পাৰে, এই কথা সি অন্তঃকৰণেৰে গ্ৰহণ কৰি ল'ব নোৱাৰিলে। কৰ্তব্যৰ চ্যুতি বা বিচ্যুতিয়ে মানুহৰ উপকাৰ সাধন কৰাৰ কথা মানি ল'লে ক'ব লাগিব পৃথিৱীত কৰ্তব্যৰ ধাৰণাত ঘুণে ধৰিছে।

কৌতূহলবশতঃ সি সীতাক নানান প্ৰশ্ন কৰি ঘটনাৰ ইতিবৃত্ত পালে এইটো ঃ কোনো এক অজ্ঞাত হোটেলৰ পৰা ৰোগীজনক লৈ আনি হাস্পতাল পোৱালৈকে তাই ঠিক কৰিব পৰা নাছিল ডাক্তৰক ভুল ঠিকনা দি কেনেকৈ ৰোগী ভৰ্তি কৰাব। মিছা কথা কোৱা তাইৰ নীতি-বিৰুদ্ধ। তাই মাত্ৰ ঠিক কৰিছিল পাৰিলে মিছা কথা নকয়। সৌভাগ্যবশতঃ ডাঃ শইকীয়াৰ অন্যমনস্কতাৰ বাবে সেইদিনা ঠিকনা লোৱা নহ'ল। এই ঘটনাৰ বাবে তাই ডাঃ শইকীয়াক মনে মনে ইমান ধন্যবাদ দিছিল যে তাই সদায় সেই কাম ভগৱান-প্ৰেৰিত বন্ধুৰ বাহিৰে আনে কৰিব নোৱাৰে বুলি ধাৰণা কৰি আহিছে। তাৰ অন্যমনস্কতাই তাইক এটা বিৰাট সংকটৰ পৰা মুক্তি দিলে।

তেনেহ'লে আপুনি এতিয়াও ঠিকনা দিব নোখোজে?—ডাঃ শইকীয়াই সীতাৰ ব্যাখ্যাত সন্তুষ্ট নহৈ সুধিলে।

সীতা চৌধুৰীয়ে ভয়ে ভয়ে উত্তৰ দিলে, আনৰ মনৰ কথা আপুনি যদি বুজিলেহেঁতেন।!

মিছ চৌধুৰী। মই মনোবৈজ্ঞানিক নহয়, দেহৰ চিকিৎসকহে। আপোনাৰ মনৰ কথা বুজিবলৈ গৈ মই কৰ্তব্য নকৰাকৈ থাকিব নোৱাৰোঁ। হাস্পতালৰ নিয়মৰ লগত আপোনাৰ মনৰেই বা সম্বন্ধ কি? বুলি সি এবাৰ ঘড়ী চাই ল'লে। মোৰ পলম হ'ল। আপুনি ঠিকনা দিয়ে যদি বেমাৰী ৰাখক, নহ'লে বেমাৰী লৈ যাওক।

তাতকৈ মোক বিহ খাবলৈ দিয়ক, তাকে খাই মই মৰোঁ—বুলি সীতা চৌধুৰী ৰ'ল। লগে লগে তাইৰ চকুৰ পৰা চকুপানী সৰিল।

নিৰ্মলে বুজি পালে যে ছোৱালীজনী কিবা এটা কথাত বৰ বিব্ৰত। তাই বৰ ভাবপ্ৰৱণো। ছোৱালীৰ চকুপানীয়ে ডেকাৰ অন্তৰ সদায় বিচলিত কৰি আহিছে। কৰ্তব্যপ্ৰৱণ নিৰ্মলৰ অন্তৰতো এটি নীৰৱ সহানুভূতিৰ সোঁত ব'বলৈ ধৰিলে। সীতা চৌধুৰীক খং কৰিবলৈও তাৰ সত নগ'ল। তাইৰ সজল নয়নযুৰিত কি এটা মোহিনী শক্তি আছিল সি ধৰিব নোৱাৰিলে, কিন্তু সি এটি কঠিন উত্তৰ দিবলৈ গৈয়ো দিব নোৱাৰা হ'ল।

সীতা চৌধুৰীয়ে তাৰ অৱস্থা উপলব্ধি কৰি ৰুমালখনেৰে চকুপানী মচিলে। গাৰ গৰম জেকেটটো এবাৰ টানি লৈ লাহে লাহে ক'লে, আপোনাক অযথা বিপাঙত পেলাই মোৰ বেয়া লাগিছে। কিন্তু নাভাবিব যে পাৰিহে মই এনে কাম কৰিছো। ভুল কৰিয়েই হওক বা ভগৱানৰ ইচ্ছাতেই হওক, সেইদিনা আপুনি দেশৰ এটি মহৎ উপকাৰ সাধন কৰিলে। কোৱাৰ লগে লগে সীতাৰ চাৱনি তীক্ষ্ণ হৈ উঠিল, তথাপি আজি এনে দৈৱৰ ফেৰ যে আপোনাৰ আগত এই মহৎ উপকাৰৰ কথাটো প্ৰকাশ কৰিব নোৱাৰিম। যদি আপুনি মোক অকণমানো বিশ্বাস কৰে, মোলৈ যদি আলপমানো—

ডাক্তৰৰ কঠোৰ দৃষ্টিৰ হেঁচাত তাইৰ কথা বন্ধ হৈ গ'ল। ডাক্তৰে কি সন্দেহ কৰিছে তাই যেন ধৰিব পাৰিলে। কিন্তু ডাক্তৰৰ চকু, মুখ আৰু মুখৰ ৰেখাবোৰত এনে এটি সৰল নিৰ্দোষিতাৰ ভাব ফুটিছিল যে তাত তাই ভয় খাওক ছাৰি মুগ্ধহে হ'ল। খন্তেকপৰ আপোন-পাহৰা হৈ তাই নিৰ্মলৰ ধুনীয়া

মুখমণ্ডললৈ চাই ৰ'ল। সেই অপ্ৰতিহত দৃষ্টিৰ বিজুলীৰ ছাঁট সহ্য কৰিব নোৱাৰি নিৰ্মলে অস্বস্তিবোধ কৰি চিঞৰি উঠিল, আপোনাৰ কথা-বতৰাবোৰ মোৰ মুঠেই ভাল লগা নাই। ৰূপেৰে যদি মোক বস কৰিবলৈ আহিছে, তেন্তে আপুনি মোক চিনি পোৱা নাই।...

চৌধুৰীৰ মুখখন শেঁতা পৰি গ'ল। লগে লগে তেওঁ লাজো পালে। এনেদৰে এজন ধুনীয়া ডেকাৰ মুখলৈ কিয় তাই চাই আছিল, তাক তাই বুজিব নোৱাৰিলে। নিৰ্মলক তাইৰ অতি আপোন মানুহ যেন অনুভৱ হৈছিল। কাপোৰ কানিবোৰ ভালদৰে সংযত কৰি লৈ কঁপা মাতেৰে তাই ক'বলৈ ধৰিলে, ভুল নুবুজিব ডাক্তৰ; মই আপোনাৰ পৰা বিশেষ চেনেহ বিচৰা নাই। সঁচা কথা কওঁ শুনক। এজনী মাইকী মানুহে এজন মতা মানুহৰ পৰা দেশৰ বাবে যৎসামান্য দাবী কৰিবলৈ আহিলে আপুনি জানো খেদাই পঠাব?

দেশৰ কাম?

এৰা, দেশৰ কামেই। এই ৰোগীজন এজন ৰাজনৈতিক দলৰ কৰ্মী। কাম কৰোঁতে কৰোঁতে টি-বি হৈছে। আমি কলেজত একেলগে পঢ়া। ৰাজনৈতিক দলত সোমোৱাৰ পাছত তেওঁ এদিন আহি তেওঁলোকৰ দলৰ—বুলি তাই ডাক্তৰৰ বিস্ময়াকুল চকুযুৰিলৈ চাই আশ্বস্ত হৈ আত্মবিশ্বাসৰ সুৰত কৈ গ'ল—সহানুভূতিশীল সদস্য কৰি গ'ল। ময়ো কাম কৰিম বুলি প্ৰতিশ্ৰুতি দিলো। কিন্তু কি কাম কৰিম? মাইকী মানুহৰ কথা নাজানিছেই। মোৰ দেউতাৰ টকা আছে। সি ক'লে মাজে মাজে দলক টকা দি থাকিলেই হ'ব। দেউতাৰ পৰা টকা অনাটো একেবাৰেই সহজ, কাৰণ মই দেউতাৰ একমাত্ৰ জীয়ৰী।

নিৰ্মলে এবাৰ কৌতূহলবশতঃ প্ৰশ্ন কৰিলে, ল'ৰাজনে কি কাম কৰে?

ডিগবৈত কাম কৰিছিল। ট্ৰেড ইউনিয়নৰ কাম। তাত সি পাৰ্টিৰ ধৰণী আছিল।

তেওঁৰ ঠিকনা দিয়াত আপোনাৰ আপত্তি কি?

তেওঁ আজি কিছুদিন ধৰি ফেৰাৰ। দলে গোপন কাৰ্যপন্থা হাতত লৈছে। দুৰ্ভাগ্যবশতঃ ফেৰাৰ অৱস্থাতে তেওঁৰ—

অধৈৰ্য হৈ ডাক্তৰে প্ৰশ্ন কৰিলে, কিন্তু ঠিকনা দিয়াত আপত্তি কি? চৰকাৰেতো টি-বি বেমাৰীক গ্ৰেপ্তাৰ নকৰে!

ঠিকনা দিলে তেওঁৰ পৰিচয় ওলাই পৰিব। পুলিচে গম পাব। আৰু তেতিয়া তেওঁৰ যোগে পাৰ্টিৰ ভালেমান গোপনীয় কথা ওলাই যাব। লগে লগে ময়ো আৰু টকা যোগাব নোৱাৰিম।

কিয়? দেউতা চৰকাৰী চাকৰিয়াল। অনিলহঁতৰ দলটোক তেওঁ দেখিব নোৱাৰে। সদায় দলৰ বিৰুদ্ধে কয়।

কিন্তু ঠিকনা নিদিলে হাস্পতালত এদিন মইহে দায়ী হ'ম।

সীতা চৌধুৰীৰ এইবাৰহে জ্ঞান হ'ল যে অনিলক এই অৱস্থাত ধৰা পেলালে দোষী হ'ব ডাঃ শইকীয়া। তেওঁৰ চাকৰি যাব। এই কথা ভবাৰ লগে লগে তাইৰ অন্তৰ অনুশোচনাত ভৰি গ'ল,—ক্ষমা কৰিব, আপোনাৰ অসুবিধাৰ কথা মই টং কৰিবই পৰা নাছিলো। কেৱল কেনেকৈ দলৰ স্বাৰ্থ ৰক্ষা পৰে তাৰ কথাহে ভাবিছিলো—কিছুপৰ চিন্তা কৰি তাই আকৌ ক'লে, এনে কিবা এটা কৰিব নোৱাৰেনে যাৰ দ্বাৰা আমাৰ খবৰবোৰো নোলায় আৰু অনিলো বাচে।

নাই, নাই, মোৰ দ্বাৰা সেইবোৰ নহ'ব। মোৰ ইমান সৎসাহস নাই। ঠিক আছে, কওকচোন বাৰু আপোনালোকেনো কি দল গঠন কৰিছে?

ডাঃ শইকীয়া, আপুনি মোক যিমান পাৰে বকক, কিন্তু দলৰ ওপৰত মিছা দোষ নিদিব। আমাৰ দলত কোনো ভীৰু নাই।

এইবোৰ জানো সাহসৰ চিন?

নিশ্চয়; এমুঠি মানুহে যেতিয়া সুসংবদ্ধ চৰকাৰ এটাৰ বিৰুদ্ধে যুঁজ কৰি এখন নতুন শোষণহীন সমাজ গঠন কৰিবলৈ ওলায়, তেতিয়া যদি সিহঁতে গোপনভাৱে কাম কৰি বেছি ফল লাভ কৰিব পাৰে, সেই কামক আপুনি সৎ সাহস বুলি নক'ব নেকি?

নকওঁ। স্বাধীন দেশত গুপ্ত কাৰ্য-কলাপৰ কোনো আৱশ্যক নাই।

সীতাই আৰু কিবা এটা ক'বলৈ গৈছিল, তেনেতে নিৰ্মলে পোনচাটেই কৈ উঠিল, বক্তৃতা বন্ধ কৰক, মোক এইবোৰ অনুৰোধ নকৰিব।

নিৰ্মলৰ মুখত খঙৰ ভাব ফুটি উঠিল। সি মানুহটো পোনপটীয়া। ফাঁকি-ফুকাত সি বিশ্বাসো নকৰে আৰু ফাঁকি দি কাকো সহায়ো কৰিব নোখোজে। দেশৰ কাম কৰিবলৈ গৈ কিয় এইদৰে ফাঁকি-ফুকা দিব লাগে, তাক সি বুজিব নোৱাৰে। তদুপৰি দেশত এতিয়া জাতীয় চৰকাৰ, দেশ স্বাধীন।

সীতা চৌধুৰী নীৰৱে ৰ'ল।

নীৰৱতা আমনি লগা হ'লত নির্মলে কৈ উঠিল, আৰু কিবা ক্'ব লগা আছে নেকি আপোনাৰ?

সীতা চৌধুৰীয়ে একো মাতিব নোৱাৰিলে। তেওঁ নির্মললৈ এবাৰ করুণভাৱে চাই তললৈ মূৰ কৰিলে। নির্মলে অতিষ্ঠ হৈ ক'লে, কওক কিবা কয় যদি।

কোৱাৰ লগে লগে নির্মলে দেখিলে যে তেওঁৰ চকুৰ পৰা চকুপানী সৰিছে। মাইকী মানুহৰ লগত কথা পতা বৰ দিগদাৰি। সিহঁতে কোনো যুক্তি নামানে।

মনৰ আমনিত সি 'ৰ'ব। মচলা আনোগৈ' বুলি ভিতৰলৈ সোমাই গ'ল।

ভিতৰৰ পৰা প্লেট এখনত মচলা লৈ যেতিয়া সি ঘূৰি আহিল, তেতিয়া চ'ৰাঘৰ সুদা। সীতা চৌধুৰী তাত নাই। তাৰ পৰিৱৰ্তে মেজত সি এখন চিঠি পালে। চিঠিখন খুলি সি পঢ়ি গ'ল ঃ

ডাঃ শইকীয়া,

জানি-শুনিও অসম্ভৱ অনুৰোধ এটা কৰিবলৈ আহিছিলো। ভাবিছিলো অন্য নহ'লেও আপোনাৰ প্ৰাণ আছে, দয়া আছে, দেশকর্মীৰ প্রতি সহানুভূতি আছে। আপুনি ফাঁকি-ফুকা ভাল নাপায়, আমি জানো ভাল পাওঁ? উদ্দেশ্য সাধনৰ বাবে কেতিয়াবা উপায়ৰ কথা বাদ দিব লাগে। বেমাৰীৰ বিষয়ে দুই-এদিন ৰ'ব। মই দুই-এদিনতে কিবা এটা কৰিম। মোৰ ঠিকনাটো তলত দিলোৱেই। হাস্পতালৰ খাতাত চাগৈ উঠাবই নহয়। আপোনাক মই তথাপি অবিশ্বাস কৰিব নোখোজোঁ—বোধ হয় নোৱাৰোঁ বাবেই। দেখাৰ দিনৰে পৰা আপোনাক একান্তভাৱে বিশ্বাস কৰিছোঁ।

ইতি

সীতা চৌধুৰী

C/O. J. C. Chaudhury

Industrial Adviser, Govt. of Assam.

Shillong, Litumkhrah. Phone-92

চিঠিখন পঢ়ি তাৰ কেনে ভাব হ'ল সি নিজেই ক'ব নোৱাৰিলে। চিঠিখনত বহুত দুৰ্বোধ্য কথা আছে। কিন্তু সকলোবোৰ কথাই পোনপটীয়া। দেখাৰ দিনাৰে পৰা তাক তাই বিশ্বাস কৰিছে, কাৰণ বিশ্বাস নকৰি নোৱাৰে।

উদ্দেশ্য সাধনৰ বাবে যদিওবা ফাঁকি-ফুকা দিছে, তথাপি তাইৰ উদ্দেশ্য হেনো ভাল। তাই ভাবিছিলে তাৰ প্ৰাণ আছে, দয়া আছে, দেশকৰ্মীৰ প্ৰতি সহানুভূতি আছে... সি আচৰিত হ'ল। তাই এটি অসম্ভৱ প্ৰাৰ্থনা লৈ তাৰ কাষ চাপিছিলহি। কিন্তু তাই কিয় ভাবিছিল যে তাৰ অন্তৰত এনে অনিয়মিত দয়া আছে—যাৰ বলত সি তাইৰ অসঙ্গত প্ৰাৰ্থনাও পূৰণ কৰিব। আচৰিত ছোৱালী!

ঠিকনাটো লিখি থৈ যোৱাত আপত্তি নাই, কিন্তু তাক হাস্পতালৰ খাতাত ভৰ্তি কৰাত আপত্তি আছে। দলৰ অনিষ্ট সাধনৰ ভয়। দলৰ স্বাৰ্থনো কি বস্তু?

সেইদিনা বহুত নিশালৈকে তাৰ টোপনি নাহিল। সীতা চৌধুৰীৰ কৰুণ আৰু বিব্ৰত মুখখন বাৰেপতি কাৰ মনত পৰিবলৈ ধৰিলে। তাইৰ কথাবোৰ তাৰ কাণত গুণ্‌গুণ্‌কৈ বাজিবলৈ ধৰিলে। যিমানে তাইৰ অসঙ্গত প্ৰাৰ্থনা দলিয়াই পেলাবৰ বাবে যত্ন কৰিলে, সিমানে তাৰ মনত থাকি থাকি এযাৰ কথা ধ্বনিত প্ৰতিধ্বনিত হ'বলৈ ধৰিলে, ভাবিছিলো আপোনাৰ প্ৰাণ আছে, দয়া আছে, কৰ্মীৰ প্ৰতি সহানুভূতি আছে।... আপুনি ফাঁকি-ফুকা ভাল নাপায়, আমি জানো ভাল পাওঁ? তাৰ মনত সীতাৰ প্ৰতি এটি অহেতুক সহানুভূতি উঠিল। লাহে লাহে সহানুভূতিৰ মাত্ৰা ইমান প্ৰবল হ'বলৈ ধৰিলে যে অৱশেষত তেওঁ ভাবিলে যদি এটা সামান্য ফাঁকি দি এজনী ধুনীয়া গাভৰু ছোৱালী বিব্ৰত পৰাণক শান্তি দিব পৰা যায়, তেনে কি বেয়া হ'ব নো? ভাবটি শেহত মনত স্থায়ী হৈ পৰিল। সেই স্থায়ী ভাব লৈয়ে তাৰ টোপনি গ'ল।

পিছদিনা আকৌ টেলিফোনৰ ৰিং পালে। সীতা চৌধুৰী আহিব গধূলিকৈ।

গধূলি বেলিকা নিৰ্মলে ধুনীয়া সাজ-পাৰ এযোৰ পিন্ধি পৰিপাটি হৈ অধীৰভাৱে মটৰৰ হৰ্ণ শুনিবলৈ অপেক্ষা কৰি ৰ'ল। তাৰ হৃদয় সেইদিনা সীতাৰ সান্নিধ্য বিচাৰি বিয়াকুল হৈ পৰিছিল। সীতা—যি সীতাই তাক দেখাৰ দিনাৰে পৰা বিশ্বাস কৰিছে।

যথাসময়ত সীতা চৌধুৰী আহি তাৰ ড্ৰইংৰুম সোমালহি। নিৰ্মলে তাইৰ ৰুক্ষ কেশ, শুকান ওঁঠযুৰি আৰু সৌন্দৰ্যৰ প্ৰদৰ্শনীস্বৰূপ সেই মুখখনি চাই

তাৰ পৰা চকু তুলি আনিব নোৱাৰিলে! সীতা সঁচাকৈয়ে ধুনীয়া। সীতাই তাৰ নিষ্পলক দৃষ্টিৰ ওপৰত স্থিৰ দৃষ্টি নিক্ষেপ কৰি ক'বলৈ আৰম্ভ কৰিলে, কালি আমাৰ এজন মুখিয়াল কৰ্মীৰ লগত দেখা কৰিলো। তেওঁ অনিলক ইয়াৰ পৰা লৈ যাব আৰু যাদৱপুৰত ভৰ্তি কৰাই দিয়াব। তেতিয়া হ'লে সকলো পিনৰ পৰাই সুবিধা। আপুনি আৰু কেইদিনমান,—ই কি, আপুনি হাঁহিছে কেলেই?

কেইদিনমান কিয়, ইয়াতেই ৰাখক, মিছ্ চৌধুৰী। ডাঃ শইকীয়াই মিচিক মিচিক হাঁহিছিল।

কিন্তু ডাঃ শইকীয়া। আপুনি ঠিকনা দিবলৈ কৈছে। মোক কালি কমৰেডে গালিহে পাৰিছে। কৈছে, ডাক্তৰক সঁচা কথা ক'বলৈ গৈছিলা কিয়? নাম দিওঁতেই ফাঁকি দিব লাগিছিল। মই বোলে অলপ ভোদা, ডাক্তৰ। কিন্তু মইতো কোনোদিনে এনেকৈ ফাঁকি দি পোৱা নাই। আপোনাৰ কথাটোও তেওঁক কৈছিলো, সৎসাহস থাকিলে সঁচা কোৱাই উচিত। কিন্তু তেওঁলোকে নামানে।

ক'বলৈ মানা কৰা সত্বেও আপুনি দেখোন মোক সকলো কথা কৈ দিলে?

সীতাই লাজ পাই ক'লে, আপুনি যে মোৰ পৰ এই কথা মোৰ মনলৈকে নাহে। আপোনাক দেখিলে সকলো কথা খুলি ক'বৰ মন যায়। তদুপৰি—

তদুপৰি কি?

ফাঁকি দিলে মোৰ বৰ বেয়া লাগে।

ডাক্তৰে প্ৰাণ খুলি এবাৰ হাঁহিলে। মনত আগৰ খং, অভিমান আৰু অভিযোগ অন্তৰ্হিত হ'ল। গাভৰুজনীলৈ তাৰো মৰম লাগিল। সি লাহে লাহে ক'লে, এটা সিদ্ধান্ত কৰি পেলালো, মিছ্ চৌধুৰী—বুলি অৰ্থপূৰ্ণ দৃষ্টিৰে নিৰ্মলে সীতাক চালে।

কি সিদ্ধান্ত, ডাঃ শইকীয়া? উৎকণ্ঠিত হৈ সীতাই সুধিলে।

অনিল বৰুৱাৰ আজিৰে পৰা ডাঃ শইকীয়াৰ অভিভাৱকত্বত থাকিব।

সঁচাকৈয়ে কৈছেনে?

মইতো আপোনালোকৰ দৰে ফাঁকিৰ আশ্ৰয় লোৱা নাই কোনোদিন। ডাক্তৰৰো প্ৰাণ আছে, দয়া আছে। অৱশ্যে ৰাজনৈতিক কৰ্মীৰ প্ৰতি সহানুভূতি আছেনে নাই ক'ব নোৱাৰো।

মোক লাজ নিদিব ডাঃ শইকীয়া, কওকচোন কি সিদ্ধান্ত কৰিলে।

ফাঁকি দিবলৈ সিদ্ধান্ত কৰিলো। হ'লনে ঠিক উত্তৰ?—নির্মলৰ মুখত এটা গৌৰৱৰ হাঁহি।—আপোনাৰ কাৰণে মই ফাঁকি দিবলৈ বাধ্য হ'লো।

মোৰ কাৰণে?—বুলি সীতাই আচৰিত হৈ তালৈ চালে।

অঁ, আপোনাৰ কাৰণে। আপুনি মোৰ বাবে এটি ৰহস্যজনক অথচ মধুৰ যুক্তি। সেই যুক্তিৰ বলতে মই সিদ্ধান্ত কৰিলো অনিলৰ অভিভাৱক মই বুলি পৰিচয় দিম।

ডাঃ শইকীয়া—বুলি সীতা চৌধুৰীয়ে আৱেগৰ উচ্ছ্বাসত নিজৰ সোঁহাতখনেৰে শইকীয়াৰ সোঁহাতখন ধৰি পেলালে। —আপুনি ইমান মহৎ। আপুনি মোৰ ইমান সহানুভূতিশীল।...

ডাঃ শইকীয়াই নিবিড়ভাৱে সীতাৰ চকুযুৰি অন্বেষণ কৰিছিল। চকুযুৰিত তাৰ প্ৰতি এটি বিশেষ চেনেহ ফুটি উঠিছিল। এই বিশেষ চেনেহৰ অর্থ কি, তাক তাৰ বুজিবলৈ বেছিপৰ নালাগিল। এই অদৃশ্য অথচ অব্যৰ্থ শক্তিয়ে সিহঁতক কাষ চপাই আনিছিল।

প্ৰকৃতিস্থা হৈ সীতা চৌধুৰীয়ে লাজ পালে। তেওঁ লাহে লাহে ক'লে, ক্ষমা কৰিব ডাঃ শইকীয়া। মই অপ্ৰকৃতিস্থ হৈ পৰিছিলো। আপোনাৰ ওচৰত মোৰ হিয়া উজাৰি কথা ক'বৰ মন যায়। তাৰ বাবে কালি কমৰেডৰ গালিও খাইছোঁ।

ডাক্তৰৰ সিদ্ধান্তটো শুনি সীতাৰ মনৰ পৰা দুটা চিন্তা নিমিষতে আঁতৰ হ'ল। প্ৰথমটো অনিলৰ, দ্বিতীয়তো নিজৰ অন্তৰৰ। ডাক্তৰে তাইক সকলো প্ৰকাৰে সহায় কৰিব বুলি তাইৰ দৃঢ় প্ৰত্যয় জন্মিল। তাই অনুভৱ কৰিলে যেন নির্মল তাইৰ অতিকে আপোন। দেখা দিনৰে পৰা নির্মলৰ প্ৰতি জগা আকর্ষণটিয়ে আজি এটি পৰিণতি লভিলে।

সীতা চৌধুৰীক মটৰত তুলি দি হাস্পতাললৈ গৈ ডাঃ শইকীয়াই ভর্তি খাতাত সীতা চৌধুৰীৰ নামটো কাটিব খুজি হঠাতে থমক খাই ৰ'ল। অলপ পৰ ভাবি তলত C/O ডাঃ নির্মল শইকীয়া টি-বি হাস্পতাল বুলি লিখি থ'লে।

তিনি দিনমানৰ মূৰত ডাঃ আহমেদে ঠিকনাৰ এই পৰিৱৰ্তনলৈ লক্ষ্য কৰি তাক প্ৰশ্ন কৰিলে। কিন্তু সেই প্ৰশ্নৰ তেওঁ ভাল উত্তৰ নাপালে।

ডাঃ আহমেদে অৱশ্যে আৰু বেছি কথা সোধা সমীচীন বুলি নাভাবিলে। বৰং ডাঃ শইকীয়াৰ বেমাৰী বুলি অনিলৰ প্ৰতি বিশেষ চকু দিবলৈহে ধৰিলে।

এই ঘটনাৰ এসপ্তাহমানৰ মূৰত তাৰ ঘৰৰ আগত সন্ধিয়া বেলিকা এখন গাড়ী ৰ'লহি। সীতা চৌধুৰী সোমাই আহিল। লগত এটা কুকুৰ। সি হাস্পতাললৈ যাবলৈ ওলাইছিল, কিন্তু সীতা অহা দেখি যোৱা বন্ধ কৰি চ'ৰাঘৰত বহি একান্ত মনেৰে কথা পাতিবলৈ ধৰিলে। ডাক্তৰেও ঘূৰাই তাক মৰম কৰি কোলাত তুলি ল'লে। সীতাই তাৰ ফালে চাই হঠাতে সুধিলে, কুকুৰটোৱে আপোনাৰ খুব লগ লয়। কুকুৰটোলৈ মোৰ বৰ মৰম লাগিছে। বৰ ভাল লাগিছে।

লাগিলে আপোনাক এনেকুৱা জাতৰ এটা কুকুৰ দিব পাৰোঁ।

দিব, কিন্তু এনেকুৱা হ'ব লাগিব দেই।

আমাৰ ঘৰত এটা সৰু কুকুৰ পোৱালী আছে, ডাঙৰ হ'লে এনেকুৱাই হ'ব।

খন্তেক পৰ কথা পাতি সীতা চৌধুৰী উঠি গ'ল। আজি-কালি তাই মাজে-সময়ে ডাক্তৰৰ তালৈ আহে। বেমাৰীৰ খবৰ লৈ তাৰ তাত সোমায়। একাপ চাহ খায়। খন্তেক পৰ ৰয়। সাধাৰণ দুই-এটা কথা পাতে। নিৰ্মলেও তাৰ নিঃসঙ্গ জীৱনৰ এই নতুন আলহীগৰাকী লগ পালে আনন্দত অধীৰ হয়।

পিছদিনা তাই সঁচাকৈয়ে কুকুৰৰ পোৱালীটি লৈ আহিছিল। বাটত আহোঁতেই কেন্সেস ষ্ট্ৰীটৰ ওচৰত তাক দণ্ডায়ন অৱস্থাত লগ পালে। তাই মটৰ ৰখাই তাক উঠিবলৈ অনুৰোধ জনালে। সন্ধিয়া হৈ আহিছিল। মটৰৰ আগ ছীটত উঠি তাইৰ লগত বহি নিৰ্জন বাটটোৱেদি দুয়ো যাওঁতে যাওঁতে নিৰ্মলৰ অনুভৱ হ'ল যে সিহঁত যেন অনন্ত যাত্ৰাৰ যাত্ৰী। সীতাই নীৰৱে ড্ৰাইভ কৰিছিল। নীৰৱতা ভঙ্গ কৰিছিল কেৱল কুকুৰ পোৱালীটিয়ে। সীতাই মটৰৰ স্পীড কমাই লাহেকৈ বাঁও হাতেৰে পোৱালীটি ধৰি আনি তাইৰ কোলাত তুলি লৈ ক'লে, ইয়ালৈ মোৰ বৰ মৰম লাগে; মোক নেদেখিলে সি এখন্তেকো থাকিব নোৱাৰো। আপোনাক কেৱল এই চৰ্ততহে তাক দান কৰিছো, দাত্ৰীৰ সমানেই তাক মৰম কৰিব লাগিব।

মোৰ ওপৰত আপোনাৰ সম্পূৰ্ণ বিশ্বাস আছে নহয়।

আছে। আপোনাক অবিশ্বাস কৰা দূৰৰ কথা, আপোনাৰ কাষ চাপিলে

মোৰ সুখ আনন্দ আৰু পবিত্ৰতাবোধ অনুভৱ হয়। তদুপৰি আপুনি মোক ইমান দয়া কৰিছে!

সঁচাকৈয়ে?—বুলি ডাক্তৰে কুকুৰ পোৱালীটোৰ ওপৰত থকা সীতাৰ হাতখনৰ ওপৰত হাতখন থ'লে।

সীতাই হাতখন তুলি নিনিলে।

দুয়োখন হাতেৰে এই অবাধ মিলনৰ সাক্ষী ৰ'ল সীতাৰ কোলাত শুই থকা কুকুৰ পোৱালীটো।

... কুকুৰ পোৱালীটো সি বৰ যত্নকৈ তুলিলে। নাম দিলে জম্‌জম্। অফিচৰ পৰা অহাৰ পাছত জম্‌জম্ তাৰ এৰাব নোৱাৰা লগৰীয়া। সদায় তাৰ কোলাত সি উঠি থাকে; শ্বিলঙৰ জাৰত দুয়োটাই চুলাৰ কাষত বহি নিশা কটায়। এটাই আনটোৰ কথা নুবুজে। জম্‌জমে কথা ক'ব নেজানে, কিন্তু জম্‌জমে সদায় সীতাৰ সান্নিধ্য তাৰ কাষলৈ লৈ আহে।

কেইদিনমান সীতা চৌধুৰীৰ দেখা-দেখি নাই। সীতা চৌধুৰীৰ অনুপস্থিতিয়ে তাৰ হৃদয়ত বেদনাৰ বীজ সিঁচি দিছিল। সি উপলব্ধি কৰিছিল সীতা তাৰ অতি কাষ চাপি আহিছে। কিন্তু সীতাই তাৰ মনত কি স্থান অধিকাৰ কৰিছিল সেই বিষয়ে সি মুঠেই সজাগ নাছিল। তাৰ চেতনা হ'ল যেতিয়া খুড়াক এদিন তাৰ কাষলৈ বিয়াৰ প্ৰস্তাৱ লৈ আহিল। প্ৰস্তাৱটো কৰাৰ লগে লগে তাৰ অনুভৱ হ'ল যে তাৰ হৃদয়ত সীতাৰ বাহিৰে আৰু দ্বিতীয় ছোৱালীৰ প্ৰৱেশ-পত্ৰ নাই। খুড়াকে তাক বুজাইছিল যে ভাবী মিতিৰ ঘৰ সকলো ফালৰ পৰাই উত্তম, ধন-সোণ, ছোৱালী আৰু পৰিয়াল—যি ফালৰ পৰাই লাগে নেচাওক। নিৰ্মলৰ কাণত সেইবোৰ কথা নোসোমাল। সি সহজভাৱে প্ৰস্তাৱটি প্ৰত্যাখ্যান কৰিলে। অথচ আচৰিত কথা সি ঘুণাক্ষৰেও চিন্তা কৰা নাছিল যে সীতাক সি কেতিয়াবা বিয়া কৰাব। তাৰ মনে কেৱল তাইক অনবৰতে লগ পাবলৈ বিচাৰিছিল।

খুড়াক গুচি গ'ল। সি চুলাৰ কাষত বহি ৰ'ল। জম্‌জম্ আহি তাৰ কোলাত উঠিলহি। চকিদাৰটোৱে তাতে আহি খবৰ দিলেহি, অনিলৰ কাহত বেছিকৈ তেজ পৰিছে। সি নাৰ্চক মতাই আনি এটা ঔষধ লিখি দিলে। তাৰ পাছত সি আকৌ বহিলে জুইকুৰাৰ কাষত। সীতা আজি ভালেমান দিন অহা নাই। ৰোগীৰ অৱস্থা বেয়া হৈছে। তাৰ অন্তৰেও সীতাৰ বিৰহত কান্দিছিল।

উপস্থিত কৰ্তব্যৰ কথা ভাবি তাতে ৰ'ল সি। জমজম্ আৰু জুইকুৰা লগতে। আৰু কোনো নাই।

* * *

এমাহ সীতা চৌধুৰীৰ দেখা-দেখি নাই। অনিলৰ অৱস্থা দিনক দিনে বেয়া হৈ যাবলৈ ধৰিলে। সীতাৰ ওপৰত তাৰ অভিমান হ'ল, খং উঠিল। কিন্তু অনিলৰ বেয়া অৱস্থাৰ কথা ভাবি সি বিপাঙত পৰিল। তাই এই কথা জনা উচিত। ৰ'ব নোৱাৰি এদিন টেক্সী ভাড়া কৰি সি সীতা চৌধুৰীৰ ঘৰ ওলালগৈ।

ঘৰত কোনো নাছিল। তথাপি মৰসাহ দি সি দহ মিনিট অপেক্ষা কৰিলে। কাৰণ পিছত আহিবলৈ তাৰ সময় নহয়।

সৌভাগ্যবশতঃ দহ মিনিটৰ ভিতৰতে ক'ৰবাৰ পৰা মটৰ লৈ সীতা চৌধুৰী সোমালহি; ড্ৰইংৰুমলৈ সোমাই এটা শেঁতা হাঁহি মাৰি ক'লে, নমস্কাৰ, ডাঃ শইকীয়া।

নিৰ্মলে প্ৰতি নমস্কাৰ জনাই ক'লে, ক'তা আপুনি দেখোন নোযোৱা হ'ল। বেমাৰীটো মোৰ ডিঙিত চপাই দি দায়িত্বৰ হাত সাৰিছে যেতিয়া আৰু চিন্তা কি?

সীতা চৌধুৰীয়ে লাজ পালে; লাহে লাহে সুধিলে, বেমাৰী কেনে আছে?

আপোনাক খবৰ কেলেই?

আপোনাৰ খং উঠিছে নহয়নে? কিন্তু কি কৰিব? চি-আই-ডিয়ে ইতিমধ্যে গোটেই কাণ্ডটো ধৰা পেলাইছে। মই গৈ থাকিলে কিজানি সকলো ধৰা পৰে সেই ভাবি যোৱা নাই। আনকি ফোন কৰিবলৈও এৰি দিছো।

বেছ কৰিছে। যি কৰে কৰি থক। বেমাৰীৰ অৱস্থা কিন্তু অতি বেয়া— খঙত নিৰ্মল একেবাৰে অস্থিৰ হৈ উঠিল।

সীতা চৌধুৰীৰ চকু থৰ হৈ গ'ল,—কি কৈছে, ডাঃ শইকীয়া?

মই ইয়াত কাকো ফাঁকি দিবলৈ অহা নাই। এটা কথা মনত ৰাখিব চৌধুৰী, মই কোনো দলক সন্তুষ্ট ৰাখিবলৈ অনিলক নিজৰ অভিভাৱকত্বাধীন কৰি ৰখা নাই। অকল আপোনাৰ মুখলৈ চাইহে তেনে কৰিছিলো। আপুনি যে মোক এনেকৈ ভুৱা দিব সেই কথা মই ভাবিবই পৰা নাছিলো।—নিৰ্মলৰ কথাৰ সুৰত অভিমানৰ ভাব স্পষ্ট হৈ পৰিল।

সীতা চৌধুৰীয়ে এটি ম্লান হাঁহি মাৰিলে। কিন্তু খন্তেকলৈ কোনো উত্তৰ দিব নোৱাৰিলে। তাইৰ মনত তেতিয়া সংঘৰ্ষ উপস্থিত হৈছে। এফালে ৰাজনৈতিক দলৰ প্ৰতি আনুগত্য আৰু আনফালে নিৰ্মলৰ মৰমৰ তীব্ৰ আকৰ্ষণ। তাইৰ কমৰেডবোৰে তেওঁক টি-বি হাস্পতাললৈ যাবলৈ হাক দিছে। কৈছে যে তালৈ গ'লে চি-আই-ডিয়ে সহজে দলৰ কথা গম পোৱাত সুবিধা হ'ব আৰু তাৰ ফলত দলৰ অনিষ্ট হ'ব। তাইৰ ব্যক্তিগত জীৱনৰ অনুভূতিৰ দাবী মানি চলিবৰ অধিকাৰ তাইৰ নাই। কাজেই উভয় সংকট।

নিৰ্মলক তাই ভাল পায়। নিৰ্মলেও সেই কথা জানে। কিন্তু এই ভালপোৱাৰ পৰিণতি কি তাকহে কোনো এজনেও ক'ব নোৱাৰে। সীতাই লাহে লাহে দলৰ কামত মনপুতি লাগি গৈছিল। কামৰ ভিতৰত লিখা-পঢ়া কামেই সৰহ; মাজে মাজে বাপেকৰ পৰা বেলেগ অজুহাতত নি টকা খুজি দলক সহায় কৰেগৈ। দলৰ কাম কৰাটো এতিয়া তাইৰ এটি নিয়মিত অভ্যাসত পৰিণত হৈছে। ভৱিষ্যতেও এইবোৰ কাম কৰাই তাইৰ ইচ্ছা। দলৰ ইচ্ছাও সেয়ে। দলৰ ইচ্ছাই তাইৰ ইচ্ছা। সেই বাবে ভালপোৱাৰ পৰিণতি কি হয় তাই ক'ব নোৱাৰে।

নিৰ্মলক তাই যথাযথ উত্তৰ নিদি সংক্ষেপে ক'লে, গধূলিকৈ যেনে তেনে এবাৰ যাম। তাতকৈ বেছি ক'ব খুজিও ক'ব নোৱাৰিলে।

নিৰ্মল মনে মনে বৰ অসন্তুষ্ট হ'ল। সি ভাবিলে সীতা পলাই ফুৰিছে, তাৰ কাষত ধৰা নিদিয়াই তাইৰ ইচ্ছা। সেই বাবেই বোধহয় ইমান দিন তাৰ তালৈ নোযোৱাৰ কাৰণ আৱিষ্কাৰ কৰিবৰ বাবে তাই সচেষ্ট। তাৰ ধাৰণা হ'ল সীতা তাৰ গুৰিলৈ গৈছিল একমাত্ৰ দলৰ স্বাৰ্থ পূৰণৰ উদ্দেশ্যে। খং আৰু অভিমানত তাৰ অন্তৰ ভৰি পৰিল। সীতাক মাত এষাৰো নিদি সি পোনচাটেই আহি টেক্সিত উঠিলহি।

নিৰ্মলক সীতাই কিছুপৰ ৰখাই তাইৰ অন্তৰখন উজাৰি দিব খুজিছিল। দলৰ বাধা-নিষেধো ভাঙিবলৈ তাই সাজু হৈছিল; কিন্তু নিৰ্মলৰ খং আৰু অভিমান দেখি তাই নিজকে নিজে বৰ অপৰাধী যেন অনুভৱ কৰিলে। নিৰ্মলে তাইক ভুল বুজি আঁতৰি গ'ল। মনত তাইৰ আত্ম-ভৰ্ৎসনাৰ জোৱাৰ উঠিছে। তাৰ অৱশেষ হ'ল নীৰৱ চকুলোত।

হিয়াই এইবাৰ বুদ্ধিৰ ওপৰত জয় ঘোষণা কৰিলে। সেইদিনা সন্ধিয়া

দলৰ কড়া নিৰ্দেশ অমান্য কৰি তাইৰ মটৰ চলিল নিৰ্মলৰ তালৈ। সেইদিনা তাই নিৰ্মলৰ তাইৰ এই আইন অমান্যৰ কথা শুনাবলৈ ধৰিলে। নিৰ্মলৰ খং আৰু অভিমান পাতলিল। কিন্তু সি তাইক প্ৰায়ে লগ পাবলৈ ইচ্ছা প্ৰকাশ কৰিলে। সেই ইচ্ছাত তাইৰো সমৰ্থন আছিল। কিন্তু দলে বাধা দিলে, ক'লে, তুমি তেনে কৰিলে দলৰ অনিষ্ট হ'ব। প্ৰেমতকৈ বিপ্লৱী নিষ্ঠা ডাঙৰ। সেই কথা শুনাবলৈ তাই আকৌ নিৰ্মলৰ তালৈ আহিল। দলৰ গুপ্ত অভিসন্ধিৰ সকলো খবৰ চৰকাৰে পাইছে। এনে সময়ত সীতাৰ এনে অবাধ অভিসাৰ অক্ষমণীয়। নিৰ্মলে অবুজৰ দৰে ভাবিলে সীতাই তাৰ কাষৰ পৰা পলাবৰ ফন্দি কৰিছে।

সীতাৰ সমুখত দুৰ্ঘোৰ সমস্যাই দেখা দিলে। কাক ভাল পাব বেছি? দলক নে নিৰ্মলক? কাৰ আনুগত্য মানিব? পাৰ্টিৰ নে প্ৰাণৰ?

উভয় সংকটত পৰি তাই সম্পূৰ্ণৰূপে অস্থিৰ হ'ল। যন্ত্ৰৰ দৰে কেৱল দলৰ কাম কৰে আৰু মন্ত্ৰৰ দৰে বিপ্লৱৰ পাঠ পঢ়ে। প্ৰাণৰ চঞ্চল নৈ যেন শিলৰ ভেটাত লাগি থমকি ৰ'ল। নিৰ্মলৰ তালৈ যোৱা লাহে লাহে কমি গ'ল। আচৰিত আৰু অভিনৱ তাইৰ এই অভিজ্ঞতা।

এদিন চৌধুৰী-বাহৰৰ এটি আওহতীয়া কোঠাত দুপৰীয়া এজন কমৰেডৰ লগত গোপন আলোচনা কৰি থাকোঁতেই তাত নিৰ্মলৰ অনধিকাৰ প্ৰৱেশ হ'ল। কমৰেডজনে অস্বস্তি বোধ কৰি বহা চকীখনতে ধেনুভিৰীয়াকৈ আউজি অন্যমনস্ক হৈ ৰ'ল। নিৰ্মলে বেদনা সনা উৎকণ্ঠাৰে ক'লে, মিছ চৌধুৰী, অনিল আজি পুৱা মৰিল।

মৰিল।

এৰা, মৰিল। মৰাশ শ্মশানলৈ নিয়া হ'ব আবেলিকৈ। চাবলৈ গ'লে যাব পাৰে।

বাৰু, যাম যাওক। দেউতা মটৰ লৈ ফুৰিবলৈ গৈছে। আহি পালেই যাম।

নিৰ্মলে এবাৰ লগৰ কমৰেডজনলৈ চাই সীতাৰ ফালে মুখ কৰি শ্লেষৰ সুৰত ক'লে, আপোনাক লগ পোৱা বৰ টান। বোধহয় লগ পাবলৈ আশা কৰাই ভুল হৈছিল মোৰ। আজিৰ পৰা আৰু সকলো শেষ হৈ গ'ল, ভয় নাই।—নিৰ্মলৰ কথাৰ সুৰ শুনি সীতাৰ অন্তৰ কঁপি উঠিল। কি কওঁ কি নকওঁ কৈ থাকোঁতেই সি গৈ মটৰত বহি গুচি গ'লগৈ।

প্ৰকৃতপক্ষে সীতা নিৰ্মলৰ মটৰত তেতিয়াই যাব পাৰিলেহেঁতেন আৰু যাবলৈও তাইৰ ইচ্ছা আছিল। কিন্তু কমৰেডজন এটি বিশেষ কাম লৈ তাইৰ গুৰিলৈ আহিছিল। চি-আই-ডিয়ে ইতিমধ্যে দলৰ পুং ধৰা পেলাইছে। দুই-এদিনতে সিহঁতৰ কৰ্মীবোৰ তাৰ পৰা নপলালে উপায় নাই। সেই বাবে কিছুদিনৰ বাবে তাইৰ হাতত দলৰ দৰকাৰী কাগজ-পত্ৰ কিছুমান দি যাবলৈ আৰু টকা অলপ নিবলৈ সি আজি আহিছিল। বন্দৱস্ত কৰা শেষ হৈছিল, মাত্ৰ টকা দিবলৈ বাকী আছিল। সীতাই টকাৰ নোট কেইখনমান দিয়াৰ পাছত কমৰেডজন উঠিল, তাৰ পাছত এটি সৰু হুমুনিয়া ছাৰি ক'লে, অনিল গ'ল। ডিগবৈত আমাৰ দল শেষ। শ্মশানলৈও যাব নোৱাৰো। তুমিয়েই যাবা। আমাৰ হৈ এধাৰ মালা দিবা।—এই কথা কোৱাৰ লগে লগে অলপ কঠোৰ হৈ তেওঁ তাইক ক'লে, সাৱধান কিন্তু দেই, ডাক্তৰে সহজে তোমাৰ পিছ নেৰিছে। প্ৰেমত পৰি দলৰ হক নষ্ট নকৰিবা। দেখিলাই নহয় তোমাৰ কাৰণে এইবাৰ কেনেকৈ ধৰা পৰিলোহঁক। ডাঃ আহমেদৰ পৰা অসাৱধানভাৱে ওলাল কথাটো ডাক্তৰ আৰু তোমাৰ সম্বন্ধৰ বিষয়ে। তাৰ পাছতে চি-আই-ডিয়ে ধৰাই পেলালে।

কমৰেড গ'লগৈ। কমৰেড যোৱাৰ পাছত সীতাই আকৌ চকুলো টুকিবলৈ বাধ্য হ'ল। দলৰ প্ৰতি কৰ্তব্য পালনত ত্ৰুটি আৰু ৰোগী কমৰেডৰ প্ৰতি কৰ্তব্য পালনত ত্ৰুটি!

ত্ৰুটিৰ ত্ৰিবেণী চকুলোৰে ভৰপূৰ।

গধূলি তাই অনিলক চালেগৈ। চিতাত তোলাৰ আগতে মৰাশক এধাৰ মালা উপহাৰ দি আহিল। তাৰ পাছত চিধা পালেগৈ নিৰ্মলৰ ড্ৰইংৰুম।

নিৰ্মল আছিল চুলা জ্বলাই বহি। কোলাত জম্‌জম্। সীতাক দেখিও সি একো নামাতিলে। আনকি বহিবলৈও নক'লে। সীতাই নিজেই সৰু মূঢ়া এটা টানি মাৰি আনি তাৰ অতি কাষত বহিল। নিৰ্মলে নিজৰ মূঢ়াটো অলপ দূৰলৈ টানি নি শ্লেষৰ সুৰত ক'লে, কাষলৈ নাহিব, দলে ধৰিব।

সীতাৰ হৃদয় ফাটি চিৰাচিৰ হৈছিল। অসহ্য বেদনাত তাই কান্দিবলৈ ধৰিলে। নিৰ্মল কিন্তু শিলৰ দৰে বহি ৰ'ল। তাৰ অনুভৱ হৈছিল সীতাই তাক আচলতে ভাল নাপায়, কেৱল দলৰ অভিসন্ধি পূৰণৰ অৰ্থেহে তাইৰ ওচৰলৈ আহে। সীতাক মিছাই তাৰ কাষলৈ টানি অনাৰ একো আৱশ্যক নাই, তাৰ দ্বাৰা উভয়েই শোকৰ সন্মুখীন হ'ব লগাহে আছে।

সীতাই অনেক প্ৰকাৰে হৃদয়ৰ কথা ব্যক্ত কৰিবৰ বাবে প্ৰয়াস কৰিলে, কিন্তু শিলাময় নিৰ্মলৰ অন্তৰ নগলিল। সি তললৈ মূৰকৈ কেৱল জম্‌জমৰ গাত হাত বুলাবলৈ ধৰিলে।

অগত্যা তাই উঠি পৰিল। যাবৰ সময়ত তাই চকুৰ পানীৰে বাট নেদেখা হৈ গৈছিল।

ইয়াৰ পিছাদিনাই হাৰ্টফেইল কৰি নিৰ্মলৰ খুড়াক ঢুকাল। মৃতকৰ কাম-কাজ কৰোঁতে কিছুদিন গ'ল। তাৰ পাছত খুড়ীয়েকক লৈ সি গুৱাহাটী ঘৰলৈ গ'ল। খুড়ীয়েকক তাতে ৰাখি এমাহমানৰ মূৰত সি আকৌ তাৰ হাস্পতালৰ ঘৰ ওলালহি। আকৌ পূৰ্ণোদ্যমে আগৰ জীৱন আৰম্ভ হ'ল।

কেইদিনমানৰ পাছত এদিন আপোন মনে কিবা ভাবি সি ঘৰৰ বাৰান্দাত বহি আছে। এনেতে এজন অচিনাকি মানুহ আহি, 'আপুনিয়েই ডাঃ শইকীয়া নেকি' বুলি প্ৰশ্ন সুধিলে, আপুনি সীতা চৌধুৰীক চিনি পায়?

আপুনি কোন?

আগন্তুক একো নামাতি হাঁহি এখন কাৰ্ড উলিয়াই দিলে। কাৰ্ড পঢ়ি সি বুজিলে যে তেওঁ চি-আই-ডি ইন্সপেক্টৰ।

সি সুধিলে, কিবা সুধিব নেকি?

আপোনালোকৰ ইয়াত অনিল বৰুৱা বুলি এজন ৰোগী আছিল?

হয়।

তেওঁ মৰিল, নহয়নে?

হয়।

বেমাৰীজনৰ অভিভাৱিকাৰ নাম সীতা চৌধুৰী, নহয়নে?

হয়।

আৰু সীতা চৌধুৰীৰ অভিভাৱক—বুলি হঠাতে বৈ চি-আই-ডি ইন্সপেক্টৰজনে তাৰ ফালে চালে।

সি একো নামাতিলে।

হাস্পতালৰ খাতাৰ মতে অভিভাৱক আপুনিয়েই, নহয় জানো?

আপুনি হাস্পতালৰ ভিতৰুৱা কথা সুধিছে।

কিন্তু তাক আমি জনাৰ দৰকাৰ হৈ পৰিছে। সীতা চৌধুৰী যে গ্ৰেপ্তাৰ হৈছে এই কথা আপুনি জানেনে?

নাজানো।

আচৰিত হৈ ইন্সপেক্টৰে ক'লে, অভিভাৱকে কিয় নাজানে ক'ব নোৱাৰে।

নির্মল আৰু ৰ'ব নোৱাৰিলে। খঙত সি ক'লে, সীতা চৌধুৰীৰ লগত মোৰ কি সম্বন্ধ, সেই কথা আপুনি বুজিব নোৱাৰে। সেই বিষয়ে মোক নুসুধিবও। যদি দৰকাৰ হয় মোক গ্রেপ্তাৰ কৰক।

চি-আই-ডি ইন্সপেক্টৰ হাঁহিলে। ক'লে, সীতা চৌধুৰীৰ লগত আপোনাৰ কি সম্বন্ধ এই কথা নির্ণয় কৰোঁতে আমাৰ বহুত সময় ল'লে। শেষত এইটো ঠিক হ'ল যে এই সম্বন্ধ আন হ'লেও ৰাজনৈতিক নহয়। আৰু সঠিক সম্বন্ধটো কি তাক জানিলো মিছ চৌধুৰীৰ জবানবন্দীৰ পৰা। তেওঁৰ লিখাখন চাব নেকি? সেই বুলি সি এখন কাগজ নির্মললৈ আগ বঢ়াই দিলে।

নির্মলে পঢ়ি গ'ল, "... নির্মল মোৰ কি হয় কেনেকৈ কওঁ। তেওঁক মই মোতকৈও ভালপাওঁ। তেৰোঁ মোক ভাল পায়। তেওঁ ৰাজনৈতিক দলত নাই। কিন্তু মইহে বুদ্ধি কৰি কৈ-মেলি অনিলক ভর্তি কৰোৱালো। মোৰ মুখলৈ চাইহে তেওঁ নিজে উপযাচি অনিলৰ অভিভাৱক হয়। তেওঁ যে সম্পূর্ণ নির্দোষ আৰু নির্মল এই কথা মই বুকু ডাঠি ক'ব পাৰোঁ।..."

নির্মল মনে মনে ৰ'ল। কিন্তু তাৰ অন্তৰ ফৰকাল হৈ পৰিল। সীতাই যে তাক সঁচাকৈয়ে ভাল পায় এই বিষয়ে তাৰ আৰু সন্দেহ নৰ'ল। ইমান দিনে তাইক ভুল ভাবি থকা বাবে তাৰ তীব্র অনুশোচনা হ'ল। দলৰ টনা-আঁজোৰাত পৰি তাই তাক সম্পূর্ণৰূপে সময় দান দিব পৰা নাছিল, কিন্তু তাইৰ অন্তৰে সততে তাৰ বাবে হামৰাও কাঢ়িলে। কিছুদিনৰ আগতে তাইক কন্দুৱাই ঘৰৰ পৰা উলিয়াই পঠিওৱাৰ নিষ্ঠুৰ দৃশ্য মনত পৰি তাৰ অনুতাপ আহিল। সি নো তাইৰ ওপৰত ইমান অবিচাৰ কৰিব লাগেনে?

সি খন্তেক তভক্ মাৰি লাহে লাহে ক'লে, ইন্সপেক্টৰ, সীতাৰ গাত দোষ নাই। বেমাৰী ভর্তি কৰি ঠিকনা গোপনে ৰখাৰ বাবে দায়ী মইহে।

ইন্সপেক্টৰে মিচিক্ কৰে হাঁহি ক'লে, আপোনাৰ যিটো দোষ সেইটো সকলো মানুহৰে দোষ। ভালপোৱাৰ দোষৰ বিচাৰ আমি নকৰো ডাঃ শইকীয়া। সেইটো ঈশ্বৰে কৰে।

এই বুলি কৈয়েই ইন্সপেক্টৰ উঠিলে।

নির্মলে সুধিলে, সীতা কেনে আছে ক'ব পাৰেনে?

ভালেই আছে, এদিন চাবলৈ যাব—বুলি ইন্সপেক্টৰ তাৰ পৰা আঁতৰি গুচি গ'ল। ইন্সপেক্টৰ যোৱাৰ লগে লগে সি অনুতপ্ত চিত্তেৰে সীতাৰ প্ৰতি কৰা অবিচাৰ বাবে নিজক নিজে ধিক্কাৰ দিবলৈ ধৰিলে।

ফেব্ৰুৱাৰী মাহৰ শেষ নিশা। জাৰ কমিছে। জুইৰ কাষ এৰিব পৰা হোৱা নাই। বিষণ্ণ মনে সি চুলাটোৰ কাষত বহিলহি। বহি বহি সীতাক দেখা কৰাৰ কল্পনাত বিভোৰ হ'ল। কি কি প্ৰশ্ন কৰিব আৰু কি কি বস্তু নিব—সেই বিষয়ে নানান জল্পনা-কল্পনা চলিবলৈ ধৰিলে। জম্‌জম্ ক'ৰবাৰ পৰা আহি তাৰ কোলাত জঁপিয়াই জঁপিয়াই উঠিবৰ চেষ্টা কৰিলে। সি তাক কোলাত তুলি লৈ মৰম কৰিবলৈ ধৰিলে।

হাত বুলাই বুলাই সি ক'বলৈ ধৰিলে, জম্‌জম্, কাইলৈ দুয়ো সীতাক চাবলৈ যাম। ওলাবি দেই।

জম্‌জমে জ্বলা অঙঠাৰ তাপ সহিব নোৱাৰি মুখখন তাৰ আঁঠু দুটাৰ মাজত কুচি-মুচি সোমাই ল'লে।

জম্‌জম্, তোৰ আয়েৰলৈ এখন গৰম ৰাগ, এটি ব্ৰিটানিয়া বিস্কুটৰ টিং আৰু 'ব্ৰেড এণ্ড ৱাইন' নামৰ উপন্যাসখন লৈ যাম, বুজিছনে?

তাৰ স্বৰ্গতোক্তি শুনি জম্‌জমে ভয়ে ভয়ে তাৰ মুখলৈ চালে। তাৰ প্ৰভু প্ৰেমিকাৰ তালৈ যাব বুলি হয়তো সি গম পোৱা নাছিল।

জম্‌জম্, তই আমাৰ প্ৰেমৰ একমাত্ৰ জীৱন্ত সাক্ষী। তই তোৰ আয়েৰৰ কোলাত উঠিবিগে। তোক কম মৰম কৰেণে তেওঁ?

জম্‌জমে এবাৰ অঙঠাৰ তাপ বেছি পাই অনাহকতে এবাৰ ভুকিলে।

নিৰ্মলে কৈ গ'ল, তই আয়েৰক কবি, দেউতাৰ অন্তৰৰ ৰন্ধ্ৰে ৰন্ধ্ৰে তেওঁক অন্যায় কৰাৰ অনুতাপ বিৰিঙি ওলাইছে।

জম্‌জমে আকৌ ভুকিবলৈ ধৰিলে।

ওঁ, তই আয়েৰক কবি আৰু দলৰ কাম কৰিব নালাগে, দেউতাৰ লগলৈ আহক। ইয়াত তেওঁৰ বাবে এখন ঘৰ, এখনি নিবেদিত হৃদয় আৰু এটি নিৰ্জন অৱস্থিতিয়ে ওলগ জনাবলৈ বাট চাই আছে।

বাট চাই আছে। সীতাক বাট চাই আছে সি, জম্‌জম্ আৰু জুইকুৰাই। হয়, বাট চাই আছে। সুধিছে জেলৰ দুৱাৰ কেতিয়া মুকলি হ'ব? (১৯৪৭ চন)

* * *

# নেতাজী আৰু ইঙাইজং

"পালেলৰ কথা মনত পৰেনে তোমাৰ?"

"পৰে।"

"ৰণ চলি থকা কালত এদিন দুয়ো দূৰৰ পৰ্বতামালাৰ দৃশ্য চাই থকাৰ কথা তোমাৰ মনত আছেনে?"

"আছে। সেইদিনাই তোমাৰ লগত মোৰ চিনাকি হৈছিল, নহয়নে?"

"হয়। সেইবোৰ কথা এতিয়া ৰোমান্সৰ দৰে লাগে।"

"কিন্তু ইমান ধুনীয়া স্মৃতি।"

এইবাৰ প্ৰথমজন মানুহে মুখেৰে একো নামাতিলে। ৰেস্তোঁৰাত বহি দুয়ো চাহ খাইছিল। মানুহ বৰ বেছি নাছিলে। লাহে লাহে চাহ খাই খাই সিহঁতে পুৰণি দিনৰ কথাবোৰ সুঁৱৰিছিল। দুয়ো আই-এন-এত থকা মানুহ। প্ৰথমজন ডাক্তৰ। সৈন্য-বাহিনীৰ লগে লগে থকা ভ্ৰাম্যমাণ ডাক্তৰখানাৰ ডাক্তৰ। দ্বিতীয় মহাসমাৰৰ আৰম্ভণিৰ সময়ত সি ইম্ফলত চিকিৎসক হৈ আছিল। সেই সময়ত ইম্ফল চহৰলৈ মানদেশৰ সীমান্ত পাৰ হৈ আছিল। সেই সময়ত ইম্ফল চহৰলৈ মানদেশৰ সীমান্ত পাৰ হৈ অনেক চোৰাং বেপাৰী আহে। চোৰাং বেপাৰীবোৰে ঘাইকৈ তেল, চাবোন, সোণ এইবোৰ নিয়ে। সিফালৰ পৰা আহোঁতে চাউল, হাতী দাঁত আদি বস্তু আনে। ডাক্তৰৰ লগত ইহঁতৰ চিনাকি হৈছিল চিকিৎসাৰ প্ৰয়োজনত। বেমাৰ হ'লেই সিহঁতে তাক খবৰ দিয়ে।

এই বেপাৰীবোৰৰ মুখতে সি প্ৰথম শুনে যে নেতাজী সুভাষ চন্দ্ৰ বসুৱে চিঙ্গাপুৰত আজাদ হিন্দ ফৌজৰ বাবে সকলো শ্ৰেণীৰ মানুহ সংগ্ৰহ কৰিছে।

এজন বেপাৰীয়ে নেতাজীৰ বক্তৃতা প্ৰকাশিত হোৱা কিছুমান প্ৰচাৰ পুস্তিকাও আনি তাক দিছিলহি। সেইবোৰ পঢ়াৰ পাছতে তাৰ মন আজাদ হিন্দ ফৌজৰ প্ৰতি ঢাল খালে আৰু চোৰাং বেপাৰীৰ দল এটাৰ লগতে অৰক্ষিত সীমান্ত পাৰ হৈ পৰ্বতীয় দুৰ্গম বাটেদি মানদেশলৈ খোজ ল'লে। কলিকতাত ডাক্তৰী পঢ়াৰ কালতে ডাক্তৰ নেতাজীৰ ভক্ত হয়। নেতাজীয়ে সদল-বলে হলৱেল মনুমেণ্ট ভাঙিবলৈ যোৱাৰ সময়ত সি কলিকতাতে আছিল আৰু সেই চিৰস্মৰণীয় শোভাযাত্ৰাত যোগ দি হাতুৰী লৈ মাৰ্চ কৰিছিল। তেতিয়াৰে পৰা নেতাজীৰ ওপৰত তাৰ অগাধ বিশ্বাস। সেই অগাধ বিশ্বাসৰ বলতে সি পলাই যাবলৈ সাহ কৰিলে।

তাৰ মনোবাঞ্ছা সফল হ'ল। এদিন গৈ সি চিঙ্গাপুৰ পালেগৈ আৰু তাৰ পৰা কিছুদিন সামান্য সামৰিক শিক্ষাৰ বাবে টকিঅ' পালেগৈ। ছমাহ সামৰিক শিক্ষা লওঁতে তাৰ শাৰীৰিক গঠনেই বেলেগ হৈ গ'ল। আগতকৈ গাৰ মেদ বহুত কমিল, আৰু গালৰ হনু দুটি ওলাই পৰিল। শৰীৰটো পাতল হ'ল। খোজ কাঢ়িবলৈ, কাম কৰিবলৈ আৰু আগৰ নিচিনাকৈ তাৰ ভয় নলগা হ'ল। হাবিতলীয়া আৰু পৰ্বতীয়া ভ্ৰমণৰ বাবে শৰীৰটো সাজু হৈ ৰ'ল।

টকিঅ'ৰ পৰা উভতি আহি এদিন সি মানদেশৰ সীমান্ত পালেহি। সিহঁতৰ মাৰ্চ আৰম্ভ হৈছিল।

বিয়াকলিয়ানাক লগ পাবৰ দিনা সিহঁত পালেলত আছিল। ভাৰতৰ মাটিৰ পৰশত তাৰ দেহ-মন নতুন ছন্দেৰে নাচিবলৈ ধৰিলে। নিজৰ দেশ উদ্ধাৰৰ সপোন যেন ফলিয়াওঁ ফলিয়াওঁ। পালেল পোৱা দিনৰে পৰা কাম কৰিবলৈ নতুন হেঁপাহ জন্মিল। পালেলৰ পৰা ইম্ফললৈ যোৱা পৰ্বতীয়া পকী অকোঁৱা-পকোৱা বাটটোলৈ চাই গৰ্বত তাৰ বুকু ওফন্দি উঠিছিল। মুক্তিৰ মাৰ্চ কৰি সিহঁত সেই বাটে আগ বাঢ়ি যাব... লেফট্ ৰাইট্, লেফ্ট ৰাইট্।

সি খাচ্ সৈনিক নাছিল। পালেলত বহুৱা ভ্ৰাম্যমাণ ডাক্তৰখানাত সি আহত সৈনিকসকলৰ চিকিৎসা কৰিছিল। চিকিৎসাৰ অৱসৰ চাই সি ফুৰিবলৈ ওলাইছে।

এদিন বেমাৰী চাই আবেলি বেলিকা আহি আহি এটি সৰু ৰঙা টিলাৰ ওপৰত উঠিলেহি। টিলাটোৰ পৰা কেউকাষৰ পৰ্বতমালাৰ দৃশ্য বহুত

দূৰলৈকে দেখা যায়। এখন ৰুমাল মাটিত পাৰি টিলাটোৰ আওগৰীয়া ঠাই এটুকুৰাত সি বহি পৰিল। ৰিব্‌ৰিব্‌কৈ বৈ অহা এচাটি মলয়া বতাহে তাৰ কাণে কাণে ফুচ্‌ফুচ্‌কৈ কিবা এষাৰ গুপুত কথা কৈ গ'ল। সি আচৰিত হৈ চালে, ক'তো কোনো নাই। কিন্তু তথাপি যেন এই পৰ্বতামালাৰ বুকুত লুকাই থকা ভাৰতী আইৰ আতমাই গুণ্‌গুণাই এটি গীত জুৰিছে। আইৰ আজি আনন্দত তত্‌ নাই, পুতেকহঁতে আইৰ বন্দী আত্মাক মুক্তি দিছে...

সেই অৱস্থাত বহি থাকোঁতেই সি বিয়াকলিয়ানাক লগ পায়। বিয়াকলিয়ানা লুচাই মানুহ। চুটি-চাপৰ, ঠৰঙা চুলি। প্ৰায় জাপানী যেনেই দেখি। গাৰ আকৃতিও মঙ্গোলীয়। গালৰ হনু দুটি কিঞ্চিৎ ওলোৱা, বৰণটো ৰঙচুৱা। বয়স পঁচিশতকৈ বেছি হ'ব যেন লাগে। সি তাক দেখা সময়ত বিয়াকলিয়ানাই ঠিক পশ্চিমফালে মুখ কৰি পৰ্বতামালাৰ দৃশ্য নিৰীক্ষণ কৰিছিল।

ডাক্তৰে হঠাতে এটি অচিনাকি সৈনিকক তেনে অৱস্থাত দেখি আচৰিত হ'ল। সন্তৰ্পণে সুধিলে, "তুমি কোন?"

"মই বিয়াকলিয়ানা।" সি ডাক্তৰ বৰুৱালৈ এবাৰ কেৰাহিকৈ চাই উত্তৰ দিলে।

"তোমাক দেখি মনত হয় যেন তুমি ফায়াৰ লাইনত যুঁজা সৈনিক।"

"হয়, যুঁজ কৰি আহিবৰ বেছি সময় হোৱা নাই।"

"তুমি কেতিয়া আহিলা?"

"এইমাত্ৰ।" কথা কোৱাৰ লগে লগে বিয়াকলিয়ানাই পশ্চিমৰ পৰ্বতামালা অধিক মনোযোগেৰে চাবলৈ ধৰিলে।

ডাক্তৰে বুজিলে পালেলৰ দহ মাইলমানৰ পৰা দূৰত সিহঁতৰ এটা দলে শত্ৰুৰ সন্মুখীন হৈছিল। বিয়াকলিয়ানা তাৰে পৰা আহিছে।

উদ্বিগ্ন হৈ সি প্ৰশ্ন কৰিলে, "কোনোবা আহত হৈছে নেকি? মৰা মানুহ একা।"

"আহত নাই। চাৰিজন মৰা সৈনিক আহিছে।"

"তোমালোকে তেন্তে ভালকৈ এঘৰি যুঁজিলা?"

"আমি মৰিব খুজিছিলো। ঈশ্বৰেহে ৰাখিলে।" খুব সহজভাৱে

বিয়াকলিয়ানাই উত্তৰ দিলে। তাৰ চকুযুৰি তেতিয়াও পশ্চিম পৰ্বতমালাত। এইবাৰ সি এযোৰ বাইনোকুলাৰ উলিয়াই ল'লে।

"কি চাইছা, ইমানকৈ?" ডাক্তৰে সুধিলে।

বিয়াকলিয়ানাই এইবাৰ তাৰ ফালে চাই সুধিলে, "মই মোৰ আইক চাইছোঁ।"

"আই সঁচাকৈয়ে বৰ ধুনীয়া হৈছে, নহয়নে?"

"সঁচাকৈয়ে তেওঁ আজি ধুনীয়া হৈছে। ভাৰতৰ এই অংশ ঠাই আজি মুক্ত। এই পৰ্বতবোৰে, এই ৰঙা মাটিবোৰে, এই বনবোৰে আমাৰ বন্দুকত নতুন বল দিছে। এইবোৰ ৰঙা মাটিত আমাৰ তেজ মিহলি হৈ আছে।" তাৰ চকু পশ্চিমৰ পৰ্বতমালাৰ পৰা আঁতৰা নাছিল।

"পশ্চিমৰ পৰ্বতবোৰত কি দেখিছা?" কৌতূহলবশতঃ ডাক্তৰে প্ৰশ্ন কৰিলে। "সেইবোৰ কি পৰ্বত?"

"সেই পৰ্বতবোৰতেই মোৰ জন্ম। সেই টুকুৰা মিজুৰাম।" বিয়াকলিয়ানাই উত্তৰ দিলে, "মই অকণমান আজৰি পাই চাবলৈ আহিছো, সেই জনমভূমিখন। কিন্তু তুমি কি কৰিছা ইয়াত?"

মই সৌ উত্তৰ পশ্চিম কোণত থকা পৰ্বতমালাৰ সিপাৰৰ দৃশ্য দেখা পাওঁ নেকি চাবলৈ আহিছোঁ।"

"তোমাৰ ঘৰ ক'ত?"

"ঠিক সেই পৰ্বতমালাৰ সিপাৰে।"

"অ' তুমি অসমৰ মানুহ।" বিয়াকলিয়ানাই আচৰিত হৈ সুধিলে। দুয়ো ইংৰাজীত কথা পাতিছিল।

"হয়, মোৰ ঘৰ গুৱাহাটীত।" ডাক্তৰে এটা হুমুনিয়াহ ছাৰি ক'লে।

"হুমুনিয়াহ নেকাঢ়িবা। আমি কেইদিনমানৰ ভিতৰতে গুৱাহাটী পামগৈ।"

"ডাক্তৰে হাঁহি উত্তৰ দিলে, ঈশ্বৰে মঙ্গল কৰক, ডেকা সৈনিক।"

"তুমি কি কৰা?"

"ডাক্তৰী।"

"অ', তুমি সৌ ডাক্তৰখানাটোত থাকা?"

ঠিক সেই সময়তে পিছফালৰ পৰা এটি সৈন্য আহি মাতিলেহি, "ডাক্তৰ,

তোমাক বিচাৰিছে। চাৰিটা আহত সৈনিক আহিছে।"

ডাক্তৰ গিৰিস কৰে উঠি পৰিল। "বিয়াকলিয়ানা, মই যাওঁ, আকৌ কেতিয়াবা দেখা হ'ব।"

বিয়াকলিয়ানাই হাঁহি ক'লে, "যদি ইতিমধ্যে নমৰো।"...

বিয়াকলিয়ানা নমৰিল। দ্বিতীয় মহাসমৰৰ গুলী তাৰ বুকুৰেদি নসৰকিলে। আজি চাৰি বছৰৰ মূৰত সি লুচাই পৰ্বতৰ পৰা আহি গুৱাহাটী পাইছেহি। চাৰি বছৰৰ মূৰত তাৰ চেহেৰা-পাতিৰ একো সলনি হোৱা নাই। মাত্ৰ আগৰ সামৰিক সাজ-পাৰৰ ঠাইত এতিয়া সাধাৰণ সাজ পিন্ধিছে। সাজ-পাৰ হ'ল এটা লং পেণ্ট। এটা বগা হাফ্ চাৰ্ট।

আবেলিৰ বাছত গুৱাহাটী পাই সি ডাক্তৰ বৰুৱাৰ ঘৰ বিচাৰি উলিয়াইছিল।

ডাক্তৰ বৰুৱাৰ ঘৰত মাইকী মানুহ নাই। চাকৰ এটা আছে। কিন্তু সি একেবাৰে আলাইবাদু। কাজেই আলহী আহিলে সাধাৰণতে সি প্ৰায় ৰেস্তোঁৰাত চাহ খুৱাবলৈ লৈ আহে। আজিও অতিথি শুশ্ৰূষা কৰিবৰ বাবে সি বিয়াকলিয়ানাক ৰেস্তোঁৰালৈ লৈ আহিছিল।

বিয়াকলিয়ানাৰ লগত চাহ খাই থাকোঁতে ডাক্তৰৰ পুৰণি পৰিচয়ৰ কথা মনত পৰি গ'ল। মনলৈ যিমানে সেই গৌৰৱময় ক্ষণবোৰৰ স্মৃতি ভাহি আহিছিল, সিমানেই তাৰ মনত পৰিছিল অতীত আৰু বৰ্তমানৰ মাজৰ প্ৰভেদৰ কথা। বিয়াকলিয়ানাকাক লগ পোৱা চাৰি বছৰ হ'ল। এই চাৰি বছৰৰ ভিতৰতে কামান শাঁত পৰিল। আই-এন-এ পৰাজিত হ'ল, জাপানী হাৰিল, তাৰ পাছত সিহঁত বন্দী হ'ল বৃটিছ চৰকাৰৰ হাতত। শেষত জানিবা দেশবাসীৰ য়ত্নত সিহঁতৰ মুক্তি হ'ল।

দেশৰ অৱস্থা এতিয়া সম্পূৰ্ণ সুকীয়া। আজি ভাৰত স্বাধীন। অসম স্বাধীন। স্বাধীন দেশৰ মুক্ত নাগৰিক হিচাপে দুজন প্ৰাক্তন আই-এন-এৰ মানুহে দেশৰ অৱস্থাৰ কথা পাতিছে।

"মানুহে কয় আমি স্বাধীনতা পালো। কিন্তু স্বাধীনতা জানো এয়ে?" বিয়াকলিয়ানাই চাহৰ কাপটোত মুখ লগাই বৈ কয়।

"স্বাধীনতা পোৱা মাত্ৰ ডেৰ বছৰ হৈছে। মানুহৰ বু-বু বা-বা আৰম্ভ

হ'লেই। বস্তুৰ দাম বাঢ়িছে। মানুহে কাম পোৱা নাই। মেলেৰিয়া, টাইফয়ড, কলেৰা আৰু হুকৰ্ৱৰ্মত মানুহ মৰিছে। কিছুমানে ইতিমধ্যে আকৌ বিপ্লৱৰ কথা ক'বলৈ আৰম্ভ কৰিছেই।" ডাক্তৰে চাহত সোহা মাৰি উত্তৰ দিলে।

কথা কোৱাৰ লগে লগে ডাক্তৰৰ মনত পৰিল আই-এন-এৰ মাৰ্চৰ সময়ত সিহঁতৰ মনত জগা সপোনৰ কথা, সুখী ভাৰতৰ সুখী মানুহ। সেই স্বপ্ন জানো পূৰণ হৈছে ৰোগ আৰু দাৰিদ্ৰ্যৰ এই পঙ্কাকুল পৰিৱেশত?

বিয়াকলিয়ানাই ডাক্তৰৰ চকু আৰু মুখৰ ফালে এবাৰ ভালকৈ চাই ক'লে, "তোমাক উত্তেজিত হোৱা যেন বোধ হৈছে। তোমাৰ জানো নেহৰুৰ ওপৰত বিশ্বাস নাই?"

"তুমি ভাবা নেকি যে নেতাজীৰ ভাৰতত বহি চাহ খাইছা এতিয়া?"

বিয়াকলিয়ানা আচৰিত হ'ল তাৰ খং দেখি। হাঁহি উত্তৰ দিলে, "নেতাজীৰ কথা বেলেগ। কিন্তু এইখন যে নেহৰুৰ ভাৰত তাত সন্দেহ নাই। তুমি ভীষণ উত্তেজিত হৈছা।"

"হ'বই লাগিব। আমাৰ সুখী ভাৰত আৰু সুখী মানুহৰ স্বপ্ন মৰহি গৈছে। নেহৰুৱে আমাৰ আদৰ্শৰ ৰূপ দিব পৰা নাই।"

বিয়াকলিয়ানাই চাহত আৰু এক সোহা মাৰি ক'লে, "হওঁতে তোমাৰ কথাটিও মিছা নহয়। মোৰ কথাকে ধৰা। ভাবিছিলো ভাৰতৰ সৈন্য-বাহিনীত যোগ দি দেশৰ সেৱা কৰোঁ। এতিয়া নিবনুৱা সৈন্য-বাহিনীতহে ভৰ্তি হৈছো। কালি সৈন্য বিভাগৰ পৰা স্পষ্ট উত্তৰ পালো।"

"কি উত্তৰ?"

"আই-এন-এৰ মানুহৰ বাবে সৈন্য বিভাগৰ দুৱাৰ বন্ধ।" বিয়াকলিয়ানাৰ চকু-মুখত এটা কঠোৰ ভাব ফুটি উঠিল!

"অকল আই-এন-এৰ বাবেই নহয়। প্ৰত্যেক দেশ-প্ৰেমিকৰ বাবে আজি চৰকাৰৰ দুৱাৰ বন্ধ। মোৰ কথাটো বুজিছা নহয়? চৰকাৰে বাছি বাছি হে মানুহ লয়।" ডাক্তৰে বিজ্ঞজনৰ দৰে উত্তৰ দিলে।

কথাটি গভীৰ চিন্তাৰ বিষয়। সেই আলোচনা কৰিবৰ বাবে দুয়োৰে মন নগ'ল। ইতিমধ্যে চাহ খোৱাও শেষ হৈছিল। ৰেস্তোঁৰাৰ বয়টোৱে আহি চাহৰ পইচাখিনিও লৈ গ'লহি। বিজুলী বাতিৰ পোহৰত বিয়াকলিয়ানাৰ

মুখমণ্ডলত কেইডালমান চিন্তাৰ ৰেখা বৰ বেছিকৈ জিলিকি উঠিছিল। ডাক্তৰে তাৰ মুখলৈ চাই সুধিলে, "এতিয়া কি কৰিম বুলি ভাবিছা।"

ডাক্তৰে দিয়াচলাই উলিয়াই এটা চিগাৰেট জ্বলালে। বিয়াকলিয়ানাকো এটা দিলে।

বিয়াকলিয়ানাই চিগাৰেটটো জ্বলাই ক'লে, "একো ঠিক কৰিব পৰা নাই।"

"কোনোবা ৰাজনৈতিক দলত যোগ দিবা নেকি? ধৰা ছচিয়েলিষ্ট, কমিউনিষ্ট কংগ্ৰেছ?" ডাক্তৰে চিগাৰেটত এটা হোপা মাৰিলে।

বিয়াকলিয়ানাই ধীৰে ধীৰে হোপা মাৰিছিল। "ওঁহো, ৰাজনৈতিক দলৰ ওপৰত মোৰ বিশ্বাস নাই। ৰাজনীতিকেই মই ভাল নাপাওঁ। মই সৈনিক মই যুদ্ধ কৰিবলৈহে ভাল পাওঁ।"

"কিন্তু সৈন্য-বাহিনীত তোমাৰ বাবে যে স্থান নাই?"

"এৰা। মই আকৌ মিজুৰামলৈ ঘূৰি যাম।"

"তাত কেনে অৱস্থা?"

"ভাল নহয়। মানুহৰ মাজত ভাবৰ অস্থিৰতা। উন্নতিৰ বাট নাই। ৰাজনৈতিক দলবোৰে কেৱল কাজিয়া কৰে। কাম নকৰে।"

"তেনেহ'লে কেনেকৈ জীৱন কটাবা?"

"তাৰ বাবে মই চিন্তা কৰা নাই। গাৰ ঘাম মাটিত পেলাই খেতি কৰিম। খেতিৰ আৰ্জনেৰে খাম। প্ৰতি দেওবাৰে ইঙাইজঙক লৈ পাহাৰৰ মাজত আৰু আইজালৰ পাৰ্কত ফুৰিম।" বিয়াকলিয়ানাৰ মানসপটত তেতিয়া ভৱিষ্যৎ জীৱনৰ সপোনৰ ছবি এখন ভাহি উঠিছিল।

"ইঙাইজং মানে কি?" 'ইঙাইজং' শব্দৰ অৰ্থ বুজিব নোৱাৰি ডাক্তৰ বিব্ৰত হৈছিল।

"Sweet Heart. মৰমী।" বিয়াকলিয়ানাৰ চকুযুৰিত এটা ভঙ্গী ফুটি উঠিল, বিৰিঙি উঠিল তাৰ চঞ্চল, মুক্ত প্ৰণয়ৰ আনন্দৰাশি।

"সেইখিনি পালেই হ'ব নে তোমাৰ? তাতকৈ বিয়া কৰাই ঘৰ-বাৰী নাপাতা কিয়?"

"তাৰ বাবে বহু বছৰ পৰিশ্ৰম কৰিব লাগিব। বহুত টকা গোটাব লাগিব।

তাৰ বাবে ধৈৰ্যৰ অভাৱ।" বিয়াকলিয়ানাই হাঁহি হাঁহি ক'লে। "মুকলিমূৰীয়াকৈ থাকিবলৈ বিচাৰোঁ।"

"তোমালোকৰ সমাজে অবৈধ প্ৰণয় মানে নেকি?"

"অবৈধ? অবৈধৰ অৰ্থ কি? আমাৰ সমাজে তাত আপত্তি নকৰে, আমাৰ তিৰোতাৰ মুকলিমূৰীয়া। মই আমাৰ লুচাই ছোৱালীবোৰ ভাল পাওঁ।"

ডাক্তৰে এটি হুমুনিয়াহ পেলালে। কিন্তু কিয় এই হুমুনিয়াহ পৰিল বিয়াকলিয়ানাই একো ধৰিব নোৱাৰিলে। কিছুপৰ বৈ ডাক্তৰে ধীৰে ধীৰে সুধিলে, "তথাপি কিছু বছৰৰ মূৰত তোমাৰ ভাগৰ লাগিব।"

"অৱশ্যে বয়সৰ লগে লগে ইঙাইজঙৰ মোহ কমি যাব। কিন্তু বয়সত সকলোৰে যায়। পিছে এটা কথা—" হঠাতে বিয়াকলিয়ানাৰ চকু দুটি উজ্জ্বল হৈ উঠিল।

"কি কথা?"

"নেতাজী জানো আকৌ ঘূৰি নাহিব?" সৰল বিশ্বাসত বিয়াকলিয়ানাই প্ৰশ্ন কৰিলে।

"প্ৰশ্নটো কোনোদিনেই মোৰ মনলৈ অহা নাই।" ডাক্তৰে চিগাৰেটত এটা দীঘল হোপা মাৰি ধোঁৱা উৰুৱাই দি উত্তৰ দিলে।

বিয়াকলিয়ানাৰ সৰল বিশ্বাসত আঘাত লাগিল। সি ক'লে, "নহয় ডাক্তৰ, তুমি নেতাজীক নাজানা। তেওঁ কেতিয়াও মৰিব নোৱাৰে। তেওঁ ঘূৰি আহিবই। তেওঁ আকৌ এদল সৈন্য-বাহিনী তৈয়াৰ কৰিব। আকৌ দিল্লীত প্ৰকৃত স্বাধীনতা প্ৰতিষ্ঠা কৰিব। মই আশা কৰি বৈ আছোঁ সেই দিনলৈ। মই সেই সপোনৰ মাজত জীয়াই আছোঁ। নহ'লে জীৱনত আৰু একো মোহ নাই।" বিয়াকলিয়ানাৰ জীৱনলৈ এটি অৱসাদ ভাহি আহিছিল। সি বুজিছিল যে সৈনিকৰ যুঁজৰ বাহিৰে আৰু আন একো পৰিচয় নাই। কথাবোৰ তাৰ সৰল অন্তৰৰ পৰা সৰ্‌সৰ্‌কৈ ওলাই আহিছিল। ভূতে পোৱা মানুহৰ দৰে খোলা খিৰিকিখনৰ মাজেদি দূৰৰ আকাশখনলৈ চাই সি ক'লে, "নেতাজী আহিব, আহিব।" তাৰ অন্তৰৰ গভীৰ প্ৰত্যাশাৰ বাণী শুনি শৰতৰ আকাশৰ দুটি তৰা যেন থৰ হৈ গ'ল। সি আপোন মনে ক'বলৈ ধৰিলে, "ভৈয়ামৰ আকাশৰ তৰাবোৰে কথা নকয়। লুচাই পাহাৰত কিন্তু তৰাবোৰ ইমান ওচৰত

থাকে যে সিহঁতে আমাক সৰগীয় বাৰ্তা নিদি নোৱাৰে। সিহঁতে সদায় কয়, নেতাজী আহিব।”

নেতাজী ঘূৰি আহিব বুলি ডাক্তৰে ভুলতো কোনোদিনেই কল্পনা কৰা নাছিল। কাৰণ তেওঁৰ দৃঢ় ধাৰণা যে নেতাজী মৰিল। জীয়াই থকা হ'লে স্বাধীন ভাৰতত তেওঁ ভুমুকি মাৰিলেহেঁতেন। কিন্তু বিয়াকলিয়ানাৰ বিশ্বাসৰ বান্ধ দেখি সি মুগ্ধ হ'ল।

বিয়াকলিয়ানাই আকৌ ক'লে, “নেতাজী কেতিয়াও মৰিব নোৱাৰে ইম্ফলৰ ৰণাঙ্গনৰ কামানৰ গুলীলৈ ভ্ৰূক্ষেপ নকৰি সামান্য সৈনিকৰ দৰে তেওঁ অনাহাৰে অৰ্ধাহাৰে কাল কটাইছিল। বৃটিছৰ বন্দুকৰ গুলী ব্যৰ্থ হৈছিল। তেওঁ মৰিব নোৱাৰে। তেওঁ সাধাৰণ মানুহ নহয়।”

বিয়াকলিয়ানাই নেতাজীৰ কথা কৈ কৈ একেবাৰে আপোন-পাহৰা হৈ গৈছিল। ডাক্তৰেও নিজকে নিজে চম্ভালা টান হৈ পৰিছিল, বিয়াকলিয়ানাৰ কথা শুনি তেওঁ আই-এন-এৰ দিনবোৰলৈ মনত পেলাইছিল।”

হঠাতে বয়টোৱে আহি ক'লেহি, “বাবু, অনুগ্ৰহ কৰি যদি উঠে।”

ডাক্তৰে ঘড়ী চাই দেখে যে নিশা আঠ বাজিছে। হুৰ্মূৰ্কৈ চকীখনৰ পৰা উঠি বিয়াকলিয়ানাক মাতিলে, “বিয়াকলিয়ানা, ৰেস্তোঁৰা বন্ধ কৰিবৰ হ'ল, ব'লা।” বিয়াকলিয়ানায়ো সপোনৰ পৰা সাৰ পোৱা মানুহৰ দৰে ঘপ্ কৰে থিয় দিলে।

বাহিৰৰ ৰাজবাটত দুয়ো থিয় দিলেহি। শৰৎ কালৰ নিশা। আকাশত জোনৰ পোহৰ অলপ দেখা গৈছে। সিহঁত দুয়োটা লাহে লাহে ঘৰ অভিমুখে যাত্ৰা কৰিলে।

কিছুপৰ যোৱাৰ পাছত ডাক্তৰ হঠাতে ৰ'ল। বাটত এঘৰ বেমাৰী মানুহ আছিল। লগত বিয়াকলিয়ানাক লৈ ডাক্তৰ গৈ মানুহঘৰৰ চ'ৰা মুখ পালেগৈ। বাহিৰতে তাক বহুৱাই তেওঁ লাহে লাহে ভিতৰ সোমাই গ'ল।

বিয়াকলিয়ানা চ'ৰাঘৰতে বহি ৰ'ল। এবাৰ এজনী ষোড়শী গাভৰুৱে আনি একাপ চাহ দিলেহি। ছোৱালীজনীয়ে তালৈ অদ্ভুত দৃষ্টিৰে চালে। হাজাৰ হওক নতুন মানুহ, নতুন কথা। বিয়াকলিয়ানায়ো চালে। ছোৱালীজনী চাপৰ, সৰু ফুটীয়া। গাৰ গঠনটো বেছ সুন্দৰ, কঁকালটো চিয়া, বুকু দুখন

বৰকৈ উঠা, ওঁঠ দুটা স্বাভাৱিকভাৱে ৰঙা আৰু চুলিকোছা বেণী দি গোঁঠা। গাৰ মেখেলা আৰু চাদৰযোৰে তাইৰ শৰীৰত স্বাভাৱিক ৰূপত ৰং চৰাইছিল।

চাহ কাপ হাতত লৈ বিয়াকলিয়ানাই ইংৰাজীতে সুধিলে, "তোমালোকৰ ঘৰত কাৰ জ্বৰ?"

"দেউতাৰ।" ছোৱালীজনীয়ে ভঙা ভঙা ইংৰাজীত উত্তৰ দিলে।

"আৰু কোন কোন আছে?"

"মা নাই। বাকীবোৰ আছে।" ছোৱালীজনীয়ে তীক্ষ্ণ দৃষ্টিৰে মানুহটোক আগৰ পৰা গুৰিলৈকে চালে—অদ্ভুত মানুহ। "আপুনি আই-এন-এত আছিলে, নহয়নে?"

"হয়। তুমি পঢ়িছানে নাই?"

"পঢ়িছোঁ। এইবাৰ দশম মানত।" ছোৱালীজনীৰ কৌতূহল তেতিয়াও মাৰ যোৱা নাই। তাক একেথৰে চায়েই আছিল।

"তোমাৰ নাম কি?"

"আৰতি।"

"ভাল কথা। মোৰ নাম নুসুধিলা দেখোন?"

আৰতিৰ কিবা কিবা লাগিল কথাষাৰ। কিয় তাই অচিনাকি লুচাই মানুহ এটাৰ নাম সুধিব লাগে। তাই একো নামাতিলে।

সি ছোৱালীজনীলৈ চাই হাঁহিলে, "তুমি দেখোন অলপ সংকোচ কৰিছা, কিয়?"

"নাই ক'তা?" ওভটা কথাত বিমোৰ হৈ ছোৱালী দৌৰি ভিতৰ সোমাল।

বিয়াকলিয়ানা আচৰিত হ'ল। "ভৈয়ামৰ ছোৱালীবোৰ কেনেকুৱা। সিহঁতে দেখোন মুকলি মনেৰে কথা নকয়।" কিন্তু বৰ সুন্দৰী ছোৱালী। তাৰ ইঙাইজঙতকৈ একেবাৰে বেলেগ। ক'ব নোৱাৰাকৈয়ে বিয়াকলিয়ানাৰ মনত ছোৱালীজনীৰ মাত-কথা, ভাব-ভঙ্গী, খোজ-কাটল আৰু সৰল সন্দেহপূৰ্ণ চাৱনি আটাইবোৰ ধুনীয়া লাগিল। তাৰ আকৌ ছোৱালীজনী লগ পাবৰ মন গ'ল। কিন্তু আৰু ওলাই নাহিল। আৰতি লুচাই পাহাৰৰ ছোৱালী হোৱা হ'লে সি তাইক চিএৰি মাতি উলিয়াই আনিলেহেঁতেন আৰু এই জোনাকত

বাটে বাটে হাতত ধৰাধৰিকৈ ফুৰিবলৈ গ'লহেঁতেন।

"ইয়াত সকলোবোৰ বেলেগ। ভৈয়ামৰ মানুহবোৰ পৰ্বতৰ মানুহৰ লগত নিমিলে।" বিয়াকলিয়ানাই মনে মনে ভাবিলে, "তথাপি আমি কিয় পৰ্বত-ভৈয়াম এক হোৱাৰ কথা কওঁ? এই ঘৰখনতো আমাৰ দেশৰ ঘৰ। এই ছোৱালীজনীতো আমাৰ দেশৰ ছোৱালী। কিয় তাইৰ পৰা মই পলাই ফুৰিব লাগে। মইতো বাঘ নহয়। কিয়?" ভিতৰি ভিতৰি তাৰ অন্তৰ অভিমানত ভৰি গ'ল। আমাৰ সৈতে তাইৰ কথা-বতৰা নিমিলে। এই ভৈয়ামৰ মানুহবোৰ মুকলিমূৰীয়া নহয়। ডাক্তৰেই বা কিয় তাক বাহিৰত থৈ যাব লাগে। সি কি তাৰ দেশৰ মানুহ এজনৰ বেমাৰ খবৰ কৰা বেয়া নেকি?" বিয়াকলিয়ানাৰ অন্তৰত এটি অবুজ দুখৰ দাগ বহিল। "হায় ঈশ্বৰ, এইবোৰ মানুহ বোলে সভ্য। ডেকা ল'ৰাৰ ওচৰৰ পৰা গাভৰু ছোৱালী পলাই ফুৰাই সভ্যতা নেকি? আমাৰ মিজু জাতিয়ে এনেকুৱা সভ্যতা নিবিচাৰে। আমাৰ তাত ইঙাইজঙবোৰ মুকলিমূৰীয়া। ভালপোৱা আমাৰ ধৰ্ম। ইয়াৰ মানুহবোৰ মুকলিমূৰীয়া নহয়, ইহঁতে ভাল পাব নাজানে।" তাৰ মন আকৌ লুচাই পৰ্বতৰ বনৰীয়া প্ৰকৃতিৰ বুকুলৈ ঘূৰি গ'ল। "কেনে ধুনীয়া, কেনে মনোমোহা সেই প্ৰাকৃতিক দৃশ্যবোৰ আৰু সেই মানুহবোৰ।"

ডাক্তৰ তেনেতে ওলাই আহিল। তাক ভাবি থকা দেখি সুধিলে, "এতিয়াও নেতাজীৰ কথাকে ভাবি আছা নেকি?"

"নহয়।" বিয়াকলিয়ানাৰ সুৰটো কৰ্কশ।

ডাক্তৰে ভাবিলে কি হ'ল ইয়াৰ। ফুটাই সুধিলে, "কিহৰ কথা ভাবিছা?"

"ইঙাইজঙৰ কথা।" বিয়াকলিয়ানাই নিৰ্ভয়ে উত্তৰ দিলে।

"কিয়?" ডাক্তৰে হাঁহিলে। "তোমাৰ ইঙাইজং বহুত দূৰত আছে।"

"নহয়। ইয়াৰ ভৈয়ামৰ ইঙাইজঙৰ কথাহে ভাবিছো।" বিয়াকলিয়ানাই ক'লে, "সেই যে ছোৱালীজনী, চাহ দিবলৈ আহিছিল।"

সি কথাষাৰ কৈ এটাইছেহে মাথোন এনেতে আৰতিয়ে ভিতৰৰ পৰা তামোলৰ বটাটো লৈ বাহিৰ ওলালহি। তাই বিয়াকলিয়ানাৰ মুখত "ইঙাইজং" শব্দটো শুনি আচৰিত হ'ল। ক'ৰবাৰ বনৰীয়া হাইধাৰ মাত যেন লাগিল তাইৰ। কিন্তু একো বুজিব নোৱাৰি ডাক্তৰৰ মুখলৈ চালে। তাইৰ

অৱশ্যে স্পষ্টভাৱে বিয়াকলিয়ানাৰ কথাষাৰ কাণত পৰিছিল, "চাহ্‌ দিবলৈ অহা ছোৱালীজনী।"

তাই সুধিলে, "কি হ'ল মোৰ কথা কিবা কৈছে নেকি, ডাক্তৰ দাদা।"

ডাক্তৰে উভয় সংকটত পৰি ক'লে, "নহয় অ' ই ইঙাইজঙৰ কথা কৈছে।"

"ইঙাইজং মানে কি?"

"তই নালাগে জানিব যা। বাৰু আমি এতিয়া যাওঁ দেই।" বুলি ডাক্তৰে বিয়াকলিয়ানাক এক ৰকম হাতত ধৰিয়েই তুলি লৈ আহিল।

বিয়াকলিয়ানাই অসমীয়া মানুহৰ সৈতে সাধাৰণতে হিন্দুস্থানী আৰু ইংৰাজীত কথা-বতৰা হয়। কাৰণ সি অসমীয়া মুঠেই নুবুজে। কিন্তু ছোৱালীজনীৰ মুখত 'ইঙাইজং' শব্দটো শুনি সি বৰ সন্তোষ পালে। কাৰণ ইঙাইজং শব্দটোৱেই হৈছে তাৰ জীৱনৰ এটি উপকেন্দ্ৰ।

বিয়াকলিয়ানাই সুধিলে, "ছোৱালীজনীয়ে ইঙাইজঙৰ কথা কৈছিল নহয়নে?"

"হয়। কৈছিল।" মনে মনে ডাক্তৰৰ খং উঠিল। "বিয়াকলিয়ানা, য'তে-ত'তে ইঙাইজঙৰ কথা নুলিয়াবা। এইখন লুচাই পাহাৰ নহয়। এইখন ভৈয়াম। ইয়াত ভদ্ৰ মানুহৰ ঘৰত কেনেকৈ ব্যৱহাৰ কৰিব লাগে তুমি জনা উচিত।" কথাৰ লগে লগে ডাক্তৰৰ খঙৰ মাত্ৰা চৰি গৈছিল।

"কি মানুহ! ভদ্ৰ মানুহ? ভাল কথা। ভদ্ৰ মানে কি? Civilised নে gentleman?" বিয়াকলিয়ানাই ব্যঙ্গৰ ছলেৰে সুধিলে।

ডাক্তৰে একো উত্তৰ নিদিলে।

"সভ্য মানুহে ইঙাইজঙক ইমান হেয় জ্ঞান কৰেনে?" বিয়াকলিয়ানাৰ ভৈয়ামৰ প্ৰতি ৰোষ বাঢ়ি গ'ল।

"কৰে।" খঙত দিক্‌-বিদিক্‌ শূন্য হৈ ডাক্তৰে উত্তৰ দিলে। বিয়াকলিয়ানাই অলাগতিয়াল প্ৰশ্ন কৰাৰ বাবে সি বৰ আমনি পাইছিল।

"তেনেহ'লে তোমালোকে আমাৰ জীৱন যাত্ৰা প্ৰণালীকো ঘিণ কৰা?"—বিয়াকলিয়ানাই আচৰিত হৈ সুধিলে।

ডাক্তৰ এইবাৰ সাৱধান হ'ল। তেওঁ সোনকালে প্ৰশ্নটোৰ উত্তৰ দিবলৈ

টান পালে। সঁচাকৈয়ে ভৈয়ামৰ মানুহে পৰ্বতৰ মানুহক ভাল চকুৰে নাচায়। ভাবে পৰ্বতখন আদিম মানৱৰ ঠাই। বিয়াকলিয়ানাকতো সি তেনেকৈ কোনোদিনে ভবা নাই।

"এতিয়া মনে মনে ৰ'লা কিয়? উত্তৰ দিয়া। আমাক ঘিণ কৰা তোমালোকে।" বিয়াকলিয়ানাৰ তেজী প্ৰশ্নৰ উত্তৰ দিয়া ডাক্তৰৰ পক্ষে টান হৈ পৰিল।

সি লাহে লাহে ক'লে, "ঘিণ কৰোঁ নে নকৰোঁ ক'ব নোৱাৰোঁ। তোমালোকৰ আচাৰ বেলেগ, আমাৰ আচাৰো বেলেগ।"

"ঠিক কথা। তোমালোকৰ সমাজে ভাল পোৱা নামানে, আমি মানো। আমি যিজনী ছোৱালী ভাল পাওঁ, তাইক বিয়াও কৰাব পাৰোঁ। যেই-সেই এটা দেওবাৰে আইজাললৈ যাবা, চাবা, য'তে-ত'তে ইঙাইজং। সেয়ে আমাৰ জীৱন। যদি তাকে ঘিণ কৰা, তেন্তে তোমালোকৰ সৈতে আমি কেনেকৈ লগ লাগিম। আমি আঁতৰি যাবই লাগিব।" বিয়াকলিয়ানাই মনৰ খণ্ডত কৈ গ'ল। "আৰু তোমালোকৰ সভ্যতাৰে এয়া অভিশাপ। তোমালোকৰ ইয়াত মুকলি মন নাই, কেউফালে সংকোচ, বন্ধন।"

ডাক্তৰ মনে মনে ৰ'ল। লুচাইটোৱে কিছুমান সঁচা কথা কৈছে। আমাৰ ইয়াত মুকলি মন নাই।

বিয়াকলিয়ানাই ক'লে, "ডাক্তৰ, তুমি মোৰ সহকৰ্মী, বন্ধু। কোৱাচোন তুমি কেতিয়াবা ভাল পাইছানে নাই।"

"পাইছোঁ। এতিয়ালৈকে দুবাৰ।" ডাক্তৰ সৰলভাৱে উত্তৰ দিলে।

"কাক কাক ভাল পাইছিলা?" বিয়াকলিয়ানাৰ মুখত এটি ঔৎসুক্য।

"এতিয়া যি ঘৰৰ পৰা ওলাই আহিলো, তাতে আছিল মোৰ প্ৰথম প্ৰেমিকাজনী।"

"এই ঘৰত?"

"অঁ। আৰতিৰ মাকক।"

"মাকক।"

"তোমাক এইবোৰ কথা কিয় বাৰু?"

"মই তোমাৰ জীৱনৰ কথা জানিব খোজো—তোমাৰ জীৱনৰ কথা,

তোমালোকৰ ভালপোৱাৰ কথা, আৰু তোমালোকৰ ভৈয়ামৰ মানুহবোৰৰ কথা।" বিয়াকলিয়ানাই অধীৰভাৱে কৈ গ'ল। "তোমালোকে আমাক ঘিণ কৰা, কিন্তু তথাপি আমি তোমালোকক ভাল পাওঁ।"

ডাক্তৰে হাঁহিলে, লাহে লাহে ক'লে, "আৰতিৰ মাকৰ নাম নীলিমা। তাইক কলেজত লগ পাইছিলো। আমাৰ ভিতৰত ভালপোৱা-পুই আছিলে। কিন্তু নীলিমাৰ বাপেক-মাকে তাইক এইজন মানুহত বিয়া দিলে। কিন্তু তাইৰ কথা মই জীৱনলৈ পাহৰিব নোৱাৰিলো।"

"তেওঁ এতিয়া ক'ত আছে?"

"জানো ক'ব নোৱাৰোঁ। বোধহয় সৌ তৰাবোৰৰ মাজত।" ডাক্তৰে শৰতৰ আকাশখনলৈ চাই ক'লে।

"তেন্তে তেওঁ মৰিল।"

উত্তৰত ডাক্তৰে মাথোন এটি হুমুনিয়াহ পেলালে।

বিয়াকলিয়ানাই সুধিলে, "নীলিমা মানে কি?"

"নীলা ৰাং।" ডাক্তৰে উত্তৰ দিলে।

"তেনেহ'লে তেওঁ আকাশতে আছে?" বিয়াকলিয়ানাই ম্লান হাঁহিৰে উত্তৰ দিলে।

ডাক্তৰে এটা হুমুনিয়াহ কাঢ়িলে।

"ইজনী ইঙাইজং ক'ত আছে?" বিয়াকলিয়ানাই সুধিলে।

"ক'ব নোৱাৰোঁ।"

"ক'ত লগ পাইছিলা তেওঁক?"

"ইম্ফলত ষ্টেট হাস্পতালত নাৰ্চৰ কাম কৰিছিল।"

"কি ছোৱালী?" বিয়াকলিয়ানাই সুধিলে।

"নাজানো। প্ৰথমতে মণিপুৰী বুলি ভাবিছিলো। কিন্তু শেষত দেখিলো তাই মণিপুৰি ভাষাকে নাজানে। তাইৰ চকুযুৰি অলপ তোমাৰ নিচিনা।" বুলি ডাক্তৰ ঘপ কৰে কিবা এটা মনত পৰাৰ দৰে বিয়াকলিয়ানাৰ চকুযুৰিলৈ চালে।

"ইম্ফলত তাইৰ ঘৰ ক'ত আছিল?"

"পুলিচ থানাৰ ওচৰত।"

"তাইৰ কোন কোন আছিল?"

"বাপেক-মাক, ককায়েক-ভায়েক আৰু এটি চাকৰ।" ডাক্তৰে ভাবি ভাবি ক'লে।

"বাপেকে কি কৰিছিল?"

"তেওঁ অসম ৰাইফলছৰ ছেকেণ্ড লেফ্‌টেনেণ্ট আছিল।"

বিয়াকলিয়ানাই ক'লে, "তাইৰ ককায়েকক কেতিয়াবা দেখিছানে?"

"নাই দেখা। তাই মোক কৈছিলে যে ককায়েক মানদেশীয় চোৰাং বেপাৰী কিছুমানৰ লগত পলাই গ'ল। ঠিক মোৰ দৰেই।"—বুলি ডক্তৰে এবাৰ অস্বাভাৱিক ধৰণে হাঁহিলে।

"তেওঁলোকৰ ঘৰলৈ গৈছিলানে?"

"গৈছিলো, কিন্তু এবাৰহে। বিশেষ একো মনত নাই।"

"ছোৱালীজনীৰ নাম কি আছিল?"

"বিয়াক চাংমা।" বৰ কষ্টেৰে ডাক্তৰে নামটো সুঁৱৰিলে।

"তেওঁলোক ক'ৰ মানুহ একো নাজানা?" বিয়াকলিয়ানাই আকৌ প্ৰশ্ন কৰিলে।

"নাজানো। জানিবৰ বাবে প্ৰয়োজনো নাছিল। মই তাইক ভাল পাইছিলো। সেয়ে মোৰ পক্ষে বহুত আছিল।" ডাক্তৰৰ মনৰ কোমল আঁহবোৰ পুৰণি স্মৃতিৰ পৰশত জোঁকাৰ খাই উঠিছিল। কিন্তু মনৰ মধুময় স্মৃতিবোৰ উজাৰি ক'বলৈ পাই তেওঁ বৰ আনন্দিত হৈছিল।

সিহঁত আহি আহি ঘৰৰ ওচৰ পালেহি। ডাক্তৰে গেটখন খুলিলে আৰু লগে লগে ক'লে। "আজিলৈ আমাৰ ফুৰা শেষ হ'ল।"

বিয়াকলিয়ানাই হাঁহি উত্তৰ দিলে, "লগে লগে তোমাৰ জীৱনৰ সাধুটোও।"

"জীৱনৰ সাধু। সাধুতো নহয় এইবোৰ সঁচা ঘটনা। আই-এন-এৰ দৰে সঁচা ঘটনা।"

"বুজিছা, কিন্তু তুমি এটি ঘটনা নাজানা।"

"কি?" বুলি ডাক্তৰে বিয়াকলিয়ানাৰ উদাস দৃষ্টিৰ পিনে লক্ষ্য কৰিলে।

"বিয়াক চাংমা মোৰ ভনী আৰু মই তাইৰ পলাই যোৱা ককায়েক।"

"মিছা কথা।" ডাক্তৰৰ গোটেই অন্তৰ কঁপিবলৈ ধৰিলে।

"নহয়, আই-এন-এৰ দৰে সঁচা কথা। নেতাজীৰ শপত খাই মই কৈছোঁ।" বুলি বিয়াকলিয়ানাই গেটখনৰ ওচৰতে ডাক্তৰৰ হাতখন তুলি লৈ লাহে লাহে কৈ গ'ল, "মোৰ ভনীক ভাল পাইছিলা, ডাক্তৰ। তাই বৰ সৰল ছোৱালী আছিল।" কওঁতে কওঁতে তাৰ চকুদুটাৰ পৰা পানীৰ টোপাল ওলাই মাটিত পৰিবলৈ ধৰিলে।

বিয়াকলিয়ানাৰ কথা কোৱাৰ ধৰণ চাই ডাক্তৰৰ অনুভৱ হ'ল যেন বিয়াক চাংমা আৰু জীয়াই নাই। তথাপি চকুত চকুত এটি অনুকম্পা লৈ সি সুধিলে, "তাই এতিয়া ক'ত আছে?"

"সউ তৰা-বছা আকাশত। তাইৰ চকু দুটা কিমান ধুনীয়া দেখিছানে?" বুলি বিয়াকলিয়ানাই দূৰৰ দুটি তৰালৈ আঙুলিয়াই দিলে।

"তাই কেতিয়া মৰিল?"

"ইম্ফলৰ যুদ্ধত। এই দুখন হাতেৰেই মই তাইক গুলীয়াইছিলো। কলুষিত হাত। অকল তাইকে নহয়, যুদ্ধৰত মোৰ দেউতাকো। তাই ফ্ৰ'ণ্টত শুশ্ৰূষা কৰিছিল।" বিয়াকলিয়ানাৰ চকুপানী জৰ্‌জৰ্‌কৈ বাগৰি মাটিত পৰি গ'ল। "ডাক্তৰ, নিজ হাতেৰে যি বাপেকক গুলীয়াব পাৰে, তাক তোমালোকৰ সভ্য ঠাইৰ নীতি মতে কি কয়?"

"মহাপাপী।" ডাক্তৰে চকুলো টুকি টুকি ক'লে।

"আমাৰ পৰ্বতীয়া নীতিয়েও তাকেই কয়।"

"একো আচৰিত নহয়।" ডাক্তৰে উত্তৰ দিলে।

"তোমালোকৰ ধৰ্মত এখন নৰক আছে নহয়নে?"

"আছে।" ডাক্তৰে গভীৰ শোকত উত্তৰ দিলে।

"মোৰ স্থান তাতেই নেকি?" বিয়াকলিয়ানাই সুধিলে।

"মই নাজানো।" ডাক্তৰৰ চকুত বেছিকৈ পানী বিৰিঙিলে।

"তুমি তেন্তে কি জানা?"

"তুমি মুক্তিযুঁজৰ ৰণুৱা আছিলা।"

"বাপেক আৰু ভনীয়েকক গুলীয়াবলৈ কোনে আমাক যুক্তি দিছিল?"

"বোধহয় আমাৰ বিবেকে।" ডাক্তৰে লাহে লাহে ক'লে।

"মাতৃভূমিক স্বাধীন কৰিবলৈ যাওঁতে কিয় নৰকলৈ ভয় লগা নাছিল? কিয় অকাতৰে গুলী কৰিব পাৰিছিলো নিজৰ বাপেকক, নিজৰ ভনীয়েকক? বোধহয় মই জনা নাছিলো যে সিপক্ষত মোৰ দেউতাই যুঁজ কৰিছিল, মোৰ ভনীজনীও আছিল। মনত হৈছিল আমাৰ সৈন্যক বাধা দিয়াবোৰ সকলো শত্ৰু।" বিয়াকলিয়ানাই কথা কৈ যোৱাৰ লগে লগে চকুপানী ওলাবলৈ ধৰিলে। "তোমাৰ ইঙাইজঙক মৰা মানুহটো তুমি ক্ষমা কৰিব পাৰিবানে?"

"দেশৰ কাৰণে মই সকলো কৰিব পাৰোঁ।" ডাক্তৰে নিজকে চম্ভালি লাহে লাহে ক'লে। "মুক্তিৰ যুঁজত তুমি দুৰ্বল হ'লে কেনেকৈ চলিব?"

"একেবাৰে আচল কথা। তুমি ক্ষমাৰ যোগ্য।" ডাক্তৰে বিয়াকলিয়ানাৰ হাতত ধৰি ক'লে।

"সমাজে মোক ক্ষমা কৰিবনে, ঈশ্বৰে মোক ক্ষমা কৰিবনে? দেশে মোক ক্ষমা কৰিবনে?" বিয়াকলিয়ানাই মনৰ অন্তৰ্দ্বন্দ্ব সহিব নোৱাৰি সুধিলে।

"সকলোৱে ক্ষমা কৰিবলৈ বাধ্য। কাৰণ তুমি তেওঁলোকৰ বাবে যুঁজ কৰিছিলা।" ডাক্তৰে স্থিৰ কণ্ঠেৰে উত্তৰ দিলে।

"তুমি কেনেকৈ জানিলা?" বিয়াকলিয়ানাই মনৰ আকাশৰ ডাৱৰ গুচাবৰ বাবে তেতিয়াও পোহৰ বিচাৰিয়েই আছিল।

"আমাৰ মহৎ শিক্ষক নেতাজীৰ কথা তুমি পাহৰিলা নেকি?"

ডাক্তৰে হঠাতে উদ্দীপ্ত কণ্ঠস্বৰেৰে প্ৰশ্ন কৰিলে, "কোনে যুঁজ কৰিবলৈ কৈছিলে তোমাক, কিয় কৈছিল?"

"নেতাজী! নেতাজী!! নেতাজী!!! মনত পৰিছে ডাক্তৰ। কিন্তু তেওঁ জানো ঘূৰি আহিব?"

"ক'ব নোৱাৰোঁ। কিন্তু আমাৰ মাজত তেওঁ জীয়াই আছে—আমি তেওঁৰ নীতি-ধৰ্ম জগতত ৰক্ষা কৰি চলিব লাগিব।" ডাক্তৰে ক'লে।

নেতাজীৰ নাম উচ্চাৰণ কৰাৰ লগে লগে বিয়াকলিয়ানাৰ মনলৈ শান্তি ঘূৰি আহিল। এৰা, নেতাজীয়েই সিহঁতৰ অন্তৰত নতুন জুই জ্বলাইছিল। সেই জুইকুৰা এবাৰ চেঁচা পৰিছিলে। কিন্তু জ্বলাই ৰাখিব নোৱাৰিলে সিহঁতৰ নিস্তাৰ নাই। সেই জুইত পুৰণি সমাজৰ নীতি-ধৰ্ম পুৰি ছাই হৈ যাব লাগিব।

বিয়াকলিয়ানা আৰু ডাক্তৰ লাহে লাহে সোমাই গ'ল। কোনেও ভাত

খোৱাৰ বিষয়ে ইচ্ছাকে প্ৰকাশ নকৰিলে। চাকৰটোৱে মাতি মাতি সিহঁতক চ'ৰাঘৰৰ পৰা নিব নোৱাৰিলে।

কিছুপৰ নীৰৱে থাকি বিয়াকলিয়ানা লাহে লাহে গৈ চ'ৰাঘৰৰ একোণত থকা নেতাজীৰ এখন দীঘল ওখ ছবিৰ কাষত থিয় হ'লগৈ।

এক মিনিটমান নীৰৱে থিয় দি বিয়াকলিয়ানাই আকৌ সুধিলে, "নেতাজী, ঘূৰি আহিবনে?"

"মই নাজানো।" ডাক্তৰে ক'লে।

"নহয়, নহয়। তুমি জানা, কোৱা, কোৱা, কোৱা।" বলিয়াৰ দৰে বিহ্বল হৈ বিয়াকলিয়ানাই চিঞৰি উঠিল।

ধীৰভাৱে ডাক্তৰে উত্তৰ দিলে, "তেওঁ আমাৰ মাজতে আছে, আমাৰ কাষত।"

বিয়াকলিয়ানাৰ চেহেৰা একেবাৰে কিম্ভুৎ-কিমাকাৰ হৈ পৰিল। তাৰ চুলিবোৰ এনেয়ে উঠঙা, তাতে হাতৰ মোহাৰণিৰ কোবত একেবাৰে বিশৃংখল হৈ উঠিল। সি যেন সৰ্বস্ব হেৰুৱাই আহিছে।

আপোন মনে সি বলকিবলৈ আৰম্ভ কৰিলে, "মই আকৌ ঘূৰি যাম। পৰ্বতত মই ঝুম খেতি কৰিম। দেওবাৰে দেওবাৰে মই ইঙাইজঙক লৈ পৰ্বতে-পাষণ্ডই ঘূৰিম। ইঙাইজঙে ক'ব মই তোমাক ভাল পাওঁ। ডাৱৰবোৰে আকাশখনক যেনেকৈ ভাল পায়, তেনেকৈ ভাল পাওঁ। ডাক্তৰ, মই যাওঁগৈ।... ভৈয়ামৰ ইঙাইজংবোৰে মোৰ মনৰ কথা নুবুজে... সিহঁত মোৰ কাষৰ পৰা আঁতৰি পলাই যায়... নহয়, নহয়, ইহঁতে আমাক নুবুজে।" বিয়াকলিয়ানাই এখন আৰামী চকীত পৰি চিলমিল টোপনিত বলকি যায়, "বিয়াক চাংমা, মৰমৰ ভনীটি, দেউতা, মই তহঁতক মাৰিলো, দেশৰ কাৰণে গুলী কৰিলো। মোৰ ভাইটি আৰু মোৰ বোমাত মৰিল। চাকৰটো বা ক'লৈ গ'ল।... তহঁত যদি স্বৰ্গত আছ, তেন্তে তাৰ পৰাই মোক ক্ষমা কৰিবি দেই। মই নেতাজীক সুধিহে তহঁতক মাৰিছিলো। দেউতা, ভনীটি—নেতাজী যদি আছে,—স্বৰ্গত তেওঁকে সুধি ল'বি, মোৰ কথা।... উস্। আঃ। নেতাজী তুমি কেতিয়া আহিবা? কেতিয়া আহিবা।" বলকি বলকি বিয়াকলিয়ানা ভাগৰি পৰিল।

ডাক্তৰে নিশাৰ নিশাটো শুব নোৱাৰিলে। তেওঁৰ মনত ভাবে জুমুৰি দি ধৰিলে। নীলিমা আৰু ছাংমা—দুয়োজনীৰ আত্মাৰ লগত সি সেইদিনা কথা পাতিছিল। মৃত্যুৰ সিপাৰৰ পৰাও সিহঁতে তাক আকৰ্ষণ কৰিছিল।

দুয়োজনী তাৰ ইঙাইজং।...

... এই সমাজত ইঙাইজঙৰ স্থান নাই। ইয়াত মানুহৰ হিয়াৰ কথা মানুহে নুবুজে। ইয়াত পলাই ফুৰা, ফাঁকি দিয়া ধৰম।...

তাৰ অন্তৰৰ ভালপোৱাৰ কথা উজাৰি ক'বৰ বাবে তাৰ আজিলৈকে মাত্ৰ এটা সঙ্গী ওলাইছে। নহ'লে সমাজে তাক নিৰ্লিপ্ত সন্ন্যাসী বুলিয়েই ধৰি থৈছিল। বিয়াকলিয়ানাই ভালপোৱা কি বুজে, সেই কাৰণেই সি লোকৰ ভালপোৱা বুজি পায়। তাৰ প্ৰেম মুকলি। তাৰ দেশপ্ৰেম উগ্ৰ। তাৰ বিশ্বাস অন্ধ। কৰ্তব্যৰ খাতিৰত সি বাপেক-ভনীয়েকক গুলীয়াবলৈ কুণ্ঠাবোধ নকৰিলে। সি মুক্তিযুঁজৰ ৰণুৱা। তাৰ কৰমো মুক্ত, মৰমো মুক্ত। তাৰ জীৱনৰ এটি উপকেন্দ্ৰ হ'ল নেতাজী, আনটি হ'ল ইহাইজং। দুইটি উপকেন্দ্ৰৰ ভিতৰতে পেৰাবোলাৰ দৰে তাৰ জীৱন ঘূৰে তাৰ নিজৰ ধৰণে সি বিশ্ব-বুৰঞ্জীত স্থান পাব।

বিয়াকলিয়ানা। তাৰ ইঙাইজঙৰ হত্যাকাৰী।...

খন্তেকৰ বাবে ডাক্তৰৰ ভাবত যতি পৰি গ'ল। তাৰ পাছত তেওঁৰ মনে চিঞৰি উঠিল। নহয়, নহয়, বিয়াকলিয়ানা হত্যাকাৰী নহয়, বিয়াকলিয়ানা মুক্তিদাতা। তাৰ আই মাত্ৰ এজনী। ভাৰতী আই।

ডাক্তৰে ভাবিলে যে পৃথিৱীৰ প্ৰত্যেক মানুহেই একোটি বিয়াকলিয়ানা হ'ব পৰা হ'লে হয়তো জগৎখন আগ বাঢ়িলহেঁতেন। জগতত সি চিনি পায় একমাত্ৰ তাৰ কৰ্তব্য আৰু মৰমক। নেতাজী ইঙাইজঙক। তাৰ মাজত যি সংঘৰ্ষ হয়, সেই সংঘৰ্ষ মানৱীয়। তাক অস্বীকাৰ কৰি লাভ নাই।...

বিয়াকলিয়ানা। বেচাৰা...

(১৯৪৬ চন)

* * *

# সিও এক জগতৰে কথা

লুইতৰ পাৰৰ এল. এম.. হোষ্টেলটোৰ মাজৰ সেই মিলিটেৰী কেম্পবোৰ। সকলোবোৰ পাগুৰীৱালা দেশী—গাৰ গঠনে কয় পাঠান বুলি।

আবেলি পৰ। বেলিটো বৰ অস্বাভাৱিক ৰকমে ৰাঙলী হৈ পৰে। অ'ত এচপৰা গুলপীয়া মেঘ, ত'ত এদতীয়া শুকুলা শূন্য—কেৱল ৰঙৰ চাতুৰী। আকাশৰ দৈনন্দিন ফাকুৱা-উৎসৱ।

ৰহমানক তাৰ খাকি পেণ্টটো, গাৰ খাকি কামিজটো আৰু মূৰৰ পাগুৰীটোৰ সৈতে ঠিক যুদ্ধখনৰ দৰেই লাগে। অসমানভাৱে কটা গোফগোছাই ভয়াৱহ ৰূপটো আৰু বঢ়াই তোলে। তাৰ হাতত এখন কাঁহৰ থাল। তাত কেইটুকুৰামান ৰুটি আৰু দালি। লুইতৰ পানীত বেলিৰ জিল্‌মিলনি চাই আপোন মনে ৰুটি খাই থাকে। এটা অদ্ভুত বিলাসিতাৰ ভাবে তাৰ ৰুক্ষ ভোজনটোৰ স্বৰূপ বদলায়। সি খায় আৰু চায়।

মাটিয়া ৰঙৰ ওপৰত গছৰ পাতৰ ৰং দিয়া তম্বুটো তৰি থোৱা ৰচি এডালত আউজি ইস্মাইলেও এটুকুৰা ৰুটি খোৱাৰ লগে লগে গান টানে। তাৰ গানটোৱে কি বুজায়, একো স্পষ্ট নহয়—মাথোন তাৰ ৰুটি খোৱাৰ মাজত অচিন তৃপ্তিয়ে আত্মপ্ৰকাশ কৰে। ৰহমানে চায়, সি হাঁহি দিয়ে; উচ্চ হাঁহি, কিন্তু তৃপ্তিৰ।...

শেষ ৰুটিখন মুখত লওঁতেই এটা মাতে তাৰ মনোযোগ আকৰ্ষণ কৰে— “ভা-য়া”। সি থমক খাই ৰয়। সুদূৰ অসমৰ মাজত কোনে তাক 'ভায়া' বুলি মাতে—ইটো সেই পঞ্জাব দেশৰ মাজৰ ৰহমানৰ জন্ম ঠাইটুকুৰা নহয় যে তাৰ ভায়েক ...। কিন্তু সি এবাৰ দৃষ্টি পেলাই আৰু ঘূৰাই আনিব নোৱাৰা হয়। হাতৰ ৰুটিখন সি খাবলৈ পাহৰি খন্তেকলৈ ৰৈ যায়।

এটা কেটোৰ ক'লা, আদহীয়া ভিখাৰী। তাৰ মঙহবোৰ শুকাই শুকাই টান, ৰুক্ষ হাড়বোৰ ওলাই পৰিছে। মঙহবোৰ ক্ৰমে বহি গৈ হাড়ৰো বহুত তললৈ সোমাই গৈছে। চকু দুটা সোমোৱা, অনুজ্জ্বল। এটা কদাকাৰ পিশাচৰ দৰে তাৰ ৰূপ।

সি অভিভূত হয়। কৰ্মব্যস্ততাৰ নিষ্পেষণৰ মাজত সোমাই থকা প্ৰাণৰ কৰুণাধিনিয়ে অস্পষ্টভাৱে দেখা দিয়ে। খন্তেকৰ বাবে সি তাৰ অদ্ভুত ভায়াটিক চাই লয়। কিন্তু মুহূৰ্ততে তাৰ মুখ কোঁচ খাই আহে। ভিখাৰীটোৰ কৰুণ মিনতিসূচক মুখমণ্ডলে কি বিচাৰিছিল তাক সি নাভাবে। অৱজ্ঞাভৰত সি আকৌ ৰুটিখন খাবলৈ প্ৰস্তুত হয়।

এচাটি বতাহ মাৰে। ৰাস্তাৰ দাঁতিৰ আৱৰ্জনাৰ দুৰ্গন্ধবোৰ তাৰ লগতে আহি তাৰ নাকত লাগে। সি অলপ অসুখ পায়।

"ভায়া, ভিক্ষা।"

আকৌ সি বিৰক্তিভাৱে ৰুটিটুকুৰা ভাঙি লোৱাৰ পৰা থমকি কয়। সি কৰ্কশ সুৰত দম্‌দমাই উঠে, "কি ভায়া-ভায়া কৰিছ। অন্য ফালে যা, ইয়াত কি ভিক্ষা পাবি।"

ভিখাৰীটোৰ মুখখন আৰু কৰুণ হৈ উঠে। "ভায়া, ৰুটি এটুকুৰা ভিক্ষা দিয়া। প্ৰাণ যায়। আজি তিনি দিন খোৱা নাই। ভায়া।" সেই প্ৰেতমূৰ্তিৰ ভিখাৰীটোৰ জীৱনত এটা যেন ক্ষীণ পোহৰ পৰে—সেই পোহৰত তাৰ জীয়াই থকাৰ ছবিখনৰ এটা দৃশ্য চকামকাকৈ দেখা পায়। এটুকুৰা ৰুটিৰ বাবে আজি সি এটা তাকৰ দৰমহা পোৱা দুখীয়া ভাৰতীয় চিপাহীৰে কাষ চাপিছে।

তাৰ মনত এটা অচিন ভাব ওপজে। একেবাৰে অচিন ভাব। তাৰ নিজৰ ঘৰলৈ মনত পৰে। ঘৰতো তাৰ এনেয়ে দুৰৱস্থা। জীয়াই থকাৰ প্ৰচেষ্টা তাৰো চলিছে। সেই প্ৰচেষ্টাৰ অঙ্গ হিচাপেই সি আজি সৈনিক।

তাৰ মনত এটি সহানুভূতিৰ উদ্ৰেক হয়। হাজাৰ হওক সি দুখ চিনি পোৱা দুখীয়া, অন্য এটি বেছি দুখ পোৱা জীৱনৰ কথা সি নাভাবি পাৰেনে?

তিনি দিন। বহুত দিন। অনাহাৰত ভিক্ষাৰীটোৰ গোটেই শৰীৰৰ মঙহবোৰ লাহে লাহে বহি হাড়ৰ মাজত লুকাই গৈছে। হাড়বোৰ বৰ প্ৰকট হৈ প্ৰকাশ পাইছে।...

ভিক্ষাৰীটো ইতিমধ্যে অতিষ্ঠ হৈ পৰে। 'আল্লা' বুলি সি মাটিত বহি পৰিল। 'আল্লা'ৰ নাম শুনি ৰহমান চক্ খাই উঠে। তাৰ ইছলাম প্ৰাণটো জাগি উঠে। এটা হতভগীয়াৰ কৰুণ কাতৰ আহ্বানত তাৰ মিলিটেৰী মনটোও খন্তেকলৈ গ'লে। মিলিটেৰী হ'লেও সি মানুহ, তাৰো এখন প্ৰাণ আছে, সিও আল্লাক চিনি পায়।

"এই, এই ক'তো খাবলৈ বিচাৰি নাপালি?"

"নাই, কোনে দিব?"

"কেলেই, ইমানবোৰ মানুহ মৰিলে নেকি?"

কাৰুণ্যৰ মাজতো কৰ্কশতাই আত্মপ্ৰকাশ কৰে। ডবল মাৰ্চে, অতিৰিক্ত পৰিশ্ৰমে তাৰ মনত এটা কৰ্কশতা আনি দিয়ে। ই তাৰ বুটৰ দান।

"নাই, নাই, কোনেও নিদিয়ে। উস্ আল্লা। কি দুখ দিছা।"

কপালত হাতখন থৈ সি খালটোৰ ওপৰত থুৱাই দিয়ে। থুখিনি বগা. এঠাৰ নিচিনা।

ৰহমানৰ আৰু ৰুটি খোৱা নহয়। সি সহানুভূতিৰ এটি কৰুণ দৃষ্টিৰে মৰণোন্মুখী প্ৰাণটিৰ প্ৰতি তাৰ নীৰৱ সমবেদনা জনায়। তাৰ ৰুটিটুকুৰা সি হাতত লৈ অলপো পলম নকৰি ভিক্ষাৰীটোৰ ফালে আগ বঢ়াই দিয়ে। ভিক্ষাৰীৰ গ্ৰহণটো এটা কৰুণোজ্জ্বল হাঁহিৰে সমাপ্ত হয়। তাৰ গোটেই সৈনিক প্ৰকৃতিটো লৈও সি তাক সহ্য কৰিব নোৱাৰে, তাৰ 'মানুহ'টোৰে বিদ্ৰোহ কৰি মূৰ দাঙি উঠে। সি হয়তো মুহূৰ্তৰ বাবে তাৰ সৰ্বস্ব দান কৰি সেই হতভগীয়াটোক সুখী কৰিবলৈ বিচাৰে। তাৰ বুটৰ মাৰ্চৰ তলত সোমাই থকা হেঁচা খোৱা প্ৰাণটোৱে এবাৰ আত্মপ্ৰকাশ কৰে। মুহূৰ্তৰ বাবে সি ভিক্ষাৰীৰ কাহিনীটো পাহৰি যায়। এটা হাঁহিয়ে তাৰ মুখ আৱৰি ধৰে। হাঁহিটো ৰহমানৰ নিজা হাঁহি।

কেম্পটোৰ ভিতৰত সি ইস্মাইলক বৰ ভাল পায়। ইস্মাইল বদমাচ, কিন্তু সৰবৰহী, স্ফূৰ্তিমান আৰু মৰমিয়াল। সি ইস্পাহানিৰ দৰে দুষ্টও নহয়। দিনৰ দিনটো কামত জুৰুলা হৈ গধূলি ঘৰলৈ ঘূৰি আহোঁতে সকলোৱেই তাৰহে মুখত গান শুনে। তাৰ বাবে তাৰ এটা নিজস্ব হাঁহি সদায় যুগুত হৈ থাকে।

"হেৰ', তই দেখোন বৰ পীৰ হৈ পৰিলি। ৰুটি খোৱাটো বাদ দিছ নেঁকি?" ইস্মাইলৈ চিঞৰি কয়। ইস্মাইলে তেতিয়া গা ধুবৰ বাবে হ'ব পায়

লং পেন্টটো খুলিছিল। অলপ দূৰত ইস্পাহানি ৰৈ আছিল। ইস্মাইলৰ চিঞৰ শুনি ইস্পাহানিয়ে উভহা সুৰত ক'লে, "হেৰ', তই হ'ব পায় মহম্মদ ৰচুল হৈ গৈছ। ভিক্ষাৰীক ৰুটি খুৱালে কি হ'ব, নিজৰ পেট শুকুৱা বুদ্ধিহে।"

ৰহমানৰ খং উঠে। "চুপ, চুপ, মই ৰুটি যি নকৰিলো, তোৰ তাত কি? খুচি হ'লে মই নৈৰ বালিত পেলাই দিম।"

ইস্পাহানিৰ প্ৰতি সদায় তাৰ অন্তৰত এটি বিদ্বেষ আছিল। ইস্পাহানি দুষ্ট, ভ্ৰষ্ট চৰিত্ৰ বুলিয়েই তাৰ সদায় এই খং। তাৰ বিষয়ে সি ইস্পাহানিৰ কোনো কথাই শুনিব নোখোজে।

ইস্পাহানি মানুহটো কেটেঙা। চকু দুটা অন্ধ কূপত সোমোৱা। কিন্তু তাৰ খংটো সদায় চুলিৰ আগত। "এই নপুংসক চালা, তিৰোতা দেখিলে দূৰতে পলায়, তাৰ আকৌ ফুটনি।" ইস্পাহানিয়ে গা-পা ধুই পেন্টৰ বুটামটো মাৰিবলৈ ধৰি ৰৈ যোৱা অৱস্থাত বৰ কদাকাৰ হৈ দেখা দিয়ে। ঠিক যেন এৰাবাৰীৰ ভূত।...

ইন্দ্ৰিয় লালসাক ৰহমানে সদায় ঘৃণা কৰিছিল। বহুত দিনৰ আগতে এজনী ছোৱালীক সি চুমা খাব খুজিছিল। কিন্তু তাই বাধা দিলে। সি আকৌ চেষ্টা কৰিলে। তেতিয়াও তাই বাধা দিলে। সি বলাৎকাৰৰ ভয় দৰ্শালে। কিন্তু একো ফল নহ'ল। সি তাইক পিটিলে। পিটি পিটি একেবাৰে লবেজান কৰি দিলে। তাই 'আল্লা' 'আল্লা'কৈ মাত্ৰ চিঞৰিবলৈ ধৰিলে।... কিছু পৰৰ পাছত কু-বতাহ জাক গাৰ পৰা গ'লত, সি শাঁত; তেতিয়া তাৰ অনুতাপ আহিল। সি ভাবি নাপালে সি কিয় তাইক মাৰিলে?

... তাইৰ কি দোষ? তাইৰ নিজৰ ইচ্ছা-অনিচ্ছা, সুখ-দুখ প্ৰকাশ কৰিলেই তাই দোষী নেকি?

জীৱনত সেইটোৱেই তাৰ প্ৰথম আৰু শেষ ভুল। তাৰ পৰা সি কোনো কালেই ভ্ৰষ্টাৰ ৰাজ্যতো ভৰি দিয়া নাই আৰু অভ্ৰষ্টাৰো কাষ চপা নাই। ই তাৰ অসৈনিক প্ৰকৃতি। কিন্তু সি তাৰ ভাবটোক হাতছাড়া কৰা নাই তাক সদায় তাৰ নিজা সম্পত্তি কৰি ৰাখিছে।... কোনোবাই তাক এই বিষয়ে কটু কথা শুনালে, সি সহ্য নকৰে।

আজিও ইস্পাহানিক সি ক্ষমা নকৰিলে। কি এক উত্তেজনাত তাৰ ভীমকায় শৰীৰটো হঠাতে লৰাই তাৰ ফালে লৰি যায়। হঠাতে ইস্মাইলে

হাতত ধৰি তাক ওভোতাই আনে। ইস্মাইলে ৰহমানক ভালকৈয়ে বুজে। ইস্পাহানিয়ে অনৰ্থক কিছুমান কথা বলকি তেনেতে শিবিৰৰ ভিতৰলৈ সোমাই যায়।

ইস্মাইলৰ সৈতে সি আহি ভিক্ষাৰীটোৰ ওচৰত থিয় দিলেহি। ইস্মাইলে তাক মৰমতে কয়, "ইমান খং উঠেনে?" সি উত্তৰ নিদিলে। তাৰ পুৰুষত্বৰ অপমান হ'লে সি কোনোদিনে কাকো ক্ষমা কৰি অহা নাই। ইস্পাহানিৰ দৰে লম্পট এটাৰ মুখ সি সদায় শাসন কৰিবলৈহে বিচাৰে।

ইস্মাইলে হাঁহিলে। সি তাক শান্ত হ'বলৈ দিয়ে। তাৰ পাছত ধীৰে ধীৰে কয়, "লম্পটটোৰ ওপৰত খং কৰিলে হ'ব? সি চিনি পায় মদ, মাংস আৰু মাইকী। সিতো পঞ্জাৰী নহয়েই, সি কাফেৰ।" ৰহমানৰ মুখত কোনো পৰিবৰ্তনৰ ভাব ফুটি নুঠিল। তথাপি সি ইস্মাইলৰ কাষত কিছু দূৰ সৈমান হয়,—এডাল অদৃশ্য জৰীৰে দুয়োৰো প্ৰাণ বন্ধা আছে।

লুইতৰ পাৰৰ এজাক চেঁচা বতাহ বলে। কাতি তেতিয়া গৈ আঘোণত সোমায়গৈ। বাটৰ ওপৰেদি অনবৰত কেৱল মিলিটেৰী 'চাহাব'বোৰে চলাই যোৱা কিছুমান মিলিটেৰী গাড়ী পাৰ হৈ গৈছে। ৰাস্তাৰ ধূলি উৰাই গাড়ীবোৰ বিশ্বাশবদে দৌৰে। চেঁচা বতাহজাকৰ লগত মিহলি হৈ সেইবোৰ আহি সিহঁতৰ গাত লাগেহি। বৰ বিৰক্তিজনক স্পৰ্শ।...

ভিক্ষাৰীটোৱে সিহঁতৰ সকলো কাণ্ড-কাৰখানা আওকাণ কৰি একান্ত মনে ৰুটিটুকুৰা টানি টানি চোবাইছিল। এটুকুৰা মুখত ভৰাই সি তাক গিলিবলৈকে বহুত সময় লৈছিল। তিনি দিনৰ অনভ্যাসত যেন সি খোৱাৰ পদ্ধতিটোকে পাহৰি পেলায়। নিৱিষ্ট মনে ৰাস্তাৰ ধূলি, খালৰ দুৰ্গন্ধ, সৈনিকৰ কন্দল উপেক্ষা কৰি সি কেৱল খায়।

শেষৰ ৰুটিকণ মুখত সোমাবলৈ ধৰোঁতেই তাৰ হাতখনত আৰু এখন দুৰ্বলতৰ হাতৰ খামোচ পৰে। সি ৰু টিকণ নিজৰ হাতত ৰাখিবৰ বাবে আপ্ৰাণ চেষ্টা কৰে। কিন্তু খামোচটো এৰুৱাব নোৱাৰি সি, "ভায়া, ভায়া"কৈ চিঞৰি উঠে। তাৰ মাতত এটি অসম্ভৱ সহায়হীন দুৰ্বলতা ফুটি উঠে। দানহৰ অত্যাচাৰত ভূতো যেন পৰাভূত হয়।

সিহঁত দুয়োটাই উভটি চায়। এজনী ছোৱালীয়ে ভিক্ষাৰীটোৰ হাতত থকা অকণমান ৰুটিটুকুৰা ল'বলৈ তাৰ হাতখনত ধৰি থকা দেখে।

ছোৱালীজনী—ছোৱালীতো নহয়, কুটুৰা চুলি, কঙ্কাল-প্রায় অবয়বেৰে যেন সাক্ষাৎ এজনী যখিনী। এখন মৰণোন্মুখী মুখৰ পৰা অকণ ৰুটি কাঢ়ি নিবলৈ তাইৰ অৱতাৰ। দুয়োটাই অস্বাভাৱিকভাৱে টনা-আঁজোৰা কৰি সিহঁতৰ কাষত ভোকৰ আবেদন পেচ কৰে।

ৰহমানে তাৰ পুৰণি খং পাহৰে। ভিক্ষাৰীজনীৰ প্রতি নতুন খঙত অভিভূত হৈ সি ক'লে, "এই হাৰামজাদী, তাৰ ৰুটি কেলেই টানিছ? মৰিবি। এৰি দে, দিছ নে এৰি।"—তাৰ মুখত প্রতিশোধৰ ভাববোৰ স্পষ্ট হৈ ফুটি উঠে।

তাই কাতৰ হৈ চিঞৰি উঠে, "ৰামৰ শপত, আজি চাৰিদিন একো খোৱা নাই। নাখালে মৰিম... উস্ ভগৱান।" তাই খামোচতো নেৰে। ভোকাতুৰাই কাৰো ৰঙা চকুৰ শাসনলৈ ভয় নকৰে, তাইৰ একমাত্র সমস্যা ৰুটিটুকুৰা কেনেকৈ পায়। দুটা বুভুক্ষিত প্রাণীৰ মাজত যুঁজ হয়—সংসাৰৰ দুৰ্বলতম যুদ্ধ কিন্তু অতি সত্য যুদ্ধ। বাটত চেই চেই কৰি যোৱা কুকুৰৰ দৰে অকণি ৰুটিৰ বাবে সিহঁতে যুঁজ হয়—অতি নিৰ্ভুল যুঁজ, অতি সঁচা যুঁজ। ইয়াত মানৱতা নাই, সমাজ নাই, শাসক নাই, মিছা দম্ভ নাই, ভুৱা ৰাজনীতি নাই—একো নাই। শক্তি শেষ হৈ যোৱা দুটা মানৱাত্মাই আজি ভোকৰ ৰণত আত্মনিয়োগ কৰিছে। জগতত সিহঁতে আজি একো চিনি নাপায়, কেৱল ভোক আৰু ৰুটি। এৰা, ভোক আৰু ৰুটি!

সেই যুঁজখন সিহঁতে নিজৰ ধৰণে চায়। আল্লা আৰু ভগৱান দুয়ো ভোকত অস্থিৰ। ৰহমানে তাইক আৰু এবাৰ সাৱধান-বাণী শুনায়ো নিশ্চেষ্ট কৰিব নোৱাৰে। সি ভাবে, সি তাইক এশিকনি দিব নে নিদিয়ে। কিন্তু ইস্মাইলৰ অকস্মাতে গম্ভীৰ হৈ যোৱা মুখখনি দেখি সি বিমোৰত পৰে। এনেকুৱা ঘটনাৰ মাজত সি কোনোদিন সোমোৱা নাই। মানুহৰ অধঃপতন দেখি সি যেন নিজে নিজে লজ্জিত হয়। দেশ লৈ যুদ্ধ কৰা কি কথা, সি তাক ভালকৈ চিনি পায়, কিন্তু ভোক লৈ, ৰুটি এটুকুৰা লৈ যুঁজ কৰা সি এই প্রথম দেখে। তাৰ মনত হয়, ইহঁত যেন মানুহ নহয়, ইহঁত পশু। কিন্তু দুয়োটাই আল্লাক চিনি পায়, ভগৱানক চিনি পায়,—এটা হিন্দু, আনটো মুছলমান। এটা তাৰে ধৰ্মৰ, এটা দেশৰ ধৰ্মৰ।

কিন্তু হিন্দুৱেতো মুছলমানৰ লগত নাখায়। আজি কিয় হিন্দুৱে মুছলমানৰ

ৰুটি কাঢ়ি নিব খোজে। হিন্দুৱে কি ধৰ্ম পাহৰিছে নেকি? সি ভাবে। আৰু মুছলমান—তাৰ কি আৱশ্যক হ'ল এইদৰে এটা সৈনিকৰ পেলনীয়া খাবলৈ আগ বাঢ়ি অহাৰ? এটুকুৰা ৰুটিৰ একাংশ দান কৰিবলৈও সি আজি নিঃস্ব নে?—সি ভাবিবৰ চেষ্টা কৰে।

নহয়, নহয়, ইহঁত হিন্দুও নহয়, মুছলমানো নহয়। ইহঁত ভিক্ষাৰী, ইহঁত নৰকৰ কীট, ইহঁত পঁচা জীৱ—পচিবৰ বাবেই জন্ম। সি নিজকে নিজে সান্ত্বনা দিব খোজে।

সেইবোৰে তাৰ মনত সূক্ষ্ম ভাবৰ প্ৰতিক্ৰিয়া তোলে। সিহঁতৰ পঁচা জীৱনবোৰৰ প্ৰতি কিয় তাৰ সহানুভূতি হয়? কিয় সিহঁতক সকলোকে কন্দুৱায়... নহয়, নহয়, সিহঁতৰ দোষ নাই। সিহঁতক কোনেও খাবলৈ দিয়া নাই। সিহঁত ভিক্ষাৰী—সিহঁতৰ নিজৰ কিটো আছে? সিহঁতৰ জাতেই হৈছে ভিক্ষাৰীৰ।...

কিন্তু আল্লা! আল্লাই কি সিহঁতক চকু মেলি নাচাব?

"এই বাবুৰ্চি।" ইস্মাইলে মতা সি শুনে।

শিবিৰৰ সিফালৰ পৰা খাকি সাজ পিন্ধা এটা মানুহে দেখা দিয়ে।

"এই এখন ৰুটি... নহয় দুখন ৰুটি লৈ আহ।" কথা শুনি মানুহটো শিবিৰৰ সিফালৰ পাকঘৰটোত অদৃশ্য হৈ পৰে। সিয়ো হয়তো বুজে—ৰুটি কিয় লাগে।

"ইস্মাইল, আল্লা কি দুনীয়াত নাই?"—ৰহমানে হঠাতে সোধে।

ইস্মাইলে তাৰ মুখলৈ এবাৰ চালে। কৰুণতাৰ জড়তা ভাঙি সি হাঁহি হাঁহি কয়, "আল্লা থাকিলেও থাকিব পাৰে। কিন্তু, ভোকত ভাত দিয়া আল্লা বা ভগৱান একো নাই এইটো ঠিক।"

ৰহমানে ইস্মাইলৰ ৰসিকতা ভালদৰে বুজিব নোৱাৰে। সি সোধে, "কেনেকৈ?"

"বাৰু চা।" বাবুৰ্চিটো ইতিমধ্যে আ ি কাষত থিয় দি আছিলহি। তাৰ হাতৰ পৰা দুটুকুৰা ৰুটি লৈ এখনক সি সমানে দুভাগ কৰিলে। তাৰে এভাগ সি বুঢ়াটোৰ ফালে টোঁৱাই তাক ল'বলৈ কয়। ৰুটি দেখিয়েই নৰপশুহঁতৰ যুঁজ বন্ধ হ'ল। ভিক্ষাৰীটোৱে ৰুটিকণ হাতত লৈ খাবলৈ ধৰিলে। বাকী ডেৰখন ৰুটি ইস্মাইলে ভিক্ষাৰীণীজনীলৈ আগবঢ়াই দিলে। দুয়ো ভিক্ষাৰীৰ

যুঁজ ভাগি যায়। ভিক্ষাৰিণীজনীয়ে সন্তুষ্টচিত্তে ৰুটি খাবলৈ লয়।

ভিক্ষাৰীটোৱে অৱশ্যে ভাগত কম পাই মনে মনে ভোৰ্-ভোৰাইছিল কিন্তু ইস্মাইলে ডাবী দি ক'লে, "তই আগতে এখন খাইছ নহয়। হিন্দু-মুছলমানে সমানে সমানে পাবি। কোনেও কম নাপাব, বেছিও নাপাব।' ইস্মাইলৰ অদ্ভুত ৰসিকতাই সীমা নেমানে।

ৰহমানে হাঁহে—"ৰুটি দিব পৰা আল্লা তয়ে নেকি?"

ইস্মাইলে অলপো সময় খৰচ নকৰি কয়, "এৰা ময়ে!"

ৰহমানে ৰসিকতা কৰি কয়, "তোতকৈ বেছি ৰুটি দিব পৰা আল্লা বহুত ওলাব।" দুয়োটাই হাঁহি দিয়ে।

ভিক্ষাৰী দুটাই একান্ত মনে খোৱাত লাগে। হঠাতে দূৰত এটা খিকিন্দালি শুনা যায়। সিহঁতে চায়। ইস্পাহানিয়ে বাটেদি যোৱা নাৰ্চ এজনীক কিবা কিবি কৈ হাঁহিছে। নাৰ্চজীনয়ে তাৰ ফালে কেৰাহিকৈ চাই গুচি গৈছে।

ৰহমানৰ চকুৰ চেলাউৰীযোৰ থোপা হৈ উঠে। ইস্মাইলে হাঁহে। ভিক্ষাৰী দুটাই আপোন মনে খাবলৈ ধৰে।...

সন্ধিয়াৰ আন্ধাৰে পৃথিৱীত আগন্তুক নিশাৰ জাননী দিয়ে।

(১৯৪৪ চন)

* * *

# প্ৰফুল্ল বড়া

আবেলিৰ ঘূৰ্‌ঘূৰীয়া গৰমেৰে ৰ'দে গেটৱে অৱ ইণ্ডিয়া তপতাই তুলিলে, পাৰৰ গড়বোৰৰ পৰা তাপ ওলাবলৈ ধৰিলে। সাগৰৰ পানীত জোপ লৈ থকা ব'টবোৰ তেতিয়া নিশ্চল। প্ৰফুল্ল বড়াৰ স্থিৰ চকু ক'ত নিৱিষ্ট তাক এবাৰ চালো। তাৰ আইৰ সাঁচৰ পৰা গাল দুখনৰ ওপৰৰ কেৰা চকুযুৰিৰ ভাষা মই সহজে ধৰিব নোৱাৰিলো! খুব সম্ভৱ সি তেতিয়া গেটৱে অৱ ইণ্ডিয়া বিজয়ৰ দম্ভলৈ নিৰীক্ষণ কৰিছিল। বগা বঙালৰ এই প্ৰৱেশদ্বাৰ এতিয়া সিহঁতৰ নিষ্ক্ৰান্তিৰ পদূলি মুখহে।

বাওঁফালৰ পকী বেঞ্চত অকণ ছাঁ দেখা পাই তাতে বহিলো। প্ৰফুল্ল বড়াক মাতি ক'লো, "তই তেনে ঘৰ এৰিবি?"

"তই হ'ব পায় তাকে ভাবি আছ। ঘৰ এৰা কথাটোনো কি বৰ ডাঙৰ কাম?" বড়াই হাঁহি হাঁহি মোৰ ওচৰলৈ আহি, তাৰ ক্ষীণ তপিনাটো বেঞ্চিত থ'লে আৰু মোৰ পিঠিত চপৰিয়াই ক'লে, "তই বৰ ভাবপ্ৰৱণ!"

মই ভাবপ্ৰৱণেই, কিন্তু বড়া দানৱ। তাৰ বিয়া কৰোঁৱা তিৰোতা ঘৰত আছে, মাক আছে, ককাই-ভাই আছে, এখন মৰিচা পৰা দেৱালেৰে পুৰণি দুমহলীয়া ঘৰ আছে। মানৱ হোৱা হ'লে সি কিয় ঘৰ এৰিব?

এখন ব'টত হুইছল বাজিল, আৰু লগে লগে পানী ভাঙি সেইখন আগ বাঢ়িল। খন্তেকপৰ তাকে চাই কঠুৱা কথোপকথনৰ পৰা অৱসৰ বিচাৰিলো।

খন্তেক পৰৰ পাছত অলপ জুৰ পৰিল। এজন বুঢ়া পাৰ্চী নীৰৱে তাজমহল হোটেলৰ ফালৰ পৰা নামি আহি ঠিক আমাৰ দাঁতিতে বহি পৰিল আৰু আমালৈ মই-বৰ ভাবেৰে এবাৰ চাই সাগৰৰ ফালে মুখ ঘূৰালে।

বড়া ইতিমধ্যে উঠি পৰিল।

অগত্যা ময়ো উঠিলো। তাৰ পাছত নীৰৱে আগ বাঢ়িলো ৰাস্তাৰ পিনে। মানুহবোৰ তেতিয়া আহিছে—সাগৰৰ বতাহ খাবলৈ। কেইজনমানে মহানগৰীৰ শেহতীয়া অপবাদটিৰ বিষয়ে আলোচনা কৰিছে।

... "নানাৱতীক মুক্তি দিয়া উচিত ।"

"ওহোঁ। তেতিয়া হ'লে ন্যায় সোধাৰ অৰ্থই নাইকিয়া হ'ব। সি আহুঝাক মাৰিছে।"...

বড়াই কথা-বতৰাবোৰ শুনি মোক ক'লে, "বোম্বাইৰ মতা মানুহবোৰে ভয় খাইছে। লম্পট তিৰোতাৰ প্ৰণয়ীক গুলী কৰাটোহে যেন ন্যায়।"

মোৰ বিবেক কঁপি উঠিল। যদি মোৰ তিৰোতাক কোনোবাই অপহৰণ কৰে, তেন্তে মই জানো নানাৱতীৰ দৰে গুলী নকিৰম। অথচ গুলী কৰাটো অপৰাধ।

প্ৰফুল্লই হাঁহি হাঁহি ক'লে, "পৰকীয়া প্ৰীতি আমাৰ সভ্যতাৰ এটা অঙ্গ।"

প্ৰফুল্লৰ প্ৰত্যেকটো কথাতে ঘৰ আৰু তিৰোতাৰ ওপৰত ব্যঙ্গ ফুটি উঠিল। মোৰ ভাবৰ সতীত্ব ধ্বংস কৰিবৰ বাবে সি যেন গুলী লৈ উদ্যত। তাৰ সংহাৰ-মূৰ্তি দেখি মোৰ ভাল-বেয়াৰ ধাৰণাৰ ভেটি কঁপি উঠিল।

বোম্বাই চহৰখনক কিয় জানো হঠাতে আজি বৰ লম্পট যেন বোধ হ'ল। বোধ হ'ল পৰকীয়া প্ৰীতি এই চহৰৰ যেন জীৱনৰ এটি বিশিষ্ট অঙ্গ।

আমি এখন টেক্সি লৈ বড়াৰ ঘৰলৈ গ'লো। বাটছোৱা দীঘল, মাজতে এবাৰ সাগৰো দেখিলো, বিৰাট বোম্বাইৰ বিৰাট অট্টালিকাবোৰ আৰু হুলস্থূল হৈ থকা যান-বাহনবোৰত সন্ধিয়াৰ কাম সমাপ্তিৰ জাননী পাইছিলো। কিন্তু অগণন জনসমুদ্ৰৰ মাজত কোনো জোৱাৰ নাই, কেৱল ভাটা। বোম্বাইৰ হৃদয়-সাগৰ তেতিয়া শান্ত আৰু ক্লান্ত। টেক্সিত বহি বড়ালৈ চাই কেৱল ভাবিছিলো, কেতিয়া জোৱাৰ আহিব সাগৰবোৰত.?

বড়াৰ ঘৰত সোমাই বহিলো। বহুত পৰ গ'ল, প্ৰফুল্ল যি ভিতৰত সোমাল, আৰু নোলাল, ভিতৰৰ পৰা গুণ্‌গুণ্‌কৈ নানাবিধ ওৰ নপৰা কথাৰ শব্দ আহি কাণত পৰিল। কি কথা পাতিছে ইমান সময় সি! তিৰোতাক সি ভালেই নাপায় অথচ তাইৰ লগত পাতিব লগা কথা ঢেৰ।

প্ৰশস্ত বাৰান্দাটোত বহি এনেয়ে এবাৰ বড়াৰ জীৱন-বুৰঞ্জীৰ কথা ভাবিলো। বত্ৰিশ বছৰৰ আগতে এই মৰিচা পৰা দেৱালৰ আঁৰতে তাৰ জন্ম

হৈছিল। বাপেক-মাকে নিয়ম মতে পূজা-পাতল কৰিছিল আৰু তাক পৃথিৱীৰ হিন্দু নাগৰিকৰ তালিকাত ভৰ্তি কৰি দিছিল। অগাধ সম্পত্তি তেতিয়া তেওঁলোকৰ হাতৰ পৰা লাহে লাহে ওলাই গৈছে। বিজিনেচ পৰি গ'ল। যিমানে গান্ধীজীৰ বিদেশী বৰ্জন আন্দোলনৰ মাত্ৰা চলিবলৈ ধৰিলে, সিমানে বাপেকৰ বিদেশী পাট কাপোৰৰ ব্যৱসায় বেয়া হ'বলৈ ধৰিলে। বডা যেতিয়া বুজন হ'ল, তেতিয়া সি এই চ'ৰাঘৰটোতে বিমৰ্ষ বাপেকক মাকৰ সৈতে বহি মনৰ অশান্তিত কাল কটোৱা দেখিছিল। জোৱাৰত সকলো তিতে, বডা পৰিয়ালো তিতিলে। কালক্ৰমত ডেকা বডাইঁতে স্কুল এৰি দিলে।

আগৰ বিজিনেচ ঘূৰি নাহিল। দাৰিদ্ৰ্য নাহিলেও অভাৱ বাঢ়িল; আৰু ধনী পৰিয়ালটিৰ ল'ৰা-লুৰিৰ মাজত কন্দল বাঢ়িবলৈ ধৰিলে। বৰপুত্ৰই বিয়া কৰাই ঘৰ-বাৰী কৰিলে কিন্তু ঘৰ-বাৰীৰ জনসংখ্যা দিনক-দিনে ইমান বাঢ়িবলৈ ধৰিলে, আৰু পত্নীৰ স্বাস্থ্য ইমান পৰিবলৈ ধৰিলে যে এদিন বৰ পুতেকে বাপেকৰ তিৰস্কাৰ সহ্য কৰিব নোৱাৰি ফলচ্ চেকত টকা উলিয়াবলৈ চেষ্টা কৰি জেললৈ গ'ল। বডা পৰিয়ালৰ মুখত কলঙ্কৰ ছাই লাগিল। দ্বিতীয় পুতেকেও চাকৰিত সোমাই সংসাৰ কৰি ককায়েকৰ আদৰ্শৰে জনসংখ্যা বঢ়াবলৈ লৈছিল। তেনেতে বিমৰ্ষ আৰু দুৰ্ভগীয়া বাপেকে চিৰকাললৈ চকু মুদিলে। লগে লগে ধন-সম্পত্তিৰ অৱশিষ্ট অংশখিনি লৈ পুতেকহঁতৰ মাজত দুৰ্বাদল কাজিয়া হ'বলৈ ধৰিলে। সেই মহাৰণত বাদ পৰি থাকিল কেৱল প্ৰফুল্ল আৰু তাৰ নুমলীয়া ভায়েকটি। আন কি চিৰ শান্ত মাকেও সম্পত্তিৰ কলহত গা ঢালি দিলে।

দেশৰ বতৰ তেতিয়া জোৱাৰৰ অনুকূল। সেই বিসদৃশ দৃশ্য চাই চাই অসহ্য হৈ এদিন বডাই ঘৰৰ পৰা মাজ নিশা চম্পট দিলে—বোম্বাইৰ গলি অঞ্চললৈ। বিয়াল্লিছৰ বিপ্লৱৰ জোৱাৰত গা উটুৱাই দি বডাই দিনে-নিশাই অনাই-বনাই 'আজাদীৰ লড়াই' কৰিলে। সেই লড়াইৰ বৰ্ণনাবোৰ মোৰ মনত এতিয়া অস্পষ্টৰূপে প্ৰতিভাত হৈছেহি। পৰেলৰ বস্তিয়ে বস্তিয়ে ঘূৰি ফুৰা নিশাচৰ বডাৰ সু-কোমল মুখখনিত ফুটি উঠা বৃহৎ উৎকণ্ঠা আৰু স্থিৰ দুচকুৰ ছবি কল্পনা কৰি মোৰ দেশপ্ৰেমত প্লাৱিত অন্তৰখন নাচিবলৈ ধৰিলে। কেইজনৰ ভাগ্যত এনে মহৎ সংকল্পত নামি কাম কৰাৰ সৌভাগ্য ঘটিছে? পৰেলৰ বস্তি মই নিজে দেখা নাই, কিন্তু দূৰৰ পৰা চাইছোঁ? বোম্বাই

মহানগৰীৰ নিৰ্মাতা সিহঁত, আৰু দেশৰ বহুতো বস্তুৰ উৎপাদক সিহঁত। এই কথা জানো। কিন্তু বড়াই একমাত্র মানুহ যি জানিছিল যে সিহঁতৰ মনত নতুন সৃষ্টিৰ সুপ্ত শক্তি লুকাই আছে।

বিয়াল্লিছৰ জোৱাৰ গ'ল, তাৰ পাছত ভাটা আহিল। কিন্তু তথাপি বড়াৰ বনবাস অন্ত নহ'ল। সি সক্রিয়ভাৱে কাম কৰিবলৈ লাগি গ'ল। কিন্তু বড়াৰ ভয়ানক কষ্ট হ'ল; খাৰ অঞ্চলৰ এটি ঘোকোট ঘৰত সি এজন বন্ধুৰ লগত থাকিবলৈ ল'লে। বন্ধু-পত্নী থাকে এটা কোঠাত সি থাকে আনটোত। আন দুটা কোঠা আছিল, তাতো দুজন সহযাত্রী থাকিছিল। বন্ধুৱে কাম কৰে কেৰাণীৰ, যি টকা পায় তাৰে কোনো ৰকম নচলে; সি থকা অৱস্থাতে এদিন বন্ধু-পত্নীৰ এজনী ছোৱালী হ'ল আৰু কিবা দুৰ্বিপাকত বন্ধুৰ কাম গ'ল। সেইদিনা ভূমিষ্ঠ কন্যাৰ কান্দোনৰ লগতে বৰ্খাস্ত পিতৃৰ কান্দোন মিহলি হৈ পৰিল। সেই দৃশ্য দেখি বড়াৰ অন্তৰ গলি গ'ল আৰু এক পৰম দয়াত ক'লে—"বন্ধু, তুমি কাম বিচাৰা, মই ইহঁতক চাম।" সেই পৰম দয়াৰ গৰাকী বড়াৰ প্ৰতি মোৰে কিয় পৃথিৱীৰ সকলোৰে সহানুভূতি উপজিব, তাত সন্দেহ নাই। তেতিয়াৰে পৰা বড়াৰ জীৱনত দায়িত্ব বাঢ়ি গ'ল; বন্ধু-পত্নীৰ চিকিৎসা, শিশুৰ আহাৰ আৰু সিহঁতৰ আটাইৰে খোৱাৰ খৰচ গোটাওঁতে গোটাওঁতে বড়াৰ শৰীৰৰ আঁত মৰি গ'ল। তাৰ অলেখ দয়াশীল বান্ধৱে তাক মহৎ সেৱাত সহায় কৰিছিল, কিন্তু খৰচ বাঢ়ি যোৱা দেখি দয়াশীলসকলৰো মন পৰিৱৰ্তন হ'ল। এদিন বড়াই দান নাপাই বিফল হৈ জুহু বালিত বহু নিশালৈকে বহি আছিল; বহি বহি ৰাতি পুৱাই গ'ল। পুৱা চকুত টোপনি লৈ যেতিয়া সি বহালৈ উভটি আহিল, তেতিয়া সি দেখিলে বন্ধু-পত্নী শিশুসহ দগ্ধ।

তাৰ পাছত তাৰ মনত দয়াৰ ভাব কমি গ'ল, কৰ্তব্যৰ শেষ সীমা দেখা পালে। কিন্তু ইতিমধ্যে তাৰ শৰীৰ ইমান দুৰ্বল হৈ পৰিলে যে সি দুই-তিনি দিনৰ মূৰতে নিজৰ দেহৰ মাজত আৱিষ্কাৰ কৰিলে প্লুৰিছি।

তাৰ পাছত সি হাস্পতালত ভৰ্তি হ'ল। এদিন সেই হাস্পতাললৈকে খবৰ পাই আহিল বৰ ককায়েক। ঘৰৰ খবৰ সুধি সি জানিব পাৰিলে যে বাপেক ঢুকাল, মাক তাৰে চিন্তাত আকুল। দোধোৰ-মোধোৰ অৱস্থাত পৰি সি সেইদিনা সুদীৰ্ঘ বনবাস ত্যাগ কৰি ঘৰলৈ উভতি আহিল।

অসুখ তেতিয়া আৰোগ্যৰ পথত কিছুদিন অলস জীৱন-যাপন কৰি সি দেখিলে তাৰ জীৱনৰ সকলো সাধনা যেন পৈতৃক ভূমিৰ ওপৰত পৰি একেবাৰে অসাৰ্থক হৈ পৰিছে। সম্পূৰ্ণৰূপে যেন ভাটা আহি গ'ল। জোৱাৰ আৰু নাই।

সেই স্থৱিৰতাৰ মাজত একমাত্ৰ আবহমান নদী হ'ল মাক। মাকৰ মাজত সি পৰিৱৰ্তন লক্ষ্য কৰিলে, মাক আগতকৈ প্ৰগলভা হ'ল। এনে ভাবেৰে তেওঁ কথা ক'বলৈ লাগিল যেন বাকীকেইটা পুতেকক লৈ তেওঁৰ চিন্তা নাই, চিন্তা বডাক লৈহে। এনেদৰে ঘূৰি ফুৰা বনৰীয়া ল'ৰাক ঘৰচীয়া কৰাই মাকবিলাকৰ চিৰাচৰিত ধৰ্ম। বডাই ঘৰতে অলসভাৱে জিৰণি লৈ সদায় মাকৰ উপদেশ শুনে। এদিন কোন নো তলকত আহি মাকে তাৰ বিয়াৰ আয়োজনৰ কথা ক'লেহি, তাক সি ক'বই নোৱাৰে। শুনি তাৰ মূৰত বজ্ৰপাত পৰিল আৰু ইচ্ছা হ'ল আকৌ ঘৰ এৰি বাহিৰলৈ ওলাই যাব। কিন্তু নোৱাৰিলে। মাকে অনবৰত অশ্ৰু বৰ্ষণ কৰিবলৈ ধৰিলে, ককায়েকহঁতে শান্তভাৱে বুজিবলৈ ধৰিলে আৰু লগৰ দুই-এক বন্ধু-বান্ধৱেও আহি সদুপদেশ দিলে। তাৰ মন ঘূৰিল। আৰু এদিন বৰযাত্ৰীৰ সৈতে সি আওৰঙ্গাবাদ পালেগৈ শুভ বিবাহৰ অৰ্থে।

কন্যা যেতিয়া ঘৰলৈ আহিলে তেতিয়াহে বুজিলে কন্যা বধুহে, পত্নী নহয়। তাইৰ মাজত আছে এখন অন্ধ গাঁৱলীয়া সমাজৰ সকলো সংস্কাৰ। প্ৰতি খোজে খোজে পাপৰ আশঙ্কা দেখা তাই এজনী নিতান্ত সাধাৰণ ছোৱালী। অনেক কষ্ট কৰিও বডাই তাইক ভাল পাব নোৱাৰিলে।

এনেতে সি মন কৰিলে ঘৰখন নৰককুণ্ড হৈ পৰিছে। মাকৰ অত্যাচাৰ দিনক দিনে বাঢ়িবলৈ লৈছে। বোৱাৰীয়েকহঁতৰ প্ৰতি খোজে খোজে তেওঁ দোষ দেখে আৰু পাপ আৱিষ্কাৰ কৰে। কিছুদিনলৈ সি একো মতা নাছিল, কিন্তু এদিন যেতিয়া তাৰ পৰিত্যক্ত ঘৈণীয়েকক সিহঁতৰ বিচ্ছেদৰ আচল জগৰীয়া বুলি দাবী কৰি মাকে নিৰ্দোষী গাঁৱলীয়া ছোৱালী মৃণালক তিৰস্কাৰ কৰিবলৈ ল'লে সেইদিনা বডাৰ অসহ্য হ'ল। সি জানে আচল জগৰীয়া মাক, মৃণাল নহয়। গধূলিলৈ সি ককায়েকহঁত আৰু মাকহঁতক গোটাই তাৰ প্ৰস্তাৱ দাঙি ধৰিলে, প্ৰত্যেক পৰিয়াল বেলেগ হ'লেহে যদি ঘৰখনলৈ শান্তি আহে। প্ৰথমতে অনেক উখনা-উখনি হৈছিল, কিন্তু শেহলৈ সকলো মান্তি হ'ল।

বেলেগ হ'লত প্ৰত্যেকৰে দায়িত্ব আহিল আৰু ঘৰখনত কিছু শান্তিয়ে বিৰাজ কৰিলে। কিন্তু বডাৰ জীৱনহে আকৌ বনৰীয়া হ'ল। ঘৰখনৰ প্ৰতি, ঘৈণীয়েকৰ প্ৰতি আৰু মাকৰ প্ৰতি তাৰ মোহ কমি গ'ল। সি আজি-কালি দিনটো বাহিৰত কটায় আৰু ৰাতিও ঘৰত আলহীৰ দৰে থাকে। এই প্ৰশস্ত চ'ৰাঘৰটোতে সি বহুতো ৰাতি কটাইছে। তাৰ কোঠাৰ দুৱাৰ সদায় খোলা থাকে, ঘৈণীয়েকো সাৰে থাকে, কিন্তু তথাপি সি নাযায়। মৃণালো আহিবলৈ ভয় কৰে।

সেইদিনা দেৱালী; শেহ নিশাও দীপাৱলী আছিল। বডাই একান্ত মনে তাৰ অতীত জীৱনৰ বনবাসৰ কথা ভাবিছিল। হঠাতে সি মন কৰিলে ভৰিৰ তলুৱা ছুই কোনোবা এটি প্ৰাণী পোন হৈ তাৰ কাষত থিয় দিছে। সি তাইক এবাৰ কাষ চপাই বুকুত সোমাই লওঁ বুলি ভাবিলে। কিন্তু নোৱাৰিলে। মৃণাল—মৃণাল বুলি, মৃণালৰ কু-সংস্কাৰচ্ছন্ন মনকহে সি ঘিণাইছিল। নহ'লে, মৃণালতো কম ধুনীয়া নহয়—বৈ পৰা চেলাউৰি, জোঙা নাক, তেজগোৰা বগা বৰণ, হাঁহি থকা এযুৰি চকু। কিন্তু যেতিয়াই মৃণালে কথা কয়, তেতিয়াই স্পষ্টভাৱে ওলাই পৰে তাই কোন পৰিৱেশৰ আৰু কাৰ বাবে সৃষ্টি। আওৰঙ্গাবাদৰ কোনো এক স্বাস্থ্যৱান খেতিয়ক-পুত্ৰ অথবা কাছাৰীৰ ডেকা কেৰাণী তাইক লৈ সুখী হ'ব পাৰিলেহেঁতেন, কিন্তু তাই বডাৰ বাবে নহয়। ইমান কু-সংস্কাৰ, নৈষ্ঠিকতা, পাপৰ দাসত্ব আৰু অজ্ঞানতাৰ দেৱাল ভেদ কৰি বডাই মৃণালক উদ্ধাৰ কৰিবলৈ সমৰ্থ নহয়। গোটেই জীৱন ব্যৰ্থ হৈ যাব, তথাপি মৃণালে প্ৰাণ নাপায়।

মৃণালে লাহে লাহে ক'লে, "মই কি কৰিম?"

বডাই ক'লে, "মা আছে, তুমি থাকা। মই তোমাৰ ভৰণ-পোষণ কৰিম।"

মৃণালে উচুপিবলৈ ধৰিলে। শেষ নিশাৰ নিয়ৰৰ টোপালৰ দৰে চকুপানী সৰিলে, কিন্তু এষাৰি প্ৰতিবাদ ফুটি নুঠিল। মই জানো মৃণালে যদি এষাৰি প্ৰতিবাদ কৰিব পাৰিলেহেঁতেন, তেন্তে বডাৰ তাইৰ ওপৰত আস্থা বাঢ়িলেহেঁতেন আৰু তাই নিৰ্বিবাদে তাৰ হৃদয়ত আসন পালেহেঁতেন। কিন্তু তাৰ সলনি তাই ক'লে, "মই আওমৰণে মৰিম।" বডাই একো উত্তৰ নিদিলে, কাৰণ সি জানে মৃণালে আত্মহত্যাও কৰিব নোৱাৰে।

কিছুদিন গ'ল; কিয় জানো বডা আগতকৈ বেছি নিৰ্বিকাৰ হ'বলৈ ধৰিলে।

মাজে মাজে সি তাৰ পুৰণি আবাসটিলৈ ঘূৰি যায়, দূৰৰ পৰা চায় বন্ধু-পত্নীয়ে আত্মহত্যা কৰাৰ ঠাইকণ। শিশুটোৰ কথাও কল্পনাত ভাহি উঠে। মৃণালে তেনেকৈ আত্মহত্যা কৰিব নোৱাৰে। সেই মানুহজনীৰ দৰে মৃণালে জীৱনৰ সোৱাদ আৰু তিক্ততা একোকেই পোৱা নাই। জীৱনৰ যি মূল নুবুজে সি জীৱনকেই বা বিসর্জন দিব কেনেকৈ! চম্পা যেনেকৈ মৰিল, তাক সি জানে। চম্পাই তাক মৰম কৰিছিল, গিৰিয়েকৰ পাছতে কিজানি তাৰ স্থান আছিল তাইৰ হৃদয়ত। সিও তাইক ভাল পাইছিল; কিন্তু সেই ভালপোৱা অব্যক্ত আৰু অবর্ণনীয়। চম্পাক সি বৌ বুলি মাতিছিল আৰু চম্পাই তাক ভাই বুলি মাতিছিল। সিহঁতৰ দৰে বাই আৰু ভাই পৃথিৱীত অতি কমেই আছে; সিহঁতৰ সম্বন্ধ আকাশৰ নীলাৰ দৰে সুন্দৰ, সাগৰৰ দৰে বহল আৰু কেনেৰীজ গুহাৰ বিৰাট বুদ্ধ মূর্তিটোৰ দৰে মৌন। এই সম্বন্ধ সি তাক কোনোদিনে বুজি পোৱা নাছিল, বুজিবৰ দৰকাৰো নাছিল। কিন্তু এতিয়া বিয়াৰ পাছৰ পৰা তাৰ মনত কেতিয়াবা চম্পা আৰু মৃণালক লৈ এখন যুদ্ধ হয়। চম্পা স্থিৰ, মৃণাল অস্থিৰ। চম্পা গভীৰ, মৃণাল তৰল। চম্পা তাৰ হৃদয়ৰ বালিৰ বহুত তলত পোত খাই আছে, মৃণাল কেৱল ওপৰৰ এটা শামুকহে।

সেই ঘৰটো চাই আহিলে তাৰ অনুভৱ হয় মৃণালক সি কেতিয়াও কোনো কালে গ্ৰহণ কৰিব নোৱাৰে। অথচ এনে অনুভৱৰ কোনো যুক্তিসঙ্গত কাৰণ নাই। এই কাৰণহীন বিদ্বেষৰ বশৱর্তী হৈ বোম্বাইৰ উদীয়মান যুৱক বড়াই নিজৰ সহজ সংসাৰখন ধ্বংস কৰি পেলাইছে, কিয় সি নিজেই ক'ব নোৱাৰে। মানুহৰ হৃদয় আৰু মন এক অদ্ভুত বস্তু।

লাহে লাহে আন্ধাৰে ত্ৰিভঙ্গ মূর্তিৰ দৰে নৃত্য কৰি কৰি আহিল। সাগৰৰ ঠাণ্ডা বতাহ আহি বড়াৰ ঘৰ-দুৱাৰ জুৰ পেলালে। মোৰ আমনি লাগিল। মোৰ কাগজৰ অফিচলৈ ঘূৰি যাবৰ সময় হ'ল। কি ৰিপ'ৰ্ট লিখিম একো ক'ব নোৱাৰোঁ। খবৰৰ মোনা একেবাৰে উদং। তথাপি নোট বুকটো উলিয়াই মহানগৰীৰ মেৰিণ ড্ৰাইভত হোৱা এটা এক্সিডেণ্টৰ কথা নোট কৰিলো। তাৰ পাছত থিৰ কৰিলো বড়াৰ লগত বেষ্ট বনুৱাসকলৰ ধৰ্মঘটৰ বিষয়ে আলোচনা কৰি তাৰে পৰাই এটা খবৰ তৈয়াৰ কৰিম। অহা মাহৰ প্ৰথম সপ্তাহতে ধৰ্মঘট কৰিম বুলি সিহঁতে জাননী দিছে। সিহঁতৰ ধৰ্মঘট হ'লে

বিৰাট মহানগৰীখন অচল হৈ পৰিব। বডাৰ সহকৰ্মীসকল এই ধৰ্মঘটত জড়িত, কাজেই সি শেহতীয়া খবৰ দিব পাৰিব।

হঠাতে মই কেঁকনি এটা শুনিলো আৰু মাইকী মানুহৰ মাত আৰু চিঞৰ-বাখৰো শুনিলো। ঘূৰি চাই দেখোঁ বডাৰ কোঠাৰ পৰাই কেঁকনি আহিছে। হ'ল কি? ওচৰলৈ গৈ দেখিলো মাক আৰু শাহুৱেকহঁত মৃণালক বেঢ়ি ধৰিছে, বডা নাই।

"কি হ'ল?" বডাৰ মাকক সুধিলো।

বডাৰ মাকে নিজৰ বুকুত হাত দি বুজালে যে মৃণালৰ বুকুত কিবা হৈছে, সেয়ে কথা নোসোধাই ভাল।

কেঁকনি বেছি হ'ল। কাৰো মুখত মাত নাই। পাঁচ মিনিটমানৰ মূৰত বডা ডাক্তৰসহ ভিতৰ সোমালহি। ডাক্তৰে সোমায়েই বডাৰ বাহিৰে বাকীবোৰক ঘৰৰ পৰা ওলাই যাবলৈ ক'লে। অনিচ্ছা সত্ত্বেও ওলাই গুচি আহিলো।

বাহিৰৰ ড্ৰইং ৰুমত বহি ভাবিলো বডাক এই সময়ত এৰি যোৱা ঠিক নহ'ব। এই ভাবি তললৈ নামি গৈ অফিচলৈ ফোন কৰি সকলো জনালো আৰু ক'লো নিশা বাৰটাৰ আগত যাব নোৱাৰিম। অফিচ মান্তি হ'ল।

পুনৰ ঘূৰি আহি যেতিয়া খট্‌খটিয়েদি ওপৰলৈ উঠিছো, তেতিয়া ডাক্তৰ নামি আহিছে, সুধিলো, "কেনে আছে।"

"শেষ।" ডাক্তৰ বৈ গ'ল।

"কি হৈছিল।"

"হাৰ্ট এটেক" বুলি ডাক্তৰে বিদায় লৈ খট্‌খটিয়েদি নামি গ'ল।

খট্‌খটিয়েদি উঠি আহোঁতে অনুভৱ হ'ল, প্ৰতিটো খোজেই যেন একোটি একোটি বজ্ৰাঘাত। উঠি গৈ যেতিয়া পাইছো, তেতিয়া সকলোৱে কান্দিছে, কিন্তু প্ৰফুল্ল বডাই মাটিত বহি শূন্য দৃষ্টিৰে মৃণাললৈ চাই আছে। মৃণাল আৰু নাই।

মৃণালক এই প্ৰথম দেখিলো। ফুট্‌ফুটীয়া শাৰীখনেৰে তাইৰ লেউ-সেউ আৰু ধুনীয়া দেহাটি ঢাকি থোৱা আছে। কপালত কুম্কুম জিলিকি আছে। মুখখন বডাই বৰ্ণোৱা দৰে ধুনীয়া—বৈ পৰা চেলাউৰী, জোঙা নাক, তেজগোৰা বগা বৰণ। বডাই বেয়া পাইছিল মৃণালৰ মন, হৃদয় আৰু

আত্মাক; সেইবোৰ এতিয়া উৰি গ'ল। এতিয়া কেৱল পৰি আছে ধুনীয়া দেহটো। সেই কাৰণেই সি ইমানকৈ চাইছে নেকি? হঠাতে মই অনুভৱ কৰিলো মানুহ গোট খাইছে, খৰি দিবলৈ। খৰি দিয়াৰ হুলস্থুলৰ মাজত সকলোবোৰৰ শোক, বেদনা তল পৰি গ'ল। দেহটোত নো আছে কি? মন আৰু আত্মাইহে আচল।

মই নিশব্দ আৰু নিশ্চল হৈ চ'ৰাঘৰৰ বাৰণ্ডাত বহি সদায় চাই থকা বোম্বাই মহানগৰখন চালো। তাৰ সকলো চাকিৰ তিৰ্‌বিৰণি আজি নিৰৰ্থক যেন বোধ হ'ল। মানুহ মৰিলে সাগৰ নগৰ সকলো এক বিৰাট শূন্যত বিলীন হৈ পৰে। সেই শূন্যই মোৰ মনৰ দিগন্ত ঢাকি ধৰিলে।

কেনেকৈ মই শৱ যাত্ৰাৰ পিছে পিছে গৈ শ্মশান পালোগৈ আৰু কেনেকৈ গৈ শেহত বিজুলী শিখাত মৃণালৰ কোমল দেহ ভস্মীভূত হোৱা চালো ক'ব নোৱাৰিলো। গোটেই সময়খিনি কেৱল এটা মুহূৰ্ত যেন অনুভৱ হ'ল। পুৰোহিত এজনে কিবা-কিবি মন্ত্ৰ গাইছিল। সেইবোৰেও মৃণালৰ বিদায় মুহূৰ্তটি ৰহস্যময় কৰি তুলিছিল।

হঠাতে মন কৰিলো প্ৰফুল্ল বডাই নিষ্কম্প চিত্তে মৃণালৰ মহাযাত্ৰা চাই বিভোৰ হৈ পৰিছে। মই তাৰ ওচৰলৈ গৈ সুধিলো,. "প্ৰফুল্ল? দুখ কৰিছ্‌ নেকি?"

"এটা কথা অ'!"

"কি?"

"মৃণাল আৰু চম্পা একেটা তাৰিখতে মৰিছে।"

"কি!"

"অঁ!" তাৰ পাছত সি নীৰৱ হ'ল।

মই আচৰিত হ'লো। মৃণাল আৰু চম্পা একে তাৰিখত মৰিব পাৰে, কিন্তু দুয়োটা ঘটনা ইমান স্বাভাৱিক যে তাত কোনো গূঢ় তাৎপৰ্য অথবা ৰহস্য আৱিষ্কাৰ কৰা মোৰ পক্ষে অসম্ভৱ হৈ উঠিল। মই মাথোন ক'লো, "মৃণাল ধুনীয়া আছিল।"

"অঁ, তাইৰ মুখৰ গঢ়টোও চম্পাৰ দৰে।"

তাৰ উত্তৰ শুনি মোৰ অসহ্য হ'ল। চম্পা আৰু মৃণালৰ যিমানেই মিল নাথাকক আজি এই মুহূৰ্তটি কেৱল মৃণালৰহে। কিবা কম বুলি ভাবি

নক'লো। মই অকলেই তাইৰ হতভগীয়া নিমাষিত আত্মাৰ উদ্দেশ্যে শ্ৰদ্ধাঞ্জলি জনালো। গাঁৱৰ পৰা আহি নগৰত তাই খন্তেকলৈও সুখ নাপালে; তাইৰ এই আজীৱন বেদনাৰ কথা কোনেও মুখত উচ্চাৰণ নকৰিলে; কেৱল এজনী সাধাৰণ মানুহৰ এই নিৰ্মমতাৰ সাক্ষী ৰ'ব আকাশৰ তৰা আৰু মৃত্যু।

ভাৰতত তিৰোতাই এনেকৈয়ে নিবোকা-চামোন হৈ জীৱন কটায় আৰু বুকুত অব্যক্ত বেদনা লৈ চিতাত উঠে। এক প্ৰকাৰ সতীদাহ প্ৰথা ইয়াত আজিও বৰ্তমান।

শৱদাহ শেষ কৰি বড়াক লৈ মই জুহু বালিৰ ফালে গ'লো। সাগৰৰ ঢৌৱে তেতিয়া বহুত দূৰত ডেউকা কোবাই পানী কাউৰীৰ দৰে বুৰ মাৰিছে। আমি দুটা নিশব্দে বালিত বহি পৰিলো। কিমানপৰ গ'ল ক'ব নোৱাৰোঁ। যেতিয়া ঘড়ী চাওঁ তেতিয়া দেখো নিশা দুই বাজিছে। প্ৰফুল্লই চিৎ হৈ শুই আকাশৰ তৰা লেখিছে। মই বুজিলো আজি আৰু অফিচলৈ যোৱা নহ'ব। সাগৰৰ বালিতে কটাব লাগিব। জাৰ লাগিছিল, কোটটোৰ কলাৰকেইটা উঠাই ডিঙিটো বন্ধ কৰিলো। তাৰ পাছত ক'লো, "মৃণালৰ বাবে মোৰ দুখ লাগিছে।"

"মোৰো।" যেন মৃণাল তাৰ একো নহয়, লোকৰ তিৰোতাহে, এনে ভাবে সি ক'লে।

এটা চিগাৰেট জ্বলালো। দিয়াচিলাইৰ পোহৰত দেখিলো বড়াৰ চকুত পানীয়ে তিৰ্‌বিৰাইছে। নিৰ্লিপ্ত আৰু উদাসীন দুচকুত চকুপানী দেখি মই আচৰিত হ'লো আৰু সেই চকুপানীটুপি মৃণালৰ উদ্দেশ্যে বুলি ভাবি মনে মনে উৎসাহিত বোধ কৰিলে। অকল এই চকুপানী টুপিয়েই তাৰ দানৱতা ধুই নিবলৈ সমৰ্থ।

তাক কথা ক'বৰ বাবে মই উদ্‌গনি দিলো। বহুত পৰৰ মূৰত তাৰ মৌনতা ভাগিল। মোক খুজি এটা চিগাৰেট ল'লে। সাগৰত তেতিয়া এটা প্ৰকাণ্ড ঢৌ উঠিছিল। এজাক বতাহে এমুঠি বালি উৰুৱাই আমাৰ চকু-মুখ ঢাকি পেলালে। সি ক'লে—"মৃণালক মই মৃত্যুৰ আগ মুহূৰ্ততে ভাল পালো। কিয় জান? তাই চম্পাৰ দৰে গভীৰতা কি বুজি তেতিয়াহে পাইছিল। তাই আজি সাজু হৈ আছিল। মই অহাৰ লগে লগে মানুহজনীয়ে কিছুমান কথা মোৰ আগত কৈছিল। তাই কৈছিল—"

"কি কৈছিল!"

"তাই মৰিলেহে মই তাইক ভাল পাম বুলি।"

"অঁ, তাৰ পাছত!"

বডাই সাগৰৰ ঢৌ এটালৈ চাই ক'লে, "তাই মোক কৈছিলে তাই জীৱন এৰি ক'ৰবালৈ গুচি যাব। মাজে মাজে ঘৰৰ মুকলি-আকলি জীৱনৰ কথা কৈ তাই খুব কান্দিছিল। মাক-বাপেকৰ ঘৰত কেনেকৈ দিন নিয়াইছিল, তাৰ কথা কৈ স্মৰণ-শক্তিয়ে ঢুকি পাই মানে সেই কালৰ ঘটনাবোৰ সুঁৱৰিছিল। শেহত যেতিয়া আমাৰ ঘৰৰ কথা ক'বলৈ লাগিল, তেতিয়া হঠাতে তাইৰ ধৈৰ্যৰ বান্ধ ছিগি গ'ল। কদৰ্য ভাষাৰে তাই মোক নিন্দা কৰিলে আৰু মোক অতিশয় তিৰস্কাৰ কৰিবলৈ ধৰিলে। তিৰোতাৰ আত্মাৰ দুখৰ অভিযোগ মই মুগ্ধ নেত্ৰে  শুনিবলৈ লাগিলো। সেই দুখৰ কাহিনীবোৰতে মানুহৰ আচল জীৱন লুকাই থাকে। ঠিক তেতিয়াই মই মৃণালক ভাল পাই পেলালো। আৰু এটা কথা। মানুহৰ দুখবিলাকৰ কিমান মিল। অদ্ভুত মিল। চম্পাৰ দুখবোৰো ঠিক এনেই আছিল।"

বডা অলপ ৰ'ল, তাৰ পাছত ক'লে, "ভাল পোৱাৰ লগে লগে তাইক মই জীৱনত প্ৰথমবাৰৰ কাৰণে এটা চুমা খাব খুজিছিলো,—বিশ্বাস কৰ, প্ৰথমবাৰৰ কাৰণে।"

মই আচৰিত হৈ তাৰ কথাৰ বাকী অংশ শুনিবলৈ, অপেক্ষা কৰি ৰ'লো। হঠাতে সি ক'লে, "বেচেৰীয়ে চেনেহৰ চুমা ল'বলৈ গৈ ভয়, বিস্ময় আৰু আনন্দত ইমান অস্থিৰ হৈ পৰিল যে হঠাতে তাইৰ ফুচ্‌ফুচৰ ক্ৰিয়াত ব্যাঘাত জন্মিল। ভয় খাই মই চিধা ডাক্তৰৰ ওচৰলৈ লৰ ধৰিলো। তাৰ পাছত কি হ'ল তই জানই।"

যি মুহূৰ্তত মানুহে পায়, সেই মুহূৰ্তত তাৰ পোৱা শেষ হৈও যায়। আচৰিত! কবিতাত পঢ়া কথাষাৰ জীৱনত কিদৰে মিলি গ'ল!

কিছু সময় কাৰো মুখত কথা নাই।

ৰাতিপুৱাৰ আগজাননী আকাশত, সাগৰত আৰু বোম্বাই মহানগৰীত পোৱা গ'ল। ট্ৰাফিক আৰম্ভ হ'ল, বেলি ওলাল আৰু সাগৰ নীলা হৈ পৰিল।

মোৰ চকু টানি টানি ধৰিছিল, তাক হাতেৰে তুলি দি ক'লো ঃ "তই বৰ দুৰ্ভগীয়া।"

প্ৰফুল্লই হাঁ-না একো নক'লে।

বালিয়ে বালিয়ে খোজ কাঢ়ি আমি গৈ থাকোঁতে সি হঠাতে ক'লে— "মৃণালৰ মাজত চম্পাক আৱিষ্কাৰ কৰিলত বাৰু কিয় তাইলৈ মোৰ মৰম উপজিল।"

ক'ব খুজিছিলো, 'পৰকীয়া প্ৰীতি তোৰ ক্ষেত্ৰত প্ৰবল'। কিন্তু উত্তৰটো শুদ্ধ যেন নালাগিল। কাৰণ বডাৰ ভাল পোৱা প্ৰথম জন্ম হয় চম্পাৰ আত্ম-নিৰ্যাতন দেখি। মৃণালৰ মাজত যেতিয়ালৈকে সি সেই আত্ম-নিৰ্যাতন নেদেখিছিল, তেতিয়ালৈকে সি তাইক ভাল পাব নোৱাৰিলে। সি কেৱল এক ধৰণহে ভাল পাব পাৰে। মিছেছ্ নানাৱতীৰ প্ৰতি আহ্বাৰ যি পৰকীয়া প্ৰীতি সি সম্পূৰ্ণৰূপে আপোন-পেটীয়া সুখৰ চানেকী। এনে পৰকীয়া প্ৰীতি বডাৰ মৰমৰ লগত নিমিলে। সি জীৱনত কেৱল নিৰ্যাতনহে চিনি পায়, নিৰ্যাতনৰ মাজেদিহে সি মৰম জন্ম দিব পাৰে। সেই কাৰণে ক'লো, "তই দুখৰ সাধক; তোৰ মৰম তোৰ দুখৰ এক অংশবিশেষ মাত্ৰ।"

সি একো নেমাতিলে।

(১৯৫৯ চন)

* * *

# সৰু সৰু চাপৰ কিছুমান ঘৰ

মিল মজদুৰ অফিচৰ পৰা উলটি আহোঁতে আহোঁতেই তাৰ গধূলি সাতোটা বাজিল।

ফাঁচী বজাৰৰ কেডাৰ ৰ'ডত অফিচটো। বাটটোৰ দুয়ো দাঁতিয়ে ময়লাৰ দ'ম ভৰি থাকে। খালবোৰত বহুদিনীয়া জাবৰ আৰু মলয়া পচি আছে; সেইবোৰৰ পৰা বিকট গোন্ধ ওলায়। ময়লা গুচাবৰ বাবে কোনো যতন নাই। খৰালি-বাৰিষা সমানে ময়লা গোট খায়। গুৱাহাটী মিউনিচিপেলটীৰ বৰ্তমান কৰ্মকৰ্তা স্বয়ং চৰকাৰ; কাগজত এবাৰ নে দুবাৰ লেখালেখিও হ'ল এই ময়লাবোৰ আঁতৰাই নিবৰ ব্যৱস্থা কৰিবৰ বাবে, কিন্তু চৰকাৰে কাণ সৰালি মাৰিলে। ইয়াৰ প্ৰধান কাৰণ হ'ল এয়ে যে এই বাটটোৰ দাঁতিত কিছুমান দুখীয়া, অশিক্ষিত, শাসনৰ ভু নোপোৱা বনুৱা বাস কৰে। ময়লাৰ দ'মবোৰৰ দাঁতিতে সৰু সৰু চাপৰ কিছুমান ঘৰত সিহঁত থাকে। বাটৰ বাটৰুৱাৰ নাক সেই ময়লাৰ গোন্ধ লাগিলে নাক কোঁচ খাই যায়, অথচ সিহঁতে সেই অৱস্থাতে দিনৰ পাছত দিন কটাইছে।

সৰু সৰু চাপৰ ঘৰবোৰতে থাকে ৰতনলাল, বুধনী আৰু সিহঁতৰ লগৰীয়া ভালেমান মিল বনুৱা। ময়লাৰ গোন্ধ লওঁতেই সিহঁতৰ জীৱনৰ বহুতো দিন পাৰ হৈছে—কোনোটো আহিছিল গোৰখপুৰৰ পৰা, কোনোটোহঁত বিহাৰ বা তেনে কোনো পশ্চিমীয়া প্ৰদেশৰ পৰা। অসমত মাৰোৱাৰীয়ে তেলৰ মিল খুলিছে, তাতে কাম কৰি চহকী হ'বৰ বাবে সিহঁত আহিছিল বিহাৰ, উৰিষ্যা আদি প্ৰদেশৰ পৰা বাট কুৰি বাই। কিন্তু ইয়াত আহি হিতে বিপৰীত হ'লহি। দিনে-নিশাই হাড় ভঙা খাটনি, আঠ ঘণ্টীয়া দৈনিক কাম, ঘানী ঘূৰাওঁতে গাৰ পিতা মৰি যায়গৈ। সেই খাটনিৰ বিনিময় যিখিনি সিহঁতে দৰমহা পায় তাৰে

কথমপি খাবলৈ, পিন্ধিবলৈ আৰু থাকিবলৈ জোৰে। কেতিয়াবা আকৌ তাকো নহয়।

ৰতনলাল বহুতদিনীয়া পুৰণা মানুহ। মানুহটো শকত-আৱত, হৃষ্ট-পুষ্ট আৰু ভয়ংকৰ মানুহ। তাৰ গোফ দোকোছা দেখি লৈ মাৰোৱাৰী মালিকেও উলা-মূলাকৈ মাতিবলৈ সাহ নকৰে। কাম কৰা কাল দহ বছৰমান হ'ল, ৪৫ টকা দৰমহা পায়। যুদ্ধ হোৱাৰ লগে লগে বস্তুৰ দাম চৰিবলৈ ধৰিলে; কোনোমতেৰে জানিবা কনট্ৰ'লত বস্তু কিনি খাই-বই কথমপি জীয়াই ৰ'ল যুদ্ধৰ কেইবছৰ। যুদ্ধ গ'লত কনট্ৰ'লতো বস্তু পাবলৈ নোহোৱা হ'ল; চোৰাং বজাৰ বাঢ়িল। ৰতনলালৰ কলৰ-জপৰখন হ'বলৈ ধৰিলে। বস্তু নাই। উপায় নাপাই এদিন গৈ সি মালিকক খাটাংকৈ কৈ দিলেগৈ, হয় ৰেচনত বস্তু দিয়ক, নহয় আৰু কাম কৰিব নোৱাৰে। মালিকে বিষম গণিলে। তৎক্ষণাৎ ৰেচনত চাউল, দাইল, কাপোৰ আনি দিবৰ বাবে ব্যৱস্থা কৰিলে। অৱস্থাৰ কিছু উন্নতি হ'ল। ৰতনলালে আগৰ দৰে কাম কৰিবলৈ ধৰিলে।

হঠাতে এদিন বজাৰত কন্ট্ৰ'ল উঠি গ'ল। দামৰ প্ৰকোপ কোবত কোবে চৰিবলৈ ধৰিলে। কেডাৰ ৰ'ডৰ চাপৰ ঘৰবোৰত হাহাকাৰ হ'বলৈ ধৰিলে। ৰতনলালেই পায় বেছি দৰমহা ৪৫ টকা। বাকীবোৰৰ তাতকৈ কম। বুধনীয়ে মাত্ৰ ২৮ টকা পায়। তাইৰ গিৰীয়েক মৰা আজি দুবছৰ হ'ল। যুদ্ধৰ সময়ত বনুৱাবোৰে মিলৰ কাম বৰ বেছিকৈ কৰিব লগা হৈছিল। এদিন নিশা ভাগৰত কল চলাই থাকোঁতে হঠাতে তাৰ সোঁ ভৰিটো কলত সোমাই গ'ল আৰু কৰঙনৰ গুৰিতে কাটি খালে। এইদৰে আহত হোৱাৰ পাছত তাৰ মৰণ চমু চাপি আহিবলৈ ধৰিলে। এদিন নিশা বুধনীক এবাহ ল'ৰা-ছোৱালীৰে সৈতে এৰি মতিলালৰ প্ৰাণ-পখী ভুৰুং কৰে উৰি কোনোবা অজান দেশলৈ গতি কৰিলে। কান্দোতে কান্দোতে বুধনীৰ চকু উখহি পৰিল। তাকে দেখি ৰতনলালৰ অন্তৰ দুখত পমি যাবলৈ ধৰিলে। বুধনীৰ তিনিটা ল'ৰা-ছোৱালী। ছোৱালীজনী ডাঙৰ, নাম পাৰুল। তাৰ পাছতে দুটা ল'ৰা, দুয়োটা সৰু সৰু। এটা কথমপি চুঁচৰিব পৰা হৈছিল। ল'ৰা-ছোৱালীকেইটাৰ আলৈ-আথানি হোৱা দেখি ৰতনলালৰ পমা অন্তৰ একেবাৰে উৰলি যাব খুজিলে। মতিলাল সম্বন্ধত তাৰ দদায়েকেই হয়। কিন্তু দূৰ দেশত আহি বেলেগ বেলেগ কাম কৰোঁতে কৰোঁতে সিহঁত যে দদায়েক-ভতিজাক এই কথাষাৰ পাহৰি যাবলৈ

ধৰিলে। সিহঁতৰ ঘৰ বিহাৰৰ চাপৰা জিলাত। জাতত কায়স্থ। সদ্‌বংশৰ মানুহ; ঘৰত থাকোঁতে ধুতি-নীতি, নিয়ম-কাৰণ এইবোৰ মানি চলিছিল। কিন্তু অসমলৈ আহি কেডাৰ ৰ'ডত থাকিবৰে পৰা সিহঁতে আগৰ সদাচাৰ আৰু মৰম-ধৰম এৰি পেলাবলৈ ধৰিলে। ইয়াত সিহঁতে অৱস্থা চাই ব্যৱস্থা কৰিবলৈ আৰম্ভ কৰিলে। ঘৰত হ'লে মদ খোৱাটো এটা পাপ। ইয়াত আৰু সেইবোৰ কথাৰ মূল্য নাই। মতিলাল জীয়াই থাকোঁতে কেতিয়াবা বুধনীয়ে মদ বাকী দিয়ে, দদায়েক-ভতিজাকে বহি একেলগে খায়। তদুপৰি মুখত ক'ত অধইচ গালি আৰু অবাইচ মাত। বাটৰ দাঁতিৰ ময়লাবোৰৰ দৰেই সিহঁতৰ জীৱনবোৰ মলিৰে ভৰি পৰিল। পিছে দদায়েক মৰাৰ পাছত, খুৰীয়েক আৰু ল'ৰা-ছোৱালীবোৰৰ আলৈ-আথানি হোৱা দেখি, অসহ্য হৈ ৰতনলালে গৈ মালিকক আদ্যোপান্ত সকলো কথা ভাঙি-পাতি ক'লৈগৈ আৰু খাটিলে যাতে তাইৰ গিৰিয়েকৰ কথা সুঁৱৰি তাইকো যেন এটা কাম দিয়া হয়। মালিকে ৰতনলালৰ কথাত 'না' নকৰিলে। বুধনীৰ কামে মালিকক মুঠেই সন্তোষ লগাব নোৱাৰিলে। হাজাৰ হওক বুধনী বিহাৰৰ গাঁৱলীয়া বোৱাৰী; এনেকৈ মিলত ঘানী ঘূৰোৱা অভ্যাস নাই। ইপিনে ল'ৰা-ছোৱালীকেইটাও প্ৰতিপাল কৰিব লাগে। ডাঙৰ ছোৱালী পাৰুল গজ্‌গজ্‌কৈ উঠি অহা গাভৰু। তাইকো চকু দিব লাগে। তাইৰ হাতত দিনটো ল'ৰা-ছোৱালীকেইটা এৰি থৈ আহি তাই মিলত অলপো শান্তিৰে থাকিব নোৱাৰে। এনেয়ে গাভৰু ছোৱালী, তাতে যদি কোনোবাই... ...

মাকৰ ভয়ৰ কাৰণো যে নাই এনে নহয়। সুৰলালজী মিলৰ মহৰী। তেৰোঁ সেই বাটৰ দাঁতিতে থাকে। মাহে ষাঠি টকা দৰমহা পায়। পোনপটীয়াকৈ যদিওবা বনুৱাবোৰৰ ওপৰত তেওঁৰ কোনো এক্তিয়াৰ নাই তথাপি এই বনুৱাবোৰৰ কথা, চলন-ফিৰণত চকু দিয়া তেওঁৰ নিত্য কাম। কোনোবা বনুৱাৰ বিষয়ে তেওঁ কিবা আষাৰ লগালে, মালিকে তেওঁৰ কথা শুনে আৰু সেই মতে কাম কৰে। বনুৱাবোৰে সেই বাবে তেওঁক দেখিব নোৱাৰে আৰু লগনীয়া বাবু নাম দিছে; লগনীয়া বাবুলৈ সিহঁত আটাইৰে পেটে পেটে ভয়। অৱশ্যে ৰতনলালৰ বাহিৰে। কাৰণ ৰতনলাল তাতকৈ আগেয়ে মিলত সোমোৱা। সি কালৈকো ভয় নকৰে।

লগনীয়া বাবুৱে যে গিৰিয়েক মৰিবৰ পৰা পাৰুলৰ ওপৰত চকু দিছে,

এই কথা বুধনীয়ে গম পাইছে আৰু ওচৰৰ মানুহবোৰৰ মুখত নানা ধৰণৰ বেয়া কথাও শুনিছে। তাই মিলত থাকোঁতে সুৰলালজীয়ে মাজে মাজে পাৰুলৰ লগত দুই-এষাৰ কথাও পাতেহি। বুধনীয়ে তাৰ ফালে মুখ তুলিকে নাচায়। তাৰ চকুকেইটা দেখিলে তাইৰ গোটেই অন্তৰ ঘৃণাত কঁপি উঠে। কিন্তু সি হ'ল মহৰী, আৰু তাই হ'ল বনুৱা। এষাৰ কথাৰহে বাণ; এষাৰ কথা লগালেই তাইৰ চাকৰি খতম। সেই বাবে তাই সকলো সহ্য কৰি ৰয়।

এদিন বুধনী কামৰ পৰা আহোঁতে পাৰুলে তাইক পাকে-প্ৰকাৰে জনালে যে সুৰলালজী বৰ ভাল মানুহ নহয়; মাক নোহোৱাত সি আহি নানা কথা কৈ তাইক জোকাই মেলে। এবাৰ এখন শাৰীও দিব খুজিছিল, পিছে তাই নালাগে বুলি জোৰেৰে কৈ দিয়াত বেচেৰাই আসৈ নাপাই শেনটোৰ দৰে আহি ফেঁচাটোৰ দৰে উভটি গ'লগৈ।

কথা বিষম যেন দেখি বুধনীয়ে এদিন ৰতনলালক মাতি নি গোটেইবোৰ কথা ভাঙি পাতি ক'লে। ৰতনলালে প্ৰথমতে কথাটো উৰাই দিব খুজি ক'লে, "গাভৰু ছোৱালী দেখি দুই-এদিন জোকাই চাইছে। আপোনা-আপুনি আঁতৰি যাব।" তাৰ এনে দায়িত্বহীন উক্তি শুনি বুধনীয়ে বৰ বেয়া পালে। এক ৰকম কাবৌ-কোকালি কৰি তাই দদায়েকৰ নামত তাক সহায় ভিক্ষা খুজিলে। দদায়েকৰ নামত তাৰ মন কুমলিল। সি ক'লে, "বাৰু, ভয় নকৰিবি, দৰকাৰ পৰিলে মহৰীক মই ভালকৈ এবাইচ দিম।" বুধনী কিছুদূৰ আশ্বস্ত হ'ল।

এদিন বুধনী নাথাকোঁতে সুৰলালজীক পাৰুলৰ ওচৰ চপা দেখি ৰতনলালে মাতিলে, "সুৰলালজী।"

"কি? অ'—ৰতনলাল নেকি?"

"হয় মই। এটা কথা ক'ব লাগে এই ফালে আহা।"

সুৰলালজীয়ে ৰতনলাললৈ খুব ভয় কৰে। সি তাৰ কথা মতে ওচৰ চাপি আহিল। "কি কথা, ৰতনলাল?"

"তুমি বুধনী নাথাকোঁতে পাৰুলৰ ওচৰলৈ আহিলে বেয়া হ'ব।"

ৰতনলালৰ কথা সুৰলালজীয়ে অপমানিত বোধ কৰিলে। কিন্তু মুখেৰে ওম তৎসৎ একো উচ্চাৰণ নকৰি গহীনাই ক'লে, "কেলেই, মই আহিলে নো কি হ'ব?"

ৰতনলাল বৰ টেঙৰ মানুহ নহয়, সি সাহিয়াল আৰু খৰাংখাচ। মহৰীৰ

কথাৰ সুৰ শুনি সি যে পাৰুলৰ ওচৰলৈ কিবা বেয়া উদ্দেশ্য লৈ আহে, তাক সন্দেহ কৰিবলৈ একো কাৰণ বিচাৰি নাপালে। সেই বাবে নিজৰ ভুলৰ বাবে যেন অনুতপ্ত,—এনে ভাব দৰ্শাই মহৰীক ব্যাখ্যাৰ ছলেৰে ক'লে, "সুৰলালজী, বেয়া নাপাব। মই আপোনাক একো ভবা নাই। কিন্তু গাভৰু ছোৱালীৰ ওচৰলৈ এনেকৈ অহা দেখি মানুহে কিবা-কিবি কৈছে। বুধনীয়েও আপোনাক আহিবলৈ মানা কৰি দিছে।"

সুৰলালজীৰ মনে মনে ভীষণ খং উঠিল। এজনী তিৰোতাৰ ইমান আকল হ'লনে তাক অপমান কৰিবলৈ? 'বাৰু দেখা যাব' এনে বুলি মনে মনে ইয়াৰ হোৰ তুলিবৰ কাৰণে প্ৰতিজ্ঞাবদ্ধ হ'ল। কিন্তু মুখেৰে ৰতনলালক ভালৰি বোলাই দুই-চাৰি আষাৰ কথা কৈ অন্তৰত গৰল পুঁহি, সেই দিনা তাৰ পৰা আঁতৰি গ'ল। লগে লগে তাৰ ঈপ্সিত কামনা চৰিতাৰ্থ কৰাৰ বাটত হেঙাৰ পোতা বাবে ৰতনলালকো সি ক্ষমা কৰিব নোৱাৰিলে।

প্ৰতিশোধ ল'বৰ বাবে সুৰলালজী এইবাৰ কঁকালত টঙালি বান্ধি ওলাল।

কণ্ট্ৰ'ল উঠাৰ পাছত বনুৱা পটিত হাহাকাৰ ধ্বনি ক্ৰমাৎ বেছি হ'বলৈ ধৰিছে। ৰতনলালৰ দৰমহা আটাইতকৈ সৰহ। কিন্তু চাউলৰ মোনে ৪০ টকা হোৱা বাবে তাৰো থৰ-কাচুটি নোহোৱা হ'ল। পোনকোবেই মালিকক গৈ দৰমহা বৃদ্ধিৰ বাবে খাটনি ধৰিলেগৈ। কিন্তু মালিকে চিধা কথা ক'লে যে তেওঁ এক পইচা দৰমহা কাৰো নবঢ়ায়। ৰতনলালৰ ছোট উঠি গ'ল। সেই দিনাই গধূলি তাৰ ঘৰত কেইবাটাও বনুৱা গোটাই এখন মেল পাতিলে। দৰমহাৰ কথাই আলোচনা হ'ল। বস্তুৰ দাম ইমান বেছি হ'ল যে দৰমহা বেছি নাপালে আৰু কোনো ৰকম তিকি থাকিব নোৱাৰি। কিন্তু কি কৰা যায়? সেইদিনা মেলত কোনেও একো সমাধান দিব নোৱাৰিলে। বিশৃংখল অৱস্থাতে মেল ভাগি গ'ল।

ৰতনলাল কিন্তু ক্ষান্ত নহ'ল। সি আকৌ এদিন মেল পাতিলে। সেই দিনা এজন নতুন মানুহ বিচাৰি আনিছিল সি। মানুহজন গুৱাহাটী নগৰ ছচিয়েলিষ্ট পাৰ্টিৰ কৰ্মী। মেল মেলোতেই পোনতে সি মানুহজনৰ কথা এই বুলি ক'লে, "বনুৱা ভাইহঁত, এওঁ আমাৰ বন্ধু। নাম প্ৰসন্ন বাবু। তেওঁ আজি বনুৱা ভাইহঁতৰ মাজত ইউনিয়ন গঠন কৰিবৰ অৰ্থে আহিছে। ভাইহঁত, দৰমহা নহ'লে আমাৰ প্ৰাণ নাবাচে। কিন্তু কি উপায়ে দৰমহা বঢ়াব পাৰি?

ছচিয়েলিষ্ট পাৰ্টি আমাৰ বন্ধু। প্ৰসন্ন বাবুৱে আজি তহঁতক ভালকৈ সকলো কথা বুজাই দিব।” ৰতনৰ কথা শেষ হোৱাৰ লগে লগে সকলোৰে চকু প্ৰসন্ন ওপৰত পৰিল। মানুহটো পাতল, ওখ আৰু মিঠা বৰণীয়া। চুলিবোৰত ঢৌ উঠা। সহস্ৰ চকুৰ মাজত সি নিভীকভাৱে হিন্দুস্থানীতে বক্তৃতা দিবলৈ উঠিল।... ৰতনলালৰ সৰু, চাপৰ ঘৰটোৰ বায়ুত তাৰ কথাৰ কঁপনিবোৰ কেউফালে উঠা-নমা কৰি বিয়পি যাবলৈ ধৰিলে... “মুখ চাই মালিকে দৰমহা নিদিয়ে; মৰগীয়া বানচ, ভিক্ষা খুজি নাপায়। তাৰ বাবে লাগিব যুঁজ, যুঁজৰ বাবে লাগিব সংগঠন” ... “বনুৱা ভাইহঁত, মালিকৰ শোষণৰ বিৰুদ্ধে সাজু হোৱা, ইউনিয়ন গঠন কৰা। জয় হিন্দ।”

সি বহাৰ পাছত ৰতনলাল উঠিল, “প্ৰসন্ন বাবুৱে ঠিক কথা কৈছে। এতিয়া আমি ইউনিয়ন গঠন কৰিব লাগে। এই মুহূৰ্ততে।”

সকলোবোৰ বনুৱাই তললৈ মূৰ কৰি ইটোৱে সিটোক চোৱা-চুই কৰিবলৈ ধৰিলে। ৰতনলালৰ ধৈৰ্য সীমা পাৰ হৈ গ'ল। সি উত্তেজিত স্বৰেৰে ক'বলৈ ধৰিলে, “তহঁত সকলো শিয়ালৰ দল নেকি? খাবলৈ নাপাই মৰি গ'লেও কিজানি তহঁতৰ মুখৰ মাত নোলাব। ক, ইউনিয়ন লাগে নে নালাগে, দৰমহা লাগেনে নালাগে।” খঙত সি দাঁত কৰচিবলৈ ধৰিলে। বনুৱাবোৰে তত্ৰাচ কিন্তু তলৰ পৰা ওপৰলৈ মূৰ নকৰিলে। এটাই সন্দেহৰ ভাবেৰে প্ৰসন্নৰ ফালে চাই ওচৰৰ বনুৱাটোক সুধিলে, “কোন পাৰ্টি বুলি ক'লে?” কথাষাৰ ৰতনলালৰ কাণত পৰিলগৈ। খঙত সি টিক্‌চি-বিক্‌চি উঠি ক'লে, “কেইবাৰ ক'ব লাগে তহঁতক। ছচিয়েলিষ্ট পাৰ্টি, ছচিয়েলিষ্ট পাৰ্টিৰ মানুহ। ৰতনলালৰ কথাৰ পিছতে প্ৰসন্ন উঠিল; সি ক'লে, “মোৰ বিষয়ে তোমালোকে মুঠেই ভয় নকৰিবা। তোমালোকৰ বাবে মই ‘খুন’ দিব পাৰোঁ। আমাৰ পাৰ্টি মৰি যাব তোমালোকৰ বাবে। তোমালোক খালি একগোট হোৱা। ভাগ ভাগ হ'লে একো কৰিব নোৱাৰা। ইউনিয়ন কৰিবানে নকৰা, একমুখে কোৱা। একমুখে।”

সকলোৰে মুখত কথাৰ গুণ্‌গুণনি ফুটি উঠিল। কিন্তু তথাপি স্পষ্টভাৱে কোনেও একো নক'লে। এইবাৰ ৰতনলালে খঙত অগ্নিশৰ্মা হৈ ক'বলৈ ধৰিলে, “যদি জীয়াই থাকিব খোজ, তেন্তে ইউনিয়ন কৰ আৰু উপায় নাই। খাবলৈ নাপালে সব মৰিমহঁক। ক, দৰমহা লাগেনে, নাই মৰিবি?”

কেইটামানে চিঞৰি ক'লে, "দৰমহা লাগে।"

ৰতনলালে খঙত [illegible] দিলে, "মালিকে তহঁতৰ মুখ চাই দৰমহা দিব নেকি? এটা এটাকৈ খুজিবি, কোনেও একো নাপাব। মোকো নিদিলে, তহঁতকো নিদিয়ে। একেলগ হৈ দাবী কৰিলে পাবি।"

প্ৰসন্নই আৰু বিতংকৈ ক'লে, "ভাইহঁত, এজন এজনকৈ দৰমহা খুজিলে, এজনে দৰমহা পাব, এজনে নাপায়। হয়তো এজনেও নাপাব। কিন্তু আটাইবোৰে ইউনিয়নৰ যোগে যদি কয় আমাক দৰমহা লাগে, তেতিয়া মালিক দৰমহা দিবলৈ বাধ্য। যদি নিদিয়ে, তেতিয়া হৰতাল হৈ যাব। তেতিয়া মালিকে সেও মানিব।"

এইবাৰ ইটোৱে সিটোক চোৱা-চুই কৰোঁতেই এটি সৰু অথচ দৃঢ় মাত আহি সকলোৰে কাণত বাজি উঠিল, "আমি ইউনিয়ন কৰিমেই।" ৰতনলালে ঘূৰি চাই দেখে এটা চুকৰ পৰা বধুনীয়ে মাত লগাইছে। তাৰ মুখত সন্তোষৰ হাঁহি বিৰিঙি উঠিল।

এইবাৰ বোধ হয় বনুৱাবোৰৰ ভয় ভাগিল। বুধনীৰ কথাৰ লগে লগে কেইবাটাও চিঞৰি উঠিল, "ঠিক কথা, আমি ইউনিয়ন কৰিমেই।"

তাৰ পাছত ৰতনলালে সুধিলে, "ঠিক ক, ইউনিয়ন লাগে নে নালাগে।" আৰু ৰতনৰ উদ্যোগত বনুৱা সভাই প্ৰত্যেকৰে দৰমহাৰ বৃদ্ধি দাবী জনাই এখন দাবীৰ তালিকা কৰিলে।

কথা বুলিলেই বতাহ। ইপিনে সুৰলালজী দাড়ৰ বাতৰি দাড়ে নি মালিকক জনাবলৈ ধৰিলেগৈ। ইউনিয়ন পতা দেখি মালিকৰ চকুত টোপনি নোহোৱা হ'ল। কেনেকৈ ইউনিয়ন ভাঙিব, সেয়ে হ'ল তেওঁৰ দিনে-ৰাতিয়ে চিন্তা। সুৰলালজী হ'ল তেওঁৰ সোঁহাত। তাৰ কথা মতে, কাম নাইকিয়া বুলি অজুহাত দৰ্শাই ৰতনলালক বিদায় দিয়া হ'ল। আন এদিন অকৰ্মণ্য বুলি বুধনীকো মিলৰ পৰা বাহিৰ কৰি দিলে। গোটেই বনুৱা পাৰ্টিত এচাটি ভয়ৰ বা বলিবলৈ ধৰিলে। কিন্তু ৰতনলাল আৰু বুধনী মুঠেই নটলিল। খেদাবৰ দিনাৰে পৰা সিহঁতৰ কামৰ কোব চৰিলহে। মালিকে কটা ঘাতহে যেন চেঙা তেল দিলে। সিহঁতৰ চেষ্টাত অফিচত দিনৌ সভা বহে আৰু দৰমহাৰ দাবীৰ কথা আলোচনা হয়। এনেকৈয়ে সাত দিন হ'ল। এই সাত দিন বুধনী আৰু ৰতন বেছিভাগ সময় লোকৰ ঘৰে ঘৰে ঘূৰে। পইচা তুলিবলৈ উলুবাৰীৰ

মিললৈ যায়, কেতিয়াবা অফিচত বহি কটায়। বুধনীয়ে পাৰুলৰো চিন্তা কৰিবলৈ এৰি দিলে।

বুধনীক কামৰ পৰা খেদাবৰ সময়ত সুৰলালজীৰ পৰামৰ্শ মতে কামত গড়হাজিৰ বুলি উলিয়াই মালিকে পইচাৰ নামত মুঠেই তিনিটা টকা দিলে। মাহেকৰ মাজ ভাগতে খেদিছে বুলি নাই কমেও কাম কৰা কিদিনৰ দৰমহা পাব লাগিছিলে; তাকো নাপালে।

বুধনীৰ দুৰ্দশা দেখি সুৰলালজীৰ মনে মনে বৰ ৰঙ্। ইফালে বুধনী প্ৰায়ে ঘৰত নথকা দেখি তাৰ মনত সুপ্ত কামনা উন্মত্ত হৈ জাগি উঠিল। সি ভাবিলে এবাৰ গৈ চোৱা যাওকচোন, পাৰুলৰ মন পোৱা যায়েই বা। তাতে সিহঁতৰ আৰ্জনৰ এতিয়া সঁচো নাই। পইচা-চইচা দিলে তাক নিশ্চয় দেৱতা দেখাদি দেখিব। খাবলৈ নোপোৱা ভিকহুক টকাৰ বাহিৰে জানো আন কিবা লাগে।

পাৰুলহঁতৰ বাবে তাৰ জেপৰ পাতি পইচা এটাও সোণ হোৱাদি হ'ব। বুধনীও নাই ... পাৰুলে নিশ্চয় তাক আদৰ কৰিবলৈ বাধ্য হ'ব।

বুধনী ওলাই যোৱাৰ ছেগ বুজি সি এদিন পাৰুলৰ ওচৰ পালেগৈ। তাৰ হাতত এখন শাৰী আৰু পকেটত দুটামান টকা আছিল। সি গৈ ভিতৰ সোমাবৰ সময়ত পাৰুলে সৰু ভায়েকটোক বিছনাত শুৱাই মূৰত বিচি আছিল। তাক দেখি তাই থত্মত্ খালে আৰু কি কৰিম, কি নকৰিম ভাবি ভেবা লাগি চাই ৰ'ল। সুৰলালজীয়ে তাইৰ উঠন বুকুযুৰি, ধুনীয়া চকুহালি আৰু কঁপি উঠা ওঁঠ দুটিলৈ চাই চাই হঠাতে এটি পৈশাচিক উল্লাসৰ হাঁহি মাৰিলে আৰু তাৰ পাছত লাহেকৈ তাইলৈ বুলি শাৰীখন আৰু টকা তিনিটা বঢ়াই দি ক'লে, "তোৰ বহুত দুখ হৈছে বুলি মই শুনিছোঁ। হোঁ, এই শাৰীখন পিন্ধিবি আৰু এই টকাকেইটা খৰচ কৰিবি।" কথা কোৱাৰ লগে লগে সি তাইৰ ফালে আগ বাঢ়ি গ'ল।

এনে আচৰণৰ প্ৰতিবাদ তাই কি ধৰণেৰে কৰিব, তাক তাই ভাবি নাপালে। তাই মূৰ্ছা যোৱা দৰে হ'ল। এবাৰ মাত্ৰ খুব জোৰে চিঞৰৰ মৰাৰ কথা তাইৰ মনত ৰ'ল।

তাই সঁচাকৈয়ে চিঞৰিছিল। চিঞৰৰ প্ৰথমতে কাণত পৰিল ৰতনলালৰ। সি দৌৰি আহি যেই এই কাণ্ড দেখিলহি, সেই সোধ-পোচ নোহোৱাকৈ

সুৰলালজীৰ গালত দুচৰ বহুৱাই দিলে। সেই চৰত তাল-বাল খাই সুৰলালজী মাটিত বাগৰি পৰিল।...

তেতিয়া আবেলি সময়। মানুহ-দুনুহবোৰ বেছিভাগেই আহি ঘৰ সোমাইছিলহি। যেতিয়া এই কথা ৰাষ্ট্ৰ হৈ গ'ল, তেতিয়া কেউফালৰ পৰা তৎক্ষণাৎ মানুহ চাপি আহি মূৰ্ছিত সুৰলালজীক বেৰি লৈ গাই পতি চৰটো, ভুকুটো আৰু গোৰটো মাৰিবৰ বাবে উদ্যত হ'ল। ভাগ্যে যেনিবা হুলস্থূল হোৱা গম পাই প্ৰসন্ন ক'ৰবাৰ পৰা দৌৰি মানুহবোৰক বঢ়োৱা-বুজোৱাত সেই যাত্ৰালৈ সুৰলালজীৰ জীৱন ৰক্ষা পৰিল।

বনুৱা পটিত গোটেই ৰাতিটো এই কথাৰ আলোচনা হ'ল। সুৰলালজীয়েই যে ৰতনলাল আৰু বুধনীক খেদোৱাৰ মূলতে আৰু সিয়েই যত কূটৰ ঘাই—এই কথা সকলোৰ মুখত শুনিবলৈ পোৱা গ'ল।

ৰাতিটো গ'ল। ৰাতি পুৱালত শুনা গ'ল যে সুৰলালজীক মৰাৰ অপৰাধত মালিকৰ আবেদন মতে ৰতনলালক আৰু আন কেইটামান বনুৱাক পুলিচে গ্ৰেপ্তাৰ কৰি লৈ গৈছে। প্ৰসন্নকো বোলে গ্ৰেপ্তাৰ কৰিবলৈ চেলু বিচাৰিছে।

হাবিৰ জুইৰ দৰে খবৰ কেউফালে বিয়পি গ'ল। যাৰ য'ত যি কাম-বন আছিল, সকলো এৰি-মেলি অফিচ ঘৰ ঠাহ খাই পৰিলহি। অফিচত একাষে বহি বুধনী আৰু প্ৰসন্নই এইবোৰ কথাকে আলোচনা কৰি আছিল। সিহঁতৰ হুলস্থূল দেখি প্ৰসন্ন লাহেকৈ বহাৰ পৰা উঠি পৰিল। সকলোকে প্ৰথমতে বহুৱাই ল'লে। তাৰ পাছত সৰু আৰু দৃঢ় মাতেৰে ক'বলৈ ধৰিলে, "মালিকে ভাবিছে পুলিচ লগাই বনুৱাৰ ইউনিয়ন ভাঙি দিব। কিন্তু সিহঁতে ভুল কৰিছে। ইউনিয়ন ভাঙিবৰ শক্তি কাৰো নাই। ইউনিয়ন গঠন হোৱা দেখি মালিকে ভয় খাইছে। দৰমহা দিবলৈ মন নাই সিহঁতৰ। সেই বাবে ইউনিয়ন ভাঙি দি আমাক বধিব খুজিছে। ভাইহঁত, তোমালোকে জানা ৰতনলালৰ গাত কোনো দোষ নাই, দোষ সুৰলালজীৰ গাত। কিন্তু তথাপি পুলিচে ৰতনলালকহে গ্ৰেপ্তাৰ কৰি নিলে, অকল সেয়ে নহয় বিনা কাৰণত আৰু কেইজনমান বনুৱাকো সিহঁতে ধৰি নিছে। মালিক আৰু পুলিচ গোট খাই আমাৰ ইউনিয়ন ভাঙি দিব খুজিছে। মালিকে আমাক দৰমহা দিব লাগে, কিন্তু তাক নিদি, দিছে জেল। কৰিছে তিৰোতাৰ ওপৰত অত্যাচাৰ... ভাইহঁত, সাজু হোৱা নগৰ জুৰি আজি এতিয়াই আমি শোভাযাত্ৰা কৰিমগৈ।

... চাওঁ ৰতনলালহঁতক মুক্তি দিয়েনে নিদিয়ে, অকল সেয়ে নহয়, ৰতনলাল আৰু বুধনীক কাম দিয়েনে নিদিয়ে তাকো চাম, দৰমহা বঢ়াই দিয়েনে নিদিয়ে। দুসপ্তাহৰ মূৰত ধৰ্মঘট কৰিম, মিল বন্ধ হৈ যাব।"

প্ৰসন্নই আকৌ ক'লে, "ইউনিয়নৰ তৰফৰ পৰা আমি আজি মালিকক কৈ দিছোঁ যদি আমাৰ দাবী পূৰণ নকৰে আমি ধৰ্মঘট কৰিম।"

আকৌ কেইটামান বনুৱাই চিঞৰিলে, "ঠিক কথা, ধৰ্মঘট কৰিম।"

প্ৰসন্নৰ বক্তৃতা নিজম পৰাৰ লগে লগে অফিচৰ দাঁতিৰ আলিবাটটোৰ পৰা এটা চিঞৰ আহি সিহঁতৰ কাণত পৰিলহি। "ইন্‌কিলাব জিন্দাবাদ।" সকলোৱে অফিচৰ খোলা দুৱাৰেদি চাই দেখে বুধনীয়ে ৰঙা পতাকা এখন লৈ বাৰে বাৰে জয়ধ্বনি দি আছে। কি হ'ল তাইৰ? ... খন্তেকৰ বাবে সকলো অবাক হ'ল ... কিন্তু খন্তেকৰ কাৰণে ... পিছ মুহূৰ্ততে ৰঙা পতাকাখন বতাহত উৰিবলৈ ধৰিলত কোনোবা কেইটামানে আপোন পাহৰা হৈ ক'বলৈ ধৰিলে, "ইমান ৰঙা সেইবোৰ কি? মাজত দেখোন এটা চকা, তাৰ মাজত আকৌ নাঙল।"

"আমাৰ তেজ সেইবোৰ।" কোনোবা এটাই উত্তেজনাত চিঞৰি দিলে।

বাহিৰত আকৌ ধ্বনি উঠিল, "ইন্‌কিলাব জিন্দাবাদ।" জুমে জুমে বনুৱাবোৰ গৈ বাটত থিয় দিলেগৈ। প্ৰসন্নই সিহঁতক পতাকাৰ পাছফালে এফালৰ পৰা পোন হৈ দাঁতিত থিয় হ'বলৈ উপদেশ দিলে। উপদেশ মানি সকলো থিয় হ'ল।

থিয় দিয়াৰ পাছত আকৌ ধ্বনি উঠিল, "ইন্‌কিলাব জিন্দাবাদ।" এইবাৰ অকল বুধনীয়েই নহয়, সকলো বনুৱাই চিঞৰিছিল।

তাৰ পাছত প্ৰসন্নই এবাৰ হাত দাঙি খুব ডাঙৰকৈ মাত দিলে, "ভাইহঁত, আগ বাঢ়া।"

মুহূৰ্ততে চলন্ত ৰঙা পতাকাৰ তলত যোৰে যোৰে ভৰিৰ শব্দ বাজি উঠিল।...

সেইদিনা আৰু কাৰো কামলৈ যোৱা নহ'ল। আবেলি আকৌ সভা হ'ল। তাত ঠিক হ'ল গ্ৰেপ্তাৰ কৰাসকলক মুক্তি নিদিলে খেদাখোৱাসকলক কামত নল'লে বস্তুৰ দাম অনুসৰি দৰমহা বঢ়াই নিদিলে দু-সপ্তাহৰ মূৰত ধৰ্মঘট হ'বই হ'ব, কোনো ৰকমে মালিকে ৰক্ষা নাপায় ... ...

ধৰ্মঘটৰ জাননী দিয়াৰ দিনাৰ পৰা নিতৌ আবেলি অফিচত সভা হ'বলৈ ধৰিলে। সভাত সদায় আলোচনা হয় ধৰ্মঘটৰ বাবে পইচা তোলাৰ কথা, শোভাযাত্ৰা কৰাৰ কথা আৰু তেনে ধৰণৰ কথা কিছুমান। দুদিন-তিনিদিনৰ মূৰে মূৰে নগৰত বনুৱাসকলৰ শোভাযাত্ৰা হয়। ৰঙা পতাকা আৰু প'ষ্টাৰ লৈ বনুৱাসকল বাটে বাটে ঘূৰে, সমবেত কণ্ঠস্বৰত ফুটাই তোলে মজুৰৰ সাময়িক আৰু সাধাৰণ আশা-আকাংক্ষাবোৰ... সিহঁতৰ সেই শোভাযাত্ৰা এহাতেদি পুঁজিবাদী সমাজৰ বিৰুদ্ধে কৰা এটা গভীৰ অভিযোগ, আনহাতে বিপ্লৱৰ এটি আগজাননী।

শোভাযাত্ৰাৰ আগত সদায় যায় বুধনী। তাইৰ কি সাহস! চকুকিটা চালে ধৰা পৰে যেন অন্তৰত সোমাই থকা আমনি কিছুমান ছট্‌ফটনি। শোভাযাত্ৰা যাওঁতে যাওঁতে, চিঞৰোঁতে তাইৰ ভাগৰ লাগে, তথাপি তাইৰ উদ্যম চেঁচা নপৰে।

বাটত যাওঁতে বনুৱাবোৰৰ চিঞৰ-বাখৰত, ধ্বনিত নগৰৰ মানুহবোৰৰ মনোযোগ ভাগি যায়; কাম-বন এৰি দোকানীবোৰেও খন্তেকপৰ চাই লয় এই অদ্ভুত দৃশ্য-পদদলিতৰ কোৰ্হাল। বাটৰ বাটৰুৱাবোৰে বৈ বৈ চায়। কিন্তু অলপ পিছতে সিহঁতে নিজৰ নিজৰ কামত মন দিয়ে। বনুৱাৰ কোৰ্হালে সিহঁতক নুখুৱায়।

প্ৰসন্ন সাধাৰণতে শোভাযাত্ৰাটোৰ শেষত যায়। কোনো দিনা নাযায়। শোভাযাত্ৰাৰ লগত গ'লে তাৰ কাম হয় বনুৱা দলটোক নিৰীক্ষণ কৰি যোৱা, ক'ৰবাত সিহঁতে অধিক উৎসাহ আৰু উত্তেজনাৰ ফলত কিজানি শৃংখলা ভঙ্গ কৰি দিয়ে, এই ভয়ত। সিহঁতক গঢ়ি তোলাই তাৰ কাম। তাৰ নিজৰ কোনো স্বাৰ্থ নাই তাত। বনুৱাৰ উন্নতিয়েই তাৰ উন্নতি, বনুৱাৰ সুখেই তাৰ সুখ। ট্ৰেড ইউনিয়ন আন্দোলনৰ যোগে দৈনন্দিন সংগ্ৰাম ভেটিত বনুৱাসকলক ভয়ৰ পথেদি আগুৱাই নিয়াই তাৰ ধৰ্ম, যদি তাক ধৰ্ম বুলিব পাৰি। ছচিয়েলিষ্ট হিচাপেও তাৰ কৰ্তব্য সেয়ে।

শোভাযাত্ৰাটো সমুখত গৈ থাকোঁতে তাৰ মনত ভাহে এখন ৰণৰ ছবি সৰ্বহাৰাৰ ৰণ। বঞ্চিত, পীড়িত, বনুৱাই বস্তু দামত হাহাকাৰ কৰি দৰমহাৰ বাবে যুদ্ধ চলাইছে। এইখনত অকল দৰমহাৰ বাবেই কৰা যুঁজ নহয়। এই যুঁজৰ সফলতাৰ ওপৰতে নিৰ্ভৰ কৰিছে সিহঁতৰ জীৱন ধাৰণৰ মান উচ্চ

কৰাৰ কথা; তেতিয়াহে সিহঁতৰ জীৱনলৈ সাৰ্থকতা আহিব, মানুহ হিচাপে জীয়াই থাকিবৰ বাবে সিহঁতে পোহৰ দেখা পাব—শোষণৰ আন্ধাৰত পচি থকা শই শই, হাজাৰ হাজাৰ মানুহে উন্নতিৰ সন্ধান পাব।

বাটৰ দাঁতিৰ দোকানীবোৰে বাটৰ বাটৰুৱাবোৰে খন্তেকপৰ ৰৈ শোভাযাত্ৰা চায়, কিন্তু সিহঁতৰ চকুত নপৰে এই ৰণখন। চকু থাকিও সিহঁত কণা। তাৰ হাঁহি উঠে। এদিন তাৰো আছিল দৃষ্টিশক্তিৰ অভাৱ। সি ধনী মানুহৰ ল'ৰা; বাপেক মেজিষ্ট্ৰেট। সাধাৰণ গতিত শিক্ষা লভি সি যেতিয়া এম.এ. পাছ কৰে, তেতিয়া পৃথিৱীত দ্বিতীয় মহাসমৰ। ভাৰতত বিয়াল্লিছৰ বিপ্লৱ। এম.এ. দি ঘৰত জিৰাওঁতেই কেউফালে গ্ৰেপ্তাৰ, হৰতাল, ধৰ্মঘট, হিংসামূলক কাৰ্য-কলাপৰ উজান উঠিবলৈ ধৰিলে। পূব সীমান্তৰ পৰা বায়ুবেগে আগ বাঢ়ি আহিল সুভাষ বসুৰ সৈন্য-বাহিনী। মহাসমৰে দিনে দিনে জগতৰ মানচিত্ৰ সলাই যাবলৈ ধৰিলে। এনে পৰিৱেশত তাৰো মন চঞ্চল হৈ উঠিল। দেশৰ মুক্তিৰ সপোনে তাকো বাউল কৰি তুলিলে, আগ-পিচ নুগুণি সি আন্দোলনত জঁপিয়াই পৰিল—

গাঁৱে-গাঁৱে, নগৰে-নগৰে, ৰ'দ-বৰষুণ নগণি, বগা বঙালহঁতৰ চোৰাংচোৱাৰ চকুত ধূলি দি মাহৰ পাছত মাহকৈ সি অত্যন্ত কষ্টত ঘূৰি ঘূৰি কটাবলৈ ধৰিলে। তথাপি তাৰ উছাহ পৰি নগ'ল। গাঁৱে-গাঁৱে ঘূৰি সি দীন-দৰিদ্ৰ ভিকহু মানুহৰ নিতৌ সংস্পৰ্শত আহি দেখিলে, মানুহৰ অভাৱ কিহৰ? সিহঁতৰ অভাৱ অন্নৰ, বস্ত্ৰৰ আৰু থকা ঘৰৰ, সিহঁতে বিচাৰে অৰ্থনৈতিক মুক্তি।

দিনৰ পাছত বছৰ গ'ল।

ভাৰতৰ কেইবা যুগৰো সাধনাৰ ফলস্বৰূপে স্বাধীনতা আহিল। দেশত জাতীয় চৰকাৰ প্ৰতিষ্ঠা হ'ল। কিন্তু তথাপি দীন-দৰিদ্ৰ-ভিকহুৰ জীৱনলৈ একো পৰিৱৰ্তন নাহিল। গাঁৱৰ মানুহৰ জীৱন আগতকৈও বেয়া হৈ যাবলৈহে ধৰিলে...

তাৰ মনত আকৌ প্ৰশ্ন হ'ল—"যি বিচাৰিছিলো, পালো নে আমি?"

"নাপালো।" সি উত্তৰ পালে। তেতিয়া সি আকৌ পথ বিচাৰিলে।...

সি তাৰ নতুন পথ বাচি ল'লে। কৃষক-বনুৱাৰ মুক্তিৰ ৰণত সি মানুহৰ আশাৰ পথ বিচাৰি পালে। সেই বাবেই সি ছচিয়েলিষ্ট হ'ল। বিয়াল্লিছৰ

বিপ্লৱত যি উছাহ্ লৈ কামত ধৰিছিল, সেই উছাহ আজিও আছে, আজি কিন্তু তাৰ চেতনা বৰ প্ৰবল। তাৰ মনত আজি অৰ্থনৈতিক মুক্তিৰ পথ পৰিষ্কাৰভাৱে জিলিকিব লাগিছে। কি কৰিছে, কিহৰ বাবে কাম কৰিছে সেই কথা সি ভালদৰে জানে... তাৰ বাবে সি কোনোদিনে অনুতাপো কৰা নাই... সি বিপ্লৱৰ বাবে কাম কৰিছে, বিপ্লৱৰ বাবে জীয়াই আছে।

মাজে মাজে তাৰ ধৈৰ্যচ্যুতি ঘটে, ভয় হয়; কেতিয়াকৈ দুখীয়াৰ মুক্তিৰ সপোন ফলিয়াব? কিন্তু সপোন যে ফলিয়াব সেই বিষয়ে তাৰ অগাধ বিশ্বাস আছে—নহ'লে ধনীৰ ঘৰৰ সকলো সুখ জলাঞ্জলি দি কিয় সি ময়লাত পোত খাই থকা বনুৱা বস্তিত নিজক বিলাই দিবলৈ আগ বাঢ়ি আহিব?

শোভাযাত্ৰাৰ আঁৰত আত্মগোপন কৰি গৈ থাকোঁতে থাকোঁতে বাটৰ মানুহ আৰু দোকানীবোৰৰ আওকাণলৈ লক্ষ্য কৰি সি ভাবে, তাৰ এৰি অহা জীৱনটোৰ কথা। কেনে অদ্ভুত জীৱন। টকা-পইচা ঘটা, বিয়া-বাৰু কৰোৱা একোৰে চিন্তা নাই, কেৱল বক্তৃতা, অফিচ, সংগঠন আৰু অনিয়মীয়া জীৱন যাপন...

সি ভাবে বিপ্লৱৰ বাহক বা নতুন শক্তিৰ কণিকা হিচাপেহে সি জীয়াই আছে—সি এটা প্ৰৱাহত উটি গৈ আছে। তাৰ সন্তোষ মাত্ৰ এইখিনিয়েই যে সি প্ৰৱাহ এটাৰ গতিত যোগ দিছে—তাক ওলটাই বোৱাবৰ চেষ্টা কৰা নাই—কাৰো বিৰুদ্ধে তাৰ অভিযোগ নাই...

ধৰ্মঘটৰ জাননী দিয়াৰে পৰা মাজৰ দু-সপ্তাহকালত বনুৱা পটি সৰু চাপৰ ঘৰবোৰত দেও উঠিল। সেই কেইদিন কামৰ পৰা আজৰি পালেই সিহঁতে উত্তেজিত স্বৰে ধৰ্মঘটৰ কথা পাতে, মালিকক গালি পাৰে। সিহঁতৰ ভাব-ভঙ্গী, কথা-বতৰা, ব্যৱহাৰৰ ৰীতি সকলোতে এটা বিৰাট পৰিৱৰ্তনে দেখা দিলে। বহু দিন গহ্বৰত সোমাই থকা বাৰিধাৰাই পাৰ ভাঙি যেতিয়া মুকলিলৈ ওলাই যায়, তেতিয়া তাত চঞ্চলতাৰ অধীৰ কঁপনি উঠে। বনুৱাবোৰৰ শত হতাশাই অন্তৰৰ গোপন গুহা ভাঙি চঞ্চল গতিৰে সেইদৰে আজি ওলাই আহিছে, নতুন ৰূপত। পুলিচ আহি মাজে মাজে বনুৱা বস্তিত টহল দিয়েহি, মালিকৰ টুটকীয়াই নানা ভয় দেখুৱাই সিহঁতক ভঙাবলৈ চেষ্টা কৰিছে, কিন্তু তালৈ সিহঁতৰ ভ্ৰূক্ষেপ নাই। "পুলিচে কি কৰিব অ', আমাক খাবলৈ দিব নেকি সিহঁতে?" "দৰমহা দে, তেহে ধৰ্মঘট বন্ধ কৰিম।"—সিহঁতৰ কথাত

স্পষ্ট সাহসৰ সুৰ। সিহঁতৰ সাহস দেখি প্ৰসন্নৰ মন আনন্দত নাচি উঠে। বনুৱাৰ আনন্দ।

ধ্বনিৰ কোবত বনুৱা পটিৰ মাটি টলমলাই যায়। আবেলি সভাত বুধনীয়ে ৰঙা পতাকাৰ তলত থিয় হৈ বক্তৃতা দিয়ে—"ভাইহঁত ভয় নাই, দৰমহা নিদিলে ধৰ্মঘট কৰিম। ৰতনলালহঁতক এৰি নিদিলে সিহঁতক এসেকা দিম। আমাৰ ভিতৰত খালি ভাগ ভাগ নহ'বি, এক হৈ কাম কৰ।" বক্তৃতাৰ ধৰণ, সুৰ, কথা সদায় একেই থাকে। কিন্তু সদায় তাৰ ৰূপ ন-নকৈ ওলায়। বুধনীৰ বক্তৃতাত ফুটি উঠে সিহঁতৰ অনমনীয় দৃঢ় যুদ্ধং দেহি মনোভাৱ। বক্তৃতা দিওঁতে তাইৰ মনত পৰে গিৰিয়েক মৰাৰ কথা, তাইৰ কাম যোৱা কথা আৰু সুৰলালজীৰ অসৎ ব্যৱহাৰৰ কথা—সকলোবোৰ ঘটনা তাইৰ মনত ভাহি উঠে। কথা কৈ যাওঁতে যাওঁতে কেতিয়াবা তাইৰ মনৰ দুখবোৰ বক্তৃতাত মিহলি হৈ এটা কৰুণ সুৰৰ সৃষ্টি কৰে।

বনুৱা পটিত দেও উঠা দেখি সুৰলালজীয়ে বিষম গণিলে। বুধনীক দেখিলে তাৰ বুকু কঁপা হ'ল। সেই বাবে এদিন ৰাতি মনে মনে নিবনুৱা পটিৰ পৰা পলাই গ'ল। পলাই যোৱাৰ পাছত যেতিয়া বনুৱাবোৰে কথাটো জানিলে, তেতিয়া সিহঁতৰ কি আনন্দ। এটা কুৎসিত আনন্দত সিহঁত কিৰিলি পাৰি উঠিল।

দিনবোৰ আৰম্ভ হয় "ইন্‌কিলাব জিন্দাবাদ" ধ্বনিৰে, শেষ হয় "ইন্‌কিলাব জিন্দাবাদ" দি। "ইন্‌কিলাব" জীয়াই ৰয় সিহঁতৰ নতুন শক্তিত, নতুন মনোভাবত, নতুন আশাত।

ভয়ে গুণ নিদিলে। মালিক পৰাজিত হ'বলৈ বাধ্য হ'ল। দহ দিন যোৱাৰ পাছত লেবাৰ কমিচনাৰ নিজে আহি মালিকক ক'লেহি মীমাংসা কৰিবলৈ। লেবাৰ কমিছনাৰ মধ্যস্থতাত মালিক-বনুৱাৰ বিবাদ সহজে 'মিত-মাত' হৈ গ'ল। বনুৱাবোৰৰ যি দাবী গ্ৰহণযোগ্য এই কথা মালিক আৰু চৰকাৰ দুয়ো পক্ষই মানি ল'লে। ঠিক হ'ল প্ৰত্যেক বনুৱাই বৰ্তমান দৰমহা গাঁথনিৰ ওপৰত দহ টকাকৈ গাইপতি বেছিকৈ দৰমহা পাব। আৰু ঠিক হ'ল ৰতনলাল আৰু বাকী কেইজন বনুৱাৰ ওপৰত মালিকে অভিযোগ তুলি ল'ব আৰু সিহঁতক অবিলম্বে মুক্তি দিয়া হ'ব। লগে লগে ৰতনলাল আৰু বুধনীক বিনাচৰ্তে কামত নিয়োগ কৰা হ'ব। ইয়াৰ বাহিৰেও ৰতনলালহঁতক গ্ৰেপ্তাৰ

কৰি নিয়াৰ দিনা আপোনা-আপুনি যিটো ধৰ্মঘট হ'ল, সেইটোৰ বাবে মালিকে কাকো শাস্তি দিব নোৱাৰিব। ভৱিষ্যতে মালিকে ইউনিয়ন মানি চলিব লাগিব।

বনুৱাৰ জয় হ'ল । জয়ৰ গৌৰৱ মুখত ফুটাই লৈ যেতিয়া প্ৰসন্ন মীমাংসা বৈঠকৰ পৰা ওলাই আহিল, তেতিয়া বাহিৰত ইতিমধ্যে বনুৱাবোৰৰ ভিৰ আৰম্ভ হ'লেই। প্ৰসন্নই মীমাংসাৰ কথা ঘোষণা কৰাৰ লগে লগে, সিহঁতৰ মাজত আনন্দৰ ঢৌ উঠিবলৈ ধৰিলে। জয়ধ্বনিত আকাশ-পাতাল কঁপি উঠিল 'ইন্‌কিলাব জিন্দাবাদ'।

মীমাংসা বৈঠক হোৱা ঠাইৰ পৰা অফিচলৈ এক ফালং মান হ'ব। সেইছোৱা বাটত প্ৰসন্নই মাটিত ভৰি দিবলৈকে নেপালে। বনুৱাবোৰে বিপুল হৈ-ধ্বনিৰ মাজত তাক এক ৰকম দাঙি নিয়া দিয়েই নিলে। প্ৰসন্নয়ো তাত বাধা নিদিলে। বনুৱাবোৰৰ মৰম কৰা ধৰণৰ কথা সি ভালকৈয়ে জানে।

অফিচ পোৱাৰ পাছতে প্ৰসন্নই খবৰ পালে যে সেইদিনা সন্ধিয়া ৰতনলালহঁতৰ মুক্তি হ'ব। খবৰটো বনুৱাবিলাকৰ মাজত বিয়পি পৰাৰ লগে লগে সিহঁতৰ মনত যে এচাটি বিজুলী খেলি হ'ল। ৰতনলালৰ মুক্তি হ'ব, কেনে আনন্দৰ কথা। বুধনী ক'ৰবাৰ পৰা দৌৰি আহি ফোঁপাই-জোঁপাই প্ৰসন্নক ক'লেহি, "আমি ৰতনলালক লৈ আহিমগৈ। ইয়াৰ পৰা শোভাযাত্ৰা কৰি যাম।"

প্ৰসন্নই হাঁহি ক'লে, "ঠিক কথা। যাবা। কিন্তু তাৰ আগতে" বুলি সি সমুখৰ মানুহবোৰ এবাৰ চাই লৈ ক'লে, "এবাৰ সভা পাতিব লাগিব।"

তেতিয়া পাঁচ বাজিছিল। ৰতনলালহঁতক ছটাত মুক্তি দিয়াৰ কথা। তাৰ আগতেই সভা পাতিব লাগিব আৰু শোভাযাত্ৰাৰ কৰি জেলৰ গেটত হাজিৰ হ'বগৈ লাগিব। প্ৰসন্নৰ অনুৰোধক্ৰমে বুধনীয়ে সকলোকে খন্তেকপৰ বহুৱালে। প্ৰসন্নই এটি চুটি বক্তৃতা দি ক'লে যে, বনুৱাবোৰৰ একতাৰ বলতেই এই জয় সম্ভৱপৰ হৈছে। এই একতা যেন নাভাগে। সকলোৱে যেন ইউনিয়নৰ ৰঙা পতাকাৰ তলত সমবেত হয়।

বক্তৃতা হওঁ-নহওঁতেই কেদাৰ ৰ'ডৰ বাটটোতে আকৌ এবাৰ সৰু অথচ দৃঢ় জয়ধ্বনি এটা শুনা গ'ল। সকলোৱে বুজিলে যে ই বুধনীৰ মাত। শোভাযাত্ৰা কৰিবলৈ সংকেত দিছে। নিমিষতে সকলো উঠি পৰিল আৰু

জুমে জুমে গৈ বতাহত উৰি থকা ৰঙা পতাকাখনৰ তলত শাৰী পাতি থিয় দিলেগৈ।

প্ৰসন্নও আহি লাহে লাহে শোভাযাত্ৰাৰ শেষত থিয় দিলেহি। আজি শোভাযাত্ৰাত কোনো গণ্ডগোল নাই। সকলোৱে শৃংখলা মানি শাৰীত থিয় দিছে। ওপৰত ৰঙা পতাকাখনো আচৰিতভাৱে উচ্ছল হৈ উৰিবলৈ ধৰিলে।

লাহে লাহে পতাকাখন আগলৈ যাবলৈ ধৰিলে। তাৰ পাছত শুনা গ'ল সহস্ৰ ভৰিৰ খোজ। খোজত এটি বিজয়ৰ আৰু ঐক্যৰ সুৰ বাজি উঠিল।

শোভাযাত্ৰা আৰম্ভ হোৱাৰ লগে লগে প্ৰসন্নৰ গোটেই শৰীৰ, মন অদ্ভুত সংকেতত কঁপিবলৈ ধৰিলে। অদূৰৰ অনাগত প্ৰাচুৰ্যৰ ছবি এখন তাৰ মনৰ পটত জিলিকি উঠিল। সি অনুভৱ কৰিলে যেন পৃথিৱীতে আজি সৰ্বহাৰা দলৰ মুক্তিৰ জয়যাত্ৰা আৰম্ভ হৈছে।

শোভাযাত্ৰা আগ বাঢ়ি গৈ গৈ কেদাৰ ৰ'ডৰ মূৰৰ চাৰি আলিটোৰ পৰা সোঁ ফালৰ বাটটোৰেদি ঘূৰিল। প্ৰসন্ন কিন্তু অফিচৰ সমুখতে থিয় দি ৰ'ল। আজি শোভাযাত্ৰাৰ লগত নগ'ল। তাৰ খুব ভাগৰ লাগিছিল। তদুপৰি বনুৱাবোৰৰ শৃংখলাবোধ দেখি সি আন্তৰিক খুব সন্তোষ পালে। সিহঁতে নিজে নিজেই নিজৰ কথা বুজি পাইছে। সেই বাবে আজি আৰু সি সিহঁতৰ লগত নগ'ল।

শোভাযাত্ৰাটো সোঁ ফালৰ বাটটোৰেদি যাওঁতে হঠাতে কেইটমান বনুৱাই চিঞৰি উঠিল, "সৌটো দালাল, 'চালা'ই পাণ খাইছে।" শোভাযাত্ৰা কৰা আটাইবোৰ বনুৱাই এইবাৰ ঘূৰি চাই দেখে যে পাণৰ দোকানৰ পৰা সুৰলালজীয়ে পাণ কিনি মুখত দিছে। ... 'চালা'ৰ লাজ থাকিলেহে! গাভৰু ছোৱালীৰ ওপৰত অত্যাচাৰ কৰিবলৈ যায়।" ..."আ মালিকৰ ভৰিত পৰগৈচোন যা, দেখো এতিয়া, কোনে ৰতনলালক ফাটেক দিয়ে, বুধনীক কোনে কামৰ পৰা খেদায়?" ... কোনোবা এটাই ক'লে, "যা, যা, মালিকক কি লাগিব আৰু? তোৰ আগতে বুধনীয়ে কাম কৰিব। এয়া, ৰতনলালকো লৈ আহোগৈ?"...

বনুৱাবোৰৰ মাজত চিঞৰ-বাখৰ আৰম্ভ হৈছিল আৰু কিন্তু তেনেতে আগৰ পৰা কাৰোবাৰ মাত এটা আহি কাণত পৰাত সিহঁত মনে মনে ৰ'ল। বুধনীয়ে চিঞৰি ক'লে, "ভাইহঁত, দালালক মাৰি লাভ নাই, মালিকেই

হাৰিল। এতিয়া ৰতনলালক আনিবলৈ যাওঁ ব'লহঁক, পলম হৈ যাব।" বুধনীৰ কথাত উত্তেজনা আৰু চিঞৰ-বাখৰ শাঁত পৰিল আৰু আগৰ দৰে শোভাযাত্ৰা নিয়ম মতে আগুৱাবলৈ ধৰিলে।

সুৰলালজী কোনো ৰকম এই যাত্ৰালৈ সাৰিল। বনুৱাৰ জয় হোৱা বুলি শুনাৰে পৰা তাৰ ধাতু নাছিল। কোনে ক'ত কি কৰে, কি ঠিক আছে।...

প্ৰসন্ন অফিচতে কিছুপৰ বহিল। তাৰ পাছত এবাৰ বনুৱা পটিৰ ফালে ফুৰিবলৈ গ'ল। সন্ধিয়ালৈ আৰু বেছি পৰ নাই। সৰু সৰু চাপৰ ঘৰবোৰত তেতিয়া কোনো জন-প্ৰাণী এটা নাই। আনকি পাৰুল আৰু তাইৰ অকণ অকণ ভায়েক দুটাও আজি শোভাযাত্ৰাত ওলাই গৈছে। দহ-এঘাৰ দিন দেও উঠা টুকুৰাৰ পৰা যেন এতিয়া দেও আঁতৰি গ'ল। কেউফালে নিজম। মাত্ৰ মাজে মাজে এচাটি-দুচাটি বাই খালৰ পৰা মলিৰ গোন্ধ আনি নাকত লগাই যায়হি। মলিৰ গোন্ধবোৰ সি আজি-কালি সহিব পৰা হৈছে। কিন্তু সি এই আৱৰ্জনাময় জীৱন-যাপনৰ কথাহে মুঠেই সহ্য কৰিব নোৱাৰে। অস্তিত্বৰ এই কলঙ্ক গুচাবই লাগিব—সি মনে মনে ভাবে।

লাহে লাহে সি তাৰ পৰা আঁতৰি আহিল। শুদা অফিচটোত সোমাবৰ মন নগ'ল। উত্তেজনা, চিঞৰ-বাখৰ, বাক্-বিতণ্ডা সেইবোৰ আৰু নাই। এনে পৰতে কল্পনাই মন অধিকাৰ কৰে। বুকুৰ একোণত লুকাই থকা আশাবোৰ ঠন ধৰি উঠিব খোজে—কেতিয়াবা আহিব দীন-দুখীয়াৰ মুক্তিৰ দিন, কেতিয়া এই বনুৱাবোৰৰ দুখৰ অৱসান হ'ব, আৰু সুখৰ জন্ম হ'ব? কেতিয়া?...

চাৰিআলিৰ দোকানখনৰ পৰা এটা চিগাৰেট লৈ সি আপোন মনে মুখত জ্বলাই ল'লে। এখন দাম আৰু দৰমহাৰ যুঁজ আজি অন্ত হ'ল। কিন্তু আৰু শ খন তেনে ৰণ হ'ব। ইয়াত নহ'লে আন এঠাইত হ'ব। তাৰ পাছত কি হ'ব? ৰণত শেষত কি ওলাব, কি পোৱা যাব? অকলতো দৰমহাই সিহঁতৰ লক্ষ্য নহয়, সিহঁতক লাগে সকলো মানুহে সুবিধাকৈ থাকিব পৰা এখন জগৎ, সাম্যৰ দুনীয়া। সেই দুনীয়াত বস্তুৰ অভাৱ গুচিব, মনৰ উন্নতি হ'ব।

গৈ থাকোঁতে থাকোঁতে তাৰ চকুৰ আগত ভাহি উঠিল, ওখ আশাৰ আলিয়েদি বাট বুলি যোৱা কিছুমান বাটৰুৱাৰ দৃশ্য। শিলত লাগি সিহঁতৰ ভৰিৰ তলুৱা মাটি চিৰাচিৰ হৈছে, দুখত আমঠু ক'লা পৰি গৈছে, তথাপি সিহঁতৰ

বিৰাম নাই, ভাগৰ নাই, কেৱল যোৱা, যোৱা আৰু যোৱা। সিহঁতৰ হাতত ৰঙ পতাকা, সমুখত ৰঙালী সপোন। মুখত 'ইন্‌কিলাব জিন্দাবাদ' ধ্বনি।

তাৰ গোটেই বুকুখন আশাৰ আৱেগতে কঁপিবলৈ ধৰিলে।

পাণৰ দোকানত চিগাৰেট খাই-তাই আহি আহি পাণবজাৰ পায়হি মানে সন্ধিয়াৰ আন্ধাৰে পৃথিৱীখন আগুৰি পেলালে। ইতিমধ্যে ছয় বাজি গ'ল। ৰতনলালহঁতৰ চাগৈ মুক্তি হৈ গ'ল। এতিয়া সিহঁত বনুৱা পটিলৈ উভটি যাব পায়। সেই সৰু সৰু চাপৰ ঘৰবোৰত সিহঁতে মূৰ সুমুৱাবলৈ। আকৌ আগৰ দৰে ময়লাৰ গোন্ধ আহি নাকত লাগিবহি। কেদাৰ ৰ'ড আকৌ আগৰ দৰেই চলিব।

কল্পনাত সি আকৌ শুনিবলৈ পালে কিছুমান উত্তেজনাপূৰ্ণ চিএৰ-বাখৰ, আশাৰ ধ্বনি আৰু মুক্তিৰ আহ্বান ইন্‌কিলাব জিন্দাবাদ, ইন্‌কিলাব জিন্দাবাদ, ইন্‌কিলাব জিন্দাবাদ।

পাণবজাৰৰ সোঁমাজ পাওঁতেই হঠাতে বিজুলী বাতিবোৰ জ্বলি গ'ল। আন্ধাৰ গুচিল। আধা কল্পনা আৰু আধা বাস্তৱ মনৰ অৱস্থাত সি দেখিবলৈ পালে পাণবজাৰৰ দু-মহলাবোৰ।

তাৰ মনত হ'ল যেন কল্পনাৰ সৰু সৰু চাপৰ ঘৰবোৰৰ ঠাইত এই ওখ দু-মহলাবোৰে জন্ম পাইছে। সেই সময়ত দু-মহলাবোৰ বৰ মনোৰম যেন লাগিল তাৰ চকুত। কল্পনাতে সি দেখিলে বনুৱা পটিৰ ওপৰত কিছুমান সুন্দৰ, ওখ, দু-মহলা তৈয়াৰ হৈছে, আৰু ময়লাৰ সলনি ফুলনিৰ পবিত্ৰ গোলাপ ফুলৰ সুৱাস ফুটি ওলাইছে।...

চকুৰ আগত এটা বাট। মনত এটা সপোন আৰু অমৰ আশা। মুখত তাৰ অস্ফুট স্বৰত ফুটি উঠে,

"ইন্‌কিলাব জিন্দাবাদ, জিন্দাবাদ।"

কিছুমান সৰু সৰু চাপৰ ঘৰ, এটা শোভাযাত্ৰা, এখন ৰঙা পতাকা আৰু এদল মুক্তি বনুৱা! তাৰ ওপৰতে তাৰ সপোনটো! সৰু সৰু চাপৰ ঘৰবোৰৰ ঠাইত কিছুমান সুন্দৰ, ওখ ফুলনিৰে ভৰা দু-মহলা...

এতিয়া দেখাত অৱশ্যে সৰু সৰু চাপৰ কিছুমান ঘৰহে... সাতোটা বাজিল।...

(১৯৪৭ চন)

* * *

# ৱাৰ্ড নং দুই

ৱাৰ্ড নং দুইত ভিতৰুৱা ৰোগী হৈ সোমালো।

ৱাৰ্ড নং দুইত সি কয়দী হৈ একেদিনাই সোমাল।

পৃথিৱীত বহুত ঘটনা ঘটে কিন্তু এই দুটা ঘটনাৰ মাজত এডালি যোগসূত্ৰ আছে। মই বহুত দিনীয়া পেটৰ বেমাৰী, ডাক্তৰে পেট পৰীক্ষা কৰিবৰ বাবে বৰ সদয় হৈ মোক ইয়াত সোমালে। ৰেলত চাকৰি কৰিছিলো বদৰপুৰত—দেশৰ সৰ্ববৃহৎ ৰাষ্ট্ৰীয় উদ্যোগ যিটো, তাত। চতুৰ্থ শ্ৰেণীৰ চাকৰিয়াল, দৰমহাই খাবলৈ নোজোৰে। বহু দিনৰ পৰা পেটত ভূত সোমাইছিল। ৰেল হাস্পতালত প্ৰায় এবছৰ কটালো। ৰোগী বহুত, দীঘলীয়া ৰোগীৰ প্ৰতি সাধাৰণতে ডাক্তৰৰ মৰমো কমি আহে। শেহত হঠাতে এদিন আহিল ওলাই যোৱাৰ আদেশ। ভাল নহ'লোৱেই। পিছদিনা শীৰ্ণ দেহ আৰু ভগ্ন মন লৈ অফিচৰ মেজত বহোঁতেই ওপৰৱালাই মাতি পঠিয়ালে, সন্তৰ্পণে অফিচত বহিবলৈ দিলে, এটা চিগাৰেট পুৰি শেষ কৰি এচট্ৰেত ছাই পেলোৱাৰ লগে লগে জানিবলৈ দিলে, "আপুনি অকৰ্মণ্য বুলি ডাক্তৰে লিখিছে।... আজিৰে পৰা আপোনাৰ কাম নাই।"

ওপৰৱালাজন ভদ্ৰলোক। আৰু কিবাকিবি সান্ত্বনাৰ ভাষা বহুত কিবাকিবি কৈছিল, আৰু শুনিবলৈ নহ'ল। যিটো চাকৰিৰ ওপৰত মই, মোৰ দুটি ল'ৰা-ছোৱালী আৰু পত্নী বৰ্তি থাকিব লাগে, সেই চাকৰিটো যোৱাৰ খবৰটো পাই মোৰ মন আৰু ক'ত থিৰেৰে ৰয়? সান্ত্বনাৰ ভাষা শুনিলে জানো পেট ভৰিব। ওলাই আহিলো।

ঘৰত খবৰটো কওঁতে গাভৰু পত্নীৰ কঙ্কালসাৰ দেহৰ একমাত্ৰ পোছাক সেই নাৰী সুলভ হাঁহিটো খহি পৰিল।

সময়টো আছিল সন্ধিয়া। নৱেশ্বৰৰ জোনাক আৰম্ভ হৈছিল। তেনেতে দেখিলো আকাশত উঠি অহা জোনটোৱে হাঁহিছে। ইমান ক্রুৰ হাঁহি।

তাই মাতবোল নকৰি ভিতৰলৈ গ'ল ভাত-পানীৰ যোগাৰ কৰিবলৈ। ৰেলৰ ঘৰৰ বাৰান্দাতে বহি জীৱনৰ ভৱিষ্যতৰ কল্পনা কৰোঁতে কৰোঁতে অতীতটো ঘূৰি আহিল। কি ভয়াৱহ অতীত।

লোক স্বাধীনতা পালে, আমি পালো নির্বাসন। যি পূর্ববঙ্গই ওসময়ত স্বাধীনতাৰ বন্তি জ্বলাই দেশক পোহৰ দিছিল, সেই পূর্ববঙ্গৰ মানুহ আহি ভয়ত, নিৰাশ্ৰয়ত আশ্রয় ল'লো এই ৰেলৰ ক'লনিত। দূৰ সম্পৰ্কীয় মামা এজনৰ যত্নত পালো এই কেৰাণীৰ কাম। আশা, আশ্রয়, ভৱিষ্যৎ সকলো ঘূৰি আহিল। মামাই ডিব্রুগড়ৰ অমিত সেনৰ জীয়েক বনিতাৰ লগত মোৰ বিয়া ঠিক কৰি কামত সোমোৱাৰ পিছ বছৰতে বিয়া পাতি দিলে। বনিতা খুব দুখ বুজা ছোৱালী। কাজেই বিশেষ একো অসুবিধা নহ'ল। যিকেইটা দৰমহা পাওঁ তাৰে দিন চলি যাবলৈ ধৰিলে। কেতিয়াবা অভাৱত পৰি ময়েই যদি অতিষ্ঠ হওঁ, বনিতা নহয়। বনিতাই কয়, "সংসাৰত যাৰ অদৃষ্টত যি আছে, তাক কোনে খণ্ডাব। ঠাকুৰে যি কৰে কৰক।" বনিতাৰ এই ঈশ্বৰ নির্ভৰশীলতাই মোক সদায় দুখত অনুপ্রেৰণা দিবলৈ ধৰিলে। তাৰ পাছত আঠ বছৰমান গ'ল। নৱম বছৰৰ বাৰিষা আৰম্ভ হ'ল ৰোগ—কেৱল তেজ হাগনি, আভোক আৰু মুৰ্মুৰীয়া জ্বৰ। বনিতাৰ দেউতাক খবৰ কৰিবলৈ আহিল এমাহৰ মূৰত। বনিতায়ে খবৰ দি মতাই আনিলে। তেওঁ আহি আমাৰ ইউনিয়নৰ সম্পাদকৰ লগত আলোচনা কৰি ডাক্তৰখানাত ভৰ্তি কৰি এৰাব নোৱাৰা কামৰ মানুহ, কামলৈ গুচি গ'ল।

তাৰ পাছত এই অৱস্থা।

মনটো দুখত মৰহি গ'ল। পেচেঞ্জাৰ ট্রেনখন লামডিঙৰ ফালৰ পৰা আহি ৰৈছিলহি। হঠাতে মনটো খন্তেকৰ বাবে সজীৱ হৈ গ'ল। ষ্টেশ্যনত ৰোৱাৰ এই দৃশ্যটোৱে মোৰ মনত এটা আশা জগাই গ'ল। সদায় এইদৰে ট্রেইনখন আহোঁতে মই ষ্টেশ্যনলৈ যাওঁ, টিকট গোটাওঁ, হৰেক ৰকমৰ যাত্ৰী অহা-যোৱা দেখো। টিকটবোৰ জমা দিওঁ, ঘূৰি আহোঁ। এই ট্রেইনবিলাক আহোঁতে মোৰ ব্যক্তিত্বটো বিকশিত হৈ পৰে। মই অনুভৱ কৰোঁ মই এই বিশ্বৰ এটা প্রয়োজনীয় মানুহ, ক'ৰবাত মোৰ দৰকাৰ আছে, মই যেন বিশ্বখন চলি

থকাত সহায় কৰি আছোঁ। পৃথিৱীৰ যাত্ৰীবোৰে মোৰ ওচৰত তেওঁলোকৰ টিকটৰ চিনাকি নিদিয়াকৈ গুচি যাব নোৱাৰে।

কিন্তু আজি।...

মনৰ দুখত বাৰান্দাৰ পৰা গৈ লাহে লাহে প্লেটফৰ্মৰ পকাত ভৰি দিলোগৈ। লাইটবোৰ জ্বলি উঠিছে। টিকট লোৱা ঠাইত এজন বেলেগ মানুহ বৈ আছে। মানুহজনক চালো, মোৰ দৰেই টিকট লৈছে, যাত্ৰীবোৰ এজন এজনকৈ যাবলৈ দিছে। মই নোহোৱা কাৰণে কামটো পৰি থকা নাই। মোৰ দৰে কোনোবা এজন সোমাইছেহি। কিন্তু মই? মই অকৰ্মণ্য...

হঠাতে কাৰোবাৰ মাত শুনি চক্ খাই উঠিলো—

"সংগ্ৰাম বাবু।"

ঘূৰি চাই দেখো মোহন শইকীয়া। মোহনক দেখি মোৰ মনটো একেবাৰে নাচি উঠিল। বনুৱাৰ বিপদ-আপদৰ বন্ধু যদি কোনোবা আছে তেন্তে মোহন শইকীয়া। কত কাম যোৱা, কাম যাব খোজা আৰু কাম বিচৰা মানুহৰ কাম ৰাখি দিছে মোহনে। কত মানুহৰ ছুটীৰ দৰমহা আৰু স্থানান্তৰৰ জঞ্জাল মাৰি দিছে তেওঁ। দেখিলো পেচেঞ্জাৰ ট্ৰেইনৰ পৰাই নামি আহিছে।

হৃদয়খন নাচি উঠিল কিবা এটি আশাৰ আৱেগত। 'মোহন বাবু দেখোন, নমস্কাৰ' বুলি আগ বাঢ়িলো।

মোহনে প্ৰতি-নমস্কাৰ দি ক'লে, "আপোনাৰ শহুৰৰ সৈতে দেখা হৈছিল।" তাৰ পাছত মোৰ মুখখন চাই সুধিলে, "ভাল হ'ল?"

অসন্মতিসূচক ভঙ্গীৰ মূৰ লৰাই ক'লো, "ভাল ক'ত হম। অকৰ্মণ্য হ'লো।"

"অকৰ্মণ্য।" মোহন বুজা মানুহ, অকৰ্মণ্য মানে কি তাক ভালদৰে জানে, সুধিলে, "কাম আছে তো?"

"কাম ক'ত থাকিব? আজিৰে পৰা শেষ।" কথা কওঁতে অন্তৰখন ভাগি গৈছিল।

মোহন গহীন হ'ল। একো নামাতিলে। তাৰ পাছত কিবা ভাবি ক'লে "আচ্ছা, কালিলৈ পুৱা দেখা হ'ব।"

আগ্ৰহেৰে সুধিলো, "ঘৰলৈ যাব?"

মোহনে হাঁহি উত্তৰ দিলে, "অঁ। ঘৰলৈ। ইউনিয়ন অফিচত মোৰ কাম

আছে” বুলি সি লাহে লাহে প্লেটফর্মৰ সিটো ফালেদি গৈ দূৰৰ ক্ষীণ জোনাকৰ মাজত মিলি গ'ল। ট্ৰেইনখনো ইতিমধ্যে চলিল। যাত্ৰীৰ ভিৰ আৰু নাই। কেউফালে নিজম পৰিল। পেটটো বৰ তীব্ৰভাৱে কামুৰিবলৈ ধৰিলে। দৌৰাদৌৰিকৈ ঘৰ পালেগৈ। পাইখানাৰ পৰা আহি আকৌ বাৰান্দাত বহিলোহি। পেটটো জুইৰ দৰে জ্বলিছিল, অলপ কেঁকাইছিলো। বনিতা আহি কাষত বৈ নিঃসহায় দৃষ্টিৰে বৈ আছিলহি। কি করুণ সেই চাৱনি। হৃদয় থৰক-বৰক কৰিবলৈ ধৰিলে। কি হ'ব, মই যদি এইদৰে থাকো অথবা মৰোঁ। এই কঠুৱা সংসাৰত মূৰ সোমাবলৈ এডোখৰ ঠাই নাই বনিতাৰ। ল'ৰা-ছোৱালী দুটি লৈ কৰিবই বা কি? মনৰ ভাব প্ৰকাশ নকৰি বনিতাক সেই সময়ৰ একমাত্ৰ আশাৰ খবৰটো দিলো ঃ “মোহন বাবু কালিলৈ পুৱা আহিব, বনিতা।”

“মোহন বাবু!” বিষাদৰ মাজতো বনিতাৰ মুখত ঈষৎ আনন্দৰ জ্যোতি ফুটি উঠিল।

মই ক'লো, “অঁ, মোহন বাবু। তুমি ভাত খোৱাগৈ বনিতা। মই একো নাখাওঁ। যোৱা।”

“ইঃ হয়। নাখালেই হ'ব। আপুনি নোখোৱাই মই খামনে?” বুলি বনিতাই অসুস্থ গিৰিয়েকৰ প্ৰতিবাদলৈ কাণ নিদি ভাতচৰুলৈ গ'লগৈ।

সতী সাধ্বী বনিতাৰ এই পতি-নিষ্ঠতা তেওঁৰ গুণ নে দোষ মই তাক কৰিব নোৱাৰিলো অকৰ্মণ্য স্বামীক তেওঁ দেৱতাৰ দৰে ভালপোৱাটো কোনোমতে যুক্তিসঙ্গত নহয়। কিন্তু সংস্কাৰবদ্ধ নাৰীয়ে সংস্কাৰৰ পৰা সহজে উদ্ধাৰ নাপায়।

দুঃস্বপ্নৰ দৰে ৰাতিটো শেষ হ'ল। পুৱাই উঠি কলৰ পানীৰে গা-পা ধুই বনিতাই জাপি থোৱা ধুতি-কামিজবোৰ পিন্ধি বাহিৰৰ বাৰান্দাত বহি মোহনৰ বাবে অপেক্ষা কৰি ৰ'লো। মোহন বাবুক তেতিয়া মোৰ আশাৰ দেৱতাৰ দৰে লাগিছিল। ব্যক্তিবিশেষৰ ওপৰত ইমান আস্থা স্থাপন কৰা ভাল নে বেয়া ক'ব নোৱাৰোঁ, কিন্তু সেই সময়ত মই ইমান দৰ্শনৰ কথা ভবাৰ অৱস্থাত নাছিলো

অৱশেষত যেতিয়া মোহন বাবু আহিল তেতিয়া দহ বাজিল। পাঁচ মিনিটমান বহি মোহনে মোৰ গোটেই কথাবোৰ শুনি ঘপ্ কৰে ক'লে, “ডিব্ৰুগড়লৈ ব'লক, ইয়াত নহ'ব। আৰু চিকিৎসা কৰিব লাগিব। মেডিকেল

কলেজত এটা ছীট বিচাৰিব লাগিব। তাৰ পাছতহে কাম-চামৰ কথা।”

কথাষাৰ মনত লাগিল। বনিতাৰ কিন্তু কথাষাৰ বৰ মনত নালাগিল। ডিব্ৰুগড়লৈ যোৱা মানে বাপেকৰ দুৰ্দশাগ্ৰস্ত পৰিয়ালৰ ওপৰত আৰু বোজা দিয়া আৰু ঘৰুৱা অশান্তিৰ পৰিমাণ বঢ়োৱা। কিন্তু উপায়েই বা কি? বদৰপুৰত থকাটোও সম্ভৱ নহয়। আজি ওপৰৱালাই যা বুলিয়েই যাব লাগিব।

মোহনে বনিতাৰ কথাবোৰ মনোযোগেৰে শুনি ভাবিলে, “বলক। তাতে কি কৰিব পাৰি ভবা যাব। ইয়াত উপায় নাই। ডাক্তৰৰ কথাতো।”

ডাক্তৰ। ডাক্তৰে যদি অকৰ্মণ্য বুলি লিখি দিয়ে তেন্তে স্বয়ং বিধাতা আহিও তাক খণ্ডাব নোৱাৰে। বহুত গুণা-গঁথা কৰি অৱশেষত আমি থিৰাং কৰিলো ডিব্ৰুগড়লৈ অহাৰ।

মোহন বাবুৰে আখৰে আখৰে কথা ৰাখিলে। হাস্পতাললৈ নি এজন ডাক্তৰ বন্ধুৰ যোগেৰে মোক এই দুই নং ৱাৰ্ডত ভৰ্তি কৰোৱালে। ভৰ্তি হ'লো আজি পুৱা ন বজাত। বনিতাহঁতক থৈ আহিছোঁ শহুৰৰ ঘৰত।

এতিয়া আবেলি। ৰোগী চাবৰ সময়। এই মাত্ৰ শহুৰ আহি কৈ গ'ল মোহনকো দহ বজাত পুলিচে গ্ৰেপ্তাৰ কৰিছে। শহুৰে জেলত দেখা কৰিবলৈ গৈছিল। বহুত কষ্টৰ মূৰত দেখা হ'ল—চি ডিভিজনৰ দুই নং ৱাৰ্ডত ৰাখিছে। ভালেই আছে।

ভালকৈ সোধাত শহুৰে ক'লে, “চিকাটিং বাগানত ধৰ্মঘট হৈছিল পাতৰ ৰেট লৈ। বাবুক ধৰিছে ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা মতে।”

আৰু জানিবৰ দৰকাৰ নহ'ল। সেইখন এখন বেলেগ হাস্পতালৰ কথা, য'ত আমি বনুৱাবোৰ ৰোগী আৰু মোহন বাবু ডাক্তৰ। সেইবোৰ অৰ্থনৈতিক ৰোগ, তাৰ পৰা বচাবলৈ হ'লে আমাক চিকিৎসা কৰিব লাগিব মানসিকভাৱে। বনুৱাবোৰৰ দাসত্বৰ ভয় ভাঙিবলৈ হ'লে দৰব লাগিব জেলবাস। পৃথিৱীখন আমাৰ বাবে শত বন্ধনেৰে ভৰা, সেই বন্ধন ছিঙি মুক্ত হোৱাৰ পন্থা হ'ল হাঁহিমুখে শৰীৰক কষ্ট দি আৰু মনক মুক্ত কৰি জেলবৰণ কৰা। এই পন্থাটো পূৰ্ববঙ্গৰ স্বাধীনতাৰ যুঁজাৰুসকলেই প্ৰথমে সৃষ্টি কৰিলে। সেই পন্থাকেইটা আজি সকলো সমাজৰ কয়েদীয়ে গ্ৰহণ কৰিব লাগিব।

শহুৰে মোৰ কাষত বহি ইটো সিটো সুধিছিল। ওচৰৰ ৰোগী এজনে

লাহেকৈ মুখ ঘূৰাই নাৰ্চজনীয়ে বাকী দিয়া অকণ গাখীৰ খাই এঙাইছিল—
"গাখীৰ নহয়, পানী, কেৱল পানী।

নাৰ্চজনীয়ে হাঁহি হাঁহি মোক ক'লে, "গাখীৰ বোলে আকৌ পানী।"

ৰোগীজনে ভোৰ্‌ভোৰাই ক'লে, "গাখীৰ। পানী।"

নাৰ্চৰ খং উঠিল, "যি দিয়ে আমি তাকেহে দিব পাৰোঁ।"

এইবাৰ ৰোগী সৈমান হ'ল।

নাৰ্চে আকৌ ক'লে, "কিছুমান ৰোগী আহে, কেৱল আপত্তি, আপত্তি। আপত্তি।"

তেনেতে কাষত থিয় হ'লহি ডাঃ নৰেণ বৰুৱা—যাৰ যোগেদি মই হাস্পতালত ভৰ্তি হৈছিলো। "কি হৈছে চিষ্টাৰ?"

নাৰ্চে হাঁহি ক'লে, "গাখীৰক পানী বুলিছে, ছাৰ।"

ডাক্তৰে ৰোগীক ক'লে, "কি হৈছে আপোনাৰ?"

ৰোগীয়ে মুখেৰে একো নামাতিলে।

তাৰ পাছত সেই বিষয় তল পৰিল। ষ্টেথিস্কোপ লৈ ডাক্তৰে পৰীক্ষা কৰিবলৈ উদ্যত হ'ল। নাৰ্চে তাৰ বুকুৰ পৰা কাপোৰখন দাঙি দিলে। হঠাতে মই দেখিলো এটা বিৰাট নৰ-কঙ্কাল।

কেৱল হাড়, হাড়, হাড়। মঙহবোৰ হাড়ৰ ভিতৰলৈ সোমাই গৈছিল। নহয়, মঙহৰ নামত কেৱল তাত উৰলা চালখন লাগি আছিল। চালখনৰ ৰং কেটোৰ ক'লা। এই ক'লা চালখন তাৰ জীৱনৰ এন্ধাৰৰ স্মৃতিচিহ্ন। মোৰ অন্তৰ কঁপি উঠিছে।

বৰুৱাই বুকু, পেট পৰীক্ষা কৰি গাটো ঢাকি দিবলৈ ক'লে। তাৰ পাছত নাৰ্চক সুধিলে, "শৌচত কি পালে?"

নাৰ্চে ক'লে, "জিয়াৰডিয়া, হুকৱৰ্ম, এমিবা চীষ্ট—"

"হু" বুলি বৰুৱা বৈ গ'ল।

"খাইছে কি?" আকৌ প্ৰশ্ন কৰিলে।

"একো খাব নোৱাৰে। গাখীৰত পানী পায়। ভাতত শিল পায়, গ্লু'ক'জ পানীত বিহ পায়—"

"হু"। ডাক্তৰ বৰুৱা আকৌ নীৰৱ হ'ল। ৰোগীটোৱে ডাক্তৰলৈ অদ্ভুত আতঙ্কৰ দৃষ্টিৰে চাবলৈ ধৰিলে। শহুৰে মোৰ মুখলৈ চাই নীৰৱে কিবা এটি

সংকেত দিলে। খন্তেকৰ বাবে হাস্পতালখনত ৰোগীৰ চিঞৰ-বাখৰ কমি গম। এইখন বৰ ভূত লগা জঁয়াল পিটনি যেন লাগিল।

ডাক্তৰে আকৌ সুধিলে, "গ্লু'ক'জ ইনজেকশ্যন দিছিলা?"

"ছটা দিছিলো।"

"হু। একো সাঁচেই নবহিল।" ডাক্তৰ বৰুৱাৰ মুখখনত এটা কৰুণ ব্যঙ্গৰ হাঁহি ফুটি উঠিল। বোধহয় বেমাৰী বচাৰ কোনো লক্ষণেই নাই।

এনেতে কেইজনমান ছাত্ৰ-ছাত্ৰী সেইখিনি ওলালহি। ছাত্ৰ-ছাত্ৰীকেইজন দেখিয়েই বৰুৱাই ক'লে, "তোমালোকক মাতিছিলো এই কেচটো চাবলৈ। কোনো দৰবে ইয়াক ভাল কৰিব নোৱাৰে। এই কেচটোৰ ইতিহাস তোমালোক জানা। এসপ্তাহৰ আগত আউটড'ৰৰ বিল্ডিংৰ মাজত পৰি আছিল। ভিক্ষাৰী। খাবলৈ নাপাই নাপাই শৰীৰৰ সকলো কলকব্জা অকৰ্মণ্য কৰি পেলালে। তাৰ দেহত আজি মানুহৰ নাম-গোন্ধ একো নাই। সমাজে তাক অৱহেলা কৰি কৰি এনেকুৱা এটা অৱস্থালৈ ঠেলি দিলে য'ত তাৰ শৰীৰত ধনিষ্ঠমানো শক্তি বাকী নৰ'ল। দৰব আৰু পথ্যৰ যি অতীত, সি হয় যোগী, নহয় দুৰ্ভিক্ষগ্ৰস্ত ভিক্ষাৰী।" কথাষাৰ কৈ ডাঃ বৰুৱাই অকাৰণতে এবাৰ হাঁহিলে; কথাৰ ব্যঙ্গৰ সুৰটো মোৰ হিয়াত ধ্বনিত-প্ৰতিধ্বনিত হ'বলৈ ধৰিলে।

খন্তেক ৰৈ আকৌ ডাঃ বৰুৱাই আৰম্ভ কৰিলে, "তোমালোকক মই বহুত দিনৰে পৰা কৈ আহিছোঁ, দৰব আৰু পথ্য—অৰ্থাৎ আৰোগ্য-প্ৰধান চিকিৎসাই জাতিৰ স্বাস্থ্য ৰক্ষা নকৰে, তাৰ কাৰণে দৰকাৰ প্ৰতিষেধক চিকিৎসা। সকলো মানুহেই অন্ততঃ খাই-বই শৰীৰৰ নিম্নতম শক্তিকণ জীয়াই ৰাখিব লাগে। নহ'লে মানুহ হৈ সি থাকিব নোৱাৰে। এই কেচটোৰ দৰে কেচেই সমাজত বেছি।" কথা কওঁতে কওঁতে ডাক্তৰ বৰুৱাৰ চকু দুটাত এনে এটা দূৰণি স্বপ্নৰ পোহৰ নামিছিল যে খন্তেকলৈ মই এটা নিদাৰুণ সত্য তাত উজলি উঠা দেখিছিলো। সেই সত্য হৈছে আৰোগ্য-প্ৰধান চিকিৎসাৰ ঊৰ্দ্ধৰ সত্য—মানুহক মানুহ হিচাপে ৰাখিবৰ বাবে, চিকিৎসাৰ যোগ্য কৰি ৰাখিবৰ বাবে কৰা ব্যৱস্থাৰ কথা তাত জিলিকি উঠিছিল।

ডাঃ বৰুৱাই খন্তেক ৰৈ অনুকম্পাৰ দৃষ্টিৰে নাৰ্চক ক'লে, "মোৰ আৰু উপায় নাই—চিকিৎসাশাস্ত্ৰ ব্যৰ্থ হৈছে। সমাজে যদি মানুহক চিকিৎসাযোগ্য

কৰি নথয় অকল ডাক্তৰ আৰু দৰবে কিমান দিন তাক জীয়াই ৰাখিব? এনে কেচত ডাক্তৰ ব্যৰ্থ হয়। আৰু উপায় নাই। চিষ্টাৰ, তাক পঠিয়াই দিয়া।"

"পঠিয়াই দিয়া!"—অকাৰণতে অতিষ্ঠ হৈ চিঞৰি উঠিলো, সি ক'লৈ যাব ডাক্তৰ। এইখন জগৎ কেনেকুৱা মই চিনি পাওঁ। যি অকর্মণ্য, যি শক্তিহীন তাৰ বাবে বাহিৰত যে ক'তো ঠাই নাই!"

ডাক্তৰে মোলৈ চাই থিৰ হৈ ৰ'ল। ল'ৰাবোৰেও কিয় জানো একো নামাতিলে।

ৰোগীটোৱে মোৰ কথা শুনি হঠাতে ক'লে, "মই না-যা-ওঁ।"

ডাক্তৰে ক'লে, "যাব লাগিব। বেড এনেয়ে থৈ দিব নোৱাৰোঁ, চিষ্টাৰ।" বুলি ডাক্তৰে লাহে লাহে মোৰ ফালে এবাৰ কেৰাহিকৈ চাই গুচি গ'ল। ল'ৰাবোৰে তেওঁ পিচ ল'লে—মূঢ়, মূক, ম্লান সমাজৰ সেই জ্ঞানীবোৰৰ দৰে, যিবোৰৰ জ্ঞানৰ প্ৰয়োগ কেৱল বেডত শুৱাই চিকিৎসা কৰিব পৰা ৰোগীবোৰৰ ভিতৰতে সীমাবদ্ধ—সিহঁতো সিহঁতৰ জ্ঞানৰ কয়দী। সিহঁতৰ চেতনাত মানুহ নাই, আছে দৰৱ, অপাৰেশ্যনৰ যন্ত্ৰ আৰু জ্ঞানৰ যান্ত্ৰিক প্ৰয়োগৰ স্বপ্ন।

দুজনী নাৰ্চে আহি ধৰি ধৰি তাক তুলি দিলে। সি বিকট চিঞৰ এটা মাৰি হুক্‌হুক্ কৰে কান্দিবলৈ ধৰিলে; কৰযোৰে নাৰ্চ দুজনীক প্ৰাৰ্থনা জনালে। কিন্তু কোনো উপায় নাই। এই হাস্পতালৰ ক্ষমতা নাই যে তাক ভাল কৰে।

তাক লৈ যাওঁতে সি কঁপি কঁপি কৈ গৈছিল, "মোক খেদি দিছ। খেদি দিবিয়েই তো। নহ'লে তহঁতৰ পেলাই দিয়া ভাতবোৰ কোনে খাব। পৃথিৱীত জানো ইমান কুকুৰ আছে..."

দুৱাৰডলি পোৱাৰ লগে লগে শুকান বাঁহ বতাহত ভগাৰ দৰে সি হঠাতে নাৰ্চ দুজনীৰ হাতৰ পৰা খহি ভাগি পৰিল।

তাৰ পাছত কেৱল এটা আৰ্তনাদ শুনিলো। নাৰ্চজনীয়ে কোৱা শুনিলো— "Finished। শেষ হৈ গ'ল তাৰ জীৱন।"

কিন্তু তাৰ আত্মাটোৱে ভূত হৈ আহি মোৰ বুকুখন হেঁচি ধৰিলেহি খাবলৈ নোপোৱা এই সদ্য-মৃত ভিক্ষাৰীটো মৰাৰ বাবে যেন ময়েই দায়ী. ময়েই যেন তাক আৰু তাৰ লগৰীয়া নৰ-পশুবোৰক এইদৰে তিল্‌তিল্‌কৈ মৃত্যুৰ মুখলৈ ঠেলি দিছো। ময়েই যেন হাস্পতালৰ পৰা তাক ঠেলি

পঠিয়ালো মৰণৰ মুখলৈ—মোক যেন আজি কোনোবাই এই মুহূৰ্তত বিচাৰ কৰি শাস্তি দিব খুজিছে। কিন্তু কোনে?

মূৰটো ঘূৰাবলৈ ধৰিলে।

মূৰ ঘূৰণিৰ পাকে পাকে দেখিলো এখন নৰকৰ দৃশ্য। বিশাল বিশাল অগ্নিশিখা লৈ পৃথিৱীৰ সকলো মানুহক কয়দী কৰি যেন যমৰাজে বিচাৰ কৰিছে ঃ এই ভিক্ষাৰীটোৰ মৃত্যুৰ বাবে দোষী কোন? তাৰ অকাল মৃত্যু বাবে কোনে ক্ষতিপূৰণ দিব?

মৃত্যুৰ মহানগৰীত কয়দীবোৰক দেখিলো। কোন সিহঁত? যিবিলাকে তাক ঘৰৰ মুখৰ পৰা ভিক্ষা নিদি খেদি দিছে সিহঁত নেকি, ওহোঁ নহয়। ইহঁত সেই সিহঁত, যিবোৰক মই কোনোকালেও দোষী বুলি ভাবিব পৰা নাছিলো। সিহঁত সেইবোৰ মানুহ যিবোৰ মানুহক কেতিয়াবা অপকাৰ কৰিব পাৰে বুলি মই ভাবিব পৰা নাছিলো।

যেতিয়া সাৰ পালো তেতিয়া দেখিলো ৰাতি পুৱাইছে। ডাঃ বৰুৱাই হাঁহি হাঁহি মোক সুধিছে, "আপুনি কালি কি বলকিছিল, সেন।"

"জানো মনত নাই। কি?"

"আপুনি পৃথিৱীৰ সুখী মানুহবোৰক সেই ভিক্ষাৰীটোৰ মৃত্যুৰ বাবে দোষী সাব্যস্ত কৰিছিল।"

মনত পৰিল। কিন্তু একো মাতিব নোৱাৰিলে।

"আপুনি বৰ অস্থিৰ হৈ উঠিছিল।"

মই এইবাৰ অতি অজ্ঞৰ দৰে সুধিলো, "ভিক্ষাৰীটোৰ মৃত্যুৰ বাবে দায়ী কোন, ডাক্তৰ?"

"সমাজ।" বুলি ডাক্তৰে হুমুনিয়াহ ছাৰি মনে মনে ৰ'ল। অলপ পৰৰ পাছত আকৌ ক'লে, "নহয় সমাজ ব্যৱস্থা। যি সমাজ ব্যৱস্থাত কাম কৰাবোৰে খাবলৈ নাপায়, কিন্তু কাম নকৰাবোৰে পায়—"

"কিন্তু, ভিক্ষাৰীটোৰেতো কাম কৰা নাছিল।"

ডাক্তৰে হাঁহি হাঁহি ক'লে, "সি কাম নোপোৱা দলৰ মানুহ। কিন্তু মই যি সমাজ ব্যৱস্থাৰ কথা কৈছো তাত কাম কৰিব পৰা মানুহো অকৰ্মণ্য হ'ব লগা হয়।"

"অকৰ্মণ্য।"

"অঁ, দুখে, ভোকে, দাৰিদ্ৰ্যই সিহঁতক অকৰ্মণ্য কৰে।"

আচৰিত হ'লো; মোৰ জীৱনৰ কথা ডাক্তৰে জানিলে কেনেকৈ।

এই অহেতুক উল্লাসত সুধিলো, "ঠিক কথা কৈছে ডাক্তৰ। কিন্তু, মোৰ কথা কেনেকৈ জানিলে, ডাক্তৰ?"

"আপোনাৰ কথা!" ডাক্তৰ আচৰিত হ'ল।

"অঁ, মোকো সিহঁতে অকৰ্মণ্য বুলি খেদি দিছে।"

এইবাৰ সুযোগ পাই ডাক্তৰক মনৰ সকলো কথা খুলি ক'লো। ডাক্তৰে মনোযোগেৰে শুনি ক'লে, "বেচতো। আপুনি ভাল হওক। মই আপোনাক কৰ্মঠ বুলি চাৰ্টিফিকেট দিম। মোহন শইকীয়াক মোক লগ পাবলৈ ক'ব।"

"মোহন বাবু যে জেলত।"

"জেলত!"

আকৌ সগৌৰৱে বৰ্ণনা কৰিলো সংক্ষেপে মোহনৰ জেলত সোমোৱা কাহিনী।

ডাক্তৰে একো নামাতিলে, লাহে লাহে ক'লে, "মোহনে ঠিক ডাক্তৰৰ কাম কৰিছে।"

"ডাক্তৰৰ কাম?"

"অঁ, হাৰ্জেনৰ কথা মনত পৰিছে—We are not the doctors, we are the disease. আপুনি, মই, ভিক্ষাৰীটো আৰু সংসাৰৰ এই মানুহবোৰ সকলো বেমাৰী, আমাৰ বেমাৰ ভাল কৰিবলৈ হ'লে সমাজখন বদলাব লাগিব। আৰু মোহনে ঠিক তাকেই কৰিছে।"

"আপুনি মোহন বাবুৰ কাম ভাল বুলিছে—আপুনি—"

ডাক্তৰে এইবাৰ নাহাঁহিলে, গম্ভীৰভাৱে ক'লে, "মোহন মোৰ বন্ধু, সেন। তাক মই চিনি পাওঁ। আমি যিটো কথাৰ দুখত গাজি-গুমৰি মাৰিছোঁ, সি সেইটো কামেৰে কৰি দেখুৱাইছে।"

কিয় জানো ক'ব নোৱাৰোঁ ডাক্তৰৰ মুখত মোহনৰ প্ৰশংসা-বাণী শুনি মোৰ অন্তৰখনৰ পৰা অতিদিনে গোট খাই থকা ডাৱৰৰ চপৰাবোৰ

এডোখৰ এডোখৰকৈ আঁতৰি নাইকিয়া হৈ যাবলৈ ধৰিলে। অন্তৰখনৰ মাজত মুক্তিৰ, অন্ধকাৰ আঁতৰোৱা এটাৰি জোৰ জ্বলিবলৈ ধৰিলে, যি মুক্তিৰ, যি জোৰৰ নাম মোহন।

মোহন!

লাহে লাহে পৃথিৱীখন আপোন যেন লাগিবলৈ ধৰিলে। এই ডাক্তৰজনৰ কথাত, স্পৰ্শত, অবয়বত কি যেন এটা আশাৰ আৰু সান্ত্বনাৰ পোহৰ জিলিকি উঠিছিল, যাৰ ৰেখাই মোৰ দেহৰ স্নায়ুবোৰ সতেজ কৰি পেলাইছিল। মনে মনে সংকল্প কৰিছিলো, "এইবাৰ মই কৰ্মঠ হ'ম, এইবাৰ ভালকৈ কাম কৰিম, যি কাম কৰিলে মোহন বাবুৰ দৰে পৃথিৱীখনৰ ৰোগ ভাগ কৰিব পাৰিম।"

ইতিমধ্যে ডাক্তৰে দুই নং ৱাৰ্ডৰ সকলো ৰোগী চাই আকৌ মোৰ ওচৰ পালেহি।

মই ডাক্তৰলৈ সৰল কৃতজ্ঞতাৰ চাৱনিৰে চালো।

ডাক্তৰে মোক সুধিলে, "আপোনাৰ ৰোগ বৰ জটিল। বহুত জাৰ্ম পোৱা হৈছে। কিন্তু যদি মনোবল থাকে, তেন্তে ভাল হৈ যাব।"

মই উৎসাহেৰে ক'লো, "মই ভাল হ'ম, ডাক্তৰ। মই ভাল হ'মেই।"

মোৰ কথা শুনি ডাক্তৰে নীৰৱে হাঁহিলে। এজন ছাত্ৰ আহি ওচৰতে থিয় দিছিল, তাক ক'লে, "এই ৰোগীজনৰ আধা ৰোগ ভাল হৈ গৈছে, কিয় জানা নে?"

"কিয়?"

"ছাইক'থেৰাপি। ইমান দিনৰ মূৰত চিকিৎসা বিজ্ঞানৰ এই নতুন তত্ত্বটোৰ মৰ্ম মই উপলব্ধি কৰিব পাৰিছোঁ। বেছিভাগ মানুহেই inhibitions-অৰ পৰা ভোগে। এই Inhibition ভাঙি যদি এটা মানসিক বা আধ্যাত্মিক শক্তি সৃষ্টি কৰিব পাৰি, তেন্তে আৰোগ্যৰ পথ সুচল হয়।" ডাক্তৰে হাঁহিলে, "তোমালোকে হয়তো আচৰিত হ'বা শুনি, আমাৰ মানুহক সুস্থ আৰু স্বাস্থ্যৱান কৰিবৰ বাবে কিমান মানসিক বলৰ আৱশ্যক। বিশেষকৈ এই দুখীয়া মানুহবোৰৰ মনত। সিহঁতৰ জীৱনৰ আশা-আকাংক্ষা বৰ্তী থাকে একমাত্ৰ এই সমাজ পৰিৱৰ্তনৰ আন্দোলনবোৰত।"

ল'ৰাটো আচৰিত হ'ল, "ছাৰ, আন্দোলনত!"

"অঁ, তোমালোকে হয়তো নুবুজিবা এই সত্য। নির্জ্ঞান মনত এই মানসিক শক্তি সুপ্ত থাকে, সেই শক্তি অচেতন হৈ থাকিলে সি মানুহক ৰোগী কৰে, সি চেতন হ'লে মানুহক ন-কৈ গঢ়িবলৈ শক্তি দিয়ে। চিকিৎসা বিজ্ঞানে এতিয়া এই ফালে চকু দিয়া উচিত।"

ল'ৰাটোৱে মূৰ দুপিয়ালে। বুজিলেনে নাই ক'ব নোৱাৰিলে। সিহঁতে হয়তো ডাক্তৰক চিনি পাবলৈ দিন লাগিব। কিন্তু মই চিনি পাইছোঁ।

২ নং ৱাৰ্ডৰ এই ডাক্তৰজনে এনে এটা গৱেষণাত ৰত আছে যি গৱেষণাই বহুতো ৰোগীক জীৱনত প্ৰেৰণা যোগাব। এতিয়ালৈ কোনো ডাক্তৰে নভবা এষাৰ সত্য কথা তেওঁ কৈছে—মানুহৰ আৰোগ্যৰ বাবে সমাজৰ পৰিৱৰ্তন লাগে।

ডাক্তৰে আকৌ ক'লে, "সকলো বেমাৰেই দেহৰ আৰু মনৰ Stress আৰু Strainৰ পৰা হয়। দেহ-মনক আমি দুফাল কৰি চাওঁ বাবেই আমাৰ চিকিৎসা অসম্পূৰ্ণ হৈ আছে। এই দু-হাতেৰে কিমান ৰোগী চাইছোঁ, কিন্তু ৰোগীৰ মনস্তত্ত্বৰ প্ৰতি আমি চকু দিছোঁ কম। এই দৃষ্টি গ্ৰহণ কৰাৰ লগে লগেই মোৰ মনত চিকিৎসাৰ এই নতুন পদ্ধতিৰ ছবি ভাহি উঠিছে।"

হঠাতে মোৰ ফালে চাই তেওঁ ক'লে, "আৰু বুজিছে সেন, মোহনেই মোক প্ৰথম ৰোগীৰ এই মনস্তত্ত্ব বুজিবলৈ প্ৰেৰণা দিলে। সি যিবোৰ ৰোগী আনে, সেইবোৰ সেই দুখীয়া শ্ৰেণীৰ—যিটো শ্ৰেণীৰ মানুহৰ দেহত ৰোগৰ সৈতে যুঁজাৰ শক্তিও নিঃশেষ হৈ পৰে। সিহঁতৰ মন জগাব নোৱাৰিলে একো নহয়। সিহঁতৰ মন জগালে সমাজত চিকিৎসাৰ আচল পৰিৱেশ তৈয়াৰি হ'ব। তাৰ মানে কি বুজিছেই নহয়। প্ৰত্যেক মানৱ দেহে দেহে ৰোগ যুঁজাৰ ক্ষমতা সৃষ্টি।"

তেনেতে নাৰ্চ আহি ডাক্তৰক খবৰ দিলেহি, অপাৰেশ্যন ৰুমত এপেণ্ডিচাইটিছৰ ৰোগী ৰখাই থোৱা হৈছে। কিবা এটা আসোঁৱাহ আছে, প্ৰফেশ্যৰে তেওঁৰ লগত আলোচনা কৰিব খুজিছে।

ডাক্তৰে নীৰৱে ষ্টেথিস্কোপডাল কান্ধত পেলাই উঠি গ'ল।

এমাহৰ মূৰত সঁচাকৈয়ে মই ভাল হ'লো। ডাক্তৰে কৰ্মঠ বুলি এখন চাৰ্টিফিকেট দিলে। সেই ডেকা, ধুনীয়া, বিজ্ঞ আৰু সমাজ সচেতন

ডাক্তৰজনৰ মৰমিয়াল মুখখন মনত আঁকি মই ওলাই আহিলো। মোৰ মনটো ইমান মুকলি লাগিছিল যে মই ভাবিছিলো পৃথিৱীৰ সকলো দাৰিদ্ৰ্যৰ বিৰুদ্ধে কিজানি তেতিয়া মই অকলে থিয় দিব পাৰিম। কাৰণ মই জানিছিলো যে এই পৃথিৱীত ডাক্তৰ আৰু মোহনৰ দৰে মানুহবোৰে মোৰ নিচিনা মানুহবোৰৰ বাবে চিন্তা কৰি যি পাৰে কৰিবৰ বাবে যত্ন কৰিছে।

হাস্পতালৰ দুই নং ৱাৰ্ডৰ পৰা বিদায় লৈ খোজ লৈছিলো জেলৰ দুই নং ৱাৰ্ডত থকা মোহনক দেখা কৰিবলৈ। জানো মই যি ৰোগ মুক্তি পাইছোঁ, সেই ৰোগ মুক্তিৰ আচল বিধাতা হৈছে মোহন—তাৰ সমাজ চেতনা।

মোক নিবলৈ শহুৰ আহিছিল, বনিতাও আহিছিল। ল'ৰা-ছোৱালীহালো আহিছিল। কিন্তু মোৰ মন আছিল জেলৰ দুই নং ৱাৰ্ডত।

বনিতাই মোৰ পদধূলা লৈ ক'লে, "ভগৱানে ৰক্ষা কৰিলে।"

মই প্ৰতিবাদ কৰিলো, "তোমাৰ ভগৱানে ৰক্ষা কৰা নাই বনিতা, মোক মানুহেহে ৰক্ষা কৰিলে—যিবোৰ মানুহে মানুহৰ কথা বুজে।"

শহুৰে হাঁহিলে, ক'লে, "যেয়ে ৰক্ষা কৰক, তেওঁ ভাল হ'লা, এতিয়া কাম কৰিব পাৰিম।" শহুৰে মোৰ হাতৰ পৰা ডাক্তৰৰ চাৰ্টিফিকেটখন লৈ পঢ়িছিল।

লাহে লাহে মই জেললৈ খোজ ল'লো। মোহনক জেলত লগ নোপোৱালৈকে যে মোৰ জিৰণি নাই।

মোহন। ওখ, পাখ, শকত সেই মানুহটোৰ মাজত এটা ডাইনেম' লুকাই আছে যি ডাইনেম'ই সমাজক ওলট-পালট কৰাত সহায় কৰিব।

(১৯৫৪ চন)

* * *

# শোন্তি

শব্দ শুনি চক্ খাই উঠিল শোন্তি।

কিহে চিঞৰিছে অ' পানেই?

পানৈয়ে তাক আৰু অকণ আপং বাকি দি উত্তৰ দিলে, কাম চৰাই।

শোন্তিয়ে আপং এঢোক গিলি ক'লে, ককাইটিৰ খজা বন্দুকটো আছে নে নাই? আজি কাম চৰাই মাৰি খাব লাগিব। তই ৰান্ধিবি।

নাই, পাই, তইঁতে ইয়াত খোৱা-মেলাৰ বিপদ নচপাবি। তায়ে শুনিলে বেয়া পাব—পানৈৰ মুখখন সংকুচিত হৈ গ'ল, কাৰণ তাই জানে শোন্তি, ৰহিম আৰু তাইৰ বাপেক ইহঁতৰ ভিতৰত জাতৰ, ধৰ্মৰ একো বাছ-বিচাৰ নাই। আটাইকেইটাই সমাজৰ চৌহদৰ ভিতৰত সোমাব নোখোজে। যোৱা বছৰলৈকে সিহঁতে চুৰ কৰিছে। আৰু চুৰ কৰে কেনে অৱস্থাত! আঁউসীৰ নিশা লেম লৈ ভৰা লুইত পাৰ হৈ আহে সিহঁত। বস্তুৰে মাজুলীৰ চুৰি বস্তু ভৰি আহে। শেষ নিশাৰ আগে আগে চাপৰিৰ বালিত বহি বস্তু ভাগ-বাটি শেষ কৰে। গৰু আনিলে ৰহিমে নিয়ে—সিহঁতৰ গাঁৱত বেচেগৈ। দিনটো শোৱে, নিশা চুৰ কৰে। সিহঁতৰ বাবে আৰু সমাজৰ সাধাৰণ নিয়মৰ বান্ধোনৰ মূল্য কি থাকিব পাৰে?

পানৈৰ মনত পৰে এখন মহাভাৰতৰ কথা।

পৃথিৱীখন তাইৰ কাৰণে তেতিয়া বুজিব পৰা বস্তু হৈছিল। এদিন বাপেকে দুটা অচিনাকি মানুহৰ লগত দিনৰ দিনটো মেল মাৰিছিল। কি মেল মাৰিছিল মনত নাই, কিন্তু মনত আছে এটাই কান্দি কান্দি কৈছিল, "মোৰ আই মৰিল, পাহবৰ কাই। মোৰ পৃথিৱীত আৰু কোনো নাই। এতিয়া খাওঁ কেনেকৈ?"

ইটোৱে কৈছিল, "ঘৰত চাৰিটা বুজন ভাই-ককাই। মাটি নাই সেই কাৰণেহে আহিলো, বোলো যাই লাং, থাকে লাং।"

এটা আছিল শোন্তি আৰু আনটো আছিল ৰহিম। দুয়োটাই ছবছৰৰ আগতে চুৰিবিদ্যা শিকিবলৈ আহিছিল পাহবৰৰ ওচৰত। পাহবৰৰো তেতিয়া মানুহৰ আৱশ্যক হৈছিল। কাজেই দুয়োটাকে আশ্রয় দি ক'লে, "থাক মোৰ ঘৰতে। তহঁতক মই গভাইত চোৰ কৰিম।"

পাহবৰ মানুহটো অৱশ্যে দেখাত গাখীৰৰ ব্যৱসায়ী আছিল। কিন্তু বেমাৰ হৈ হৈ গৰু-ম'হ বছৰি মৰিবলৈ ল'লত সি ঠিক কৰিলে যে উপাৰ্জনৰ আন এটি বাট উলিয়াব লাগিব। শোন্তিহঁত অহাৰ বহুত আগতেই সি গভাইত চোৰ হৈ পৰিছিল। পাহবৰ চোৰৰ নাম নজনা মানুহ সেই অঞ্চলৰ গাঁওবোৰত কোনো নাই।

তথাপি মানুহে তাক মানি চলে। ওচৰৰ মানুহৰ সি হেনো কেতিয়াও অপকাৰ নকৰে। দূৰতহে তাৰ চিকাৰ। আৰু পুলিচৰ ঘৰতো মুখত সোপা মাৰিব পৰা যাদু এফেৰি তাৰ জনা আছে।

পানেই সিহঁতৰ এই নৈশ ব্যৱসায়ৰ একমাত্র জীৱন্ত সাক্ষী আছিল। তাইৰ কাম আছিল নিশা সিহঁতে বস্তু ভাগ-বটোৱাৰা কৰিবলৈ ধৰোঁতে বাহিৰত বৈ পহৰা দিয়া আৰু ভাগৰ পলুৱাবলৈ আপং বাকি দিয়া। ভাত খাবলৈও সিহঁতক যতনাই দিয়ে। কিন্তু চাঙত খাবলৈ মাকে নিদিয়ে। মাক আছিল মাজুলীৰ সত্রৰ ওচৰৰ গাঁৱৰ ভকতৰ ছোৱালী। একেটা চৰুৰ পৰা হিন্দু মুছলমানে ভাত খোৱাটো তাইৰ সহ্য নহৈছিল।

সিহঁতে কিন্তু সেইবোৰ একো নামানিছিল।...

... এদিন সিহঁতৰ সমুখত এটি নতুন পথে ধৰা দিলে। তিনিওটাই বহি ন-কৈ ওলোৱা দলনিৰ দাঁতিৰ পলসুৱা দ মাটিবোৰলৈ চাই আছিল। সেই মাটিবোৰ সেই বছৰ ওলাইছিল। লুইতে মাজুলীৰ ফালে গতি কৰাত এই পাৰৰ মাটি ওলাবলৈ আৰম্ভ কৰিছিল। আনন্দত পাহবৰ বুকু ফুলি উঠিল। সি চকুৰ আগৰ মাটিবোৰলৈ চাই চাই হঠাতে ক'লে, "আৰু চুৰ নকৰোঁ। এইবাৰ খেতি কৰিম।" শোন্তি আৰু ৰহিমে আচৰিত হৈ তাৰ ফালে চাই ৰ'ল। পাহাবৰে তেতিয়া সিহঁতক কথাটো ভালকৈ বুজাই ক'লে।

বাপেক জীয়াই থাকোঁতেই তাক কৈছিল, এই টুকুৰা মাটি মাজে মাজে

ওলায় আৰু মাজে মাজে তল পৰে। যেতিয়াই ওলায় তেতিয়াই ভাত খেতি কৰিব লাগে, ধান বোলে ঢেৰ পায়। মৰাৰ আগলৈকে বুঢ়াই পাহবৰক কৈ গৈছিল, "বোপাই চুৰি বিদ্যা এৰ, খেতি কৰ। এই টুকুৰা মাটি ওলালেই খেতিত লাগিবি।"

উপৰি পুৰুষৰ কথায় এটি দৈৱিক শক্তি লাভ কৰে। শোন্তি আৰু ৰহিমৰ মনতো পাহবৰৰ দেউতাকৰ কথাৰ এটা অভূতপূৰ্ব প্ৰভাৱ পৰিল। সিহঁতে পাহাবৰক ক'লে, "পাহবৰ, তই য'ত আমিও ত'ত। তোৰ লগতে আমিও মাটি ভাঙিম।"

আজি দুবছৰে সিহঁতে মাটি ভাঙি খেতি কৰিছে। এই বছৰ ধান চপাবৰ হ'লহি। পাহবৰ মাজুলীলৈ গৈছে খুলশালীয়েকৰ বিয়া খাবলৈ। ৰহিম গৈছিল গাঁৱত ঈদ খাবলৈ। ঘূৰি পোৱাহি নাই। শোন্তিও গাঁও ওলাইছিলগৈ বহুত দিনৰ মূৰত। কিন্তু গাঁৱত থাকি তাৰ মুঠেই ভাল নালাগিল। দুদিন থাকিয়েই সি আকৌ উভতি আহিল পাহবৰৰ চাঙলৈ।

আহি পানৈৰ হাতৰ পৰা আপঙৰ সিধা লৈ খাওঁতেই শুনিলে কাম চৰাইৰ শব্দ।

* * *

ভৰ দুপৰীয়া কান্ধত বন্দুক লৈ শোন্তি ওলাই গ'ল। কেউফালে ধানে মোক চপা মোক চপাকৈ কান্দিব লাগিছে। আঘোণৰ পকা ৰ'দৰ পৰশত তাৰ গাটো বৰ আটিল আটিল লাগিছিল। এডৰা-দুডৰাকৈ সি ধানবোৰ চুই চুই লাহে লাহে আগ বাঢ়ি গ'ল দূৰলৈ। পাহবৰৰ ধান, তাৰ ধান আৰু ৰহিমৰ ধান কাষে কাষে থিয় দি বতাহত হালি-জালি আছিল। শোন্তিয়ে ভাবিছিল পাহবৰৰ কি বুদ্ধি, দেউতাকৰ কি দূৰদৃষ্টি। চুৰ কৰাতকৈ এইদৰে খেতি-বাতি কৰা কিমান ভাল!

... কিছু দূৰ গৈ সি ঘূৰিলে। হঠাতে শুনিলে অসংখ্য চৰাইৰ চিঞৰ। শোন্তিৰ চকু থৰ হৈ গ'ল। ডৰাকৈ ডৰা ধান খাইছে কাম চৰায়ে। চকুৰে মনিব পৰালৈকে কেৱল চৰাইৰ কু-কুৰনি আৰু ঠোঁটৰ শব্দ। আচৰিত কথা। এইদৰে ধান খালে আৰু ধান পোৱাৰ মুঠেই আশা নাই।

মনটো তাৰ দৃঢ় হৈ উঠিল। বন্দুকটোত গুলী খাঁজি লৈ সি অদূৰৰ ধাননিডৰাত পৰা চৰাইবোৰলৈ টোৱালে। বন্দুকত শব্দ হ'ল। বৰ আশাৰে সি দূৰলৈ চাই ৰ'ল। কিন্তু বহুতো নিঃশব্দ মুহূৰ্ত নিষ্ফল হৈ পাৰ হৈ যোৱাৰ

লগে লগে সি সন্ত্ৰস্ত হ'ল। আকৌ গুলী খাঁজি আকৌ মাৰিলে। সেই জাঁই শেষ হলত আকৌ খাঁজিলে। লগত থকা পাচোঁটি গুলীৰ পৰালি পৰিল। কিন্তু বিশেষ একো ফল নহ'ল। কেইটামান কাম চৰাই আৰ্তনাদ কৰি ধাৰাশায়ী হ'ল। কিন্তু বাকীবোৰ নিশ্চিন্ত মনেৰে এডৰা এৰি সিডৰালৈ জঁপিয়াই পুনৰ ধান খোৱাত লাগি গ'ল। খঙত, বিৰক্তিত, বিষাদত শোত্তি অস্থিৰ হৈ পৰিল। ধৈৰ্যৰ বান্ধ ছিগি সি বলিয়াৰ দৰে বন্দুকৰ নালটোৰে চকুৰ আগৰ চৰাইবোৰ খেদি নিবলৈ ধৰিলে।

খেদি গৈ ক'ব নোৱাৰাকৈয়ে বহুত দূৰ পালেগৈ। ভাগৰত তাৰ শৰীৰ লালকাল দিলে। ভোকত সৰ্বশৰীৰ জ্বলিবলৈ ধৰিলে। পৰাজিত সৈনিকৰ দৰে সি বিজয়ী সৈন্য দলৰ উল্লাস শুনিবলৈ মাত্ৰ যেন প্ৰস্তুত হৈ পৰিছিল। গৈ গৈ সি হঠাতে বৰ নৈৰ কিনাৰ পালেগৈ। ওখ বালিৰ গৰা এটাত গৈ বহি পৰিল। লাহে লাহে গা আৰু বন্দুক দুয়োটা দুফালে ঢলি গ'ল।

যেতিয়া সি সাৰ পাইছে, তেতিয়া বেলি পৰিল। মানুহৰ গা কথমপিহে মণি। গোটেই গা অৱশ অৱশ লাগিছিল। কিন্তু লাহে লাহে যেতিয়া কাণত পৰিলহি কাম চৰাইৰ কোৰ্হালবোৰ, তেতিয়া নিষ্ফল আক্ৰোশত তাৰ সৰ্বশৰীৰ জ্বলি উঠিল।

কাষৰ বন্দুকটো তুলি লৈ সি অতি কাষতে ধান খাই থকা কাম চৰাই এটাৰ মূৰত মাৰ সোধাই দিলেগৈ। এটা কৰুণ চিঞৰ মাৰি চৰাইটো মাটিত বাগৰি পৰিল। তাৰ পাছত সি বলিয়াৰ দৰে বাকীবোৰ চৰাইক উদ্দেশ্য কৰি খেদা মাৰিলে। কিন্তু কিছু দূৰ দৌৰি গৈ হঠাতে কিবা এটা ওখ বস্তুত খুন্দা খাই সি বাগৰি পৰিল।

পৰাৰ পৰা উঠি যেতিয়া দেখিলে যে ওখ বস্তুটো পানৈৰ বাহিৰে আন কোনো নহয়, তেতিয়া তাৰ গোটেই মনটো কিবা এটা অভূতপূৰ্ব চেতনাত উদ্ভাসিত হৈ পৰিল। পাহৰি গ'ল সি কাম চৰাইৰ সৈতে যুদ্ধ কৰি পৰাস্ত হোৱাৰ কথা, পাহৰি গ'ল তাৰ প্ৰাণৰ অশান্তিৰ কথা। সন্ধিয়াৰ অস্পষ্ট আন্ধাৰত সি দেখিলে পানৈয়ে তালৈ চাই খিল্‌খিল্‌কৈ হাঁহিছে।

সি মুগ্ধ হৈ সুধিলে, "কেলেই হাঁহিছ?"

বলিয়া—তই বলিয়া—বুলি তাই আকৌ খিল্‌খিলকৈ হাঁহি নৈৰ গৰাৰ ফালে দৌৰ মাৰিলে।

শোণ্ডিয়ে ধৰিব নোৱাৰিলে কোন বলিয়া?

কিবা এটা আকৰ্ষণৰ টানত সি তাইৰ পিছে পিছে দৌৰ ধৰিলে।

পাতল এন্ধাৰত বহুত সময় বালিত ঘূৰি-পকি সি দেখিলে, পানৈয়ে এখন নাৱত উঠি ব'ঠা মাৰিব খুজিছে।

সি চিঞৰি তাইক ৰ'বলৈ ক'লে। তাই আকৌ খিল্‌খিল্‌কৈ হাঁহিবলৈ ধৰিলে। নাওখন চলা যেন অনুমান হ'লত সি জোৰেৰে গৈ নাৱৰ ওপৰত জঁপিয়াই পৰিলগৈ। নাওখন কাটি হৈ বুৰ গ'ল। সিহঁত দুয়োটা পানীত পৰিল।

নামি অহা এন্ধাৰৰ মাজত সিহঁতে পানীৰ পৰা উঠিবৰ চেষ্টা কৰিলে। দুই-তিনি মিনিটমানৰ মূৰত দুয়োটা আহি পাৰত উঠিলহি। দুয়োটোৰে শৰীৰ তিতি গ'ল। পানৈয়ে খঙেৰে ক'লে—তই বলিয়া হৈছ।

সিও খঙেৰে ক'লে—তই বলিয়া। উত্তৰত তাই তাঁলৈ চাই মুখেৰে চিঞৰি দিলে। সিও তাৰ হোৰ তুলিবলৈ গৈ তাইৰ পিঠিত এটা ডাঙৰ ঢকা মাৰিলে। তাই কোনো ৰকম স্থিৰেৰে ৰ'ল। তাৰ পাছত তাই হঠাতে আকৌ খিল্‌খিল্‌কৈ হাঁহি গৰাত উঠি ধাননিৰ মাজে মাজে দৌৰ ধৰিলে। সিও কিংকৰ্তব্য-বিমূঢ়ৰ দৰে তাইৰ পিছে পিছে গ'ল। বহুত দূৰ যোৱাৰ পাছত তাই 'মৰিলো ও' বুলি চিঞৰি দিলে। সি গৈ কাষ পাই দেখিলে তাইৰ গোটেই গাটো বেৰি লৈ কাম চৰায়ে খুঁটিছে। সি পোনকোৱেই গৈ তাইক সাবট মাৰি ধৰি তুলি ল'লে আৰু ভৰিৰে কাম চৰাইবোৰ খেদিবলৈ ধৰিলে। বহুত পৰৰ মূৰত সি যেতিয়া অলপ অৱসৰ পালে তেতিয়া দেখিলে তাই তাৰ বাহুৰ মাজত সম্পূৰ্ণৰূপে নিৰ্ভয়ে আত্ম-সমৰ্পণ কৰিছে। সি মন কৰিলে, উঠি অহা জোনটোৰ কিৰণ এচাটি পৰি তাইৰ তিতা মুখখন মুকুতাৰ মণি জ্বলা দৰে জ্বলিছে।

সি লাহেকৈ তাইৰ গাটোত হাত ফুৰাই ফুৰাই সুধিলে—দুঃখ পালি নেকি পানৈ।

তাইৰ মুখেৰে 'ওঁহো' বুলি কৈ তাৰ ফালে চাই এটি হাঁহি মাৰিলে। সি লাহে লাহে তাইৰ মুখৰ ওচৰলৈ মুখখন চপাই নি এটা চুমা খাব খুজিলে।

হঠাতে ধাননিৰ সিদাঁতিৰ পৰা মাত শুনিলে—পানৈ।

পানৈয়ে তাৰ দুবাহুৰ পৰা ওলাই শঙ্কিতাৰ দৰে ক'লে—আয়ে মাতিছে।

সি একো নামাতিলে। তাই ক'লে—আয়ে আজি কি কৰে ঠিক নাই। সি তাৰো একো উত্তৰ নিদিলে। ইফালে মাকৰ মাত লাহে লাহে ওচৰ চাপি

আহিল। তাই আকৌ ক'লে—মোৰ যে আজি কি হৈ গ'ল ক'বই নোৱাৰোঁ। মই আজি বলিয়া হৈ গৈছিলো। আয়ে যদি তোকে-মোকে এনে অৱস্থাত দেখে কি ভাবিব?

সি এইবাৰ অলপ সন্দিহান হৈ মাতিলে, কি ভাবিব?

ভাবিব পিতাই নাইকিয়াৰ সুযোগ লৈ আমি....তাই ৰৈ গ'ল। চকু-মুখ ৰঙা হৈ গ'ল তাইৰ।

সি কিন্তু নিৰ্বাক-নিস্পন্দ-নিৰ্ভয়চিত্তে থিয় দি ৰ'ল কেই ছেকেণ্ডমান। তায়ো গা লৰাবলৈ ভয় কৰিলে। মাকৰ মাত লাহে লাহে ওপৰ চাপি আহিছিল।

তাই এইবাৰ তাক সুধিলে—তোৰ কি হ'ল?

মোৰ মনত হ'ল এতিয়া তোৰ বাহিৰে আৰু কোনো নাই।—সি লাহে লাহে তাইৰ পিঠিত হাত বুলাই বুলাই ক'লে—তোৰ বাৰু মোক ভাল লাগেনে?

তাই এইবাৰ তাৰ ফালে চাই হাঁহিলে, তাৰ পাছত ক'লে—তোলৈ এটা মোৰ হাবিয়াস আছে। বহুত দিনৰ হাবিয়াস। তহঁতি নিশা চুৰ কৰি অহাৰ পাছত যে তহঁতক আপং বাকী দিওঁ মনত আছে? তোক আপং দিওঁতে মোৰ মনটো নাচি উঠে।

আৰু?

আৰু, আজি তোক কাম চৰাই খেদি ফুৰা দেখি খুব ভাল লাগিছিল। মোৰ হ'লে এই নৈখন, এই ধানবোৰ খুব ভাল লাগে। তহঁতি যেতিয়া নাৱত ঘূৰ মোৰো মনটোৱেও লক্‌লকাই থাকে।

সেইবোৰ কথা মোক নালাগে। তই মোক ভাল পাৱনে?

তাই এইবাৰ তালৈ অদ্ভুতভাৱে চালে, এটা ৰহস্যময় হাঁহি মাৰিলে মাত্ৰ। তাৰ পাছত ক'লে—তই বন্দুক বিচাৰ, মই যাওঁ। আই পাবহিয়েই এতিয়া। বুলি তাই ধাননিৰ মাজে মাজে দৌৰ মাৰি লাহে লাহে নেদেখা হ'ল।

শোন্তিয়ে ধাননিৰ মাজত পৰি থকা বন্দুকটো বিচাৰিবলৈ ধৰিলে। লগে লগে সি ভাবিলে পানৈয়ে কিয় তাক ভাল পাওঁ বুলি নক'লে।

* * *

ৰহিমে এসপ্তাহলৈ আহিব নোৱাৰো বুলি খবৰ পঠিয়ালে। পাহ্‌বৰ মাজুলীৰ পৰা বাহিৰে বাহিৰে বোলে জিমালৈ গ'ল। কেতিয়া পায়হি ঠিক নাই। ইফালে

কাম চৰাইৰ উৎপাত নিবাৰণ কৰাৰ ভাৰ পৰিল শোন্তি আৰু পানৈৰ ওপৰত। দিনে-নিশায় সিহঁতে ধান ৰাখিব লগাত পৰিল।

সেইদিনা শোন্তিয়ে নিৰ্মমভাৱে বহুতো কাম চৰাই হত্যা কৰিছিল। মৰা চৰাই খাবলৈ ওপৰৰ শগুণে বাৰে বাৰে ছোঁ মাৰিছিল। পানৈয়ে ঘৰৰ পৰা আহি তাৰ কাণ্ড দেখি অদ্ভুতভাৱে তালৈ চাইছিল। সি কিন্তু নিৰ্মম আৰু নিৱিষ্ট মনে হত্যা কৰিছিল। কাম চৰাই এইদৰে নেমাৰিলে আৰু ধান ৰক্ষা পৰাৰ উপায় নাই।

তাইৰ সহ্য নহ'ল, ওচৰ চাপি তাৰ হাতৰ মাৰিডালত ধৰি ক'লে—নামাৰিবি পাই। মোৰ বৰ বেয়া লাগে।

সি হাঁহি হাঁহি উত্তৰ দিলে—চাওঁ শুচ, তহঁতৰ কথা শুনিলে ধান এটাও নাথাকে।

তাই দৃঢ়ভাৱে ক'লে—ৰ'বি, মই বুধি দিওঁ শুন।

সি মূৰ নোতোলাকৈ ক'লে—তিৰীৰ বুদ্ধি মোক নালাগে। খোৱাৰ পাততহে তহঁতক দৰকাৰ।

তাই ক'লে—মোৰে শপত শুনচোন, মোলৈ যদি অকণো মৰম আছে, তেন্তে তই চৰাই আৰু নামাৰিবি। কাম চৰাইটো কিমান ধুনীয়া চাচোন।

সি হঠাতে হাতৰ মাৰিডাল তুলি থিয় হৈ তাইৰ ফালে চাই সুধিলে— তই জানো মোক ভাল পাৱ।

পাওঁ।

সি সন্তুষ্ট হৈ মাৰিডাল পেলাই দি গৈ তাইৰ বাউসী দুটাত হাত দুখন থৈ লাহে লাহে ক'লে—তোক সেইদিনা মোৰ ইমান ভাল লাগিছিল কি কবি। তইতো জানই নহয়, পাহবৰৰ বাহিৰে মোৰ আৰু পৃথিৱীত কোনো আপোন মানুহ নাই। তোক পাই মোৰ মনত হ'ল যে তোক সদায় মোৰ নিজৰ মানুহ কৰি ৰাখিম।

তই খিল্‌খিল্ হাঁহি ক'লে—এই বলিয়া। বাৰু ৰ, মই এটা বস্তু আনোগৈ। এটা কাম কৰিব লাগিব। সেই বুলি তাই ধাননিৰ মাজে মাজে আকৌ দৌৰি যাবলৈ ধৰিলে।

শোন্তিয়ে তাইৰ পিনে অদ্ভুত দৃষ্টিৰে চাই ৰ'ল। তাই নেদেখা হ'লত সি আঘোণ মহীয়া আকাশখনৰ পিনে চালে। বেলি উঠি আহিছে। ধানবোৰ পকিছে। পকা ধানৰ পৰা এটি সুৱদী গোন্ধ ওলাইছে। হঠাতে সি মন কৰিলে

যে কাম চৰাইবোৰো খন্তেকৰ বাবে নীৰৱ হৈ পৰিছে। প্ৰকৃতিত এটি অদ্ভুত শান্তি বিৰাজ কৰিছিল। অশেষ পৰিশ্ৰমৰ কোবত তাৰ গাটো ঘামিছিল।

তাই আকৌ উভতি আহিল। হাতত দুখন কাঁচি আৰু বাটিৰ সৈতে একলহ আপং। আহিয়েই তাই কাঁচিখন থৈ কলহৰ পৰা বাটিটোত আপং বাকিলে। পিছত তালৈ আগ বঢ়াই দি ক'লে—তই এইখিনিতে বহি জিৰা। মই কাম কৰো।

তাই কি কৰে তাক আগ্ৰহেৰে চাবলৈ সি ৰ'ল। আপং বাটি লাহে লাহে খালে। পানৈৰে অদূৰৰ পকা ধাননিৰ ওপৰত গৈ কাঁচি চলাবলৈ আৰম্ভ কৰিলে। সি অতীষ্ঠ হৈ চিঞৰি উঠিল—হেই বাঘেখাতী, কি কৰ?

তোৰ মূৰ।—বুলি তাই চিঞৰি দিলে।

সি আপং বাটি পি অঁতাই দৌৰি গৈ তাইৰ কাঁচিত ধৰিলেগৈ।—পিতাৰে খং কৰিব।

পিতালৈ বাট চালে কাম চৰায়ে ধান খাই খাস্তাং কৰিব। ধান কাটিব পৰা হৈছে। তয়ো কাট, ময়ো কাটো।

সি এইবাৰ পতিয়ন গ'ল। পানৈজনীৰ বুদ্ধি আছে দেখিছোঁ। সি  লাহেকৈ তাইৰ গালত চাপৰ এটি মাৰি আঁতৰি গৈ বাকী থকা কাঁচিখন হাতত তুলি ল'লৈগৈ।

সশব্দে কাঁচি চলিবলৈ ধৰিলে। চাৰি ঘণ্টামান একেৰাহে দুয়োটাই ধান কাটিলে; তাৰ পাছত আদেশৰ সুৰেৰে তাই তাক ক'লে—তই ধানবোৰ বান্ধ। সি অনুগতৰ দৰে তাইৰ কথা শুনি ধানৰ থোকবোৰ গোটাই মুঠি মুঠিকৈ ওচৰৰ পৰি থকা দীঘল বনেৰে বান্ধিবলৈ ধৰিলে।

আকৌ ধান কটা আৰু মুঠি বন্ধাৰ কাম চলিল পূৰা দুঘণ্টা।

কামৰ সময়ত দুয়ো দুফালে বহু দূৰ আঁতৰি গৈছিলগৈ। শোন্তিয়ে সকৃতজ্ঞ দৃষ্টিৰে পানৈলৈ মাজে মাজে চাই হাঁহি তাইক উছাহ দিছিল। তায়ো তাৰ ফালে চাই মিচিক্ মিচিক্ হাঁহিছিল।

ধান আঠ ডৰামান কটা হ'লত সি ক'লে—এই, আপং দেচোন, খাওঁ। তাইৰো ভাগৰ লাগিছিল, সেই বাবে নিঃশব্দে তাই আহি কলহৰ ওচৰত বহি বহি আপং বাকিলে। সিও কাষ চাপি আহি তাইৰ গাত গা লগাই বহিলহি। দুয়োটাৰ দেহৰ পৰা ঘামৰ গোন্ধ ওলাইছিল। তাইৰ ৰঙা গাল দুখন লোভনীয়

হৈ পৰিছিল। সি অধীৰ ভাবেৰে আপং বাটিলৈ অপেক্ষা কৰি ৰ'ল। তাই আপং বাটি লৈ তাক দিওঁতে হঠাতে সি মন কৰিলে তাইৰ বুকুৰ ব্লাউজটোৰ ভিতৰেদি গোটেই পিয়াহজুৰি ধুনীয়া হৈ উচলি পৰিছে। আপং বাটি পি খাই সি লাহে লাহে তাইৰ কান্ধত হাতখন থৈ সুধিলে—তই মোৰ হবিনে?

—তই জানো মোক বিয়া কৰাব পাৰিবি?

—কেলেই?

—তহঁত যে হিন্দু মানুহ।

—কি জগৰ লাগিল। মোৰতো জাত নাই।

তাই নীৰলে তাৰ ফালে চালে। একো নক'লে। সি লাহে লাহে তাইৰ বুকুৰ ওচৰলৈ টানি আনি তাইৰ ওঁঠযুৰিত তাৰ ওঁঠযুৰি লগাই দিলে।

সিহঁত যেতিয়া থিয় হৈছে, তেতিয়া কাম চৰাইৰ কুঁ-কুৰনিত বাদে আন একো শব্দই শুনা নগৈছিল।

শোন্তিয়ে হঠাতে ক'লে—পানৈ।

পানৈয়ে সুধিলে—কি?

শোন্তিয়ে এটা দীঘলীয়া উত্তৰ দিলে। শোন্তিয়ে জীৱনৰ স্বপ্ন দেখিছিল। পথাৰৰ ধানৰ বুকুত তাৰ ঘৰৰ স্বপ্ন জাগি উঠিছিল। ধান চপাই নি সি পাহবৰৰ ঘৰতে থ'ব। ধান চপাই সি এটা চাংঘৰ বান্ধিব। আৰু অহা ব'হাগত সিহঁতৰ বিয়াখন পাতিব। সি আৰু তাই মনৰ সুখেৰে থাকিব। সিহঁতৰ ল'ৰা-ছোৱালী হ'ব।

শোন্তিৰ জীৱনৰ শিয়া উঘালি দিছিল পৰিৱেশে। আজি মাটিত আকৌ শিয়া লাগিব খুজিছে। বনৰীয়া জীৱনৰ পৰালি পৰিছে। সি এইবাৰ মানুহ হ'ব।

পানৈয়ে শোন্তিৰ নীৰৱ মুখখনলৈ চাই যেন ক'ব খুজিলে—বাৰু সেয়ে হ'ব। (১৯৫৪ চন)

* * *

# সমাপ্ত

*Digitized by:*

Nibir Borpuzari

for

http://blogasom.blogspot.com

For more free eBooks like this keep on visiting BLOG অসম. Contribute your ebooks or other contents by mailing at-

nibirborpuzari@gmail.com